PGAS S4 01
Exam Code- 124N

লিপি আৰু পাঠ সমীক্ষা

চতুর্থ ষাণ্মাসিক

অসমীয়া



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **মালিনী গোস্বামী,** অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **উপেন ৰাভা হাকাচাম,** অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **খগেশ সেন ডেকা, (অৱসৰপ্রাপ্ত)** সহযোগী অধ্যাপক, পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১,২,৪ আৰু **৫**	**ড° বর্ণালী ডেকা,** পূব কামৰূপ মহাবিদ্যালয়
৩	**ড° বর্ণালী ডেকা,** পূব কামৰূপ মহাবিদ্যালয় **অর্ণৱ শর্মা,** এছ্ বি দেওৰা মহাবিদ্যালয়
৬ আৰু ৭	**ডঃ ভাস্কৰজ্যোতি শর্মা,** আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম
৮, ৯, ১০, ১১, ১২, ১৩ আৰু ১৪.	**ড° মঞ্জু গোস্বামী,** আর্য বিদ্যাপীঠ মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	**ড° খগেশ সেন ডেকা,** পূব কামৰূপ মহাবিদ্যালয় (অধ্যায় ঃ ৮,৯,১০,১২, ১৩ আৰু ১৪) **ড° ভাস্কৰজ্যোতি শর্মা,** আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম (অধ্যায় ঃ ১,২,৩,৪ আৰু ৫) **ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (৬, ৭ আৰু ১১)
গাঁথনিক সম্পাদনা	ঃ	**ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ ডিচেম্বৰ, ২০১৮, **দ্বিতীয় প্রকাশ ঃ চেপ্তেম্বৰ,** ২০২১
ISBN : 978-93-87940-65-9
© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/ For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।
এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in
মহানগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২

পাঠ্যবিষয়ৰ পৰিচয় ঃ লিপি আৰু পাঠ সমীক্ষা

এইখন স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষাণ্মাসিকৰ সংশোধিত আৰু পৰিবৰ্ধিত প্ৰথম পাঠ্যবিষয়। পাঠ্যবিষয়ৰ শিৰোনাম 'লিপি আৰু পাঠ সমীক্ষা'। চতুৰ্থ ষাণ্মাসিকৰ উভয় সাহিত্য আৰু ভাষা শাখাৰ শিক্ষাৰ্থীয়ে সাধাৰণ পাঠ্যবিষয় হিচাপে এইখন পঢ়িব লাগিব। ইতিমধ্যে শিক্ষাৰ্থীয়ে সাহিত্যৰ মৌখিক আৰু লিখিত ধাৰাৰ সাহিত্যৰ লগত পৰিচিত হৈছে। এতিয়া মানুহৰ মনৰ এই ভাব-অনুভূতিক গঢ় দিয়াত লিপিয়েনো কি ভূমিকা গ্ৰহণ কৰিছিল তাৰ আলোচনা ইয়াত কৰা হৈছে। তাৰ লগতে পুৰণি পুথি আৰু অন্যান্য ৰচনাসমূহৰ পাঠ সমীক্ষা আৰু তাৰ লগত জড়িত তাৎপৰ্যপূৰ্ণ দিশসমূহৰ আলোচনাও এই পাঠ্যবিষয়ত সন্নিৱিষ্ট হৈছে। লিপিৰ পাঠকেইটা প্ৰস্তুত কৰোঁতে নাৰায়ণ দাসৰ *বিশ্ব লিপিৰ ভূমিকাখন* প্ৰধান হাতপুথি হিচাপে গ্ৰহণ কৰা হৈছে।

পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়টিৰ নাম 'লিপি ঃ সাধাৰণ পৰিচয়'। ইয়াত লিপিৰ সংজ্ঞা আগবঢ়োৱাৰ লগতে লিপিৰ বিকাশৰ স্তৰসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। দ্বিতীয় অধ্যায়ৰ শিৰোনাম 'ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ---(১)।' ইয়াত ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ ইতিহাস সম্পৰ্কে আলোচনা সন্নিৱিষ্ট হোৱাৰ লগতে ব্ৰাহ্মী লিপি আৰু খৰোষ্ঠী লিপিৰ সম্যক পৰিচয় আগবঢ়োৱা হৈছে। তৃতীয় অধ্যায় 'ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ - (২)'ত দ্বিতীয় অধ্যায়টোৰ কথাখিনি আগবঢ়াই নিয়া হৈছে আৰু বানমুখ লিপি, সিন্ধু লিপি, কুষাণ লিপিকে আদি কৰি ভালেকেইটা লিপিৰ পৰিচয় আগবঢ়োৱা হৈছে। অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ আলোচিত হৈছে পাঠ্যবিষয়ৰ চতুৰ্থ অধ্যায়ত। পঞ্চম অধ্যায় 'অসমীয়া অনুশাসন অধ্যয়ন'ত কেইখনমান উল্লেখযোগ্য অনুশাসনৰ বিষয়ে মনোজ্ঞ আলোচনা আগবঢ়োৱা হৈছে। সেই অধ্যয়নৰ মাজেদিও অসমীয়া লিপিৰ ক্ৰমবিকাশৰ সম্পৰ্কে ভালেখিনি গুৰুত্বপূৰ্ণ দিশ পোহৰলৈ আহিছে। আজিৰ অসমীয়া ৰাইজে আমাৰ ভাষাৰ যি ছপা লিপি দেখিছো, যি ছপা লিপি আমাৰ দৈনন্দিন জীৱনৰ এটা অংশ স্বৰূপ হৈ পৰিছে তাৰো এক ইতিহাস আছে। সেই ইতিহাসৰ কথা ক্ৰমে ষষ্ঠ আৰু সপ্তম অধ্যায় 'আধুনিক অসমীয়া ছপা লিপিৰ ক্ৰমবিকাশ (ধৰ্ম্মপুস্তকৰ পৰা জোনাকীলৈ) - (১) আৰু 'আধুনিক অসমীয়া ছপা লিপিৰ ক্ৰমবিকাশ (জোনাকীৰ পৰৱৰ্তী সময়ৰ পৰা বৰ্তমানলৈকে) - (২)' -ত আলোচনা কৰা হৈছে।

অষ্টম অধ্যায়ৰ শিৰোনাম 'পাঠ সমীক্ষা ঃ সাধাৰণ পৰিচয়'। ইয়াত পাঠ সমীক্ষাৰ সাধাৰণ ধাৰণা আগবঢ়োৱা হৈছে। নৱম অধ্যায়ত হৈছে -- ''পাঠ-সম্প্ৰেৰণ প্ৰক্ৰিয়া'। এইটো অধ্যায়ৰ মাজেদি পুৰণি পুথিৰ সাধাৰণ বৈশিষ্ট্য, লিখন সামগ্ৰী আৰু লিপিকাৰৰ বিষয়ে প্ৰয়োজনীয় তথ্য লাভ কৰিব। দশম অধ্যায় 'পাঠ-প্ৰমাদ'ত পাঠ-প্ৰমাদৰ অৰ্থ, পাঠ-প্ৰমাদৰ কাৰণসমূহ আৰু পাঠ-প্ৰমাদৰ নিৰাকৰণ কি দৰে কৰিব পাৰি তাৰ সম্যক আলোচনা আগবঢ়োৱা হৈছে। একাদশ অধ্যায়ৰ শিৰোনাম 'পাঠ-সমীক্ষাৰ পৰিসৰ আৰু প্ৰয়োজনীয়তা'। ইয়াত পাঠ সমীক্ষাৰ পৰিসৰ সম্পৰ্কে ধাৰণা আগবঢ়োৱাৰ লগতে পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কেও আলোচনা আগবঢ়োৱা হৈছে। দ্বাদশ অধ্যায়ৰ শিৰোনাম 'পাঠ-সমীক্ষ পদ্ধতিৰ ক্ৰমবিকাশ ঃ ভাৰতীয় আৰু ইউৰোপীয় ধাৰণা।' ইয়াত ভাৰতীয় আৰু ইউৰোপীয় প্ৰেক্ষাপটত পাঠ-সমীক্ষাৰ ক্ৰমবিকাশ কি দৰে হৈছিলে তাৰ মনোজ্ঞ আলোচনা আছে। ত্ৰয়োদশ অধ্যায়ৰ শিৰোনাম 'পাঠ-সমীক্ষাৰ আধুনিক পদ্ধতি (চাৰিটা স্তৰ)'। ইয়াত পাঠ-সমীক্ষাৰ আধুনিক পদ্ধতিৰ অন্তৰ্গত দিশসমূহৰ বিচাৰ আৰু পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা তথা উপস্থাপন পদ্ধতি সম্পৰ্কে আলোচনা আগবঢ়োৱা হৈছে। চতুৰ্দশ তথা শেষ অধ্যায় হৈছে 'অসমত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা আৰু পৰম্পৰা'। ইয়াত অসমীয়া প্ৰাচীন পুথিৰ পাঠ আৰু তাৰ সমীক্ষা তথা অসমীয়া সাহিত্যত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তাৰ কথা দোহৰা হৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিৱিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল ' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা 'চিন্তা-চৰ্চা কৰক'সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্ৰগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্ৰগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ লিপি ঃ সাধাৰণ পৰিচয় ৭ - ১৭

লিপি আৰু লিপিৰ সংজ্ঞা; লিপি বিকাশৰ বিভিন্ন স্তৰ ঃ চিত্র লিপি, ভাব লিপি, ভাব-ধ্বনিমূলক লিপি; ধ্বনিমূলক লিপি

অধ্যায় ২ ঃ ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ - (১) ১৮ - ২৯

ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ ঃ ব্রাহ্মী লিপি, খৰোষ্ঠী লিপি

অধ্যায় ৩ ঃ ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ - (২) ৩০ - ৪৫

বাণমুখ লিপি, সিন্ধু লিপি, কুষাণ লিপি, গুপ্ত লিপি, সিদ্ধমাতৃকা লিপি, কুটিল লিপি প্রাদেশিক লিপি

অধ্যায় ৪ ঃ অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ ৪৬ - ৫৯

অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ ঃ পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি, মধ্যযুগীয় অসমীয়া লিপি, আধুনিক অসমীয়া লিপি

অধ্যায় ৫ ঃ অসমীয়া অনুশাসন অধ্যয়ন ৬০ - ৬৯

গছতল স্তম্ভলিপি; নীলাচল কামাখ্যা মন্দিৰৰ শিলৰ ফলি; বাঁহগড়ীয়া বুঢ়াগোহাঞিৰ ৰণ-জয়ৰ শিলৰ ফলি; চামধৰা গড়ৰ ৰণ-জয়ৰ শিলৰ ফলি

অধ্যায় ৬ ঃ আধুনিক অসমীয়া ছপা লিপিৰ ক্রমবিকাশ (ধর্মপুস্তকৰ পৰা জোনাকীলৈ) (১) ৭০ - ৭৭

ঊনবিংশ শতিকাৰ অসমীয়া লিপি আৰু ধর্ম্মপুস্তক, আধুনিক অসমীয়া লিপিৰ উন্মোষ আৰু ধর্ম্মপুস্তকৰ অসমীয়া লিপি

অধ্যায় ৭ ঃ আধুনিক অসমীয়া ছপালিপিৰ ক্রমবিকাশ (জোনাকীৰ পৰৱর্তী সময়ৰ পৰা বর্তমানলৈকে) - (২) ৭৮ - ৮৮

আধুনিক অসমীয়া ছপালিপিৰ ক্রমবিকাশঃ কম্পিউটাৰত ব্যৱহৃত অসমীয়া লিপি, ইউনিক'ড আৰু লিপিৰ মাজৰ সম্পর্ক

অধ্যায় ৮ ঃ পাঠ-সমীক্ষা ঃ সাধাৰণ পৰিচয় ৮৯ - ৯৪

পাঠ-সমীক্ষাৰ ঃ সাধাৰণ পৰিচয়

অধ্যায় ৯ ঃ পাঠ-সম্প্রেৰণ প্রক্রিয়া ৯৫ - ১০৪

পুৰণি পুথিৰ সাধাৰণ বৈশিষ্ট্য, লিখন সামগ্রী আৰু লিপিকাৰ

অধ্যায় ১০ ঃ পাঠ-প্ৰমাদ **১০৫ - ১১৩**

পাঠ-প্ৰমাদৰ অৰ্থ, পাঠ-প্ৰমাদৰ বিভিন্ন কাৰণসমূহ, পুৰণি পুথি আৰু পাঠ-প্ৰমাদ
পাঠ-প্ৰমাদৰ নিৰাকৰণ

অধ্যায় ১১ ঃ পাঠ-সমীক্ষাৰ পৰিসৰ আৰু প্ৰয়োজনীয়তা **১১৪- ১২২**

পাঠ-সমীক্ষাৰ পৰিসৰ, পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা আৰু বিশ্লেষণ

অধ্যায় ১২ ঃ পাঠ-সমীক্ষাৰ পদ্ধতি ক্ৰমবিকাশ ঃ ভাৰতীয় আৰু ইউৰোপীয় ধাৰণা **১২৩- ১৩৫**

পাঠ-সমীক্ষা পদ্ধতিৰ ক্ৰমবিকাশঃ ভাৰতীয় প্ৰেক্ষাপটত, ইউৰোপীয় প্ৰেক্ষাপট,
পাঠ-সমীক্ষা আৰু ভাৰতত ইয়াৰ স্বৰূপ

অধ্যায় ১৩ ঃ পাঠ-সমীক্ষাৰ আধুনিক পদ্ধতি (চাৰিটা স্তৰ) **১৩৬- ১৪৬**

পাঠ-সমীক্ষাৰ আধুনিক পদ্ধতিৰ অন্তৰ্গত দিশসমূহৰ বিচাৰ, পাঠ-সমীক্ষাৰ
প্ৰয়োজনীয়তা আৰু উপস্থাপন পদ্ধতি

অধ্যায় ১৪ ঃ অসমত পাঠ-সমীক্ষা ঃ প্ৰয়োজনীয়তা আৰু পৰম্পৰা **১৪৭- ১৫৭**

অসমত পাঠ-সমীক্ষাৰ ঐতিহাসিক প্ৰেক্ষাপটত, অসমীয়া প্ৰাচীন পুথিৰ পাঠ
আৰু তাৰ সমীক্ষা, অসমীয়া সাহিত্যত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা

প্ৰসঙ্গ পুথি **১৫৮ - ১৫৯**

অধ্যায় ১ ঃ লিপি ঃ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ লিপি আৰু লিপিৰ সংজ্ঞা

১.৪ লিপি বিকাশৰ বিভিন্ন স্তৰ

১.৪.১ চিত্ৰ লিপি

১.৪.২ ভাব লিপি

১.৪.৩ ভাব-ধ্বনিমূলক লিপি

১.৪.৪ ধ্বনিমূলক লিপি

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১.৮ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- লিপি বিকাশৰ বিভিন্ন স্তৰৰ বিষয়ে জানিব পাৰিব
- লিপি বিকাশৰ বিভিন্ন স্তৰ যেনে— চিত্ৰ লিপি, ভাব লিপি, ভাব-ধ্বনিমূলক লিপি আৰু ধ্বনিমূলক লিপিৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া, চতুৰ্থ ষাণ্মাসিকৰ 'লিপি আৰু পাঠ-সমীক্ষা' শিৰোনামৰ প্ৰথম পাঠ্যবিষয় অৰ্থাৎ সাধাৰণ পাঠ্যবিষয়ৰ এইটো প্ৰথম অধ্যায়। অধ্যায়টোৰ নাম 'লিপি ঃ সাধাৰণ পৰিচয়'। আপুনি নিশ্চয় এই বিষয়ে অৱগত যে মানুহে ভাষা ক'বলৈ মুখেৰে উচ্চাৰণ কৰা ধ্বনিসমূহক যি প্ৰতীকচিহ্ন বা ৰেখাচিত্ৰৰ সহায়ত লিখা বা অংকন কৰা হয় তাকে লিপি বোলে। লিপিক বাণী বা ভাষাৰ লৈখিক প্ৰতিৰূপ বুলিব পাৰি। জীৱশ্ৰেষ্ঠ মানুহৰ একক আৰু অমূল্য সম্পদ হৈছে ভাষা। ভাষাৰ বাবেই মানুহ অন্যান্য জীৱৰ পৰা পৃথক এক জৈৱ-প্ৰজাতি হিচাপে পৰিগণিত হৈছে। মানৱ-সভ্যতাৰ বিকাশত ভাষাৰ, বিশেষকৈ ইয়াৰ লিখিত ৰূপটোৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। মৌখিক ভাষা লিখিত ৰূপলৈ পৰিৱৰ্তিত হোৱা ঘটনাটোক, অৰ্থাৎ ভাষা লিখিবলৈ ব্যৱহাৰ কৰা প্ৰতীকচিহ্ন বা লিপিৰ উদ্ভৱক সভ্যতাৰ জখলাত মানুহৰ প্ৰথমটো খোজ বুলি

ক'লেও বোধহয় বঢ়াই কোৱা নহয়। লিপিৰ অধ্যয়ন কিয় অতিশয় গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত, সেই বিষয়ে বোধহয় আপুনি এতিয়া হৃদয়ংগম কৰিব পাৰিছে। আপোনাৰ পাঠ্যক্ৰমত লিপি বিষয়ক অধ্যয়ন অন্তৰ্ভুক্ত হোৱাৰ সেইটোৱেই ঘাই কাৰণ।

১.৩ লিপি আৰু লিপিৰ সংজ্ঞা

আপোনাক পুনৰ সোঁৱৰাই থওঁ যে, লিপি মানে হ'ল মানুহে মুখেৰে উচ্চাৰণ কৰা ধ্বনিসমূহক প্ৰতিনিধিত্ব কৰা প্ৰতীকচিহ্ন বা ৰেখাচিত্ৰ। 'লিপি' অভিধাটিৰ প্ৰথম প্ৰয়োগ মহৰ্ষি পাণিনিৰ *অষ্টাধ্যায়ী* নামৰ ব্যাকৰণ পুথিত পোৱা যায়। সংস্কৃত 'লিপ্' ধাতুৰ লগত '-ইন্' প্ৰত্যয় যোগ হৈ 'লিপি' শব্দটো গঠিত হৈছে। ইয়াৰ ব্যুৎপত্তিগত অৰ্থ হৈছে ব্যক্ত বাণীৰ লৈখিক ৰূপ। লিপিৰ বাবেই লিখিত সাহিত্য মৌখিক সাহিত্যৰ পৰা পৃথক হৈছে। কাৰণ, লিপি অবিহনে মানুহৰ মুখেৰে উচ্চাৰিত ব্যক্ত বাণী বা ভাষাৰ লিখন কাৰ্য একো কাৰণতে সম্ভৱ নহ'লহেঁতেন। অৰ্থাৎ, লিখিত ভাষাৰ মূল ভিত্তি হৈছে লিপি; আনহাতে, কথিত ভাষা ধ্বনিৰ ওপৰত নিৰ্ভৰশীল। কোনো নিৰ্দিষ্ট সময়ৰ ঘটনা বা মনৰ ভাব ভৱিষ্যতলৈ সংৰক্ষণ কৰি ৰখাৰ উদ্দেশ্যেৰেই সম্ভৱতঃ ভাষাৰ লিখন কাৰ্যৰ আৰম্ভণি ঘটিছিল আৰু মুখেৰে উচ্চাৰিত মনৰ ভাব বহনকাৰী ধ্বনি-পদ্ধতিক লিখিত ৰূপ দিবলৈ যাওঁতে লিপিৰ সৃষ্টি হৈছিল।

পৃথিৱীৰ প্ৰায় সকলো ঠাইতে লিপিৰ উদ্ভৱকৰ্তা স্বয়ং ভগৱান বুলি এক জনবিশ্বাস আছে। প্ৰকৃতপক্ষে, আদিম মানুহৰ মনোভাৱ তথা ধ্যান-ধাৰণাৰ সুসংৰক্ষণৰ প্ৰয়োজন পূৰণাৰ্থে এক সুদীৰ্ঘ প্ৰচেষ্টাৰ অন্ততহে লিপিৰ জন্ম আৰু বিকাশ সম্ভৱ হৈ উঠিছিল। পোনতে সভ্যতাৰ পোহৰ নেদেখা মানৱ প্ৰজাতিয়ে চকুৰে দেখা নতুন নতুন বস্তুবোৰৰ ছবি পৰ্বত-পাহাৰ, শিল, গছ-গছনি আদিৰ গাত অংকন কৰি সংৰক্ষণৰ প্ৰয়াস কৰিছিল। পৰৱৰ্তী সময়ত হাততে পোৱা কাঠ, জন্তুৰ ছাল আদি বিভিন্ন বস্তুৰ পৃষ্ঠভূমিক লিখাৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰি তেওঁলোকৰ মনৰ ভাব ব্যক্ত কৰাৰ পথ উলিয়াই লৈছিল। কিন্তু সময়ৰ আঁচোৰত পুৰণি লিখন সামগ্ৰীবোৰৰ ঠাইত উন্নত মানৰ নতুন সামগ্ৰী ব্যৱহাৰ হ'বলৈ লয়। মুঠতে, খ্ৰীঃপূঃ ৬০০০ মান বছৰৰ আশে-পাশে লিপিৰ জন্ম আৰু বিকাশ হৈছিল বুলি পণ্ডিতসকলে অনুমান কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'লিপি'ৰ এটা গ্ৰহণযোগ্য সংজ্ঞা নিৰূপণ কৰক আৰু লিপিৰ উদ্ভৱ সম্পৰ্কে চমুকৈ আলোচনা কৰক।

(১০০টা শব্দৰ ভিতৰত)

.....

১.৪ লিপিৰ বিকাশৰ বিভিন্ন স্তৰ

লিপিৰ উদ্ভৱ ক'ত, কেতিয়া, কেনে পৰিস্থিতিত হৈছিল সেই সম্পর্কে ইতিহাস সমূলি নিমাত। আদিম মানৱে খাদ্য সংগ্রহকাৰী স্তৰত জীৱ-জন্তু চিকাৰ কৰি, প্রকৃতিৰ বুকুৰ পৰা ফল-মূল আহৰণ কৰি জীৱন নির্বাহ কৰাৰ কথা আপুনি নিশ্চয় জানে। এই কালত প্রকৃতিৰ বুকুত সংঘটিত দুর্যোগৰ পৰা হাত সাৰিবলৈহে পর্বত-পাহাৰৰ গুহা, গছৰ ধোন্দ আদিত আশ্রয় লৈছিল। প্রকৃতিৰ বিভিন্ন পৰিঘটনাক তেওঁলোকে ভয়মিশ্রিত কৌতূহলী দৃষ্টিৰে লক্ষ্য কৰিছিল। এই কৌতূহলৰ স্মৃতি সজীৱ কৰি ৰাখিবৰ বাবে তেওঁলোকে শিলৰ মসৃণ পিঠিত, গুহাৰ বেৰত বিভিন্ন চিত্র অংকন কৰি ৰাখিছিল। এনেদৰে তেওঁলোকে প্রকৃতিৰ বিভিন্ন সম্পদ— জোন, বেলি, তৰা; চিকাৰ কৰোঁতে পোৱা বিভিন্ন জীৱ-জন্তু; বাস্তৱ জীৱনত ঘটা বিবিধ ঘটনা আদি চিত্রায়িত কৰাৰ প্রয়াস কৰিছিল। দৰাচলতে মানৱ-সভ্যতাৰ বিৱর্তনত মনৰ ভাব ধৰি ৰাখিবলৈ লিপিৰ অংকুৰণ এনে চিত্রবোৰৰ জৰিয়তেই আৰম্ভ হৈছিল।

মানৱ সমাজত অতি পুৰণি কালৰে পৰা স্মৃতি-সংৰক্ষণৰ বাবে ফিটা, ৰছী, ৰুমাল, গামোচা, চাদৰ আদিত গাঁথি দিয়া, বেৰত দাগ দিয়া আদি পদ্ধতিৰ প্রচলন হৈ আহিছে। আনকি বর্তমান সময়তো পৃথিৱীৰ বিভিন্ন স্থানত এনে পদ্ধতিৰ প্রয়োগ লক্ষ্য কৰা হয়। মনৰ ভাব ধৰি ৰাখিবৰ বাবে ব্যৱহাৰ কৰা এই পদ্ধতিবোৰক গ্রন্থিলিপি আখ্যা দিয়া হৈছে। আপুনি নিশ্চয় অৱগত যে 'গ্রন্থি' শব্দই 'গাঁথি' বুজায়। কাপোৰ, ফিটা, ৰছী আদিত মৰা এনে গাঁথিয়ে মানুহক প্রাচীন কালত কৰিবলগীয়া বিভিন্ন কামৰ কথা মনত পেলাই দিছিল। দক্ষিণ আমেৰিকাৰ পেৰুত ৰছীত বিভিন্ন ৰং লগাই, ৰছী বা চামৰাৰ ফিটাত ভিন্ন ৰঙৰ সূতা বা মণি আৰি দি, দীঘল কাঠ বা বাঁহৰ মাৰিত ভিন্ ভিন্ ৰঙৰ ৰছী লগাই সেইবোৰত গাঁথি দি একেডাল ৰছীতে কেইবাটাও গাঁথি দি বিভিন্ন বিষয়, ঘটনা আদি মনত ৰখাৰ উপায় উদ্ভাৱন কৰি লোৱাৰ কথা জানিব পৰা যায়। সাধাৰণতে ৰঙা ৰঙৰ ৰছীয়ে সৈনিকৰ, হালধীয়া ৰঙৰ ৰছীয়ে সোণৰ আৰু বগা ৰঙৰ ৰছীয়ে বিয়াৰ অর্থ বুজাইছিল। তদুপৰি, এটা গাঁথিয়ে ১০, দুটাই ২০, একোছাই ১০০, দুকোছাই ২০০, এনে সংখ্যা বুজাইছিল। পেৰুত এনে পদ্ধতিক 'কিপাচ', 'কুইপাচ', 'কুইপু' আদি নামেৰে জনা যায়। একেদৰে, উত্তৰ আমেৰিকাৰ 'ইৰোকাৱা' নামৰ আদিবাসীসকলৰ মাজত প্রচলিত 'ৱামপুম' নামৰ সাংকেতিক পদ্ধতিটো গ্রন্থিলিপিৰ সমপর্যায়ৰ। 'ৱামপুম' হ'ল শামুকৰ খোলাৰে তৈয়াৰী এক প্রকাৰৰ টঙালি। ইয়াত থকা খোলাবোৰৰ গঁথা আৰু সজোৱাৰ কৌশলত মনৰ ভাব বা বক্তব্য বিষয় লুকাই থাকে। টাংগানিকাৰ মকোদে জনগোষ্ঠীৰ মাজত ছালৰ ৰছীত গাঁথি দি উল্লেখযোগ্য ঘটনাৰ স্মৃতি সংৰক্ষণ কৰা আৰু সময় গণনা কৰা নিয়ম বহুকালৰ পৰা প্রচলিত। দক্ষিণ আমেৰিকাৰ ইন্কা সাম্রাজ্যৰ বিভিন্ন অঞ্চলত গ্রন্থিলিপিৰ লেখীয়া কেতবোৰ নিদর্শন উদ্ধাৰ হোৱা কথায়ো মানুহৰ মনৰ ভাব প্রকাশ কৰিবলৈ কিছুমান নির্দিষ্ট উপায় দূৰ অতীতৰে পৰা ব্যৱহাৰ হৈ অহাৰ ইংগিত বহন কৰে। খ্রীঃ পূঃ ৪৯৮ত গ্রীক ইতিহাসবিদ হেৰোডোটাছৰ ডেৰিয়াছৰ চাইথিয়া আক্রমণৰ বর্ণনাত গ্রন্থিলিপি বিষয়ক তথ্যৰ উল্লেখ পোৱা যায়। লিপি বিশেষজ্ঞ নাৰায়ণ দাসে উল্লেখ কৰা মতে, ডেৰিয়াচে নিজৰ সৈন্যসকলক এডাল গাঁথিযুক্ত ৰছী

দি কৈছিল যে 'তোমালোকে প্ৰতিদিনে ইয়াৰ এটাকৈ গাঁথি খুলিবা। অন্তিম গাঁথিটো খুলিবৰ দিনাও যদি মই উভতি নাহো, তেন্তে তোমালোকে দলংখন ভাঙি ঘৰলৈ উভতি যাবা।' গ্ৰন্থিলিপিৰ জৰিয়তে ব্যৱসায়-বাণিজ্যৰ সৈতে জড়িত বিভিন্ন কাৰ্যও সম্পাদন কৰা হৈছিল।

গ্ৰন্থি বা গাঁথিৰ জৰিয়তে মনৰ ভাব বা স্মৃতি সংৰক্ষণ কৰি ৰখাৰ দৰে মানুহে বিভিন্ন প্ৰতীকৰ সহায়তো সেই কাৰ্য সম্পাদন কৰা দেখা যায়। নামনি অসমত নৱজাতকৰ মংগল কামনা কৰি 'জ্বলাবটা' (জলকীয়া পটাত পিচি বা খুন্দি তেল-মছলা আদিৰে কৰা মিশ্ৰণ), নিমখ আৰু মাছ বিতৰণ কৰা নিয়ম প্ৰচলিত। অসমীয়া সমাজত তামোল-পাণ দি বিয়ালৈ নিমন্ত্ৰণ কৰা হয়। আকৌ, ফতেহপুৰৰ উচ্চ হিন্দুসকলে হালধিৰে ছোৱালীৰ আৰু চুপাৰীৰে ল'ৰাৰ বিয়ালৈ নিমন্ত্ৰণ জনায়। কোনো বিশিষ্ট ব্যক্তিৰ মৃত্যুৰ বাতৰি খবৰ-কাগজত প্ৰকাশ কৰোঁতে সেই বিশেষ বাতৰিটোৰ চাৰিওকাষে ক'লা আঁচ টানি দিয়া হয়। কোনো বিশিষ্ট ব্যক্তিৰ মৃত্যুত ৰাষ্ট্ৰীয় পতাকা কেইটামান নিৰ্দিষ্ট দিনলৈ অৰ্ধনমিত কৰি ৰখা হয়। ৰেলগাড়ীৰ যাতায়তত ৰঙা আৰু সেউজীয়া ৰঙৰ নিচানৰ ব্যৱহাৰ অপৰিহাৰ্য। এই ক্ষেত্ৰত ৰঙা ৰঙে ৰেলগাড়ী ৰখোৱাৰ আৰু সেউজীয়া ৰঙে যাবলৈ দিয়াৰ ইংগিত বহন কৰে। বিমান বন্দৰৰ ওচৰে-পাঁজৰে ওখ ঠাইবোৰত বা টেলিফোনৰ টাৱাৰ আদিত দিয়া ৰঙা লাইটে বিপদৰ ইংগিত দিয়ে। চাৰিআলি একোটাত আৰক্ষীয়ে হস্তমুদ্ৰাৰে মটৰ গাড়ীৰ যাতায়াত নিয়ন্ত্ৰণ কৰে। দূৰৈত থকা লোক এজনে নিজৰ মনোভাৱ ব্যক্ত কৰিবলৈ বিভিন্ন ইংগিত ব্যৱহাৰ কৰে। দৰাচলতে এই আটাইবোৰেই ভাব প্ৰকাশৰ একোটাহঁত প্ৰতীক মাথোন। এনেদৰে মনৰ ভাব প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা প্ৰতীকী পদ্ধতিটোক প্ৰতীকাত্মক লিপি বুলিব পাৰি।

লিপিৰ ইতিহাস নিৰ্ণয়ত গ্ৰন্থিলিপি আৰু প্ৰতীকাত্মক লিপিৰ আলোচনা যদিও গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত, সেয়ে হ'লেও, এই দুই প্ৰকাৰৰ লিপিক প্ৰকৃত লিপিৰ মৰ্যাদা দিয়া হোৱা নাই। সেই হেতুকে গ্ৰন্থিলিপি আৰু প্ৰতীকাত্মক লিপিক লিপিৰ বিকাশৰ স্তৰ বিভাজনৰ অন্তৰ্ভুক্ত কৰা নহয়। বৰং এইবোৰক মানুহৰ ভাব-সংৰক্ষণৰ এক আহিল মাত্ৰ বুলিহে গণ্য কৰা হৈছে। তথাপি, বিকাশৰ বুৰঞ্জীত বিশেষ গুৰুত্ব নাপালেও, এই কথা অনস্বীকাৰ্য যে, লিপিৰ উদ্ভৱ আৰু বিকাশৰ এইয়াই আছিল প্ৰস্তুতি পৰ্ব।

সি যি কি নহওক, লিপি বিশেষজ্ঞসকলে উদ্ভৱ কালৰে পৰা বৰ্তমানলৈকে লিপিৰ বিকাশৰ ইতিহাসক নিম্নোক্ত স্তৰকেইটাত বিভক্ত কৰিছে—

ক) চিত্ৰ লিপি,

খ) ভাব লিপি,

গ) ভাব-ধ্বনিমূলক লিপি আৰু








ঘ) ধ্বনিমূলক লিপি।

১.৪.১ চিত্ৰ লিপি

আপুনি বোধহয় অনুমান কৰিব পাৰিছে যে বিভিন্ন প্ৰকাৰৰ চিত্ৰৰ সহায়ত

মনৰ ভাব ধৰি ৰখা পদ্ধতিকে সাধাৰণভাৱে চিত্ৰ লিপি বোলা হৈছে। ইয়াক মানুহৰ লেখন-কলাৰ প্ৰাৰম্ভিক স্তৰ বুলিব পাৰি। আদিম মানুহে প্ৰকৃতিৰ বিভিন্ন উপাদানৰ প্ৰতি কৌতূহলী হৈ সেইবোৰৰ চিত্ৰ আঁকিবলৈ যত্ন কৰিছিল। সেইবোৰৰ ভিতৰত বিভিন্ন জীৱ-জন্তুৰ অৱয়ব তথা বিবিধ প্ৰকাৰৰ ৰৈখিক চিত্ৰৰ কথা উনুকিয়াব পাৰি। সম্ভৱতঃ অৰণ্যবাসী তথা যাযাবৰী আদিম মানৱে চিকাৰৰ সন্ধান কৰোঁতে পোৱা জীৱ-জন্তুৰ প্ৰতিচ্ছবি স্মৰণীয় কৰি ৰাখিবলৈকে সেইবোৰৰ চিত্ৰ আঁকিবলৈ লৈছিল। সাধাৰণতে পৰ্বতৰ মসৃণ শৈলপৃষ্ঠ, গুহাৰ বেৰ, অন্য কোনো বস্তুৰ মিহি ফাল আদিত এনে চিত্ৰ অংকন কৰা হৈছিল। বাস্তৱতাৰ প্ৰতিফলন ঘটা এই চিত্ৰবোৰৰ মাধ্যমেৰে ঘাইকৈ দুটা উদ্দেশ্য সাধিত হৈছিল ঃ (ক) সুকুমাৰ চিন্তা বা সৌন্দৰ্যবোধৰ সৃষ্টি আৰু (খ) মনৰ ভাব প্ৰকাশ। আদিম গুহাবাসী মানুহে মনত উদয় হোৱা ভাবৰাশি তথা চৌপাশৰ বিভিন্ন ঘটনাৱলী চিত্ৰৰ মাধ্যমেৰে ধৰি ৰখাৰ চেষ্টা কৰাটোৱে ওপৰত উল্লেখ কৰা দ্বিতীয়টো উদ্দেশ্য সাধনৰ ইংগিত বহন কৰে। এই পদ্ধতিয়ে আদিম মানুহক এজনৰ মনৰ ভাব আন এজনলৈ প্ৰেৰণ বা সম্প্ৰসাৰিত কৰাত যথেষ্ট সহায় কৰিছিল। কোনো অখ্যাত চিত্ৰকৰে অংকন কৰা জন্তু এটাৰ ছবি দেখিয়েই প্ৰত্যক্ষদৰ্শী সংগীসকলে বুজি পাইছিল, সেয়া কিহৰ চিত্ৰ। সময়ৰ অগ্ৰগতিত চিত্ৰলিপিৰ যথেষ্ট বিকাশ ঘটে আৰু কিছু পৰিমাণে ই প্ৰতীকাত্মক হৈ পৰে। উদাহৰণস্বৰূপে 'গৰু' বুজাবলৈ পৰৱৰ্তী স্তৰত গৰুৰ সম্পূৰ্ণ ছবিখন অংকন কৰাৰ পৰিবৰ্তে কেৱল শিং দুটাৰে সৈতে মূৰটো আঁকি থোৱা হৈছিল। মেচোপটেমীয়া, গ্ৰীচ, ইটালী, ইজিপ্ত, পৰ্তুগাল, চাইবেৰীয়া, উজবেকিস্তান, চিৰিয়া, স্পেইন, ফ্ৰান্স, ব্ৰাজিল, চীন, ভাৰত আদি পৃথিৱীৰ বিভিন্ন ঠাইত চিত্ৰলিপি আখ্যা দিব পৰা নানান বিষয়ৰ এনে বহু নিদৰ্শন উদ্ধাৰ হৈছে। শৈলপৃষ্ঠৰ বাহিৰেও হাতীদাঁত, গছৰ বাকলি, জন্তুৰ ছাল, কাঠৰ ফলক, মাটিৰে নিৰ্মিত বাচন-বৰ্তন আদি হৰেক ৰকমৰ সামগ্ৰীত অংকিত ৰেখাসৰ্বস্ব এই চিত্ৰলিপিবোৰৰ বিশ্বজনীন আবেদন আছে। এই কথা ঠিক যে চিত্ৰৰ সীমাবদ্ধ পৰিসৰত এটা নিৰ্দিষ্ট পৰিবেশৰ সকলো প্ৰকাৰৰ ভাব ধৰি ৰখা সম্ভৱ নহয়; কিন্তু সেয়ে হ'লেও, ই মানুহৰ চিন্তা-শক্তিক এঢাপ আগুৱাই যোৱাত নিশ্চয়কৈ সহায় কৰে। পঢ়াশালি, চিৰিয়াখানা, চিকিৎসালয় আদিত বিভিন্ন চিত্ৰৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীক বা জনসাধাৰণক চিত্ৰৰ জৰিয়তে বিশেষ বিশেষ কথা কিছুমান বুজোৱাৰ প্ৰয়াস কৰা আপুনি নিশ্চয় লক্ষ্য কৰিছে। বাটৰ কাষৰ বিদ্যুৎ বিতৰণৰ 'ট্ৰেন্সফৰ্মাৰ' বা বিদ্যুৎ বিভাগৰ বাহনত দুডাল হাড়েৰে সৈতে লাওখোলাৰ ছবি আঁকি থোৱাটো সৰ্বজনবিদিত। ইয়াৰ অৰ্থ সৰ্বসাধাৰণক বিজুলীৰ পৰা হ'ব পৰা সম্ভাব্য বিপদ সম্বন্ধে সাৱধান কৰি দিয়া। শিশুৰ পাঠ্যপুথিত প্ৰায়ে 'ছবি চাই সাধু কোৱা' জাতীয় পাঠ সন্নিৱিষ্ট কৰা হয়। তেনে কিতাপ বা পাঠ্যপুথি বজাৰত তেনেই সুলভ। চীনা আৰু জাপানী ভাষাৰ লিপিক আধুনিক চিত্ৰ লিপি বুলিলেও ভুল কৰা নহয়। কাৰণ, এই দুটা ভাষাৰ লিপিত আখৰৰ সলনি একোটাহঁত চিত্ৰহে ব্যৱহাৰ কৰা হয়। সি যি কি নহওক, সময়ৰ লগে

লগে চিত্ৰ লিপিৰ প্ৰভুত উন্নতি ঘটে আৰু ই লাহে লাহে ভাব লিপিলৈ ৰূপান্তৰিত হয়।

প্ৰাচীন চিত্ৰলিপি	পৰৱৰ্তী চিত্ৰলিপি	প্ৰাথমিক বাণমুখলিপি	আসিৰীয় লিপি	অৰ্থ
				মাটি
				শস্য
				মুখ
				চৰাই
				মাছ
				গৰু
				স্বৰ্গ
				বাৰ্লি
				খাদ্য
				আহাৰ কৰা
				হাল বোৱা
				খিয় হোৱা

চিত্ৰ নং ১.১ ঃ চিত্ৰ লিপি

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ গ্ৰন্থি লিপি, প্ৰতীকাত্মক লিপি আৰু চিত্ৰ লিপিৰ আভাস দাঙি ধৰক। (১০০টা শব্দৰ ভিতৰত)

.....

১.৪.২ ভাব লিপি

চিত্ৰ লিপি কি সেই বিষয়ে আপুনি আগৰ উপশাখাটিৰ পৰা জানিব পাৰিলে।

এই চিত্ৰ লিপিৰে বিকশিত ৰূপ হৈছে ভাব লিপি। চিত্ৰ লিপিত যে চিত্ৰহে থাকে আৰু সেই চিত্ৰই যে অকল নিৰ্দিষ্ট বস্তুটোকহে বুজায়, সেই কথা বোধহয় আপোনাক বুজাই কোৱাৰ আৱশ্যক নাই। অৰ্থাৎ, চিত্ৰ লিপিৰ মূল উপাদান হৈছে চিত্ৰ। গতিকে সেই চিত্ৰৰ মাজেৰে মানৱ মনৰ আৱেগ-অনুভূতি আদি বিমূৰ্ত ভাৱৰাশি প্ৰকাশ পোৱাৰ কোনো থল নাই। উদাহৰণ স্বৰূপে, সূৰ্যৰ চিত্ৰই অকল ঘূৰণীয়া আকৃতিৰ সূৰ্যটোকে বুজায়; কিন্তু সূৰ্যই যে পৃথিৱীক পোহৰ আৰু তাপ দিয়ে তেনে বিমূৰ্ত কথা সেই চিত্ৰৰ মাজেৰে প্ৰকাশ নাপায়। প্ৰকৃতপক্ষে, ছবি একোটাত অন্তৰ্নিহিত হৈ থাকে বিমূৰ্ত ভাৱৰাশি প্ৰকাশ কৰাৰ ঐকান্তিক প্ৰচেষ্টাৰ পৰিণতি স্বৰূপে ভাব লিপিৰ জন্ম হোৱা বুলি ক'ব পাৰি। এই পৰ্যায়ত চিত্ৰৰ স্থান ৰেখা বা চিহ্নই দখল কৰা দেখা যায়। ভাব লিপিত অংকন কৰা প্ৰতীকটোৱে বস্তু এটিক প্ৰত্যক্ষভাৱে নুবুজাই ইয়াৰ লগত জড়িত অন্তৰংগ ভাবটিকহে বুজায়; যথা— অৰ্ধচন্দ্ৰৰ তলত তৰা আঁকিলে সি ৰাতিৰ অন্ধকাৰ বুজায়, চকুত পানীৰ টোপাল আঁকিলে সি দুখৰ সংবাদ দিয়ে, ইত্যাদি। এইবিধ লিপিৰ জৰিয়তে এটা সময়ত দীঘলীয়া তথা সংঘৱদ্ধ ভাবো প্ৰেৰণ কৰা হৈছিল।

চিত্ৰৰ জৰিয়তে মানুহৰ মুখনিসৃত ধ্বনিক বাস্তৱ ৰূপ দিয়া কোনোপধ্যেও সম্ভৱ নহয়। গতিকে ভাব লিপিত ধ্বনি বুজাবলৈ ৰেখাচিত্ৰ বা আন কেতবোৰ চিহ্নৰ ব্যৱহাৰহে লক্ষ্য কৰা যায়। দৃশ্যমান বস্তুৰ মগজুত অংকিত ছবিখনৰ ৰেখাচিত্ৰৰ অংকন ভাব লিপিৰ ঘাই বিশেষত্ব। চীন দেশৰ ভাব লিপিত মুখনিসৃত বাক্য বুজাবলৈ মুখৰ লগত বাষ্পৰ প্ৰতীক আৰু বক্তৃতা বুজাবলৈ মুখ আৰু বাষ্পৰ লগত জিভাৰ প্ৰতীক সংযোগ কৰা হৈছিল। পৰৱৰ্তী কালত দীঘলীয়া সংবাদ প্ৰেৰণৰ বাবে ভাব লিপিৰ সহায় লোৱা হৈছিল। মানৱ ইতিহাসত তাৰ অনেক উদাহৰণ বিচাৰি পোৱা যায়। বৰ্তমান সময়তো ভাব লিপিৰ বহুল প্ৰয়োগ লক্ষ্য কৰিব পাৰি। বাটত থকা দলং, উপপথ, বাটৰ কেঁকুৰি আদি বুজাবলৈ ব্যৱহাৰ কৰা ৰেখাচিত্ৰসমূহ ইয়াৰ প্ৰকৃষ্ট উদাহৰণ।

১.৪.৩ ভাব-ধ্বনিমূলক লিপি

লিপিৰ বিকাশৰ পৰৱৰ্তী স্তৰটো হৈছে ভাব-ধ্বনিমূলক লিপি। এই লিপিক চিত্ৰ লিপি আৰু ধ্বনি ৰূপৰ সংমিশ্ৰণ বুলিব পাৰি। এই স্তৰত আঁকা সৱলীকৃত ৰেখাচিত্ৰবোৰৰ কিছু অংশ চিত্ৰধৰ্মী, কিছু অংশ ভাব প্ৰকাশক আৰু কিছু অংশ বস্তুটিৰ ধ্বনিৰূপৰ পৰিচায়ক। অৰ্থাৎ, এই লিপিৰ কেতবোৰ চিহ্নচিত্ৰৰ লেখীয়া আৰু কেতবোৰ আখৰৰ লেখীয়া। মেচোপটেমীয়া, হিট্টী, ইজিপ্ত আদি অঞ্চলত প্ৰাপ্ত প্ৰাচীন অভিলেখবোৰত ব্যৱহৃত লিপি আচলতে ভাব-ধ্বনিমূলক লিপিহে। 'মিছৰৰ চিত্ৰ-প্ৰতীক লিপিত আকাশৰ চিত্ৰৰূপ আকাশবাচক 'পতা' এই ধ্বনিৰূপত ব্যৱহাৰ হোৱাটো এইখিনিতে স্মৰণীয়।' সিন্ধু সভ্যতাৰ হৰপ্পা আৰু মহেঞ্জোদাৰোত উদ্ধাৰ হোৱা চীল-মোহৰৰ লিপি ভাব-ধ্বনিমূলক লিপি অথবা মিশ্ৰ ৰীতিৰ উদাহৰণ বুলি কোনো কোনো

লিপিবিদে ক'বলৈ বিচাৰে। আধুনিক চীনা লিপিও এই পর্যায়ৰ। উদাহৰণ স্বৰূপে, চীনা ভাষাত 'ফ্যাং' শব্দটোৱে নাও, ঠাই, বোৱা-কটা আদি বুজায়। চীনা ভাব-ধ্বনিমূলক লিপিত নাৱৰ সৈতে পৃথিৱী আঁকিলে সি ঠাই বুজায় আৰু নাৱৰ সৈতে ৰেচমৰ ছবি অংকন কৰিলে সি বোৱা-কটাৰ অর্থ প্রকাশ কৰে।

১.৪.৪ ধ্বনিমূলক লিপি

লিপিৰ বিকাশৰ ইতিহাসৰ অন্তিম তথা পূর্ণ বিকশিত স্তৰটো হ'ল ধ্বনিমূলক লিপি। এই স্তৰত অংকন কৰা চিহ্ন বা প্রতীকে বস্তু বা ভাব প্রকাশ কৰাৰ সলনি মানুহৰ মুখেৰে উচ্চাৰিত ধ্বনিবোৰকহে বুজাবলৈ লয়। সেই ধ্বনি কোনো বস্তু আৰু তাৰ সৈতে জড়িত ভাব— উভয়ৰে প্রকাশক। অর্থাৎ মূর্ত-বিমূর্ত সকলো প্রকাৰৰ ভাব এই লিপিৰ জৰিয়তে স্বতঃস্ফূর্তভাৱে প্রকাশ পায়। ইয়াৰ নিদর্শন হিচাপে নাগৰী, আৰবী আদি লিপিৰ কথা ক'ব পাৰি। ধ্বনিমূলক লিপিৰ দুটা ভাগ ঃ অক্ষৰ লিপি আৰু বর্ণ লিপি। সম্পূর্ণ ধ্বনি (বর্ণ) নুবুজাই মাত্র আদি আখৰটোক বুজোৱা চিহ্নকে অক্ষৰ লিপি বোলা হয়। 'অক্ষৰ' মানে হ'ল স্বৰৰ দ্বাৰা নির্মিত একোটা ধ্বনিগোট। ইংৰাজীত ইয়াৰ প্রতিশব্দ হৈছে— 'Syllable'। অক্ষৰ লিপিত প্রয়োগ হোৱা চিহ্নবোৰে ধ্বনি (বর্ণ) বুজোৱাৰ সলনি একোটাহঁত অক্ষৰৰহে (Syllable) প্রতিফলন ঘটায়। হিব্রু ভাষাত 'আলেফ্' মানে 'গৰু'। এই 'গৰু' অর্থসূচক চিনটোৱে ফিনিচীয় লিপিৰ মাজেৰে বাট বুলি গৈ গ্রীক বর্ণমালাত 'আল্ফা' লিপিৰ ৰূপ পৰিগ্রহ কৰিছে। গতিকে ক'ব পাৰি যে, শব্দাংশ বা অক্ষৰৰ লৈখিক ৰূপদান এই লিপিৰ মূল বিশেষত্ব। ভাৰতীয় নাগৰী লিপি, মেচোপটেমিয়াৰ বাণমুখ আৰু চুমেৰীয় লিপি অক্ষৰ লিপিৰ প্রকৃষ্ট উদাহৰণ। অসমীয়া লিপিও অক্ষৰলিপিৰ অন্য এক উৎকৃষ্ট উদাহৰণ। কাৰণ অসমীয়াত ক, খ, চ, আদি চিহ্নই প্রকৃতপক্ষে ক+অ, খ+অ, চ+অ আদি ধ্বনি (বর্ণ) সমষ্টিকহে বুজায়। অর্থাৎ, অসমীয়া লিপিত ব্যৱহৃত ক, খ, চ আদি একক ব্যঞ্জনবোৰে দেখাত একোটা গাইগুটীয়া বর্ণক বুজোৱা যেন লাগিলেও সেইবোৰৰ প্রতিটোৱে সৈতে একোটাকৈ 'অ' স্বৰ জড়িত হৈ আছে। কিন্তু বর্ণলিপি তেনে নহয়। এই লিপিত প্রতিটো চিহ্নই একোটা বিশেষ ধ্বনি (বর্ণ) সূচায়। ৰোমান লিপি বর্ণলিপিৰ প্রকৃষ্ট উদাহৰণ। উত্তৰ মিছৰীয় লিপি, ফিনিচীয় লিপি আদি বর্ণলিপিৰ আন কেতবোৰ উদাহৰণ। মুঠতে, লিপিৰ বিকাশৰ ইতিহাসত বর্ণলিপি হ'ল ধ্বনিমূলক লিপিৰ অন্তিম স্তৰ।

চিত্র লিপিৰ পৰা অক্ষৰ লিপি পর্যন্ত লিপিৰ বিৱর্তনৰ ইতিহাসত আজিকোপতি যিমানবোৰ লিপি উদ্ধাৰ হৈছে সেইবোৰৰ ভিতৰত প্রাচীন স্তৰৰ লিপিসমূহ হ'ল ঃ চুমেৰীয়, মিছৰীয়, বেবিলনীয়, হিট্টী, লেটিন, আমেৰিকাৰ মায়া, ভাৰত উপমহাদেশৰ, সিন্ধু ইত্যাদি। বর্তমানলৈকে প্রাপ্ত আটাইবোৰ লিপিয়েই কম-বেছি পৰিমাণে উল্লিখিত

প্ৰাচীন লিপিসমূহৰ দ্বাৰা প্ৰভাৱিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ চিত্ৰ লিপি, ভাব লিপি, ভাব-ধ্বনিমূলক লিপি আৰু ধ্বনিমূলক লিপিৰ মাজত থকা পাৰ্থক্যবোৰ ফঁহিয়াই বিচাৰ কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৪ ঃ অক্ষৰ লিপি আৰু বৰ্ণ লিপি বুলিলে কি বুজা যায়, ফঁহিয়াই দেখুৱাওক। (১০০টা শব্দৰ ভিতৰত)

.....



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- লিপিক বাণী বা ভাষাৰ লৈখিক প্ৰতিৰূপ বুলিব পাৰি।
- ভাষাৰ বাবেই মানুহ অন্যান্য জীৱৰ পৰা পৃথক এক জৈৱ-প্ৰজাতি হিচাপে পৰিগণিত হৈছে।
- মানৱ সভ্যতাৰ বিকাশত ভাষাৰ, বিশেষকৈ ইয়াৰ লিখিত ৰূপটোৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।
- 'লিপি' অভিধাটিৰ প্ৰথম প্ৰয়োগ মহৰ্ষি পাণিনিৰ *অষ্টাধ্যায়ী* নামৰ ব্যাকৰণ পুথিত পোৱা যায়। সংস্কৃত 'লিপ্' ধাতুৰ লগত '-ইন্' প্ৰত্যয় যোগ হৈ 'লিপি' শব্দটো গঠিত হৈছে। ইয়াৰ ব্যুৎপত্তিগত অৰ্থ হৈছে ব্যক্ত বাণীৰ লৈখিক ৰূপ। লিপিৰ বাবেই লিখিত সাহিত্য মৌলিক সাহিত্যৰ পৰা পৃথক হৈছে।
- মানৱ সমাজত অতি পুৰণি কালৰে পৰা স্মৃতি-সংৰক্ষণৰ বাবে ফিটা, ৰছী, ৰুমাল, গামোচা, চাদৰ আদিত গাঁথি দিয়া, বেৰত দাগ দিয়া আদি পদ্ধতিৰ প্ৰচলন হৈ আহিছে। আনকি বৰ্তমান সময়তো পৃথিৱীৰ বিভিন্ন স্থানত এনে পদ্ধতিৰ প্ৰয়োগ লক্ষ্য কৰা হয়। মনৰ ভাব ধৰি ৰাখিবৰ বাবে ব্যৱহাৰ কৰা এই পদ্ধতিবোৰক গ্ৰন্থিলিপি আখ্যা দিয়া হৈছে।
- চিত্ৰ লিপিক মানুহৰ লেখক-কলাৰ প্ৰাৰম্ভিক স্তৰ বুলিব পাৰি। অৰণ্যবাসী তথা যাযাবৰী আদিম মানৱে চিকাৰৰ সন্ধান কৰোঁতে পোৱা জীৱ-জন্তুৰ প্ৰতিচ্ছবি স্মৰণীয় কৰি ৰাখিবলৈকে সেইবোৰৰ চিত্ৰ আঁকিবলৈ লৈছিল। সাধাৰণতে পৰ্বতৰ মসৃণ শৈলপৃষ্ঠ, গুহাৰ বেৰ, অন্য কোনো বস্তুৰ মিহি ফাল আদিত এনে চিত্ৰ অংকন কৰা হৈছিল।

বাস্তৱতাৰ প্ৰতিফলন ঘটা এটা চিত্ৰবোৰৰ মাধ্যমেৰে ঘাইকৈ দুটা উদ্দেশ্য সাধিত হৈছিল— সুকুমাৰ চিন্তা বা সৌন্দৰ্যবোধৰ সৃষ্টি আৰু মনৰ ভাব প্ৰকাশ।

- ছবি একোটাত অন্তৰ্নিহিত হৈ থাকে বিমূৰ্ত ভাবৰাশি প্ৰকাশ কৰাৰ ঐকান্তিক প্ৰচেষ্টাৰ পৰিণতি স্বৰূপে ভাব লিপিৰ জন্ম হোৱা বুলি ক'ব পাৰি।
- ধ্বনিমূলক লিপিৰ দুটা ভাগ— অক্ষৰ লিপি আৰু বৰ্ণ লিপি। সম্পূৰ্ণ ধ্বনি (বৰ্ণ) নুবুজাই মাত্ৰ আদি আখৰটোক বুজোৱা চিহ্নকে অক্ষৰ লিপি বোলা হয়। 'অক্ষৰ' মানে হ'ল স্বৰৰ দ্বাৰা নিৰ্মিত একোটা ধ্বনিগোট।



১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, সৰ্বেশ্বৰ (২০০৩); *অসমীয়া প্ৰাচীন লিপি;* ডিব্ৰুগড় ঃ বনলতা।

২) গোস্বামী, উপেন্দ্ৰনাথ (২০০৮); *অসমীয়া লিপি;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৩) গোস্বামী, যতীন (১৯৯৯); *অসমীয়া লিপিৰ ইতিহাস;* গুৱাহাটী ঃ জয়া প্ৰকাশন।

৪) দাস, নাৰায়ণ (২০০৩); *বিশ্ব লিপিৰ ভূমিকা;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) নেওগ মহেশ্বৰ (২০০৪); *পৰিত্ৰ অসম;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৭) মহন্ত, সুবাসনা (২০০৩); *উত্তৰকালীন অসমীয়া ভাষা;* ডিব্ৰুগড় ঃ বনলতা।

৮) শইকীয়া, নগেন (সংকলিত) (১৯৭৫); *অসমৰ লিপি সমস্যা;* যোৰহাট ঃ অসম সাহিত্য সভা।

৯) শৰ্মা, ডিম্বেশ্বৰ (২০০২); *প্ৰাগজ্যোতিষৰ ইতিহাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন

১০) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ প্ৰতিভা দেৱী প্ৰকাশক।

ইংৰাজী গ্ৰন্থ ঃ

১১) Borah, Mahendra, (1981); *The Evolution of Assamese Scrip s,* Jorhat, Asom Sahitya Sabha

১২) Sarma Dimbeswar (1981); *Kamrupsasanavali.* Gauhati, Publication Board, Assam.



১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ 'লিপি' মানে...। 'লিপি' অভিধাটিৰ...। আদিম মানুহে গুহাৰ বেৰ আদিত ছবি আঁকি... স্মৃতি সংৰক্ষণৰ... প্ৰয়াস কৰিছিল...। পাছত... মৌখিক ভাষাৰ প্ৰতিনিধি... হৈ উঠি।

২নং প্ৰশ্নৰ উত্তৰ ঃ গ্ৰন্থি মানে গাঁথি...। ৰছী আদিত গাঁথি দি... আৱশ্যকীয় ভাব সংৰক্ষণ কৰা পদ্ধতি...। বিভিন্ন প্ৰকাৰৰ ইংগিত... ৰঙা লাইট বা ৰঙা, নীলা নিচান... লাওখোৱা আৰু হাড়ৰ ছবি... প্ৰতীকাত্মক লিপি।

৩নং প্ৰশ্নৰ উত্তৰ ঃ চিত্ৰলিপি মনৰ ভাব প্ৰকাশক চিত্ৰৰ সমাহাৰ। আদিম মানৱে শিল আদিত... আঁকি থোৱা ছবি... চিত্ৰলিপিৰ উদাহৰণ। ভাবলিপিত... সমন্বয় গটে। ভাব-ধ্বনিমূলক লিপিত... সংমিশ্ৰণ ঘটে। ধ্বনিমূলক লিপিত... মুখ নিসৃত ধ্বনিৰ প্ৰতিফলন ঘটায়...।

৪নং প্ৰশ্নৰ উত্তৰ ঃ অক্ষৰ লিপি... অক্ষৰ বা Syllable ভিত্তিক। বৰ্ণলিপি... ধ্বনিমূলক।



১.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ লিপি কাক বোলে? লিপিৰ উদ্ভৱ ক'ত, কেতিয়া, কেনেদৰে হৈছিল তাৰ এটি আভাস দাঙি ধৰক।

প্ৰশ্ন ২ ঃ লিপিৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ তলত দিয়া বিষয়বোৰৰ একোটিকৈ চমুটোকা যুগুত কৰক ঃ
(ক) চিত্ৰলিপি, (খ) গ্ৰন্থি লিপি, (গ) ভাবলিপি, (ঘ) ভাব-ধ্বনিমূলক লিপি, (ঙ) ধ্বনিমূলক লিপি।

*** ***** ***

অধ্যায় ২ ঃ ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ - (১)

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ
২.৩.১ ব্ৰাহ্মী লিপি
২.৩.২ খৰোষ্ঠী লিপি
২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৫ অধিক জানিবলৈ
২.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
২.৭ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ বিষয়ে সম্যক ধাৰণা আগবঢ়াব পাৰিব
- ব্ৰাহ্মী লিপিৰ উদ্ভৱৰ লগত জড়িত বিভিন্ন মতৰ বিষয়ে জানিব পাৰিব
- ব্ৰাহ্মী লিপিৰ লেখন শৈলী আৰু বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰিব পাৰিব
- খৰোষ্ঠী লিপিৰ উদ্ভৱৰ লগত জড়িত মতসমূহ আলোচনা কৰিব পাৰিব

২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষাণ্মাসিকৰ অন্তৰ্গত এইখন প্ৰথম পাঠ্যবিষয়। ইয়াৰ শিৰোনাম ‘লিপি আৰু পাঠ-সমীক্ষা’। এই পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়ত ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ কাহিনী লিপিবদ্ধ হৈছে। আপুনি নিশ্চয় জানিবলৈ পাইছে যে ভাৰতীয় লিপিৰ উদ্ভৱৰ কালছোৱাত সিন্ধু লিপিৰ পাছত ব্ৰাহ্মী আৰু খৰোষ্ঠী লিপি পোৱা যায়। মগধৰাজ প্ৰিয়দৰ্শী অশোকৰ অনুশাসনসমূহত এই দুই প্ৰকাৰৰ লিপিৰ প্ৰয়োগ পোৱা গৈছে। অশোকৰ গিৰণাৰ, ধৌলি, জৌগড় আদি অনুশাসন ব্ৰাহ্মীলিপিত আৰু শ্বাহবাজগঢ়ী আৰু মান্‌সেহৰা অনুশাসন খৰোষ্ঠী লিপিত ৰচিত। অশোকৰ পৰৱৰ্তী সময়ত গুপ্তবংশৰ ৰাজত্বকালত ব্ৰাহ্মী লিপি গুপ্ত লিপিত পৰিণত হয়। গুপ্ত লিপিৰ পৰা কুটিল বা সিদ্ধমাতৃকা লিপি আৰু কুটিল লিপিৰ পৰা আধুনিক ভাৰতীয় ভাষাসমূহৰ লিপিয়ে বিকাশ লাভ কৰে। আহকচোন, আমি এতিয়া এই বিষয়ে বিশদ আলোচনা কৰোঁ।

২.৩ ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ

আপুনি এই কথা নিশ্চয় জানে যে, মানুহৰ মনৰ ভাব প্ৰকাশ কৰাৰ বা মানৱ সমাজত পাৰস্পৰিকভাৱে যোগাযোগ কৰাৰ সৰ্বোৎকৃষ্ট মাধ্যম হৈছে ভাষা। ভাষাৰ বাবেই মানৱ সভ্যতাৰ বিকাশ সম্ভৱ হৈ উঠিছে। মানুহৰ এই ভাষা পোনতে মৌখিকভাৱে প্ৰৱাহিত হৈছিল। মানৱ সমাজৰ বিৱৰ্তনৰ কোনো এটা স্তৰত মৌখিক ভাষাই লিখিত ৰূপ পৰিগ্ৰহ কৰে। কিন্তু, সেয়ে হ'লেও, বৰ্তমান বিশ্বৰ বিভিন্ন জনসমুদায়ে ভাষা লিখিবলৈ যিবোৰ লিপি ব্যৱহাৰ কৰি আছে, সেইবোৰ হঠাৎ বা একেদিনাই উদ্ভৱ হোৱা নাই। আদিম যুগৰ চিত্ৰ লিপিৰ পৰা বৰ্তমানৰ ধ্বনি লিপিলৈ লিপিৰ বিৱৰ্তনৰ এক দীঘলীয়া ইতিহাস আছে। পূৰ্বৰ শাখাকেইটাত আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে সেই বিষয়ে আভাস দি আহিছো। এতিয়া এইটো শাখাত আমি ভাৰতীয় লিপিৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে আলোচনা কৰিম।

পৃথিৱী আজিকোপতি যিমানবোৰ লিপিৰ প্ৰচলন ঘটিছে সেই আটাইবোৰক ঘাইকৈ দুটা ভাগত ভগোৱা হৈছে— (ক) আখৰ বা বৰ্ণযুক্ত লিপি আৰু (খ) আখৰহীন বা বৰ্ণহীন লিপি। দেৱনাগৰী, অসমীয়া, ৰোমান আদি প্ৰথম বিধৰ উদাহৰণ আৰু দ্বিতীয় বিধৰ উদাহৰণ হৈছে— চীনা, বাণমুখ আদি।

চিত্ৰ লিপি, গ্ৰন্থি লিপি আদিক বাদ দি পৃথিৱীৰ প্ৰাচীন লিপিমালাৰ ভিতৰত পোনতে আমি সম্ভৱতঃ মেচোপটেমীয়া অঞ্চলত বিকশিত বাণমুখ লিপিৰ নামেই ল'ব লাগিব। এই লিপিক পৃথিৱীৰ সৰ্বপ্ৰাচীন লিপি বোলা হৈছে। দেখিবলৈ বাণ বা কাঁড়ৰ আকৃতিৰ হোৱা বাবে এই লিপিৰ নাম বাণমুখ লিপি হৈছে। খ্ৰীঃপূঃ ৪র্থ সহস্ৰাব্দৰ আশে-পাশে এই লিপিৰ প্ৰয়োগ হৈছিল বুলি জনা গৈছে। পণ্ডিতসকলৰ মতে বাণমুখ লিপি চিত্ৰ লিপিৰে এক বিকশিত ৰূপ। 'উৰুকা'ত প্ৰাপ্ত বাণমুখ লিপিৰ প্ৰাচীনতম নিদৰ্শনে ইয়াৰ ইংগিত বহন কৰে। সময়ৰ লগে লগে বাণমুখ লিপি ভাব লিপিলৈ পৰিবৰ্তিত হয় যদিও, আক্ষৰিক স্তৰতেই স্তিমিত হোৱা হেতুকে এই লিপিয়ে বৰ্ণ লিপিৰ পৰ্যায়লৈ অগ্ৰসৰ হোৱাৰ সুযোগ নাপালে। ইয়াৰ পাছত মিছৰৰ পূত খোদিত লিপি, পশ্চিম এছিয়াৰ হিট্টী, ভূমধ্য সাগৰৰ দেশৰ ক্ৰীট বা মিনোৱান, চীনা, জাপানী, কোৰিয়া, মংগোল, গ্ৰীক, ফিনিচীয়, চাইবেৰীয়, সিনাই, এট্ৰুস্কান, লেটিন, মায়া, আৰামীয় আদি বিবিধ প্ৰকাৰৰ লিপিৰ বিকাশ ঘটে। ভাৰত উপমহাদেশৰ সভ্যতা-সংস্কৃতিৰ গৌৰৱৰ উচ্চ শিখৰলৈ উন্নীত কৰা প্ৰাচীনতম লেখন কলাৰ নিদৰ্শন সিন্ধু লিপি পৃথিৱীৰ লিপিবোৰৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

আপুনি ভাৰতবৰ্ষৰ সিন্ধু উপত্যকাত প্ৰাক ঐতিহাসিক যুগতে উদ্ভৱ হোৱা নগৰ সভ্যতাৰ বিষয়ে নিশ্চয় জানে। পৃথিৱীৰ অন্যান্য প্ৰান্তত মানুহে যি সময়ত অন্যান্য জীৱ-জন্তুৰ দৰে অৰণ্যত বসবাস কৰিছিল, সেই সময়তে ভাৰতবৰ্ষত সিন্ধু নদীৰ অৱবাহিকা অঞ্চলত এই আশ্চৰ্যকৰ মানৱ সভ্যতাৰ বিকাশ ঘটিছিল। আৰ্যসকল অহাৰ পূৰ্বে প্ৰতিষ্ঠিত প্ৰাক্ বৈদিক যুগৰ এই সভ্যতাই আমাক ভাৰতবৰ্ষৰ প্ৰাচীনতম লেখন কলাৰ কিছু সন্ধেদ দিয়ে। এই লেখন কলাক সিন্ধু লিপি

হিচাপে নামকৰণ কৰা হৈছে। সিন্ধু উপত্যকাৰ হৰপ্পা, মহেঞ্জোদাৰো, চান্হুদাৰো আদি ঠাইত খনন কাৰ্যৰ ফলত উদ্ধাৰ হোৱা প্ৰায় ২০০০ পোৱা মাটিৰ মোহৰে এই লিপিৰ নিদৰ্শন দাঙি ধৰে। অৱশ্যে ইয়াৰ লগত পৰৱৰ্তী ভাৰতীয় লিপিৰ কিবা সম্পৰ্ক আছেনে নাই তাৰ কোনো সদুত্তৰ পোৱা নাযায়। সিন্ধু সভ্যতাৰ এই লিপিয়ে ভাৰতীয় লিপিৰ আদিতম নিদৰ্শন দাঙি ধৰে বুলি কোৱা হয় যদিও, এই লিপিৰ সৈতে পৰৱৰ্তী সময়ৰ ভাৰতীয় লিপিৰ সম্পৰ্ক আছেনে নাই সেই কথা জনা নাযায়। গতিকে ভাৰতীয় লিপিৰ ইতিহাসত সিন্ধু সভ্যতাৰ পৰা পৰৱৰ্তী খ্ৰীঃপূঃ ৩য়-৪র্থ শতিকা পৰ্যন্ত এক সুদীৰ্ঘ সময়ৰ ব্যৱধান লক্ষ্য কৰা যায়।

জগতৰ পুৰণি লিপিসমূহৰ উৎপত্তি আৰু বিকাশলৈ লক্ষ্য কৰিলে দেখা যায়, প্ৰতিটো লিপি চিত্ৰ লিপিত আৰম্ভ হৈ অক্ষৰ লিপিৰ মাজেৰে আহি বৰ্ণ লিপিত সমাপ্ত হৈছে। আনহাতে ভাৰতলৈ অহা আৰ্যসকলৰ প্ৰাৰম্ভিক কালছোৱাৰ কোনো লেখন কলা আজিকোপতি উদ্ধাৰ হোৱা নাই। প্ৰাচীন কালত ভাৰতবৰ্ষ বিশ্বৰ আন সকলো দেশতকৈ সভ্যতা-সংস্কৃতিত আগবঢ়া আছিল। গতিকে এই দেশৰ জনসাধাৰণে লেখন কলা আন দেশৰ পৰা ধাৰ কৰিছিল বুলি মানি ল'বলৈ টান। বিশিষ্ট লিপি বিশেষজ্ঞ ৰাজৱলী পাণ্ডেই 'পন্নৱণাসূত্ৰ' আৰু 'ললিত বিস্তৰ'ত ১৫টা মান বিভাগ কৰি ভাৰতীয় লিপিৰ শূন্য কালছোৱা চিনাক্ত কৰাৰ প্ৰয়াস কৰিছে।

ভাৰতীয় লিপিৰ ধাৰাবাহিক ইতিহাস পোৱা যায় খ্ৰীঃপূঃ ৩য়-৪র্থ শতিকাৰ মগধৰাজ প্ৰিয়দৰ্শী অশোকৰ ৰাজত্ব কালৰ পৰা। অশোকৰ অনুশাসনসমূহত (অশোকে এই অনুশাসনসমূহক 'ধৰ্মলিপি' আখ্যা দিছে) ব্যৱহাৰ হোৱা ব্ৰাহ্মী লিপিৰ পৰাই যে ভাৰতীয় লিপিৰ বিকাশ ঘটিছে, সেই সম্পৰ্কে পণ্ডিতসকল প্ৰায় একমত। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে সিন্ধু উপত্যকাত প্ৰাপ্ত লিপিৰ সৈতে পৰৱৰ্তী ভাৰতীয় লিপিসমূহৰ সম্পৰ্ক আজিও অস্পষ্ট। সি যি কি নহওক, অশোকৰ শিলালিপিত প্ৰাপ্ত ব্ৰাহ্মী লিপিক ভাৰতীয় লিপিৰ আদি জননী বুলি কোৱা হয়। কিন্তু এই ক্ষেত্ৰত কিছু সমস্যাও আছে। ব্ৰাহ্মী লিপি অতিশয় সৌষ্ঠৱশীল আৰু পৈণত। এনে পৈণত অৱস্থা লাভ কৰিবলৈ লিপি এটাক যথেষ্ট সময়ৰ প্ৰয়োজন। আন কথাত, কেইবা শ বছৰৰ বিৱৰ্তনৰ পথ অতিক্ৰম কৰিহে লিপি এটাই এনে পৈণত আৰু সৌষ্ঠৱপূৰ্ণ ৰূপ পোৱাটো সম্ভৱ। ব্ৰাহ্মী লিপিও তাৰ ব্যতিক্ৰম নহয় বা হ'ব নোৱাৰে। সম্ভৱতঃ অশোকৰ ৰাজত্ব কালৰ বহু পূৰ্বেই ভাৰতবৰ্ষত ব্ৰাহ্মী নামেৰে নহ'লেও, তৎ সদৃশ লিপি এটাৰ প্ৰচলন আছিল। অশোকৰ অনুশাসনমালাত সেই লিপিৰ পূৰ্ণ বিকশিত ৰূপ এটি মাত্ৰ ব্যৱহৃত হৈছে।

অশোকৰ অনুশাসনসমূহত দুই প্ৰকাৰৰ লিপি পোৱা গৈছে। ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম সীমান্ত অঞ্চলত প্ৰাপ্ত খৰোষ্ঠী লিপি আৰু অন্যান্য অঞ্চলত পোৱা ব্ৰাহ্মী লিপি। কোনো কোনোৱে ইয়াৰ লগত আৰামী আৰু গ্ৰীক লিপিকো অন্তৰ্ভুক্ত কৰিব বিচাৰিছে। বৰ্তমান পাকিস্তানৰ অন্তৰ্গত মান্সেহ্ৰা আৰু শ্বাহ্বাজ্গঢ়ী নামৰ ঠাই দুখনত উদ্ধাৰ হোৱা অশোকৰ চৈধ্যখন অনুশাসনে আমাক খৰোষ্ঠী লিপিৰ বৈশিষ্ট্যসমূহৰ সৈতে পৰিচিত হোৱাত সহায় কৰিছে। 'ব্ৰাহ্মী'ৰ উৎপত্তি 'ব্ৰহ্ম'ৰ পৰা আৰু 'খৰ+ওষ্ঠ' (গাধৰ ওঁঠ বা মুখ)ৰ পৰা 'খৰোষ্ঠী' শব্দৰ উদ্ভৱ হোৱা বুলি এচাম পণ্ডিতে অনুমান কৰিছে। অৱশ্যে এই ক্ষেত্ৰত মতানৈক্যও নোহোৱা নহয়। সেয়ে হ'লেও,

অবিভক্ত ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম সীমান্ত অঞ্চলত খৰোষ্ঠী লিপিয়ে এটা সময়ত নিজৰ পৰিচয় দাঙি ধৰিবলৈ যে সক্ষম হৈছিল তাত কোনো সন্দেহ নাই। উল্লেখযোগ্য যে, হখ্মনী সম্ৰাটসকলে তেওঁলোকৰ নিজৰ ভাষা লিপিবদ্ধ কৰিবৰ বাবে বাণমুখ লিপিৰ আধাৰত এটা লিপিৰ সৃষ্টি কৰি লৈছিল যদিও, পশ্চিম এছিয়াত সেই সময়ত অশোকৰ অনুশাসনমালাত ব্যৱহৃত লিপিৰ আধাৰত সৃষ্ট আৰামীয় লিপিৰ প্ৰচলনহে আছিল। হখ্মনী সাম্ৰাজ্যৰ পৰিসৰ বৃদ্ধিৰ লগে লগে আৰামী লিপিও বৰ্তমান আফগানিস্থানৰ অন্তৰ্গত গান্ধাৰ অঞ্চল পাইছিলহি। এই আৰামীয় লিপিৰ পৰাই খৰোষ্ঠী লিপিৰ বিকাশ হোৱা বুলি ধাৰণা কৰা হৈছে। আৰামীয় লিপিত স্বৰবৰ্ণৰ অস্তিত্ব নাছিল। এই নীতি পৰৱৰ্তী কালৰ খৰোষ্ঠী লিপিতো লক্ষ্য কৰা যায়। তদুপৰি, ছেমীয় লিপিৰ প্ৰভাৱত এই লিপি সোঁফালৰ পৰা বাঁওফাললৈ লিখা হৈছিল। ভাৰতৰ উত্তৰ-পশ্চিম দিশত ইতিমধ্যে ব্যৱহৃত হৈ থকা প্ৰাকৃত ভাষা লিখিবৰ বাবে এনে বৈশিষ্ট্যসম্পন্ন খৰোষ্ঠী লিপি ব্যৱহাৰ কৰা হৈছিল বুলি ভাবিব পাৰি। পৰৱৰ্তী সময়ত সম্ভৱতঃ ভাৰতত ৰাজত্ব কৰা বিভিন্ন ৰাজবংশৰ ৰজাসকলে তেওঁলোকৰ অভিলেখসমূহত এই লিপি ব্যৱহাৰ কৰিছিল। কিন্তু খ্ৰীষ্টজন্মৰ তিনিশ বছৰমানৰ পাছত ভাৰতীয় ভাষা লিখিবলৈ খৰোষ্ঠী লিপিৰ গ্ৰহণযোগ্যতা নাইকিয়া হোৱাত এই লিপিৰ প্ৰচলন বন্ধ হৈ যায়। তাৰ ঠাইত বাওঁফালৰ পৰা সোঁফাললৈ লিখা ব্ৰাহ্মী লিপি অধিক সুচল বুলি এই লিপিকে লিখন কাৰ্যত ব্যৱহাৰ কৰিবলৈ লোৱা হয়। অৱশ্যে এটা কথা ঠিক যে, খৰোষ্ঠী লিপিৰ পৰা অন্য কোনো ভাৰতীয় লিপিৰ জন্ম নহ'লেও, ভাৰতীয় সভ্যতা-সংস্কৃতিৰ বাহক হিচাপে প্ৰায় হাজাৰ বছৰ জুৰি চলি অহা এইবিধ লিপিৰ নাম চিৰস্মৰণীয় হৈ থাকিব।

ব্ৰাহ্মী লিপিৰ উদ্ভৱ সম্পৰ্কে পণ্ডিতসকল একমত নহয়। কোনো কোনো পণ্ডিতৰ মতে, প্ৰাচীন ভাৰতীয় লোকসকলে বেপাৰ-বাণিজ্যৰ জৰিয়তে এই লিপি ফিনিচীয়সকলৰ পৰা পাইছিল আৰু ভাৰতবৰ্ষত তাৰ বিকাশ ঘটাইছিল। আকৌ আন কিছুমান পণ্ডিতে ছেমীয় লিপিৰ পৰা ব্ৰাহ্মী লিপিৰ উৎপত্তি হোৱা বুলি অভিমত দিছে। সেয়ে হ'লেও, সৰহ ভাগ পণ্ডিতে ব্ৰাহ্মী লিপিৰ উৎপত্তি স্থল ভাৰতবৰ্ষ বুলি দৃঢ় মত পোষণ কৰিছে। তেওঁলোকৰ এনে মতৰ ভিত্তি হ'ল সিন্ধু উপত্যকাত পোৱা ছীল-মোহৰৰ লিপিৰ সৈতে অশোকৰ সময়ৰ ব্ৰাহ্মী লিপিৰ সাদৃশ্য। সিন্ধু উপত্যকাত পোৱা লিপিটো যিহেতু চিত্ৰ লিপি, ভাব লিপি আৰু ভাব-ধ্বনিমূলক লিপিৰ সংমিশ্ৰণ, এতেকে সিন্ধু লিপিৰ পৰাই সময়ৰ বিৱৰ্তনত ব্ৰাহ্মী লিপিৰ উদ্ভৱ হোৱা বুলি তেওঁলোকে অনুমান কৰে। এই অনুমান কিছু কষ্টকল্পিত হ'লেও, ইয়াক উলাই কৰা টান।

খ্ৰীঃপূঃ ৩য়-৪য় শতিকাত বৌদ্ধধৰ্মৰ বাণীসমূহ লিপিবদ্ধ কৰিবলৈ পোন প্ৰথমে ব্ৰাহ্মী লিপি ব্যৱহাৰ কৰা হৈছিল। সেই সময়ত লিপিটোৰ প্ৰচাৰ কম আছিল যদিও, মগধৰাজ অশোকে তেওঁৰ বাণী 'ধৰ্মলিপি'সমূহৰ জৰিয়তে গিৰিশিলাপৃষ্ঠ, শিলৰ ফলক অথবা স্ফটিকৰ স্তম্ভত সংৰক্ষিত কৰাৰ পাছত ভাৰতত প্ৰচলিত একমাত্ৰ লিপি হিচাপে ব্ৰাহ্মীৰ মৰ্যাদা বৃদ্ধি পাবলৈ ধৰে। বিভিন্ন স্থানত পোৱা অশোকৰ অনুশাসনসমূহলৈ লক্ষ্য কৰিলে এই কথা স্পষ্ট হয় যে, গিৰিশিলানুশাসনসমূহতকৈ স্ফটিকৰ স্তম্ভৰ অথবা শিলাফলকত খোদিত আখৰবোৰ অধিক প্ৰণালীবদ্ধ, অধিক পৰিচ্ছন্ন, সুগঢ়ী আৰু কলাত্মক। এইবোৰত বেতনভোগী শৈলকাৰৰ নিপুণ

হাতৰ পৰশ সহজেই অনুভূত হয়।

অশোককালীন ব্ৰাহ্মী লিপিৰ দুটা ৰূপ প্ৰত্যক্ষ কৰা যায়— অশোকৰ 'ধৰ্মলিপি'ৰ জৰিয়তে সংৰক্ষিত ৰাজকীয় ৰূপ আৰু পিপ্ৰৰা পাত্ৰলেখত পোৱা ব্যক্তিগত বা স্থানীয় ৰূপ। পুৰাতত্ত্ববিদ বুহ্লাৰে আকৌ অশোকৰ সময়ৰ ব্ৰাহ্মী লিপি উত্তৰ আৰু দক্ষিণ— এই দুই শৈলীত বিভাজিত আছিল বুলি মন্তব্য কৰিছে। খ্ৰীঃপূঃ প্ৰথম শতিকাৰ শেষ আৰু খ্ৰীষ্টিয় শতিকাৰ প্ৰাৰম্ভিক কালছোৱাত ভাৰতবৰ্ষৰ ইতিহাসত গুৰুত্বপূৰ্ণ স্থান দখল কৰা শক-ক্ষত্ৰপ ৰাজবংশই অভিনৱ তীক্ষ্ণ লেখনীৰ প্ৰয়োগৰ জৰিয়তে মুদ্ৰাৰ উপৰি শৈললেখত উৎকীৰ্ণ ব্ৰাহ্মী লিপিৰ ৰূপগত দিশৰ ভালেখিনি পৰিবৰ্তন ঘটায়। খ্ৰীষ্টিয় প্ৰথম-দ্বিতীয় শতিকাত কনিষ্ক-হুৱিষ্ক আদি কুষাণ বংশীয় ৰজাসকলৰ ৰাজত্বকালৰ শিলালিপি, মোহৰ লিপি আদিত ব্যৱহৃত ব্ৰাহ্মী লিপিত শিৰোৰেখাৰ প্ৰয়োগ, কেইটামান আখৰৰ ৰূপৰ বক্ৰতা আৰু নতুন ব্ৰাহ্মী অক্ষৰৰ প্ৰয়োগ আদি কেতবোৰ নতুন বৈশিষ্ট্য লক্ষ্য কৰা যায়। ইয়াৰ ফলত এই কালছোৱাৰ ব্ৰাহ্মী লিপিৰ গুৰুত্ব যথেষ্ট বৃদ্ধি পায়। সময়ত এই লিপি কুষাণ লিপি ৰূপে নামাংকিত হয়। পৰৱৰ্তী সময়ত এই লিপিৰ অধিক বিকাশ ঘটে আৰু ই কৌশাম্বী লেখনৰীতিৰ মাজেৰে সৰকি আহি গুপ্ত লিপিত পৰিণত হয়। খ্ৰীঃ ৩৫০-৫৫০ পৰ্যন্ত উত্তৰ ভাৰতৰ বিস্তীৰ্ণ এলেকাত গুপ্ত লিপিৰ ব্যৱহাৰ চলি আছে। এইছোৱা সময়তে একাধিক লিপি-শৈলীৰ আত্মপ্ৰকাশ ঘটাও দেখিবলৈ পোৱা যায়। ব্ৰাহ্মী লিপি আৰ্যাৱৰ্তৰ (উত্তৰ ভাৰতৰ) সকলো ঠাইতে লেখন কাৰ্যত ব্যৱহৃত হৈছিল। কিন্তু, গুপ্ত সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল অকল উত্তৰ-দক্ষিণাঞ্চলহে। গতিকে, সেই অঞ্চলতহে গুপ্ত লিপিৰ অধিক প্ৰচলন আছিল বুলি সহজে অনুমান কৰিব পাৰি। সুনীতি কুমাৰ চেটাৰ্জীৰ মতে, খ্ৰীঃ ষষ্ঠ-সপ্তম শতিকাত কনৌজৰাজ হৰ্ষৱৰ্ধনৰ ৰাজত্ব কালত উত্তৰ ভাৰতত ব্ৰাহ্মী লিপিৰ অন্তিম ৰূপটো দেখা গৈছিল। অতিশয় কলাত্মক ৰূপেৰে সুশোভিত এই লিপি 'সিদ্ধমাতৃকা লিপি' হিচাপে জনপ্ৰিয়তাৰ উচ্চ শিখৰত আৰোহণ কৰিছিল। এই লিপিৰ আৰম্ভণিতে 'ঔম্ সিদ্ধম্' শব্দগুচ্ছ লিখা থাকে বাবে ইয়াৰ আন এটা নাম 'সিদ্ধম্ লিপি'। হৰ্ষৱৰ্ধনৰ পৰৱৰ্তী সময়ছোৱাত এই লিপিৰ তিনিটা আঞ্চলিক ৰূপ প্ৰতিষ্ঠিত হয়। সেইকেইটা হ'ল ঃ সাৰদা, শ্ৰীহৰ্ষ আৰু কুটিল। ভাৰতৰ উত্তৰ-পশ্চিম দিশত প্ৰচলিত সাৰদা লিপিৰ পৰা কাশ্মীৰী আৰু গুৰুমুখী লিপি; দক্ষিণ-পশ্চিম দিশত প্ৰচলিত শ্ৰীহৰ্ষ লিপিৰ পৰা দেৱনাগৰী আৰু নন্দিনাগৰী; উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত কুটিল লিপিৰ পৰা মৈথিলী, অসমীয়া, বাংলা আৰু ওড়িয়া লিপিৰ উদ্ভৱ হোৱা বুলি কোৱা হৈছে। আলবেৰুণীয়ে 'সিদ্ধমাতৃকা লিপি'ৰ আন এটা নাম 'কুটিল লিপি' বুলি মন্তব্য কৰিছে। লিপিতত্ত্ববিদ ৰাখাল দাস বন্দোপাধ্যায়ৰ মতে, 'এই কুটিল লিপিয়েই পূব ভাৰতৰ সকলোবোৰ লিপিৰ মূল'। প্ৰকৃতপক্ষে খ্ৰীষ্টজন্মৰ পাছৰ পৰা প্ৰাচীন ব্ৰাহ্মী লিপিয়ে ক্ৰমাগতভাৱে ৰূপান্তৰৰ মাজেৰে আহি এটা কুষাণ লিপি আৰু তাৰ পৰৱৰ্তী কালত গুপ্ত লিপি নাম পাইছিল। এনেদৰে খ্ৰীষ্টিয় ষষ্ঠ শতিকাত গুপ্ত লিপিয়ে পৰিবৰ্তনৰ মাজেৰে আহি উত্তৰ ভাৰতত সিদ্ধ মাতৃকা বা কুটিল লিপিৰূপে নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোন চোৱা সময়ৰ পৰা ভাৰতীয় লিপিৰ ধাৰাবাহিক ইতিহাস পোৱা যায়? (১০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ২ ঃ অশোক কালীন ব্ৰাহ্মণ লিপিৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

২.৩.১ ব্ৰাহ্মী লিপি

খ্ৰীঃপূঃ তৃতীয় শতিকাত মগধৰ ৰজা প্ৰিয়দৰ্শী অশোকৰ ৰাজত্বকালত প্ৰচলিত প্ৰধান লিপি আছিল ব্ৰাহ্মী। এই লিপিতে অশোকে তেওঁৰ বাণীসমূহ গিৰিশিলাপৃষ্ঠ, শিলৰ ফলক, স্ফটিকৰ স্তম্ভ আদিত খোদিত কৰোৱাইছিল। ব্ৰাহ্মী লিপিৰ ক্ৰমবিকাশৰ ক্ষেত্ৰত বহির্ভাৰতীয় ৰাজবংশ শক আৰু ক্ষত্ৰপসকলৰ বিশেষ বৰঙণি আছে। এওঁলোকে সিন্ধু উপত্যকাৰ নিম্নাংশত উপনিবেশ স্থাপন কৰি ভাৰতৰ লিপিৰ ইতিহাসত নিজৰ নাম খোদিত কৰে। লিপি বিশাৰদ টি. পি. বাৰ্মাৰ মতে, খ্ৰীঃপূঃ প্ৰথম শতিকাৰ অন্তিম পৰ্বৰে পৰা খ্ৰীষ্টজন্মৰ প্ৰথম কেইটামান দশকলৈ শক-ক্ষত্ৰপসকলে অভিনৱ, তীক্ষ্ণ লেখনীৰ প্ৰয়োগেৰে মুদ্ৰাৰ উপৰি শৈললেখত উৎকীৰ্ণ লিপিৰ যথেষ্ট পৰিৱৰ্তন ঘটায়। সংখ্যাবাচক চিহ্নৰ বৃদ্ধি আৰু ১, ২, ৯, ১০, ৭০, ৯০ আৰু ২০০ সংখ্যাবাচক প্ৰতীকচিহ্নবোৰৰ সুপ্ৰয়োগ এই যুগৰ লিপিৰ উল্লেখযোগ্য বৈশিষ্ট্য। খ্ৰীঃপূঃ দ্বিতীয় শতিকাৰ পৰা গ্ৰীকসকলে ভাৰতৰ উত্তৰ-পশ্চিম অংশ হস্তগত কৰি সেই অঞ্চলত নিজৰ শাসন চলাবলৈ আৰম্ভ কৰে। ইয়াৰ পৰিণতি স্বৰূপে ভাৰতলৈ গ্ৰীক বা যৱন লেখন কলাৰো আমদানি ঘটে। ঘাইকৈ মুদ্ৰাত খোদিত লিপিত, বিশেষকৈ গ্ৰীক ৰজা, দেৱ-দেৱী আদিৰ নাম লিখাত এনে প্ৰভাৰ লক্ষ্যণীয়। গ্ৰীক লিপিৰ আৰ্হিত ভাৰতীয় লিপিৰ পৰীক্ষা-নিৰীক্ষা চলা বাবে লিপিতত্ত্ববিদ ঠাকুৰ প্ৰসাদ বাৰ্মাই খ্ৰীঃপূঃ দ্বিতীয় শতিকাটিত 'পৰীক্ষা-নিৰীক্ষাৰ যুগ' আখ্যা দিছে। কোনো কোনোৱে আকৌ এই সময়ছোৱাক 'পৰিব্যাপ্তিৰ কাল' আখ্যা দিছে।

ভাৰতীয় আৰ্যসকলে 'ব্ৰহ্ম'ৰ বা জ্ঞান-সংৰক্ষণৰ বাবে সৃষ্টি কৰা লিপিটোৱে ব্ৰাহ্মী লিপি নাম পাইছিল বুলিও কোনো কোনোৱে মত প্ৰকাশ কৰিছে। এই লিপি ভাৰতীয় আৰ্যসকলৰ স্বকীয় সৃষ্টি আৰু স্বয়ং ব্ৰহ্মাক এই লিপিৰ উদ্ভৱকৰ্তা বুলি কোৱা হৈছে। পাশ্চাত্য পণ্ডিত কানিংহাম, লছেন আৰু দবনে ব্ৰাহ্মীলিপিৰ সৃষ্টিত আৰ্যসকলৰ অৱদানৰ কথা শ্ৰদ্ধাৰে স্বীকাৰ কৰিছে। চীনা বিশ্বকোষ 'ফা-ৱান-শু-লিন'ত কোৱা হৈছে যে, ব্ৰহ্মাই পোনতে এই লিপি ব্যৱহাৰ কৰা কাৰণে ইয়াৰ নাম

ব্ৰাহ্মী হয়। পৰৱৰ্তী কালত সংস্কৃত ব্যাকৰণবিদসকলে এই লিপিক নিটোল ৰূপ প্ৰদান কৰাত সহায় কৰে।

মুঠতে, ব্ৰাহ্মী লিপিৰ উৎপত্তি আৰু নামকৰণৰ সন্দৰ্ভত পণ্ডিতসকলৰ মাজত মতানৈক্য আছে। তলত তেনে কেতবোৰ মত আপোনাৰ অৱগতিৰ বাবে উল্লেখ কৰা হ'ল—

ক) কোনো কোনো পণ্ডিতৰ মতে ব্ৰাহ্মী লিপি ভাৰতৰ নিজা সম্পত্তি।

খ) আলফ্ৰেড মূলাৰ, জোচেফ হলেভী, জেম্ছ প্ৰিঞ্চেস্, ইমিলি শ্বেনার্ট আদি পণ্ডিতসকলে গ্ৰীক লিপিৰ পৰা ব্ৰাহ্মী লিপিৰ উৎপত্তি হোৱা বুলি মত পোষণ কৰিছে।

গ) হোৰেছ, উইলছন আদি পণ্ডিতে গ্ৰীক লিপি আৰু ফিনিচীয় লিপিৰ সংমিশ্ৰণত ব্ৰাহ্মী লিপিৰ উৎপত্তি হোৱা বুলি মত আগবঢ়াইছে।

ঘ) আন এচাম পণ্ডিতে আকৌ ছেমীয় লিপিৰ প্ৰভাৱত ব্ৰাহ্মী লিপিৰ বিকাশ হোৱা বুলি ক'ব খোজে। তেওঁলোকৰ মতে ছেমীয় লিপিৰ অন্তৰ্গত ফিনিচীয় লিপিৰ সৈতে ব্ৰাহ্মী লিপিৰ যথেষ্ট সাদৃশ্য আছে।

ঙ) আই টেইলৰৰ মতে, দক্ষিণ ছেমীয় লিপিৰ পৰা ব্ৰাহ্মী লিপি বিকশিত হৈছে।

চ) বুহ্লাৰে আকৌ উত্তৰ ছেমীয় লিপিক ব্ৰাহ্মী লিপিৰ জননী বুলি দৃঢ়তাৰে কৈছে।

ছ) এফ. মেছনে খ্ৰীঃপূঃ ষষ্ঠ শতিকাৰ আগতেই ভাৰতত বৰ্ণমালাৰ সৃষ্টি হৈছিল বুলি মত পোষণ কৰিছে আৰু সেই মতৰ ভিত্তিত তেওঁ ক'ব বিচাৰে যে বুদ্ধদেৱৰ জন্মৰ বহু বছৰ পূৰ্বেই ভাৰতত ব্ৰাহ্মী লিপিৰ প্ৰয়োগ হৈছিল।

জ) ভাষাতত্ত্ববিদ জন বিম্ছে খ্ৰীঃপূঃ তৃতীয় শতিকাৰ পূৰ্বেই ভাৰতত পালি ভাষা লিখিবলৈ ব্ৰাহ্মী লিপিৰ প্ৰয়োগ হৈছিল বুলি মত ব্যক্ত কৰিছে।

ঝ) এ. কানিংহামৰ মতে ব্ৰাহ্মী লিপিৰ জন্মস্থান ভাৰতবৰ্ষ। ইয়াৰ বিকাশ কোনো বিদেশী লিপিৰ পৰা হোৱা নাই; ববং, চিত্ৰ লিপিৰ পৰা হৈছে।

ঞ) সিন্ধু লিপি যিহেতু চিত্ৰ লিপি, ভাব লিপি, ভাব-ধ্বনিমূলক লিপিৰ সংমিশ্ৰণ; এতেকে, সিন্ধু লিপিৰ পৰা ব্ৰাহ্মী লিপিৰ বিকাশ হোৱাটো অসম্ভৱ নহয় বুলি লংডনে মত পোষণ কৰিছে। তেওঁ লিখিছে যে— 'The early syllabic alphabet of Northern India known as Brahmi Script, from which all later characters were derived, is most probably a survival of the early pietographic system of the Indus Valley.'


ট) ভোলানাথ তিৱাৰীৰ মতেও সিন্ধু লিপিৰ লগত ব্ৰাহ্মী লিপিৰ সুদৃঢ় সম্পৰ্ক আছে।

ওপৰত উল্লেখ কৰা মতবোৰৰ যথাৰ্থতা বিচাৰ কৰি চালে এই কথা দৃঢ়তাৰে ক'ব পাৰি যে ব্ৰাহ্মী বিদেশৰ পৰা ধাৰ কৰা কিম্বা কোনো বিদেশী লিপিৰ প্ৰভাৱযুক্ত লিপি নহয়। ই ভাৰতৰ নিজা সম্পদ আৰু ইয়াৰ উৎপত্তি ভাৰতৰ বুকুতে হৈছে।

সম্ৰাট অশোকৰ ৰাজত্ব কালত তেওঁৰ দ্বাৰা প্ৰচাৰিত ধৰ্মবাণীসমূহ খোদিত কৰাবলৈ ব্ৰাহ্মী লিপি ব্যৱহাৰ কৰা হৈছিল। ১৮২২ খ্ৰীষ্টাব্দত পশ্চিম ভাৰতৰ গুজৰাটৰ জুনাগড় ৰাজ্যৰ গিৰণাৰত, ১৮৩৭ খ্ৰীষ্টাব্দত ওড়িচাৰ ধৌলিত আৰু ১৮৬০ খ্ৰীষ্টাব্দত উত্তৰ প্ৰদেশৰ দেৰাডুনৰ কালছীত উদ্ধাৰ হোৱা অশোকৰ শিলালেখসমূহে ইয়াৰ স্পষ্ট প্ৰমাণ দাঙি ধৰে।

ব্ৰাহ্মী লিপি বাওঁফালৰ পৰা সোঁফাললৈ লিখা হৈছিল। কাচিৎহে ইয়াৰ ক্ৰম ওলোটা হৈছিল; অৰ্থাৎ, সোঁফালৰ পৰা বাওঁফাললৈ লিখা হৈছিল। অন্ধ্ৰপ্ৰদেশৰ য়েৰ্ৰগুৰিত প্ৰাপ্ত অনুশাসনখনিৰ প্ৰথম শাৰী বাওঁফালৰ পৰা সোঁফাললৈ আৰু তাৰ পিছৰ শাৰী সোঁফালৰ পৰা বাওঁফাললৈ 'লাংগলকৰ্ষণৱৎ' পদ্ধতিত লিখা হৈছে। ইয়াৰ উপৰি, মধ্যপ্ৰদেশৰ এৰণ নামে ঠাইত উদ্ধাৰ হোৱা মুদ্ৰা এটিত আৰু সিংহলত (বৰ্তমান শ্ৰীলংকা) উদ্ধাৰ হোৱা কেতবোৰ অভিলেখতো এনে ওলোটা ক্ৰম প্ৰত্যক্ষ কৰা যায়।

ব্ৰাহ্মী লিপিৰ আখৰবোৰত শিৰোৰেখা নাছিল। আখৰবোৰ আছিল থিয়, পোন, সম উচ্চতাৰ আৰু কৌণিক ৰূপৰ। কিছুমান আখৰত বৃত্ত আৰু অৰ্ধবৃত্তৰ স্থিতি লক্ষ্যণীয়। ইটোৰ লগত সিটো লগ লাগি থকা আখৰবোৰৰ প্ৰতিটোৱে আকৃতি প্ৰায় সমান ধৰণৰ। দণ্ডৰ দ্বাৰা বিৰাম বুজোৱা ৰীতি এই লিপিৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। শিলানুশাসনত প্ৰয়োগ হোৱা আখৰবোৰত কৌণিক ৰূপ সততে লক্ষ্য কৰিব পাৰি। আনহাতে, স্তম্ভলিপিৰ আখৰবোৰত পাক থকা দেখা গৈছে। শিলালেখসমূহত অ, আ, ই, এ, উ, ও আৰু অং স্বৰবৰ্ণ সাধাৰণতে শব্দৰ আদি অৱস্থানত প্ৰয়োগ কৰা হৈছে। আনহাতে, বাকীবোৰ স্বৰবৰ্ণ যথা— আ, ই, ঈ, উ, ঊ, এ, ঐ, ও আৰু ং ঘাইকৈ শব্দৰ মধ্যৱৰ্তী অৱস্থানত পোৱা গৈছে। লিপি বিশাৰদ চি এছ উপাসকে অশোককালীন ব্ৰাহ্মী লিপিৰ দুটা সুকীয়া ৰূপ লক্ষ্য কৰিছে; এটা মৌলিক আৰু আনটো সাধিত। মৌলিক ৰূপটোৰ আখৰৰ সংখ্যা সৰ্বমুঠ চৌবিশটা— তিনিটা স্বৰবৰ্ণ (অ, ই, উ) আৰু একৈশটা ব্যঞ্জনবৰ্ণ (ক, খ, ঘ, চ, জ, ঝ, ট, ড, ত, দ, ন, প, ব, ম, য়, ৰ, ল, ৱ, ম, স, হ); কিন্তু সাধিত ৰূপটোত সাতোটা স্বৰ (আ, ঈ, ঊ, ঐ, ও, ঔ, অং) আৰু তেৰটা ব্যঞ্জন (খ, ঙ, চ, ঞ, ঠ, ঢ, ণ, থ, ধ, ফ, ভ, ড়, য) মিলি মুঠ একৈশটা আখৰ পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ব্ৰাহ্মী লিপিৰ উৎপত্তি আৰু নামকৰণ সম্পৰ্কে থকা কেইটামান মত উল্লেখ কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

২.৩.২ খৰোষ্ঠী লিপি

আপোনাক এই শাখাটোৰ প্ৰাৰম্ভতে কৈ আহিছো যে, খ্ৰীঃপূঃ তৃতীয় শতিকাৰ আশে-পাশে ভাৰতত লেখন কলাৰ যি দুটা পদ্ধতি প্ৰচলিত আছিল তাৰ ভিতৰত উত্তৰ-পশ্চিম সীমান্ত অঞ্চলত প্ৰচলিত পদ্ধতিটোৰ নাম খৰোষ্ঠী লিপি। এইবিধ লিপি বহু কালজুৰি ভাৰতীয় সভ্যতা-সংস্কৃতিৰ বাহক আছিল। সম্ৰাট অশোকে লিখোৱা 'ধৰ্মলিপি'-সমূহত ব্যৱহৃত চাৰি প্ৰকাৰৰ লিপিৰ ভিতৰত (ব্ৰাহ্মী, খৰোষ্ঠী, আৰামীয় আৰু গ্ৰীক) খৰোষ্ঠী আছিল অন্যতম। প্ৰাচীন ভাৰতবৰ্ষৰ (বৰ্তমান পাকিস্তানৰ অন্তৰ্গত) মানসেহ্ৰা আৰু শ্বাহ্বাজ্গঢ়ী নামৰ ঠাইত প্ৰাপ্ত অশোকৰ চৈধ্যখন 'ধৰ্মলিপি'ত প্ৰয়োগ হোৱা লিপিটোকে খৰোষ্ঠী লিপিৰ প্ৰাচীনতম নিদৰ্শন বুলিব পাৰি। ইয়াক গান্ধাৰী, কাবুলী, বেক্ট্ৰোপালি, ইন্দো-বেক্ট্ৰি নামেৰেও জনা গৈছিল। চীনা বিশ্বকোষ 'ফা-ৱান-শু-লিন'ত (কি-অ-ল) 'খৰোষ্ঠ' শব্দৰ উল্লেখ পোৱা যায়। সম্ভৱতঃ এই 'খৰোষ্ঠ' শব্দৰ পৰাই খৰোষ্ঠী নাম জনপ্ৰিয় হৈ উঠে। খ্ৰীষ্টিয় তৃতীয় শতিকামানলৈ ভাৰতবৰ্ষত খৰোষ্ঠী লিপি লেখন কাৰ্যৰ বাহক ৰূপে চলি আছিল। অশোকৰ পৰৱৰ্তী শক, যৱন, কুষাণ আদি ৰাজবংশই এই লিপি প্ৰয়োগ কৰিছিল। পুৰালিপিবিদ বুহ্লাৰ, টেইলৰ, জোচেফ হলেভী আদি পণ্ডিতে আৰামীয় লিপিৰ সৈতে খৰোষ্ঠী লিপিৰ ঘনিষ্ঠ সম্পৰ্ক আছে বুলি উল্লেখ কৰিছে। আনহাতে এ. কানিংহাম, ৰাজৱলী পাণ্ডে আদি পণ্ডিতে ব্ৰাহ্মীৰ দৰে খৰোষ্ঠী লিপিৰো ভাৰততে বিকাশ হোৱা বুলি অভিমত ব্যক্ত কৰিছে। উল্লেখনীয় যে খৰোষ্ঠী লিপি কেৱল ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম অঞ্চলত প্ৰচলিত প্ৰাকৃত ভাষা লিখিবলৈহে ব্যৱহাৰ কৰা হৈছিল। পৰৱৰ্তী সময়ত ভাৰতীয় আৰ্যভাষাসমূহ লিখাৰ বাবে খৰোষ্ঠী লিপি সুচল বুলি বিবেচিত নোহোৱাত এইবিধ লিপি বিলুপ্ত হয় আৰু তাৰ ঠাই ব্ৰাহ্মীলিপিয়ে অধিকাৰ কৰে। খৰোষ্ঠী লিপিৰ পৰা ভাৰতত কোনো নতুন লিপিৰ জন্ম হোৱাৰ প্ৰমাণ পোৱা নাযায়। পণ্ডিতসকলে 'খৰোষ্ঠী' নামটোৰ উদ্ভৱৰ প্ৰসংগত আগবঢ়োৱা মতবোৰ এনে ধৰণৰ—

ক) চীনা বিশ্বকোষৰ আলমত অধ্যাপক টেৰিয়েন দ্য লা কুপেৰীয়ে দেখুৱাইছে যে কুলিউ, কিয়ালু বা কিয়ালুশ্খেৰে (গাধৰ ওঁঠৰ সৈতে সম্পৰ্কিত নাম) পোনতে এই লিপি ব্যৱহাৰ কৰিছিল বাবে এই লিপিৰ নাম 'খৰোষ্ঠী' হৈছে।

খ) মধ্য এছিয়াৰ কাছগড় নামে ঠাইত কোনো এটা সময়ত এই লিপি প্ৰয়োগ কৰা হৈছিল। চীনা ভাষাত এই লিপিয়ে 'কি-আ-লু-শ্খু-অ-লে' নাম পাইছিল। গতিকে ইয়াৰ সংস্কৃতকৰণেই খৰোষ্ঠী বুলি অধ্যাপক চিলভা লেভীয়ে মত দিছে। অৱশ্যে জাৰ্মান পণ্ডিত অট' ফ্ৰেংক আৰু আৰ. পিশেলে এই মত সমৰ্থন কৰা নাই।

গ) কাৰো কাৰো মতে ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম দিশত বহুকাল পূৰ্বে বাস কৰা

'খৰোষ্ট্ৰ' নামৰ জাতিটোৱে ব্যৱহাৰ কৰা লিপি 'খৰোষ্ট্ৰী' নামেৰে জনা গৈছিল। এই 'খৰোষ্ট্ৰী'ৰ পৰাই পাছৰ কালত 'খৰোষ্ঠী' নামৰ উদ্ভৱ হয়।

ঘ) প্ৰাচীন ইৰাণীয় ভাষাত 'খৰ' মানে গাধ আৰু 'পোস্ত' মানে জন্তুৰ ছাল। গতিকে, 'খৰপোস্ত' শব্দৰ অৰ্থ হ'ল গাধৰ ছাল। পৰৱৰ্তী কালত ভাৰতীয় মানুহৰ মুখত 'খৰপোস্ত'ৰ পৰা 'খৰোষ্ঠ' আৰু 'খৰোষ্ঠী' নামৰ সৃষ্টি হয়।

ঙ) এচাম পণ্ডিতৰ মতে আকৌ, আৰামীয় ভাষাত লিপিবাচক শব্দটো হৈছে 'খৰোট্ঠ'। এই শব্দটো কালক্ৰমত সংস্কৃত ভাষালৈ আহি 'খৰোষ্ঠী' হয়।

চ) প্ৰজিলুছ্কিৰ মতে, গাধৰ ছালত লিখা বাবে এই লিপিক 'খৰপৃষ্ঠি' বোলা হৈছিল। পাছত ধ্বনি সংকোচন ঘটি ই 'খৰোষ্ঠী'লৈ ৰূপান্তৰিত হয়।

ছ) ভাষাচাৰ্য সুনীতি কুমাৰ চট্টোপাধ্যায়ে 'খৰোষ্ঠী'ৰ উৎস হিব্ৰু ভাষাৰ 'খৰোশেথ' শব্দ বুলি উল্লেখ কৰিছে। হিব্ৰু ভাষাত 'খৰশেথ'ৰ অৰ্থ হৈছে খোদাই কৰা বা লিখা।

জ) খৰোষ্ঠী লিপিত ব্যৱহৃত আখৰৰ গঢ় গাধৰ ওঁঠৰ সৈতে মিলে বাবে ভাৰতীয়সকলে এই লিপিৰ নাম 'খৰোষ্ঠী ৰাখিছিল (খৰ-গাধ, ওষ্ঠ-ওঁঠ). লিপিতত্ত্ববিদ বুহ্লাৰে *Indian Studies*ত এই মতৰ ঐতিহাসিক সত্যতা স্বীকাৰ কৰিব পাৰি' বুলি উল্লেখ কৰাটো নিঃসন্দেহে তাৎপৰ্যপূৰ্ণ।

'খৰোষ্ঠী' নামৰ উৎপত্তি য'ৰ পৰাই নহওক কিয়, এটা সময়ত ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম অঞ্চল, বিশেষকৈ গান্ধাৰ আৰু উত্তৰ পাঞ্জাবত যে প্ৰাকৃত ভাষাৰ লিখন কাৰ্যত এইবিধ লিপি ব্যৱহাৰ কৰা হৈছিল তাত কাৰো দ্বিমত নাই। এই লিপি সাধাৰণতে সোঁফালৰ পৰা বাওঁফাললৈ লিখা হয়। পাছলৈ ব্ৰাহ্মীৰ প্ৰভাৱত কোনো কোনো ক্ষেত্ৰত এই লিপিয়ে লিখাৰ দিশ সলনি কৰাও পৰিলক্ষিত হয়।

খৰোষ্ঠী লিপিত সংযুক্ত ব্যঞ্জনৰ সংখ্যা তেনেই তাৰক। 'ন' আৰু 'ণ'-ৰ মাজত পাৰ্থক্যহীনতা, 'ক্ষ'-ৰ ঠাইত 'খ', 'ও'-ৰ সলনি 'ত', 'দ্ধ'-ৰ ঠাইত 'ধ'-ৰ ব্যৱহাৰ এই লিপিৰ কেইটামান প্ৰধান বৈশিষ্ট্য। আধুনিক গুজৰাটী লিপিৰ নিচিনা স্বৰবৰ্ণ সজোৱা পদ্ধতি খৰোষ্ঠী লিপিতো লক্ষ্য কৰিব পাৰি।



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পৃথিৱীত আজিকোপতি যিমানবোৰ লিপিৰ প্ৰচলন ঘটিছে সেই আটাইবোৰক ঘাইকৈ দুটা ভাগত ভগোৱা হৈছে— (ক) আখৰ বা বৰ্ণযুক্ত লিপি আৰু (খ) আখৰহীন বা বৰ্ণহীন লিপি। দেৱনাগৰী, অসমীয়া, ৰোমান আদি প্ৰথম বিধৰ উদাহৰণ আৰু দ্বিতীয় বিধৰ উদাহৰণ হৈছে— চীনা, বাণমুখ আদি।

- চিত্ৰ লিপি, গ্ৰন্থি লিপি আদিক বাদ দি পৃথিৱীৰ প্ৰাচীন লিপিমালাৰ ভিতৰত পোনপ্ৰথমে মেচোপটেমীয়াত বিকশিত হোৱা বাণমুখ লিপিৰ নাম ল'ব লাগিব। এই লিপিকে পৃথিৱীৰ সৰ্বপ্ৰাচীন লিপি বোলা হয়।
- ভাৰতীয় লিপিৰ ধাৰাবাহিক ইতিহাস পোৱা যায় খ্ৰীঃপূঃ ৩য়-৪র্থ শতিকাৰ মগধৰাজ প্ৰিয়দৰ্শী অশোকৰ ৰাজত্ব কালৰ পৰা। অশোকৰ অনুশাসনসমূহত ব্যৱহাৰ হোৱা ব্ৰাহ্মী লিপিৰ পৰাই যে ভাৰতীয় লিপিৰ বিকাশ ঘটিছে সেই সম্পৰ্কে পণ্ডিতসকল প্ৰায় একমত।
- ব্ৰাহ্মী লিপি বাওঁফালৰ পৰা সোঁফাললৈ লিখা হৈছিল। কাচিৎহে ইয়াৰ ক্ৰম ওলোটা হৈছিল; অৰ্থাৎ সোঁফালৰ পৰা বাওঁফাললৈ লিখা হৈছিল।
- প্ৰাচীন ভাৰতবৰ্ষৰ (বৰ্তমান পাকিস্তানৰ অন্তৰ্গত) মান্‌সেহৰা আৰু শ্বাহবাজ্‌গঢ়ী নামৰ ঠাইত প্ৰাপ্ত অশোকৰ চৈধ্যখন 'ধৰ্ম লিপি'ত প্ৰয়োগ হোৱা লিপিটোকে খৰোষ্ঠী লিপিৰ প্ৰাচীনতম নিদৰ্শন বুলিব পাৰি। ইয়াক গান্ধাৰী, কাবুলী, বেক্ট্ৰোপালি, ইন্দো-বেক্ট্ৰি নামেৰেও জনা গৈছিল।
- প্ৰাচীন ইৰাণীয় ভাষাত 'খৰ' মানে গাধ আৰু 'পোস্ত' মানে জন্তুৰ ছাল। গতিকে, 'খৰপোস্ত' শব্দৰ অৰ্থ হ'ল গাধৰ ছাল। পৰৱৰ্তী কালত ভাৰতীয় মানুহৰ মুখত 'খৰপোস্ত'ৰ পৰা 'খৰোষ্ঠ' আৰু 'খৰোষ্ঠী' নামৰ সৃষ্টি হয়।
- খৰোষ্ঠী লিপিত সংযুক্ত ব্যঞ্জনৰ সংখ্যা তেনেই তাকৰ। 'ন' আৰু 'ণ'-ৰ মাজত পাৰ্থক্যহীনতা, 'ক্ষ'-ৰ ঠাইত 'খ', 'ও'-ৰ সলনি 'ত', 'দ্ধ'-ৰ ঠাইত 'ধ'-ৰ ব্যৱহাৰ এই লিপিৰ কেইটামান প্ৰধান বৈশিষ্ট্য।
- ব্ৰাহ্মী লিপিৰ বিকাশত কুষাণ বংশৰ ৰাজত্বকালৰ বিশেষ ভূমিকা আছে। এই ৰাজবংশৰ পৃষ্ঠপোষকতাত ব্ৰাহ্মী লিপিৰ যথেষ্ট উন্নতি হয় আৰু ই কলাত্মক ৰূপ অৰ্জন কৰে। কুষাণ ৰাজবংশৰ হাতত পৰিবৰ্তিত হোৱা বাবে সময়ত ব্ৰাহ্মী লিপি কুষাণ লিপি ৰূপে জনাজাত হয়।




২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, সৰ্বেশ্বৰ (২০০৩); *অসমীয়া প্ৰাচীন লিপি;* ডিব্ৰুগড় ঃ বনলতা।
২) দাস, নাৰায়ণ (২০০৩); *বিশ্ব লিপিৰ ভূমিকা;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।
৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।
৪) নেওগ, মহেশ্বৰ (২০০৪); *পৰিত্ৰ অসম;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।
৫) শৰ্মা, ডিম্বেশ্বৰ (২০০২); *প্ৰাগজ্যোতিষৰ ইতিহাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।
৬) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ প্ৰতিভা

দেৱী প্ৰকাশন।



২.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতীয় লিপিৰ ধাৰাবাহিক ইতিহাস পোৱা যায় খ্ৰীঃ পূঃ ৩য়-৪র্থ শতিকা মগধৰাজ প্ৰিয়দৰ্শী অশোকৰ ৰাজত্বকালৰ পৰা ..... ইয়াৰ আলমত উত্তৰটো সজাই লিখিব লাগিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ 'অশোক কালীন ব্ৰাহ্মী লিপিৰ সৃষ্টি কেনেদৰে হৈছিল তাৰ লেখ ..... সেই ব্ৰাহ্মী লিপিৰ দুটা ভাগৰ উল্লেখ ... সেই ব্ৰাহ্মী লিপিৰ বিকাশৰ চমু খতিয়ান।

৩নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ্যত উল্লেখ থকা ব্ৰাহ্মী লিপিৰ উৎপত্তি ৰু নামকৰণৰ সন্দৰ্ভত থকা কেইটামান মতৰ উল্লেখ আৰু চমু আলোচনা।



২.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ব্ৰাহ্মী লিপিৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ খৰোষ্ঠী লিপিৰ উদ্ভৱৰ লগত জড়িত মতসমূহ কি কি? খৰোষ্ঠী লিপিৰ বৈশিষ্ট্যসমূহ কি কি?

*** ***** ***

অধ্যায় ৩ ঃ ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ – (২)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ বাণমুখ লিপি
৩.৪ সিন্ধু লিপি
৩.৫ কুষাণ লিপি
৩.৬ গুপ্ত লিপি
৩.৭ সিদ্ধমাতৃকা লিপি
৩.৮ কুটিল লিপি
৩.৯ প্ৰাদেশিক লিপি
৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.১১ অধিক জানিবলৈ
৩.১২ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৩.১৩ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বাণমুখ লিপিৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- সিন্ধু লিপিৰ পৰিচয় লাভ কৰিব
- কুশান লিপিৰ পৰিচয় আগবঢ়োৱাৰ লগতে সেই লিপিৰ অন্তৰ্গত আখৰৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰিব পাৰিব
- ভাৰতীয় লিপিৰ ক্ৰমবিকাশত গুপ্ত লিপিৰ স্থান নিৰ্ণয় কৰিব পাৰিব
- সিদ্ধমাতৃকা লিপিৰ বৈশিষ্ট্যপূৰ্ণ দিশসমূহ আলোচনা কৰিব পাৰিব
- কুটিল লিপিৰ আঞ্চলিক ৰূপ ভেদৰ বিষয়ে জানিব পাৰিব
- প্ৰাদেশিক লিপিৰ চমু পৰিচয় আগবঢ়াব পাৰিব

৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ যান্মাসিকৰ অন্তৰ্গত এইখন প্ৰথম পাঠ্যবিষয়। ইয়াৰ শিৰোনাম

'লিপি আৰু পাঠ সমীক্ষা'। এই পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়ত ভাৰতীয় লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে কিছু ধাৰণা লাভ কৰিলে। তৃতীয়টো অধ্যায় অৰ্থাৎ এইটো অধ্যায়ত আমি দ্বিতীয় অধ্যায়ত কৰা আলোচনা ভাগ আৰু অধিক আগবঢ়াই নিম আৰু সামগ্ৰীক ভাৱে 'ভাৰতীয় লিপি উদ্ভৱ আৰু ক্ৰমবিকাশ -(২)' নামৰ এই অধ্যায়টোত আমি ভাৰতীয় লিপি বিষয়ক অধিক তথ্য আগবঢ়াম। আহকচোন, আমি এতিয়া মূল আলোচনাভাগলৈ আগবাঢ়ো।

৩.৩ বাণমুখ লিপি

বৰ্তমানৰ ইৰাকৰ টাইগ্ৰিচ আৰু ইউফ্ৰেটিচ এই দুখন নদীৰ সংগমস্থলীত থকা সৰু দেশখনক পুৰণি গ্ৰীচ দেশৰ অধিবাসীসকলে মেচোপটেমিয়া নাম দিছিল। মেচোপটেমিয়াৰ অৰ্থ হ'ল -- দুই দেশৰ মধ্যৱৰ্তী দেশ। এই মেচোপটেমিয়া অঞ্চলতে মূলতঃ চিত্ৰ আৰু অক্ষৰ লিপিৰ মাজৰ সময়চোৱাত বাণমুখ লিপি নামৰ এক জনপ্ৰিয় লিপিৰ প্ৰচলন আছিল। কোনো কোনো পণ্ডিতে বাণমুখ লিপিৰ প্ৰথম ব্যৱহাৰ মেচোপটেমিয়াত হৈছিল বুলি ক'ব বিচাৰে যদিও অধিকাংশ পু�ৰাতত্ত্ববিদে এই লিপিৰ আদিম জননী সুমেৰ বুলি উল্লেখ কৰিছে। মন কৰিবলগীয়া যে এই লিপিৰ প্ৰাচীন নিদৰ্শন 'উৰুক' অৰ্থাৎ বাইবেল বৰ্ণিত 'ইবেক' অঞ্চলত হৈছিল। চৰাইৰ পদচিহ্নৰ অনুকৰণত প্ৰাচীন সুমেৰবাসীয়ে কেঁচা ঘূৰণীয়া মাটিৰ ফলকৰ ওপৰত কাঠৰ টুকুৰা, হাড় অথবা আন কঠিন পদাৰ্থৰে লিখিছিল। তেওঁলোকে আখৰবোৰ বৃত্তাকাৰভাৱে নিলিখি পোনভাৱে হেচি হেচি কাটি পিছত ফলকবোৰ ৰ'দত শুকুৱাই লৈ জুইত পুৰি লৈছিল। কঠিন পদাৰ্থৰ আগেৰে হেচি লিখা বাবে সেইবোৰ দেখাত বাণ, কাঁড় বা গোঁজৰ আকৃতিৰ হৈছিল। সেইবাবে তাক বাণমুখ, কীলকাক্ষৰ অথবা কিউনিফৰ্ম লিপি আখ্যা দিয়া হয়। বিখ্যাত লিপিতত্ত্ববিদ টমাচ হাইডে পোনপ্ৰথমে ইয়াৰ নামকৰণ কৰিছিল। বাণমুখ লিপিৰ ক্ৰমবিকাশ আৰু বৈশিষ্ট্য এনেধৰণৰ ---

ক) প্ৰথম স্তৰৰ বাণমুখ লিপি বহু পৰিমাণে চিত্ৰলিপিৰ লেখীয়া আছিল। সেয়েহে তৰা, ভগৱান আৰু সৰগ বুজাবলৈ তৰাৰ চিন অংকন কৰা হৈছিল। তৰাটো দেখিবলৈ ঘূৰণীয়াকৈ আঁকা আঠোটা বাণাকৃতি ৰেখাৰ সমষ্টি আছিল।

খ) পিছলৈ অষ্টকোণী তৰাই দীৰ্ঘ-পথালিকৈ সংযোজিত দুডাল বাণমুখী ৰেখাৰ বাওঁফালে অংকিত দ্বিতীয়ডাল অনুভূমিক বাণমুখী ৰেখা সমষ্টিৰ ৰূপ লয়।

গ) সময়ৰ অগ্ৰগতিৰ লগে লগে এই লিপি ভাৱলিপিলৈ উন্নীত হয়। এই স্তৰত তাপ আৰু দিন বুজাবলৈ সূৰ্য নাইবা গতি নিৰ্দেশ কৰিবলৈ ভৰিৰ ছবি বাওঁফালে অংকিত হৈছিল।

ঘ) অন্তিম স্তৰত কোনো ভাষাত এই লিপিয়ে অৰ্থ - আক্ষৰিক ৰূপ পৰিগ্ৰহণ কৰাটো মন কৰিবলগীয়া। সেয়েহে এই লিপিক কোনো কোনো পুৰাতত্ত্ববিদে অক্ষৰ

লিপিৰ প্ৰাৰম্ভিক স্তৰ বুলিও কয়।

সুমেৰ পৰা আক্কাডীযসকলে বাণমুখ লিপি গ্ৰহণ কৰি নাগৰিক জীৱনলৈ সুচলতা আনে। তেওঁলোকে বেবিলন জয় কৰাৰ পিছত সুমেৰীয় লিপিকে তাত চলাই নিয়ে। মন কৰিবলগীয়া যে, তেওঁলোকে এই লিপি ব্যৱহাৰ কৰি লিখা অগণন মৃৎ ফলক ইতিমধ্যে উদ্ধাৰ কৰা হৈছে। আনহাতে আসিৰীয়সকলে খ্ৰী. পূ. ২৩০০ বছৰতে বাণমুখ লিপি গ্ৰহণ কৰি এই লিপিক অক্ষৰ লিপিৰ ফালে আগুৱাই আনিবলৈ সক্ষম হয়।

৩.৪ সিন্ধু লিপি

প্ৰাক্-বৈদিক যুগৰ সিন্ধু সভ্যতাই ভাৰতৰ প্ৰাচীনতম লেখন কলাৰ সম্ভেদ প্ৰদান কৰে। ভাৰতৰ হৰপ্পা আৰু মহেঞ্জোদাৰোত এসময়ত বৰ্তি থকা সিন্ধু সভ্যতাৰ সময়ত প্ৰচলিত পোৰা মাটি আৰু নৰম শিলৰ মোহৰে প্ৰাচীন ভাৰতীয় লোকৰ লিপি জ্ঞানৰ স্বাক্ষৰ বহন কৰে। হৰপ্পা পঞ্জাৱ প্ৰদেশৰ মণ্ট গোমাৰী জিলাত আৰু মহেঞ্জোদাৰো সিন্ধু প্ৰদেশৰ লা�ৰকানা জিলাত অৱস্থিত। উক্ত দুই স্থানত উৎকীৰ্ণ প্ৰতীক চিহ্নৰে সাদৃশ্য থকা কিছু সংখ্যক মাটিৰ আৰু কোমল শিলৰ মোহৰ উদ্ধাৰ কৰা হৈছে। হৰপ্পা আৰু মহেঞ্জোদাৰোত প্ৰাপ্ত কিছু সংখ্যক লিপি চিহ্নৰ সৈতে সুমেৰ, প্ৰাক্-এলাম, হিত্তাইট, মিছৰ, ক্ৰীট, চাইপ্ৰাচ আৰু চীনদেশৰ লিপি চিহ্নৰ লগত সাদৃশ্য থকা বুলি ইতিমধ্যে বহু লিপিতত্ত্ববিদে দাবী কৰিছে।

একাধিক পাশ্চাত্য লিপিতত্ত্ববিদে সিন্ধু লিপিক জয়জয়তে 'চিত্ৰলিপি' ৰূপে চিনাক্ত কৰিছিল। এই প্ৰসংগত ছাৰ ফ্লাইণ্ডাৰচ্ পেট্ৰেৰ নাম বিশেষভাৱে উল্লেখযোগ্য। সিন্ধু উপত্যকাৰ পৰা উদ্ধাৰ কৰা কিছু সংখ্যক মোহৰত চৰাই, মাছ, ষাঁড়, এশিঙীয়া জন্তু আৰু ভিন্ন আকৃতিৰ মানুহৰ প্ৰতিকৃতি দেখা যায়। এই চিত্ৰবোৰৰ তলে-ওপৰে কিছুমান প্ৰতীক চিহ্নও উৎকীৰ্ণ হৈছে। অৱশ্যে এই ক্ষেত্ৰত এটা কথা মনত ৰখা উচিত হ'ব যে হৰপ্পা আৰু মহেঞ্জোদাৰোৰ পৰা প্ৰাপ্ত মোহৰ কিছুমানত চিত্ৰ থাকিলেও সেইবোৰত থকা প্ৰতীক চিহ্নসমূহহে প্ৰকৃততে অধ্যয়নৰ বস্তু। গতিকে এইবোৰক একাষাৰে চিত্ৰলিপি আখ্যা দিব নোৱাৰি।

মেৰিগ্নি নামৰ পণ্ডিত এজনে ভাৱলিপি আৰু অক্ষৰ লিপিৰ আধাৰত সিন্ধু লিপি পৰীক্ষা কৰি এই মত প্ৰদান কৰিছিল যে এই লিপিৰ প্ৰয়োগকৰ্তাসকলে মৃন্ময় মোহৰ মালাৰ লিপিত Ideo-phonologic System এটা প্ৰয়োগ কৰাইছিল। কিন্তু তেওঁৰ এই মতক জি.ডে. হেভেছিয়ে কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। লিপিতত্ত্ববিদসকলে বৰ্তমানলৈ সিন্ধু লিপিৰ প্ৰায় চাৰিশ প্ৰকাৰৰ চিহ্নৰ তালিকা প্ৰস্তুত কৰি সেইবোৰৰ পাঠোদ্ধাৰৰ প্ৰচেষ্টা চলাই আছে। সিদ্ধু লিপিৰ এই চিহ্নবোৰক মূলতঃ দুটা ভাগত ভগাব পাৰি - মৌলিক আৰু যৌগিক। মাছ, মানুহ আদি প্ৰতীক

মৌলিক। এনে মৌলিক প্ৰতীকৰ সংখ্যা আঢ়ৈশমান হ'ব। মানুহ, মাছ প্ৰতীকত আন ৰেখাৰ সংযোজনাসমূহ যৌগিক প্ৰতীক চিহ্নৰ অন্তৰ্ভুক্ত। ফাদাৰ ৰেভা হেৰাচে সিন্ধু লিপিৰ পাঠোদ্ধাৰ কৰাৰ দাবী কৰি কয় যে এই লিপি সোঁহাতৰ পৰা বাওঁ হাতলৈ লিখা হয় আৰু সেইবোৰ মূলতঃ দ্ৰাবিড় মূলীয় তামিলৰ প্ৰত্নৰূপ। ছাৰ জন মাশ্চালোও এই মতৰ অনুগামী। আকৌ জি. আৰ. হাণ্টাৰে ইয়াৰ লিপিক অশোক কালীন ব্ৰাহ্মীলিপিৰ প্ৰত্নৰূপ বুলি অভিহিত কৰে। সিন্ধু লিপিৰ বহু কেইটা প্ৰতীক চিহ্ন ব্ৰাহ্মী লিপিৰ সৈতে মিলি যোৱা দিশটো এই প্ৰসংগত উল্লেখনীয়। পুৰাতত্ত্ববিদসকলৰ বিস্তৃত অধ্যয়নে এই কথা স্পষ্ট কৰে যে প্ৰাচীন ইজিপ্ত, সুমেৰ, চীন, ক্ৰীট আৰু ভাৰত - এই আটাইকেইখন দেশতে প্ৰচলন থকা চিত্ৰলিপিৰ মাজত এক সাদৃশ্য আছে। কিন্তু সেয়া হ'লেও সাদৃশ্যৰ ভিত্তিত একাংশ লিপিতত্ত্ববিদে সুমেৰৰ চিত্ৰ লিপিৰ পৰা সিন্ধু লিপি আহিছে বোলা একাষাৰৰ কোনো যুক্তিযুক্ততা নাই বুলি অধিকাংশ সমালোচকে মত প্ৰকাশ কৰিছে।

প্ৰকৃততে, সিন্ধু লিপিৰ মূল সম্পৰ্কে এতিয়াও লিপিতত্ত্ববিদসকলে স্থিৰ সিদ্ধান্তত উপনীত হ'ব পৰা নাই। ছেমীয় লিপিৰ সৈতে এই লিপিৰ সাদৃশ্য দেখি কোনো কোনোৱে ইয়াক সুমেৰৰ পৰা সিন্ধু উপত্যকালৈ কঢ়িয়াই অনা বুলি মন্তব্য দিয়ে। আন একাংশই আকৌ সিন্ধুলিপি ভাৰতবৰ্ষতে জন্মগ্ৰহণ কৰি বিকশিত হয় বুলি মত প্ৰকাশ কৰিছে। পৰৱৰ্তী সময়ত ফিনিচীয়সকলে ভাৰতৰ পৰা এই লিপি সুমেৰ, উত্তৰ ছিৰিয়া আদি স্থানলৈ কঢ়িয়াই লৈ যায়। আনকি বিখ্যাত ভাষাতত্ত্ববিদ সুন্নিতি কুমাৰ চেটাৰ্জীয়ে সিন্ধুলিপিক প্ৰত্ন ব্ৰাহ্মীৰ ৰূপ বুলি অভিহিত কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বাণমুখ লিপিৰ ক্ৰমবিকাশ আৰু বৈশিষ্ট্য সম্পৰ্কে লিখক।

(১০০ টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ২ ঃ সিন্ধু লিপিৰ উৎপত্তি সম্পৰ্কে লিপিতত্ত্ববিদসকলৰ মাজত কেনেধৰণৰ মতভেদ দেখা যায়।

(১০০ টা শব্দৰ ভিতৰত)

.....

৩.৫ কুষাণ লিপি

ইতিমধ্যে এই কথা আপুনি নিশ্চিয় অৱগত হৈছে যে মগধৰ মৌৰ্যবংশৰ ৰজা প্ৰিয়দৰ্শী অশোকৰ অনুশাসনসমূহ ঘাইকৈ ব্ৰাহ্মী লিপিত খোদিত। অশোকৰ

পৰৱৰ্তী সময়ত শক আৰু ক্ষত্রপ ৰজাসকলৰ হাতত ব্রাহ্মীলিপিৰ ভালেখিনি পৰিবৰ্তন হয়। খ্ৰীষ্টিয় প্ৰথম-দ্বিতীয় শতিকাত ভাৰতত কুষাণ বংশই ৰাজ্য স্থাপন কৰে। ভাৰতত স্বাধীন ৰাজ্য স্থাপন কৰা ইউ চি জাতি লাহে লাহে পাঁচটা ভাগত বিভক্ত হয়। তাৰে এটা ভাগৰ নাম হ'ল কুষাণ। কুষাণৰাজ কোজল কদ্‌ফিচেচে আন চাৰিওটা ভাগক পৰাস্ত কৰি ভাৰতত কুষাণ সাম্রাজ্য প্ৰতিষ্ঠা কৰে। এওঁৰ পিচত কনিষ্ক, বসিষ্ক, হুৱিষ্ক আৰু বাসুদেৱ ৰাজপাটত বহে। ব্রাহ্মী লিপিৰ বিকাশত এই কুষাণ বংশৰ ৰাজত্বকালৰ বিশেষ ভূমিকা আছে। এই ৰাজবংশৰ পৃষ্ঠপোষকতাত ব্রাহ্মী লিপিৰ যথেষ্ট উন্নতি হয় আৰু ই কলাত্মক ৰূপ অৰ্জন কৰে। কুষাণ ৰাজবংশৰ হাতত পৰিবৰ্তিত হোৱা বাবে সময়ত ব্রাহ্মী লিপি কুষাণ লিপিৰূপে জনাজাত হয়। উত্তৰ ভাৰতৰ মথুৰা, সাঁচী, কৌশাম্বী, সহেথ-মহেথ আদি স্থানত এই লিপিৰ কেতবোৰ আঞ্চলিক শৈলীয়েও বিকাশ লাভ কৰে। লিপিবিদসকলে কুষাণকালীন ব্রাহ্মী লিপিৰ দুটা ভিন্ন শৈলী লক্ষ্য কৰিছে ঃ পশ্চিমা শৈলী আৰু পূৰ্বী শৈলী। এই দুই শৈলীৰ পাৰ্থক্য প্ৰধানকৈ ৰক্ষিত হৈছে শ, ল, হ আৰু স আখৰত। লিপিবিদ ঠাকুৰ প্ৰসাদ বৰ্মাই আকৌ এই লিপিৰ আন দুটা ভাগৰ কথা উল্লেখ কৰিছে ঃ ৰাজপৃষ্ঠপোষকতাত খোদিত চৰকাৰী শৈলী আৰু ব্যক্তিগত উদ্যোগত খোদিত বেচৰকাৰী শৈলী। এই একেটা সময়তে দক্ষিণ-পশ্চিম ভাৰততো ব্রাহ্মী লিপিৰ বিকাশ সাধন হয় আৰু সেই অঞ্চলত ই অধিক কলাত্মক ৰূপ পৰিগ্ৰহ কৰে। দক্ষিণৰ ইক্ষ্বাকু আৰু পল্লৱ লেখমালাৰ লিপিৰ সৈতে উত্তৰ ভাৰতীয় ব্রাহ্মী লিপিৰ সুদৃঢ় সম্পৰ্কৰ কথা পণ্ডিতসকলে উপযুক্ত নিদৰ্শনেৰে দাঙি ধৰিছে। উত্তৰ ভাৰতত লিপি খোদনৰ কাম যথেষ্ট পৰিমাণে হৈছিল বাবে এই অঞ্চলত লিখা কাম কিছু খৰ গতিৰে কৰিবলগীয়া হৈছিল। সেইবাবে এই অঞ্চলৰ লিপিত আখৰৰ বক্ৰতাই গা কৰি উঠাৰ সুবিধা পায়। আনহাতে যিবোৰ ঠাইত লিখোৱা কামৰ পৰিমাণ তাকৰ আছিল সেইবোৰত পূৰ্বৰ গঢ়তেই লিপি উৎকীৰ্ণ কৰা হৈছিল। এইটো যুগত ৰাজনীতি আৰু ধৰ্মনীতিৰ ফালৰ পৰা মথুৰাৰ গৌৰৱ তুংগত থকা হেতুকে আমি ক'ব পাৰো যে ব্রাহ্মী লিপিৰ বিকাশৰ ইতিহাসত মথুৰাৰ এক সুকীয়া আসন আছে।

ব্রাহ্মী লিপিৰ তুলনাত কুষাণ লিপিয়ে ভালেমান দিশত কলাত্মক ৰূপ পৰিগ্ৰহ কৰে। পূৰ্বৱৰ্তী ব্রাহ্মী লিপিৰ অনুভূমিক আৰু লম্বৰেখাবোৰ আছিল পোন। কিন্তু কুষাণ লিপিৰ ৰেখাবোৰ বেঁকা আৰু বৰ্তুলাকৃতিৰ। তলত কুষাণ লিপিৰ বৈশিষ্ট্যসমূহ আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে যুকিয়াই দেখুওৱা হ'ল—

ক) ব্রাহ্মী লিপিৰ থিয় আৰু সৰল আখৰবোৰ কুষাণ লিপিত ক্ৰমাৎ বেঁকা আৰু বৰ্তুল হৈ পৰিল।

খ) ব্রাহ্মী লিপিৰ আখৰবোৰত মাত্রা বা শিৰোৰেখা নাছিল। কুষাণ লিপিত ক্ষুদ্র মাত্রা বা শিৰোৰেখাৰ আৰিৰ্ভাৰ ঘটিল।

গ) কুষাণ লিপিত কিছুমান আখৰৰ শীৰ্ষস্থান ত্ৰিকোণাত্মক হোৱা দেখা গ'ল।

ঘ) এই লিপিত ব্যঞ্জনযুক্ত স্বৰবোৰে সোঁ বা বাওঁফালে বেঁকা ৰূপ লোৱা দেখা গ'ল। ব্যঞ্জনযুক্ত আকাৰ ক-ৰ শিৰোৰেখাৰ সোঁফালে হালি পৰিল। স্বৰৰ গৌণ ৰূপবোৰে, যেনে— ই-কাৰ, আ-কাৰ আৰু ঈ-কাৰ আদিয়ে সামান্য গোলাকাৰ ৰূপ ধাৰণ কৰিলে। এ-কাৰ অধিক বক্ৰ হৈ পৰিল।

ঙ) ক্ষিপ্ৰ গতিৰে ঢৌ খেলাই লিখা বাবে এই লিপিত ন, ণ, স, ল আৰু স্য আখৰে বক্ৰ ৰূপ ধাৰণ কৰিলে।

চ) কুষাণ লিপিত কেতবোৰ নতুন আখৰৰ ব্যৱহাৰ দেখা গ'ল। সিদ্ধম্ শব্দত হলন্ত ম্-ৰ প্ৰয়োগ; ঋ, ঙ্গা আৰু ঙ্ম যুক্তাক্ষৰৰ ব্যৱহাৰ, 'ল'-ৰ প্ৰয়োগ আদি এই লিপিৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য।

ছ) কুষাণ লিপিৰে লিখা অভিলেখবোৰত শকাব্দৰ উল্লেখ থকাটো বিশেষভাৱে মন কৰিবলগীয়া কথা।

জ) কুষাণ লিপিত সংখ্যাসূচক— ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯, ১০, ২০, ৩০, ৪০, ৫০, ৬০, ৭০, ৮০, ৯০, ১০০ আৰু ২০০ প্ৰতীক চিহ্নৰ প্ৰয়োগ পোৱা যায়। ২২ বুজাবলৈ ২২+২ ৰূপৰ ব্যৱহাৰো এই সময়ৰে উল্লেখযোগ্য ঘটনা।

লিপি বিশাৰদ বুহ্লাৰে আকৌ কুষাণ লিপিৰ বৈশিষ্ট্যসমূহ এনেদৰে উল্লেখ কৰিছে ঃ

ক) 'অ' আৰু 'আ'-ৰ লম্বৰেখাৰ দৈৰ্ঘৰ বৃদ্ধি।

খ) আদি অৱস্থানৰ 'ই' বুজাবলৈ ব্যৱহাৰ হোৱা তিনিটা বিন্দুৰ তৃতীয়টো বিন্দু অনুভূমিকৰ পৰিবৰ্তে বাওঁফালে বহুওৱাৰ ব্যৱস্থা।

গ) 'ঘ' বৰ্ণৰ ৰূপৰ পৰিবৰ্তন।

ঘ) 'ত'-ৰ তলত নতুনকৈ এটা ফাঁচৰ আগমন।

ঙ) 'দ'ৰ শেষভাগ সোঁফাললৈ ভাঁজলগা আৰু সোঁফালৰ অংশৰ দৈৰ্ঘৰ বৃদ্ধি।

চ) 'ধ'-ৰ ৰূপ পূৰ্বতকৈ অধিক চেপা খোৱা আৰু অনুভূমিৰ ফালে ই কিছু কৌণিক।

ছ) 'ন'ৰ অনুভূমিক ৰেখাৰ বক্ৰতা।

জ) 'শ'ৰ বাওঁ দিশৰ নিম্নমুখী ৰেখাডালৰ পৰিবৰ্তন।

ঝ) 'ষ'-ৰ মাজৰ ৰেখাডালৰ দ্বাৰা অনুভূমিক কল্পিত ৰেখাৰ সমান্তৰালকৈ দণ্ডৰ ছেদন।

ঞ) 'স'-ৰ বাওঁফালৰ অংশৰ পূৰ্বৰ তুলনাত কিছু পৰিবৰ্তন।

ট) 'ৱ'-ৰ ৰূপগত দিশৰ পৰিবৰ্তন।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ৩ ঃ কুশান লিপিৰ কেইটামান বৈশিষ্ট্য উল্লেখ কৰক।

(৭৫ টা শব্দৰ ভিতৰত)

.....

৩.৬ গুপ্ত লিপি

খ্ৰীষ্টিয় চতুৰ্থ শতিকাত মগধত মৌৰ্য সাম্ৰাজ্যৰ পতন ঘটাৰ পাছত গুপ্ত ৰাজবংশই প্ৰতিষ্ঠা লাভ কৰে। ইয়াৰ লগে লগে প্ৰায় সমগ্ৰ ভাৰতবৰ্ষ জুৰি বিদেশী আধিপত্যৰ পতন ঘটে। শক, হুন আদি বিদেশী শত্ৰুক পৰাস্ত কৰি চন্দ্ৰগুপ্ত, কুমাৰগুপ্ত, পুৰুগুপ্ত, বুধগুপ্ত, নৰসিংহগুপ্ত, বিষ্ণুগুপ্ত আদি গুপ্ত সম্ৰাটে নিজৰ সাম্ৰাজ্য বিস্তাৰ কৰাৰ লগে লগে ভাৰতবৰ্ষৰ ৰাজনৈতিক আৰু সাংস্কৃতিক দিশৰ ভালেমান পৰিবৰ্তন ঘটায়। এই বংশৰ ৰজাসকলৰ ৰাজত্বকালত ব্ৰাহ্মী লিপিৰো ভালেখিনি পৰিবৰ্তন সাধিত হয় আৰু একাধিক নতুন শৈলীৰ আত্মপ্ৰকাশ ঘটে। মুঠতে, আৰ্যাৱৰ্তত গুপ্ত ৰজাসকলৰ শাসন কালত ব্ৰাহ্মী লিপিৰ যিটো ৰূপ লেখন কলাত ব্যৱহৃত হৈছিল, কালক্ৰমত সিয়েই গুপ্তকালীন ব্ৰাহ্মী বা সাধাৰণভাৱে গুপ্ত লিপিৰূপে জনাজাত হয়। কালানুক্ৰমিকভাৱে এই লিপিক দুটা ভাগত ভগোৱা হৈছে— খ্ৰীষ্টিয় চতুৰ্থ শতিকাত প্ৰচলিত আদি গুপ্ত লিপি আৰু তৎ পৰৱৰ্তী সময়ত (ষষ্ঠ শতিকা পৰ্যন্ত) প্ৰচলিত পৰৱৰ্তীকালৰ গুপ্ত লিপি। অৱশ্যে এই কথা ঠিক যে উল্লিখিত দুই শৈলী মৌৰ্য সম্ৰাট অশোকৰ দিনৰ ব্ৰাহ্ম লিপিতে কিছু প্ৰকট হৈ পৰিছিল।

হৰ্ণলে চাহাবে আকৌ আদি স্তৰৰ গুপ্ত লিপিক উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় শৈলীত বিভক্ত কৰিছে। তেওঁৰ দৃষ্টিত এই দুই শৈলীৰ মাজৰ ভিন্নতা প্ৰকাশক অক্ষৰটি হৈছে 'ম'। আনহাতে আদি গুপ্তকালীন লিপিকো আকৌ দুটা ভাগত ভগোৱা হৈছে ঃ পূৰ্বী আৰু পশ্চিমা। এই দুই প্ৰকাৰৰ শৈলীৰ ঘাই পাৰ্থক্য 'শ' অক্ষৰটি বুলি চিহ্নিত হৈছে। সি যি কি নহওক, খ্ৰীষ্টিয় পঞ্চম শতিকামানৰ পৰা লেখন সামগ্ৰী তথা কলা-কৌশলৰ উন্নতি, শৈলকাৰ বা লিপিকাৰসকলৰ অলংকৰণৰ প্ৰতি ধাউতি, সৰলীকৰণৰ স্পৃহা ইত্যাদি কাৰণত গুপ্ত লিপিৰ শেহতীয়া ৰূপটোৰ পৰা ভাৰতবৰ্ষত আঞ্চলিক বা প্ৰাদেশিক লিপিমালাৰ বিকাশ ঘটে।

পাশ্চাত্য পণ্ডিত বুহ্‌লাৰে আকৌ খ্ৰীষ্টিয় চতুৰ্থ-পঞ্চম শতিকাৰ কালছোৱাৰ উত্তৰ ভাৰতীয় ব্ৰাহ্মীলিপি বা গুপ্তলিপিক তিনিটা ভাগত বিভক্ত কৰিছে। এই শৈলীকেইটাৰ ভিন্নতা অনা আখৰকেইটা হ'ল— শ, ল আৰু হ।

১) পূৰ্বী শৈলী ঃ (সমুদ্ৰ গুপ্তৰ এলাহাবাদ স্তম্ভলেখ; স্কন্ধ গুপ্তৰ সহাম শৈললেখ)।

২) পশ্চিমা শৈলী ঃ (বক্ৰ বৃত্তাকাৰহস্ত লেখ; স্কন্ধ গুপ্তৰ ইন্দোৰ তাম্ৰলেখ আৰু ভিতৰি স্তম্ভলেখ; দ্বিতীয় স্কন্ধগুপ্তৰ মথুৰালেখ)।

৩) পশ্চিমা কৌণিক শৈলী ঃ (কৌণিক স্মাৰক শৈলী ঃ কুমাৰগুপ্তৰ বিলসদ অভিলেখ আৰু চন্দ্ৰগুপ্তৰ মেহৰৌলী স্তম্ভলেখ। আখৰৰ কৌণিক ৰূপ এই শৈলীৰ বিশেষত্ব)।

পুৰালিপিবিদ ৰাখালদাস বন্দোপাধ্যায়ে আদি গুপ্ত যুগৰ লিপিক চাৰিটা ভাগত বিভক্ত কৰিছে ঃ (১) পূৰ্বী, (২) পশ্চিমা, (৩) দক্ষিণা আৰু (৪) মধ্য এছীয়।

তেওঁৰ মতে, পূৰ্বী আৰু পশ্চিমা শৈলীৰ মাজত পাৰ্থক্য অনা অক্ষৰকেইটা হৈছে— ম, ল, শ, স আৰু হ। পৰৱৰ্তী সময়ত পশ্চিমা শৈলীয়ে পূৰ্বী শৈলীক সম্পূৰ্ণৰূপে গ্ৰাস কৰে। খ্ৰীষ্টিয় ষষ্ঠ শতিকাত খোদিত বোধগয়াৰ অনুশাসনখনি ইয়াৰ উৎকৃষ্ট উদাহৰণ।

আহমদ হাছান দানীয়ে আদি স্তৰৰ গুপ্তলিপিক উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় এই দুই ভাগত ভগাই দেখুৱাইছে। তেওঁ উত্তৰ ভাৰতীয় লিপিমালাক আঞ্চলিক ভিত্তিত পূৰ্বী, পূৰ্বী মালৱা আৰু মথুৰা এই তিনিটা সুকীয়া শৈলীত বিভক্ত কৰি আলোচনা কৰিছে। ইয়াৰ ভিতৰত পূৰ্বী মালৱা শৈলী অধিক কলাত্মক। খ্ৰীষ্টিয় চতুৰ্থ-পঞ্চম শতিকাত দক্ষিণী শৈলীৰ দ্ৰুত বিকাশ সাধিত হয়। ইয়াৰ পৰৱৰ্তী সময়ত প্ৰত্ন আঞ্চলিক লিপিমালা গা কৰি উঠে। সময়ৰ বিৱৰ্তনত উত্তৰ ভাৰতীয় ব্ৰাহ্ম লিপি বা গুপ্ত লিপিৰ নানান পৰিবৰ্তন ঘটে। আখৰবোৰ আগৰ তুলনাত অধিক সুন্দৰ আৰু কলাত্মক হৈ উঠে। ইয়াৰ অন্যতম কাৰণ হ'ল কলমৰ ব্যৱহাৰ। এই কালত আখৰ লিখিবলৈ কলম ব্যৱহাৰ হোৱাটো বিশেষভাৱে লক্ষ্যণীয়। ইয়াৰ ফলত লেখন কলাৰ প্ৰভুত উন্নতি ঘটে। কাৰণ কলমৰ প্ৰয়োগৰ ফলত অক্ষৰৰ শিৰোৰেখাত স্পষ্টভাৱে ত্ৰিকোণৰ সৃষ্টি হয়; যাক নখমূৰী বা গোঁজমূৰী অক্ষৰ আখ্যা দিয়া হৈছে। তদুপৰি, শৈলকাৰসকলৰ অলংকৃত অক্ষৰৰ প্ৰতি তীব্ৰ হেঁপাহ আৰু দ্ৰুতগতিৰে অথচ সৰলীকৃত ৰূপেৰে লেখাৰ প্ৰতি ধাউতিয়ে প্ৰত্ন-আঞ্চলিক লিপিৰ উদ্ভৱ ত্বৰান্বিত কৰি তোলা বুলি আহমদ হাছান দানীয়ে মন্তব্য কৰিছে। পঞ্চম শতিকাৰ পাছৰে পৰা উত্তৰ ভাৰতীয় লিপিত দণ্ডৰ তলফালে পাদচিহ্নৰ সৃষ্টি হয় আৰু পাছলৈ ই পুচ্ছলৈ পৰিবৰ্তিত হোৱা দেখা যায়। আনহাতে, ষষ্ঠ শতিকাৰ অন্তিম ভাগত কলমৰ দ্ৰুতপ্ৰয়োগৰ ফলত অক্ষৰৰ ৰেখাবোৰ পূৰ্বতকৈ খীণ আৰু ঘন হৈ পৰে। ইয়াৰ ফলত আখৰবোৰ যথেষ্ট অলংকৃত হৈ উঠে। দক্ষিণ ভাৰতত আকৌ কলমৰ সলনি তালপাততে লোৰ শলাকাৰে বৰ্তুলাকাৰে আখৰ লিখা হৈছিল। লিপিকাৰসকলৰ অলংকৰণৰ প্ৰতি হেঁপাহ আৰু সৌন্দৰ্যবোধৰ স্পৃহাই উত্তৰ ভাৰতীয় গুপ্ত লিপিক যথেষ্ট সুন্দৰ কৰি তোলে। ইয়াৰ পৰিণতি স্বৰূপে উত্তৰ ভাৰতত নতুনকৈ কুটিল লিপিয়ে আত্মপ্ৰকাশ কৰে।

৩.৭ সিদ্ধমাতৃকা লিপি

খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা গুপ্ত লিপিয়ে উত্তৰ ভাৰতৰ উপৰি দক্ষিণ ভাৰতকো সামৰি লয়। দক্ষিণ ভাৰতত প্ৰচলিত পল্লৱ লিপি গুপ্ত লিপিৰে আন এটা প্ৰকাৰ। খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা দশম শতিকালৈ উত্তৰ ভাৰতত প্ৰচলিত গুপ্ত লিপি সিদ্ধমাতৃকা লিপি ৰূপে জনাজাত হয়। এই লিপিৰ আৰম্ভণিতে 'ও নমঃ সিদ্ধম্'

লিখা আছিল বাবে ইয়াৰ নাম 'সিদ্ধমাতৃকা' হৈছে। ইয়াৰ আন এটা নাম 'সিদ্ধম্ লিপি'। কলাসুলভ ৰূপ এই লিপিৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। এনে কাৰণতে এইবিধ লিপিয়ে ভাৰতৰ বাহিৰতো প্ৰসাৰ লাভ কৰে। জাপানৰ 'হোৰ্য়ুজী বিহাৰ' নামৰ প্ৰাচীন বৌদ্ধ মন্দিৰ এটিত 'উষ্ণীয় বিজয় ধাৰিণী' নামেৰে তালপাতত লিখা হাতেলিখা পুথি ইয়াৰ প্ৰকৃষ্ট উদাহৰণ। পণ্ডিতসকলৰ মতে, সিদ্ধমাতৃকা লিপিৰ এয়ে প্ৰথম নিদৰ্শন। এই লিপিত হ্ৰস্ব আৰু দীৰ্ঘৰূপৰ উপৰি 'ঋ' আৰু 'ৡ'-ৰ প্ৰতীক চিহ্নৰ অৱস্থিতি বিশেষ ৰূপে মন কৰিবলগীয়া। উল্লিখিত পুথিখনৰ আখৰ কলমেৰে খোদাই কৰা হৈছে। সম্ভৱতঃ এইটো কাৰণতে আখৰবোৰৰ লম্ব ৰেখাই সামান্য ভিতৰফালে ঘোৰা খাই ভূমি ৰেখাৰে একোটি সূক্ষ্মকোণৰ সৃষ্টি কৰিছে। এই বৈশিষ্ট্যৰ বাবেই লিপিবিদ পণ্ডিত বুহ্লাৰে সিদ্ধমাতৃকা লিপিক 'সূক্ষ্মকোণী লিপি'ৰূপে অভিহিত কৰিছে। আকৌ অলংকৰণৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া হেতুকে ইয়াৰ শিৰোৰেখাত এটি নিম্নমুখী ত্ৰিকোণৰ সৃষ্টি হয়। গতিকে কোনো কোনোৱে ইয়াক 'গোঁজমূৰী' অথবা 'নখমূৰী' লিপি ৰূপেও নামকৰণ কৰা দেখা যায়। কেতিয়াবা আকৌ শিৰোৰেখাত সৃষ্টি হোৱা ত্ৰিকোণ নিম্নমুখী হোৱাৰ সলনি ঊৰ্ধমুখী হোৱাও দেখা যায়। বেণ্ডেল চাহাবে সেই বাবে ইয়াৰ নাম দিছে 'জোংমূৰী' বা 'কাঁড়মূৰী' লিপি। আনহাতে, জেমছ প্ৰিঞ্চেপ্সে ইয়াক 'কুটিলাক্ষৰ' আখ্যা দিছে।

সিদ্ধ মাতৃকা লিপিৰ বিকাশত কনৌজ ৰাজ হৰ্ষবৰ্ধনৰ অনবদ্য ভূমিকা আছে। তেওঁ বংসখেড়া তাম্ৰলেখৰ শেষত নিজৰ নাম এনেদৰে খোদিত কৰাইছে 'স্বহস্তো মম মহাৰাজাধিৰাজ শ্ৰীহৰ্ষস্য'। সময়ৰ বিৱৰ্তনত সিদ্ধমাতৃকা লিপিৰ তিনিটা আঞ্চলিক ৰূপৰ উদ্ভৱ হয়—

ক) শাৰদা বা উত্তৰ-পশ্চিমা,

খ) শ্ৰীহৰ্ষ বা দক্ষিণ-পশ্চিমা আৰু উত্তৰ-মধ্যা,

গ) কুটিল বা পূৰ্বী।

শাৰদা লিপি উত্তৰ-পশ্চিমাঞ্চলত বিকশিত হৈছিল। আনহাতে, শ্ৰীহৰ্ষ আৰু কুটিল লিপি যথাক্ৰমে দক্ষিণ-পশ্চিমাঞ্চলত আৰু উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত হৈছিল। শাৰদা লিপিৰ পৰা পৰৱৰ্তী সময়ত কাশ্মীৰী আৰু গুৰুমুখী, শ্ৰীহৰ্ষৰ পৰা দেৱনাগৰী আৰু নন্দিনাগৰী, কুটিল লিপিৰ পৰা পূব ভাৰতৰ লিপি অসমীয়া, বাংলা, ওড়িয়া আৰু মৈথিলী লিপিৰ উদ্ভৱ হয়। হিমালয়ৰ পাদদেশৰ নেৱাৰী লিপি কুটিল লিপিৰ পৰা উদ্ভৱ হোৱা বুলি ধাৰণা কৰা হৈছে। আকৌ কাৰো কাৰো মতে প্ৰাচীন নাগৰী আৰু শাৰদা লিপিৰ জননী কুটিল লিপিহে।

৩.৮ কুটিল লিপি

আপুনি 'কুটিল' শব্দৰ অর্থ নিশ্চয় জানে। কিন্তু লিপিৰ প্ৰসংগত ইয়াৰ অর্থ কিছু ভিন্ন। এই ক্ষেত্ৰত 'কুটিলাক্ষৰ' শব্দটোহে অধিক প্ৰযোজ্য। দৰাচলতে সোঁফালৰ লম্ব ৰেখা ভিতৰফালে ঘোৰ খোৱা, অলংকৰণৰ বাবে শিৰোৰেখাত নিম্নমুখী ত্ৰিকোণৰ সৃষ্টি হোৱা, স্বৰমাত্ৰাসমূহে একা-বেঁকা ৰূপ লোৱা ইত্যাদি বৈশিষ্ট্যযুক্ত লিপিকে কুটিল লিপি আখ্যা দিব পাৰি। এইফালৰ পৰা কুটিল লিপিক কোনো নির্দিষ্ট সময়-সীমাৰ অন্তর্গত বুলি ক'বলৈ টান। প্ৰকৃত বিচাৰত কুটিল এটা শৈলীৰহে নাম। তথাপি, খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ উত্তৰ ভাৰততে পূর্বাঞ্চলত ব্যৱহৃত লিপিটোক কোনো কোনোৱে কুটিল লিপি বুলিব খোজে। এই শৈলীৰ লিপি উত্তৰ-পূব ভাৰততে সর্বাধিক প্ৰয়োগ হৈছিল বুলি জনা যায়। উল্লিখিত সময়ছোৱাত পশ্চিম দিশৰ উত্তৰ প্ৰদেশৰ পৰা পূব দিশৰ কামৰূপ ৰাজ্যলৈ আৰু উত্তৰে নেপালৰ পৰা দক্ষিণ দিশৰ ওড়িশা পর্যন্ত লিখন কার্যত কুটিল লিপিৰ ব্যৱহাৰ হৈছিল বুলি কোৱা হৈছে। পৰৱর্তী কালত অৱশ্যে এই লিপিয়ে নাগৰী লিপিৰ প্ৰভাৱত মৈথিলী আৰু নেৱাৰী ভাষাক মূলধন হিচাপে ল'বলগা হ'ল। উত্তৰ-পূব ভাৰতৰ বিভিন্ন স্থানত প্ৰাপ্ত শৈললেখ, তাম্ৰশাসন, মুদ্ৰা আৰু হস্তলিখিত পুথিত কুটিল শৈলীৰ পয়োভৰ দেখা যায়। এইবোৰৰ ভিতৰত ৫৮৮ খ্ৰীষ্টাব্দৰ বোধগয়াৰ মহানামনৰ শাসন দুখন, সপ্তম শতিকাৰ নেপালৰাজ অংশুমানৰ শাসনমালা, দেৱপালৰ শাসনমালা, বিজয়সেনৰ দেওপাৰা লিপি, ধর্মপালৰ খলিমপুৰ আৰু বোধগয়া মূর্তি অভিলেখ, নাৰায়ণপালৰ বাদল আৰু ভাগলপুৰ অভিলেখ আদি উল্লেখযোগ্য। *প্ৰাচীন ভাৰতীয় লিপিমালা* গ্ৰন্থত কুটিল লিপিৰ সংজ্ঞা এনেদৰে দাঙি ধৰা হৈছে— 'কুটিল লিপিত লম্ব ৰেখাৰ নিম্নাংশ বাওঁফালে ঘোৰ খাইছিল' আৰু 'স্বৰমাত্ৰাসমূহ অধিক বেঁকা-বেঁকি আৰু দীঘল হোৱা হেতুকে ইয়াৰ নাম কুটিল।' হিন্দী ভাষাতত্ত্ববিদ ভোলানাথ তিৱাৰীয়ে আকৌ এনেদৰে উল্লেখ কৰিছে, 'স্বৰো কী মাত্ৰাও কী আকৃতি কুটিল য়া টেৰী হোনে কে কাৰণ ইসে কুটিল লিপি কহা গয়া হৈ' (স্বৰৰ মাত্ৰাৰ আকৃতি কুটিল বা বেঁকা হোৱা বাবে ইয়াক কুটিল লিপি বোলা হৈছে)। পৰিব্ৰাজক আলবেৰুণীয়ে কুটিল লিপিক সিদ্ধমাতৃকাৰ আন এটা নাম বুলি কৈছে। এই লিপিৰ নাম কুটিল হোৱাৰ কাৰণ দর্শাই আহমদ হাছান দানীয়ে কৈছে, 'Fleet's term, though derived from a late inscription, if understood to imply the style of writing which shows ornamental forms with their right limbs slightly bent, may be retained, as it conveys a chronological sense.' বুহ্লাৰ আৰু কীল্হৰ্ণ চাহাবৰ মতে লিপি এটাৰ নাম কোনো কাৰণতে 'কুটিল' হোৱা উচিত নহয়।

লিপিকাৰসকলৰ একান্ত হেঁপাহ আৰু কাৰিকৰী দিশৰ, বিশেষকৈ লিখন-সামগ্ৰীৰ দ্ৰুত উন্নয়নৰ ফলত সময়ৰ সোঁতত ভাৰতৰ ব্ৰাহ্মী লিপিৰ পৰিবৰ্তন হয় আৰু তাৰ পৰা প্ৰত্ন আঞ্চলিক লিপিমালাৰ উদ্ভৱ আৰু বিকাশ ঘটে। আহমদ হাছান দানীয়ে ইয়াৰ প্ৰত্ন আঞ্চলিক লিপিমালাক এনেদৰে শ্ৰেণী বিভাগ কৰিছে ঃ

১) উত্তৰ ভাৰতীয় লিপি

২) গুজৰাট, ৰাজস্থান আৰু মধ্য ভাৰতীয় লিপি

৩) দক্ষিণী শৈলী

৪) দক্ষিণ ভাৰতীয় লিপি

আকৌ ভৌগোলিক দিশৰ পৰা এই চাৰিটা ভাগক তলত দিয়া ধৰণে উপভাগত বিভক্ত কৰা হৈছে ঃ

১) উত্তৰ ভাৰতীয় লিপি ঃ

ক) মধ্য গংগা উপত্যকাৰ লিপি ঃ বিহাৰ, উত্তৰ প্ৰদেশ, ওড়িশা, বিন্ধ্য অঞ্চলত এই লিপি প্ৰচলিত।

খ) পূৰ্বী ভাৰতীয় লিপি ঃ অসম, বংগদেশ, নেপালত প্ৰচলিত।

গ) মথুৰা আৰু পশ্চিম ভাৰতৰ লিপি ঃ প্ৰথম কুমাৰগুপ্তৰ মথুৰা শাসন, স্কন্ধগুপ্তৰ স্তম্ভলেখত ইয়াৰ নিদৰ্শন ৰক্ষিত হৈছে।

২) গুজৰাট, ৰাজস্থান আৰু মধ্য ভাৰতীয় লিপি ঃ

ক) ৰাজস্থানী শৈলী ঃ উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় শৈলীৰ মিশ্ৰণত গঢ় লোৱা এই লিপি মালৱাত প্ৰচলিত।

খ) কথিয়বদী শৈলী ঃ ক্ষত্ৰপসকলৰ অভিলেখসমূহত এই লিপি পোৱা গৈছে।

৩) দক্ষিণী শৈলী ঃ

ক) দক্ষিণী শৈলী ঃ সমুদ্ৰগুপ্তৰ ভাবাটেক আৰু ত্ৰৰণ শিলালেখ, দ্বিতীয় চন্দ্ৰগুপ্তৰ ওড়িশাৰ উদয়গিৰি গুহালেখ আৰু চালুক্য বংশীয় শাসনকৰ্তাসকলৰ অভিলেখত এই লিপিৰ নিদৰ্শন পোৱা যায়।

৪) দক্ষিণ ভাৰতীয় লিপি ঃ

ক) মহীশূৰ আৰু মহাৰাষ্ট্ৰৰ লিপি ঃ ৰাষ্ট্ৰকূট, চালুক্য আৰু সাতবাহন বংশৰ ৰজাসকলৰ অভিলেখসমূহত এই লিপিৰ প্ৰয়োগ প্ৰত্যক্ষ কৰা যায়।

খ) অন্ধ্ৰ অঞ্চলৰ লিপি ঃ শালংকায়ন, বিষ্ণু-কুণ্ডিল, বৃহৎফলায়ন, পূৰ্বী চালুক্য আৰু গংগ বংশৰ শাসনকৰ্তাসকলৰ লেখমালাত এই লিপিৰ প্ৰয়োগ ঘটিছিল।

গ) দক্ষিণ ভাৰতৰ লিপি ঃ নৱবৰ্মনৰ মন্দশোৰ শাসনত এই লিপিৰ ব্যৱহাৰ দেখা যায়।

৩.৯ প্ৰাদেশিক লিপি

ভাৰতৰ প্ৰাদেশিক লিপিসমূহৰ ভিতৰত শাৰদা, নাগৰী, তেলুগু, কন্নড়, পল্লৱ বা গ্ৰন্থি, তামিল আৰু পূব ভাৰতীয় লিপি উল্লেখযোগ্য। খ্ৰীষ্টিয় দশম শতিকাত সিদ্ধমাতৃকা লিপিৰ পৰা শাৰদা লিপিৰ উদ্ভৱ হোৱা বুলি অনুমান কৰা হৈছে। এই লিপি কাশ্মীৰ আৰু উত্তৰ-পশ্চিম পাঞ্জাৱ অঞ্চলত ব্যৱহাৰ হয়। কাশ্মীৰৰ অধিষ্ঠাত্ৰী দেৱী শাৰদাৰ নামেৰে এই লিপিৰ নাম শাৰদা হৈছে। এই লিপিত শ/স, ব/ৱ আৰু এ/ম-ৰ পাৰ্থক্য পোৱা নাযায়। পণ্ডিতসকলৰ মতে, অথৰ্ব বেদত শাৰদা লিপিৰ ব্যৱহাৰৰ উল্লেখ আছে। সময়ৰ বিৱৰ্তনত শাৰদা লিপিৰ পৰা টাকৰী, লণ্ডা, গুৰমুখী, ডোগ্ৰী, চমেৱালী, কোছী আদি লিপিৰ উদ্ভৱ হয়।

ভাৰতৰ আন এক প্ৰাদেশিক লিপি হৈছে নাগৰী লিপি। 'নাগৰী' নামটোৰ সৈতে যে 'নগৰ' শব্দৰ সম্পৰ্ক আছে তাক নক'লেও চলে। অৰ্থাৎ, প্ৰধানকৈ নগৰাঞ্চলত ব্যৱহাৰ হৈছিল বাবে ইয়াৰ নাম 'নাগৰী' হৈছে। আকৌ, গুজৰাটৰ নাগৰ ব্ৰাহ্মণ সম্প্ৰদায়ে এই লিপি ব্যৱহাৰ কৰিছিল বাবে ইয়াৰ নাম নাগৰী হোৱা বুলিও কোনো কোনো পণ্ডিতে উল্লেখ কৰিছে। ভাৰতীয় আৰ্য সমাজত দেৱভাষা ৰূপে পৰিচিত সংস্কৃত ভাষা এই লিপিত লিখা হৈছিল বাবে ইয়াৰ আন এটা নাম দেৱনাগৰী। পৰৱৰ্তী সময়ত নাগৰী লিপিৰ পৰা (ক) গুজৰাটী, (খ) সৰাফী, (গ) মহাজনী, (ঘ) মোড়ী, (ঙ) কৈথী আদি লিপিৰ জন্ম হয়। গুজৰাটী আৰু সৰাফী গুজৰাটত, কৈথী উত্তৰ প্ৰদেশ আৰু বিহাৰৰ কায়স্থসকলৰ মাজত প্ৰচলিত হৈছিল। কৈথী লিপিৰ পৰা ভোজপুৰী কৈথী, তিৰুহতী কৈথী আৰু মগহী কৈথী— এই তিনি প্ৰকাৰৰ আঞ্চলিক ৰূপৰ বিকাশ ঘটে।

দক্ষিণ ভাৰততে বিকশিত দুটা প্ৰধান প্ৰাদেশিক লিপি হৈছে— তেলুগু আৰু কন্নড়। বিকাশৰ প্ৰথম স্তৰত এই দুই লিপিৰ মাজত বিশেষ পাৰ্থক্য পোৱা নগৈছিল। কিন্তু সময় বাগৰাৰ লগে লগে দুয়োৰে মাজত পাৰ্থক্যৰ সীমাৰেখা অতিশয় স্পষ্ট হৈ পৰে। খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকামানৰ পৰা তেলুগু আৰু কন্নড় লিপিৰ স্বকীয় বৈশিষ্ট্যৰে প্ৰতিষ্ঠা লাভ কৰে। তেলুগুৰ তুলনাত কন্নড় লিপিৰ স্বৰমাত্ৰাৰ দৈৰ্ঘ কিছু বেছি আৰু আখৰবোৰো অধিক গোলাকাৰ। চালুক্য বংশীয় ৰজা মংগীৰ অভিলেখ, প্ৰতাপৰুদ্ৰৰ ভূমিদান-লেখ বিষ্ণুবৰ্ধনৰ তামৰ লিপি, গণপতিৰ শিলালেখ আদিত তেলুগু লিপিৰ প্ৰাৰম্ভিক স্তৰৰ নিদৰ্শন পোৱা যায়। সেইদৰে, কন্নড় লিপিৰ নিদৰ্শন পোৱা যায়— পল্লৱবংশীয় নৃপতি শিৱস্কন্ধ আৰু কদম্ববংশীয় ৰজা মৃগেশ, চালুক্যবংশীয় ৰজা মংগী আৰু কীৰ্তিবৰ্মনৰ দানপত্ৰত। এই লিপিৰ প্ৰাচীনতম পাণ্ডুলিপি হিচাপে ৮৭৭ খ্ৰীষ্টাব্দত লিখা 'কবিৰাজমাৰ্গ'ৰ নাম উল্লেখযোগ্য।

কন্নড় আৰু তেলুগু লিপিৰ উপৰি দক্ষিণ ভাৰততে পোৱা আন দুই প্ৰকাৰৰ

লিপি হৈছে— পল্লৱ আৰু তামিল। এই দুবিধ লিপি ব্ৰাহ্মী লিপিৰ দক্ষিণী শৈলীৰ পৰা বিকশিত হৈছে। পল্লৱ লিপি গ্ৰন্থাদি লিখিবৰ বাবে ব্যৱহাৰ কৰা হৈছিল বাবে এই লিপিক পল্লৱ-গ্ৰন্থ লিপি ৰূপেও অভিহিত কৰা হয়। মামল্লপু�ৰমত প্ৰাপ্ত লঘুলেখ, কাঞ্চীপু�ৰমৰ কৈলাশনাথ মন্দিৰৰ শিলালেখত এই লিপিৰ প্ৰাচীনতম নিদৰ্শন পোৱা গৈছে। কেৰল প্ৰদেশৰ মালয়ালম লিপি, দক্ষিণ কৰ্ণাটকৰ তুলু লিপি আৰু শ্ৰীলংকা (সিংহল)ৰ সিংহলী লিপিৰ উৎস পল্লৱ লিপি বুলি ঠাৱৰ কৰা হৈছে। ভাৰতবৰ্ষৰ উপৰি দক্ষিণ-পূব এছিয়াতো এই লিপিৰ ব্যৱহাৰ আছিল বুলি লিপিবিদ পণ্ডিতসকলে উল্লেখ কৰিছে।

ভাৰতবৰ্ষৰ দাক্ষিণাত্যত প্ৰচলিত আন এটা লিপি হৈছে তামিল লিপি। উল্লেখনীয় যে দক্ষিণ ভাৰতত প্ৰচলিত লিপিসমূহৰ ভিতৰত তামিল লিপিৰ ইতিহাস আটাইতকৈ প্ৰাচীন। খ্ৰীষ্টজন্মৰ সময়ৰে পৰা এই লিপিৰ নিদৰ্শন পোৱা যায়। অৱশ্যে এই লিপিৰ খ্ৰীঃ দ্বিতীয় শতিকাৰ পৰা সপ্তম শতিকালৈ মাজৰ এছোৱা কালৰ কোনো নিদৰ্শন আজিকোপতি পোৱা হোৱা নাই। বৰ্তমান দক্ষিণ ভাৰতৰ তামিলনাড়ু প্ৰদেশত প্ৰচলিত তামিল লিপিত মুঠ বাৰটা স্বৰ আৰু ওঠৰটা ব্যঞ্জন পোৱা যায়।

পূব ভাৰতৰ লিপি বা পূৰ্বী লিপি বুলিলে আমি প্ৰাচীন কামৰূপ, বংগদেশ, প্ৰাচীন মিথিলা, ওড়িশা আৰু নেপালত প্ৰাপ্ত অভিলেখবোৰত সংৰক্ষিত লিপিমালাকে বুজো। খ্ৰীষ্টিয় সপ্তম শতিকাৰে পৰা মধ্য গংগা উপত্যকাত প্ৰচলিত কুটিল শৈলীৰ লিপিয়ে পূৰ্বী লিপিক প্ৰভাৱিত কৰে। লিপিবিদ পণ্ডিতসকলে পূৰ্বী লিপিৰ কেইবাটাও অক্ষৰত কুটিল শৈলীৰ প্ৰয়োগ লক্ষ্য কৰিছে। এইটো শতিকাতে পূৰ্বী লিপিমালা দুটা স্পষ্ট ভাগত বিভিক্ত হয় ঃ পূৰ্বী ধাৰা আৰু পশ্চিমা ধাৰা। পূৰ্বী লিপিৰ পশ্চিমা ধাৰাৰ বিকাশ ঘাইকৈ নেপালত হয়। ৫৮৮ শতিকাৰ মহানামনৰ বোধগয়া অনুশাসনত এই ধাৰাৰ নিদৰ্শন সংৰক্ষিত হৈছে। নেপালৰ পাহাৰীয়া অঞ্চলত প্ৰচলিত কিৰাত লিপি আৰু নেৱাৰী লিপি নেপালী লিপিৰ অন্তৰ্গত দুটি উল্লেখযোগ্য লিপি। নেৱাৰী লিপিক গুপ্তলিপিৰ পৰা বিকশিত বুলি ধাৰণা কৰা হৈছে। অৱশ্যে ইয়াত নাগৰী লিপিৰ প্ৰভাৱো লক্ষ্য কৰিব পাৰি।

খ্ৰীষ্টিয় পঞ্চম শতিকাৰ পৰা অবিচ্ছিন্নভাৱে শিলালেখ, তাম্ৰলেখ, মুদ্ৰা আদি বিভিন্ন অভিলেখেৰে ঐতিহ্যমণ্ডিত প্ৰাচীন কামৰূপ ৰাজ্য উত্তৰ ভাৰতীয় ব্ৰাহ্মী লিপিৰ পূৰ্বী শাখাটোৰ বিকাশৰ তৃতীয় এক উল্লেখযোগ্য স্থান হিচাপে পৰিগণিত হৈছে। ইতিমধ্যে মই উল্লেখ কৰিছোৱেই যে ভাৰতৰ পূৰ্বাঞ্চলত প্ৰচলিত অসমীয়া, বাংলা, ওড়িয়া আৰু মৈথিলী লিপি পূৰ্বী লিপিৰ পূৰ্বী ধাৰাৰ অন্তৰ্ভুক্ত। এইবোৰৰ ভিতৰত আকৌ প্ৰাচীন কামৰূপী বা অসমীয়া লিপিক প্ৰধান বুলিব পাৰি। ব্ৰাহ্মীৰ পৰৱৰ্তী কালৰ অন্যতম শৈলী কুটিল লিপিৰ পৰাই অসমীয়া লিপিৰ উদ্ভৱ হোৱা বুলি কোৱা হৈছে। কিন্তু, সেয়ে হ'লেও, অধুনাপৰ্যন্ত প্ৰাপ্ত বিভিন্ন অভিলেখৰ অক্ষৰমালাই অসমীয়া লিপিটো গুপ্তলিপিৰ সৈতে সম্পৰ্কিত বুলিহে

প্ৰমাণ দাঙি ধৰে। সম্ভৱতঃ কুটিল লিপিয়ে নিজস্ব ৰূপ লোৱাৰ পূৰ্বেই গুপ্তলিপিৰ পৰা অসমীয়া লিপিয়ে বিকাশ লাভ কৰিছিল। সি যি কি নহওক, খ্ৰীষ্টিয় চতুৰ্থ-পঞ্চম শতিকাৰ পৰা অসমীয়া লিপিৰ ধাৰাবাহিক ইতিহাস পোৱা যায়। প্ৰাচীন অসমৰ বিভিন্ন স্থানত প্ৰাপ্ত শিলালেখ, তাম্ৰলেখ, মোহৰ, মুদ্ৰা, ভূৰ্জপত্ৰ, সাঁচিপাত, তুলাপাত, তালপাত, দাৰুফলক, ধাতু আৰু মাটিৰ পাত্ৰ আদিত খোদিত লিপিমালাই অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশৰ সন্ভেদ দিয়ে।

বাংলা লিপিৰ বিকাশ ঘটে খ্ৰীষ্টিয় নৱম-দশম শতিকামানৰ পৰা। উদ্ভৱ কালৰ বাংলা লিপিত নাগৰী লিপিৰ প্ৰভাৱ লক্ষ্য কৰা যায় যদিও পৰৱৰ্তী সময়ত এই প্ৰভাৱ খীণ হৈ আহে। খ্ৰীষ্টিয় দশম শতিকাৰ অন্তিম ভাগত প্ৰত্ন বাংলা লিপিৰ উদ্ভৱ হয় আৰু দ্ৰুতগতিৰে ই বিকাশৰ পথত খোজ পেলায়। এই সময়ছোৱাত বিশেষভাৱে বিকাশ লাভ কৰা বাংলা লিপিৰ আখৰকেইটা হৈছে— অ, উ, ক, খ, গ, চ, জ, ধ, ৰ আৰু হ। আনহাতে ঝ, ছ, ট, ণ, ভ, স আদি আখৰে পূৰ্ণতা লাভ কৰে খ্ৰীষ্টিয় দ্বাদশ শতিকামানৰ পৰা। খ্ৰীষ্টিয় সপ্তদশ শতিকাৰ দ্বিতীয়াৰ্ধত ছপা পুথিৰ জৰিয়তে বাংলা লিপিলৈ এক বিশেষ পৰিবৰ্তন আহে। এই সময়তে কেতবোৰ নতুন যুক্তাক্ষৰৰ প্ৰয়োগেও বাংলা লিপিক নতুন বৈশিষ্ট্য প্ৰদান কৰে। ছপা কাৰ্যৰ দ্ৰুত উন্নতি, নতুনকৈ কম্পিউটাৰৰ ব্যৱহাৰ আদিয়ে অতিসম্প্ৰতি কেতবোৰ দিশৰ পৰিবৰ্তন সাধন কৰিলেও, বাংলা লিপিৰ মৌলিকত্ব আজিও অক্ষুণ্ণ আছে।

অসমীয়া আৰু বাংলা লিপিৰ উপৰি উড়িয়া লিপিও পূব ভাৰতৰ আন এক উল্লেখযোগ্য লিপি। ওড়িশাত প্ৰচলিত লিপি হৈছে ওড়িয়া (উৰিয়া) লিপি। এই লিপিত ব্ৰাহ্মণী আৰু কৰণী নামৰ দুটা শৈলী লক্ষ্য কৰা যায়। তালপাতত লোৰ শলাকাৰে লিখিবলগীয়া হোৱা হেতুকে ব্ৰাহ্মণী লিপি কৰণী লিপিতকৈ অধিক বৰ্তুল আকৃতিৰ।

পূৰ্বী লিপিৰ আন এটা উল্লেখযোগ্য শাখা মৈথিলী লিপি বিহাৰৰ মিথিলা অঞ্চলত প্ৰচলিত আছিল। এই লিপিৰ পৰাই আধুনিক মৈথিলী লিপিয়ে বিকাশ লাভ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ কুষাণ, গুপ্ত, সিদ্ধমাতৃকা আৰু কুটিল লিপিৰ বিষয়ে একোটাকৈ টোকা প্ৰস্তুত কৰক।

(প্ৰতিটো ৩০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৫ঃ প্ৰাদেশিক লিপি বুলিলে কি বুজা যায়? ভাৰতীয় প্ৰাদেশিক লিপিসমূহৰ এখন তালিকা কৰি সিবোৰৰ বিকাশ সম্বন্ধে এটি টোকা লিখক।

(প্ৰতিটো ৩০টা শব্দৰ ভিতৰত)

.....



৩.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কুশান লিপিৰ পৰিচয় আগবঢ়োৱাৰ লগতে সেই লিপিৰ অন্তৰ্গত আখৰৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰিব পাৰিব
- ভাৰতীয় লিপিৰ ক্ৰমবিকাশত গুপ্তলিপিৰ স্থান নিৰ্ণয় কৰিব পাৰিব
- সিদ্ধমাতৃকা লিপিৰ বৈশিষ্ট্যপূৰ্ণ দিশসমূহ আলোচনা কৰিব পাৰিব
- কুটিল লিপিৰ আঞ্চলিক ৰূপভেদৰ বিষয়ে জানিব পাৰিব
- প্ৰাদেশিক লিপিৰ চমু পৰিচয় আগবঢ়াব পাৰিব।
- আৰ্যাৱৰ্তত গুপ্ত ৰজাসকলৰ শাসন কালত ব্ৰাহ্মী বা সাধাৰণভাৱে গুপ্ত লিপিৰূপে জনাজাত হয়। কালানুক্ৰমিকভাৱে এই লিপিক দুটা ভাগত ভগোৱা হৈছে— খ্ৰীষ্টিয় চতুৰ্থ শতিকাত প্ৰচলিত আদি গুপ্ত লিপি আৰু তৎ পৰৱৰ্তী সময়ত (ষষ্ঠ শতিকা পৰ্যন্ত) প্ৰচলিত পৰৱৰ্তীকালৰ গুপ্ত লিপি। অৱশ্যে এই কথা ঠিক যে উল্লিখিত দুই শৈলী মৌৰ্য সম্ৰাট অশোকৰ দিনৰ ব্ৰাহ্মী লিপিতে কিছু প্ৰকট হৈ পৰিছিল।
- দক্ষিণ ভাৰতত প্ৰচলিত পল্লৱ লিপি গুপ্ত লিপিৰে অন্য এটা প্ৰকাৰ।
- খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা দশম শতিকালৈ উত্তৰ ভাৰতত প্ৰচলিত গুপ্ত লিপি সিদ্ধমাতৃকা লিপি ৰূপে জনাজাত হয়। এই লিপিৰ আৰম্ভণিতে ‘ও নমঃ সিদ্ধম্’ লিখা আছিল বাবে ইয়াৰ নাম ‘সিদ্ধমাতৃকা’ হৈছে।
- সিদ্ধমাতৃকা লিপিৰ বিকাশত কণৌজ ৰাজ হৰ্ষবৰ্ধনৰ অনবদ্য ভূমিকা আছে। সময়ৰ বিৱৰ্তনত সিদ্ধমাতৃকা লিপিৰ তিনিটা আঞ্চলিক ৰূপৰ উদ্ভৱ হয়— শাৰদা বা উত্তৰ-পশ্চিমা, শ্ৰীহৰ্ষ বা দক্ষিণ-পশ্চিমা আৰু উত্তৰ-মধ্যা তথা কুটিল বা পূৰ্বী।
- প্ৰকৃত বিচাৰত কুটিল এটা শৈলীৰ নাম। তথাপি, খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ পৰা নৱম শতিকালৈ উত্তৰ ভাৰততে পূৰ্বাঞ্চলত ব্যৱহৃত লিপিটোক কোনো কোনোৱে কুটিল লিপি বুলিব খোজে। এই শৈলীৰ লিপি উত্তৰ-পূব ভাৰততে সৰ্বাধিক প্ৰয়োগ হৈছিল বুলি আলোচক-গৱেষকসকলে কয়।



৩.১১ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, সৰ্বেশ্বৰ (২০০৩); *অসমীয়া প্ৰাচীন লিপি;* ডিব্ৰুগড় ঃ বনলতা।

২) দাস, নাৰায়ণ (২০০৩); *বিশ্ব লিপিৰ ভূমিকা;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) নেওগ, মহেশ্বৰ (২০০৪); *পৱিত্ৰ অসম;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৫) শৰ্মা, ডিম্বেশ্বৰ (২০০২); *প্ৰাগজ্যোতিষৰ ইতিহাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৬) শৰ্মা, সত্যেন্দ্রনাথ (২০০৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ প্রতিভা দেৱী প্রকাশন।



৩.১২ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ বাণমুখ লিপিৰ উদ্ভৱ ..... বৈশিষ্ট্যসমূহ।

২ নং প্রশ্নৰ উত্তৰ ঃ সিন্ধুলিপিৰ পৰিচয়.... লিপিতত্ত্ববিদসকলৰ মাজৰ মতভেদ সম্পৰ্কীয় চমু লেখ।

৩ নং প্রশ্নৰ উত্তৰ ঃ কুশাণ লিপিৰ কেইটিমান বৈশিষ্ট্যৰ বিষয়ে চমুকৈ লিখিব

৪ নং প্রশ্নৰ উত্তৰ ঃ কুষাণ লিপি ..... কুষাণ বংশৰ ....অৱদান। খ্রীষ্টিয় ষষ্ঠ শতিকাৰ পৰা .....গুপ্ত লিপি ..... গুপ্ত সাম্রাজ্যত .... প্রচলিত হয়। সিদ্ধমাতৃকা লিপিৰ আৰম্ভণিতে ‘ও নমঃ সিদ্ধম্’ লিখা আছিল। আখৰ বক্রতাৰ হেতু .... গুপ্ত লিপিয়ে কুটিল নাম পায়।

৫ নং প্রশ্নৰ উত্তৰ ঃ প্রাদেশিক লিপি.....ভাৰতীয় লিপিৰ আঞ্চলিক ভেদ। শাৰদা....তামিল....কন্নড়.....তেলগু.....মালয়ালম.....অসমীয়া.....বাংলা.....ওড়িআ আদি।



৩.১৩ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বাণমুখ লিপিৰ ক্রমবিকাশ আৰু বৈশিষ্ট্য সম্পৰ্কে লিখক।

প্রশ্ন ১ ঃ সিন্ধু লিপিৰ উৎপত্তি সম্পৰ্কে লিপিতত্ত্ববিদ সকলৰ মাজত কেনেধৰণৰ মতভেদ দেখা যায়?

প্রশ্ন ৩ ঃ কুষাণ লিপিৰ পৰিচয় আগবঢ়াওক।

প্রশ্ন ৪ ঃ ভাৰতীয় লিপিৰ বিকাশত গুপ্ত লিপিৰ ভূমিকা কি?

প্রশ্ন ৫ ঃ কুটিল লিপি কি?

প্রশ্ন ৬ ঃ প্রাদেশিক লিপিৰ বিষয়ে পৰিচয় আগবঢ়াওক।

অধ্যায় ৪ ঃ অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ
৪.৩.১ পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি
৪.৩.২ মধ্যযুগীয় অসমীয়া লিপি
৪.৩.৩ আধুনিক অসমীয়া লিপি
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.৭ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশৰ বিষয়ে জানিব পাৰিব
- অসমীয়া লিপিৰ যুগ বিভাজন সম্পর্কে আলোচনা কৰিব পাৰিব
- কামৰূপী লিপিৰ ক্রমবিকাশৰ ইতিহাস সম্পর্কে জানিবলৈ পাব
- মধ্যযুগীয়া অসমীয়া লিপিৰ বিষয়ে বিস্তৃত আলোচনা কৰিব পাৰিব
- আধুনিক অসমীয়া লিপিৰ পৰিচয় আগবঢ়াব পাৰিব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ প্রথম পাঠ্যবিষয় 'লিপি আৰু পাঠ সমীক্ষা'ৰ অন্তর্গত এইটো চতুর্থ অধ্যায়। ইয়াত অসমীয়া লিপিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হ'ব। ইয়াৰ পূর্বৰ অধ্যায় তিনিটাত আপুনি লিপি আৰু ভাৰতীয় লিপিৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিলো। ইয়াত আমি অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ সম্পর্কে আলোচনা কৰিবলৈ লৈছো।

৪.৩ অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশ

ভাৰতবর্ষৰ পূর্বাঞ্চলত প্রচলিত লিপিসমূহৰ ভিতৰত অন্যতম উল্লেখযোগ্য লিপি হৈছে অসমীয়া লিপি। ঊনবিংশ শতিকাৰ আদিভাগ পর্যন্ত নিজস্ব বৈশিষ্ট্যৰে সমুজ্জ্বল প্রাচীন অসমীয়া

লিপিটোক 'কামৰূপী লিপি' বুলি জনা গৈছিল। অসমৰ পুৰণি নাম কামৰূপ হোৱাটোৱেই তাৰ প্রধান কাৰণ। সর্বভাৰতীয় প্রাদেশিক লিপিসমূহৰ তুলনাত অসমীয়া লিপি প্রাচীন হ'লেও, বিজ্ঞানসন্মত দৃষ্টিভংগীৰে ইয়াৰ অধ্যয়নৰ কাম কিছু বছৰৰ আগৰ পৰাহে আৰম্ভ হৈছে। ইতিমধ্যে উদ্ধাৰ হোৱা লিপিসমূহৰ জৰিয়তে এই অধ্যয়ন সম্ভৱ হৈ উঠিছে। কোৱা বাহুল্য যে, অসমীয়া লিপিয়ে এক সুদীর্ঘ পৰিক্রমাৰ অন্ততহে বর্তমানৰ নিটোল ৰূপটি পাবলৈ সমর্থ হৈছে। এই লিপিৰ উদ্ভৱ আৰু ক্রমবিকাশৰ বিষয়ে অধুনাপর্যন্ত যিমানবোৰ আলোচনা-বিলোচনা হৈছে সেইবোৰৰ সৰহ ভাগতে অসমীয়া লিপিক অশোককালীন ভাৰতবর্ষৰ ব্রাহ্মী লিপিৰ পৰিবর্তিত ৰূপ কুটিল লিপিৰ পৰা অহা বুলি ক'বলৈ বিচৰা হৈছে। ইতিহাসৰ বিভিন্ন তথ্যই সঙ্কেত দিয়ে যে, মগধৰাজ অশোকৰ অনুশাসনমালাত ব্যৱহাৰ হোৱা আৰু কুষাণবংশীয় ৰজাসকলৰ সময়ছোৱাত বিকাশ লাভ কৰা প্রাচীন ব্রাহ্মী লিপিৰ পৰা ভাৰতবর্ষৰ সৰহভাগ লিপিৰ উদ্ভৱ হৈছিল। গতিকে, সেই একেবিধ লিপিৰ পৰাই অসমীয়া লিপিৰো বিকাশ হোৱাৰ সম্ভাৱনা অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু, এনে সম্ভাৱনা থাকিলেও, অসমীয়া লিপিৰ উদ্ভৱ সম্পর্কে পণ্ডিতসকলে ঐকমত প্রকাশ কৰা দেখা নাযায়। আমি প্রথমে বিভিন্ন পণ্ডিতে এই সন্দর্ভত আগবঢ়োৱা মতামতবোৰ বিচাৰ কৰি চোৱা উচিত হ'ব।

অসমৰ লিপি চর্চাৰ বাটকটীয়া সর্বেশ্বৰ কটকীয়ে তেওঁৰ *অসমীয়া প্রাচীন লিপি* শীর্ষক গ্রন্থত অসমীয়া লিপিৰ উদ্ভৱ সম্পর্কে এনেদৰে লিখিছে ঃ 'ব্রাহ্মী লিপি প্রথম, কুষাণ লিপি দ্বিতীয়, গুপ্ত লিপি তৃতীয় আৰু এই গুপ্ত লিপিৰ পূব ভাৰতীয় কুটিল লিপি চতুর্থ আৰু এই কুটিল লিপিৰ পৰিবর্তন আৰু সংমিশ্রণ ঘটি কামৰূপী বা পুৰণি অসমীয়া লিপিয়ে পূর্ব ভাৰতীয় ভাষাৰ বংশ-লতিকাত পঞ্চম স্থান অধিকাৰ কৰিছে বুলি স্থিৰ কৰিব পাৰি আৰু এয়ে অসমীয়া লিপিৰ উৎপত্তি।' 'প্রাচ্যতত্ত্ববিদ মহেশ্বৰ নেওগেও তেওঁৰ *অসমীয়া সাহিত্যৰ ৰূপৰেখা* গ্রন্থত অনুৰূপ মন্তব্য প্রকাশ কৰিছে। তেওঁ লিখিছে, 'গুপ্তলিপিৰ কুটিল শৈলীৰ পৰাই অসমীয়া লিপিৰ উদ্ভৱ হয়।' লিপিবিদ পণ্ডিত বুহ্লাৰ, টি. পি. বার্মা, সুনীতি কুমাৰ চট্টোপাধ্যায় আদিৰ মতেও অসমীয়া লিপিৰ উৎপত্তিৰ গুৰিতে আছে কুটিল লিপি। আনহাতে, কোনো কোনো পণ্ডিতে এই মতৰ বিৰোধিতা কৰাও দেখা গৈছে। তেওঁলোকে 'অসমীয়া লিপি কুটিল লিপিৰ পৰা আহিছে'— এনে মত দ্বিধাহীনভাৱে মানি ল'ব খোজা নাই। তেওঁলোকৰ এনে ভিন্ন মতৰ মূল ভিত্তি হ'ল ঃ (১) কুটিলৰ পৰা উদ্ভৱ হোৱা অন্যান্য ভাষাৰ লিপিৰ গঢ়ৰ সৈতে অসমীয়া বা কামৰূপী লিপিৰ গঢ়ৰ তেনে কোনো সাদৃশ্য প্রত্যক্ষ কৰা নাযায়; বৰং ভালেমান ক্ষেত্রত বৈসাদৃশ্যহে চকুত পৰে। (২) কুটিল লিপিৰ উদ্ভৱৰ সময় খ্রীষ্টিয় ষষ্ঠ শতিকা বুলি ধৰা হৈছে। কিন্তু, অসমীয়া লিপিৰ নিদর্শন খ্রীষ্টিয় পঞ্চম শতিকাৰ পৰাই পোৱা যায়।খ্রীষ্টিয় পঞ্চম শতিকাৰ আদিভাগৰ নগাজৰী খনিকৰ গাঁৱৰ প্রস্তৰখণ্ড লিপি আৰু সেই একে শতিকাৰ শেষভাগৰ নীলাচল পাহাৰত পোৱা ৰজা সুৰেন্দ্রবর্মাৰ দ্বাৰা খোদিত উমাচল শিলালিপিয়ে তাৰ প্রমাণ দাঙি ধৰে। এনে তথ্যৰ আধাৰত ভাষাতত্ত্ববিদ উপেন্দ্রনাথ গোস্বামীয়ে তেওঁৰ *অসমীয়া লিপি* শীর্ষক গ্রন্থত এনেদৰে মন্তব্য কৰিছে, অসমীয়া লিপিৰ '...মূল ব্রাহ্মী আৰু তাৰ পৰৱর্তী গুপ্ত লিপি। উমাচলৰ

শিলালিপি আৰু নগাজৰী খনিকৰ গাঁৱৰ লিপিত পোৱা আখৰবোৰক গুপ্ত লিপিৰ আখৰবোৰৰ সৈতে ৰিজাই চালে এই শিলালিপি দুখনৰ প্রায়বোৰ আখৰেই গুপ্ত লিপিত পোৱা আখৰেৰে সৈতে একেটা ৰূপত পোৱা যায়।' আন এগৰাকী অসমীয়া লিপিবিদ নাৰায়ণ দাসৰ মতে, 'গুপ্ত লিপিৰ পূৰ্বীশৈলীয়ে বিভিন্ন ৰূপান্তৰৰ মাজেদি সৰকি আহি দ্বাদশ শতিকাৰ কানাই বৰশী বোৱা তুৰস্কক্ষয়ৰ শিলৰ ফলিত অসমীয়া লিপিৰূপে আত্মপ্রকাশ কৰেহি।' অসমীয়া সাহিত্যৰ বিশিষ্ট বুৰঞ্জীকাৰ ডিম্বেশ্বৰ নেওগ ডাঙৰীয়ায়ো অনুৰূপ ধাৰণাকে পোষণ কৰিছে। লিপিবিদ পণ্ডিতমণ্ডলীৰ এনে মন্তব্যই এইটোকে প্রমাণ কৰে যে গুপ্ত যুগৰ সমসাময়িক কালত ব্রাহ্মী লিপিৰ ৰূপান্তৰিত ধাৰা গুপ্ত লিপিৰ পৰা কুটিল লিপিয়ে বিকাশ লাভ কৰাৰ পূৰ্বেই প্রাচীন কামৰূপ ৰাজ্যলৈ ব্রাহ্মী লিপিৰ আমদানি ঘটিছিল আৰু সেই লিপিয়ে কিছু স্বকীয় বৈশিষ্ট্যৰে ইয়াত আত্মপ্রকাশ কৰিছিল। অর্থাৎ থোৰতে ক'বলৈ গ'লে, গুপ্ত লিপিৰ পূৰ্বী শৈলীহে অসমীয়া লিপিৰ জননী, কুটিল লিপি নহয়। অৱশ্যে এইটোও সত্য যে গুপ্ত যুগৰ ব্রাহ্মী লিপিৰ উত্তৰ ভাৰতত প্রচলিত পূৰ্বী শাখাৰ পৰা ক্রমাৎ বিকাশ লাভ কৰা অসমীয়া লিপিত অইন শৈলীতকৈ কুটিল শৈলীৰ প্রভাৱ অধিক স্পষ্টভাৱে পৰিছে।

প্রাচীন কামৰূপ ৰাজ্যত ব্যৱহৃত লিপিৰ প্রথম নিদর্শন হ'ল— খ্রীষ্টিয় পঞ্চম শতিকাৰ আদিভাগৰ নগাজৰী খনিকৰ গাঁৱৰ প্রস্তৰখণ্ড লিপি। ইয়াৰ পাছত খ্রীষ্টিয় পঞ্চম শতিকাৰ শেষভাগত খোদিত হৈছিল উমাচল শিলালিপি। এই লিপি দুখনত ব্যৱহাৰ হোৱা ই, ক, খ, গ, চ, জ, ড, ণ, ত, দ, ন, প, ব, ভ, ম, য, ৰ, ল, ৱ, স, হ, ৰা, জা, ণা, ধি, কী, গু, কৃ আদি আখৰৰ মিল কুটিলতকৈ গুপ্ত লিপিৰহে ওচৰ চপা। খ্রীষ্টিয় সপ্তম শতিকাৰ কামৰূপাধিপতি ভাস্কৰবর্মাৰ ডুবি আৰু নিধনপুৰ তাম্রশাসন দুখনিৰ আখৰাৰ ৰূপ আকৌ কিছু ভিন্ন। সেয়ে হ'লেও এই দুখন ফলিত ব্রাহ্মী আৰু গুপ্ত লিপিৰ আখৰৰ গঢ়ো প্রত্যক্ষ কৰা গৈছে। উল্লেখনীয় যে ভাস্কৰবর্মাৰ নিধনপুৰ শাসনৰ কেইটামান আখৰ, বিশেষকৈ ক, ৰ, ল আদি আখৰৰ গঢ় আধুনিক অসমীয়া আখৰৰ ওচৰ চপা। ইয়াৰ পৰৱর্তী নৱম শতিকাৰ পৰা দশম শতিকাৰ আদিভাগৰ অভিলেখসমূহত প্রয়োগ হোৱা একক আৰু সংযুক্ত ব্যঞ্জন তথা বিবিধ স্বৰৰ, বিশেষকৈ -া, ি- আদি কাৰ চিহ্নই আধুনিক ৰূপ ল'বলৈ আৰম্ভ কৰে। এই সময়ছোৱাৰ বনমালবর্মাৰ পর্বতীয়া শাসন; তৃতীয় বলবর্মাৰ উত্তৰ বৰবিল, উলুবাৰী আৰু নগাঁও তাম্রলেখত এনে ৰূপ সততে লক্ষ্য কৰিব পাৰি। উদাহৰণ স্বৰূপে উল্লিখিত লিপিকেইখনৰ অ, আ, উ, ঊ, এ, ঔ, খ, গ, ঘ, জ, ঞ, ঢ, ত, থ, দ, ন, ফ, ব, ম, য, ল, ষ, স, ৎ, ং, ঃ, ষ্ট্র, ত্র, ঞ্জ, স্ব, ল্ল, গ্ন, স্ম, র্ম্ম, ণ্ড, কৃ, ৰু, ৰূ আদি স্বৰ, ব্যঞ্জন আৰু যুক্তাক্ষৰৰ গঢ় আধুনিক অসমীয়াৰ লেখীয়া। মুঠতে, খ্রীষ্টিয় পঞ্চম শতিকাত আৰম্ভ হোৱা অসমীয়া লিপিয়ে খ্রীষ্টিয় নৱম-দশম শতিকাত কিছু ভিন্ন ৰূপ পৰিগ্রহ কৰে আৰু অৱশেষত দ্বাদশ শতিকাৰ কানাই বৰশী বোৱা তুৰস্কনির্মূলৰ শিলৰ ফলিত পৰিশুদ্ধ অসমীয়া লিপিৰূপে আত্মপ্রকাশ কৰে। অৱশ্যে যিকোনো কাৰণতে নহওক কিয়, অসমীয়া লিপি ইতিহাস অধ্যয়নৰ ক্ষেত্রত খ্রীষ্টিয় সপ্তম শতিকা পর্যন্ত যি ধাৰাবাহিকতা পোৱা গৈছে, তৎ পৰৱর্তী অষ্টম শতিকাত কিন্তু সেই ধাৰাবাহিকতা ৰক্ষিত হোৱা দেখিবলৈ পোৱা নাযায়। আন কথাত অষ্টম শতিকাৰ সময়ছোৱাত খোদিত

কোনো ধৰণৰ শিলালেখ, তাম্রলেখ আদি আজিকোপতি উদ্ধাৰ হোৱা নাই। নিদর্শনৰ অভাৱত এই এটা শতিকাত অসমীয়া বা কামৰূপী লিপিয়ে কিমানখিনি অগ্রগতি লাভ কৰিছিল সেই বিষয়ে স্পষ্টকৈ জানিব পৰা নাযায়। সি যি কি নহওক, নৱম শতিকাৰ পৰা দ্বাদশ শকিতাৰ শেষলৈ কিন্তু অসমীয়া লিপিৰ এটা সুকীয়া স্তৰ প্রত্যক্ষ কৰা যায়। খ্রীষ্টিয় ত্রয়োদশ শতিকাৰ তুৰস্কক্ষয় বিষয়ক কানাই বৰশী বোৱা শিলালিপিৰ পাছত, খ্রীষ্টিয় চতুর্দশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ আৰম্ভণি পর্যন্ত যিমানবোৰ অভিলেখ উদ্ধাৰ হৈছে সেইবোৰত ব্যৱহৃত লিপিয়ে আধুনিক অসমীয়া লিপিৰ বিকাশৰ সম্ভেদ দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ প্রাচীন কামৰূপত প্রাপ্ত ফলিসমূহৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

আপুনি নিশ্চয় অনুভৱ কৰিব পাৰিছে যে অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ সম্ভৱ হৈ উঠিছে বিবিধ প্রকাৰৰ শিলৰ ফলি আৰু তামৰ ফলিৰ জৰিয়তে। এই অভিলেখবোৰৰ উপৰি পুৰণি কামৰূপ ৰাজ্যত বহুকাল অতীতৰে পৰা সাঁচিপাত, তুলাপাতত বিভিন্ন পুথি-পাঁজিও ৰচনা কৰা হৈছিল। তদুপৰি বৰটোপ, মুদ্রা আদিতো অসমীয়া লিপিৰ প্রাচীন ৰূপটো সংৰক্ষিত হৈছে। মুঠতে শিলালিপি, তাম্রলিপিৰ জৰিয়তে আৰম্ভ হোৱা অসমীয়া লিপিয়ে সাঁচিপাত, তুলাপাত আদিৰ বুকুৰেদি বগুৱা বাই নিজৰ যাত্রা অব্যাহত ৰাখে। এনেদৰে ত্রয়োদশ শতিকাৰ পৰা পৰিবর্তনৰ বাটেৰে বাট বুলি বুলি ঊনবিংশ শতিকাত আমেৰিকান মিছনেৰীসকলে শিৱসাগৰত স্থাপন কৰা ছপাখানাৰ মাধ্যমেৰে অসমীয়া লিপিয়ে আধুনিক গঢ়েৰে ছপাশালৰ দুৱাৰদলিত ভৰি থয়হি। বর্তমান কম্পিউটাৰত বিবিধ অসমীয়া লিপিৰ ব্যৱহাৰ লক্ষ্য কৰা গৈছে। সেয়ে হ'লেও ইয়াৰ মূল ভেটিটোৰ বিশেষ কোনো পৰিবর্তন ঘটা নাই।

শতিকা		ক	ত	জ	ন	ৰ	ৱ
৫ম							
৬ষ্ঠ							
৭ম							
৯ম							
১০ম							
১১শ							
১২শ							

চিত্র নং ৪.১ ঃ অসমীয়া লিপিৰ বিকাশ

অসমীয়া লিপিৰ যুগ বিভাজন ঃ খ্রীষ্টিয় পঞ্চম শতিকাৰ পৰা অষ্টাদশ শতিকা পর্যন্ত প্রাপ্ত বিভিন্ন অভিলেখত খোদিত লিপিৰ অধ্যয়নে এই কথা স্পষ্টভাৱে প্রমাণ কৰে যে, 'অসমীয়া লিপিটো অসমৰ শিলালেখ আৰু তামৰ ফলিবোৰত ব্যৱহৃত লিপিৰ বিকাশপ্রাপ্ত এটা ৰূপ।' প্রায় ডেৰ হাজাৰ বছৰীয়া অসমীয়া লিপিৰ ক্রমবিৱর্তনৰ এই দীঘলীয়া সময়ছোৱাক বিভিন্ন লিপিবিদ পণ্ডিতে বিভিন্ন স্তৰ বা কালত ভাগ কৰিছে। সেইবোৰৰ ভিতৰত ভাষাতত্ত্ববিদ পণ্ডিত উপেন্দ্রনাথ গোস্বামীৰ বিভাজন এনে ধৰণৰ ঃ

ক) পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি (খ্রীষ্টিয় পঞ্চম শতিকাৰ পৰা ত্রয়োদশ শতিকালৈ),

খ) মধ্যযুগৰ অসমীয়া লিপি (ত্রয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ মাজভাগলৈ, অর্থাৎ 'অৰুনোদই'ৰ উদ্ভৱ কললৈ), আৰু

গ) আধুনিক অসমীয়া লিপি ('অৰুনোদই'ৰ জন্ম কাল (১৮৪৬)ৰ পৰা বর্তমানলৈ)।

লিপিতত্ত্ববিদ নাৰায়ণ দাসে আকৌ এনেদৰে ভাগ কৰিছে ঃ

ক) খ্রীষ্টিয় চতুর্থ-পঞ্চম শতিকাৰ পৰা ত্রয়োদশ শতিকালৈ প্রাচীন কামৰূপীয় লিপি,

খ) খ্রীষ্টিয় ত্রয়োদশ শতিকাৰ পৰা ঊনবিংশ শতিকালৈ পুৰণি অসমীয়া লিপি, আৰু

গ) ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা বর্তমানলৈ আধুনিক অসমীয়া লিপি।

দুয়োগৰাকী পণ্ডিত শ্রেণী বিভাজনত যে বিশেষ কোনো পার্থক্য নাই সেই কথা আপুনি নিশ্চয় বুজিব পাৰিছে। গতিকে মই উপেন্দ্রনাথ গোস্বামীৰ শ্রেণী বিভাজনৰ আধাৰতে তলত সেই বিষয়ে আলোচনা কৰিম।

৪.৩.১ পুৰণি অসমীয়া লিপি বা কামৰূপী লিপি

খ্রীষ্টিয় পঞ্চম শতিকাৰ আদি ভাগৰ নগাজৰী খনিকৰ গাঁৱৰ প্রস্তৰখণ্ড লিপিৰ পৰা ত্রয়োদশ শতিকাৰ কানাই বৰশী বোৱা শিলালিপিলৈ এই সময়ছোৱাক পুৰণি অসমীয়া বা কামৰূপী লিপিৰ যুগ বোলা হৈছে। লিপিৰ বিকাশলৈ লক্ষ্য কৰি এই সময়ছোৱাক আকৌ আন কেইটামান উপস্তৰত পুনৰ বিভাজন কৰিব পৰা যায়। উদ্ভৱ কালৰ পৰা খ্রীষ্টিয় সপ্তম শতিকাত কনৌজৰাজ হর্ষবর্ধনৰ সৈতে কামৰূপাধিপতি কুমাৰ ভাস্কৰবর্মাৰ মিত্রতা স্থাপনৰ আগলৈকে পুৰণি কামৰূপত গুপ্ত লিপিৰ পূর্বী শৈলীৰ প্রচলন আছিল। নাৰায়ণ দাসে এই সময়ছোৱাক অৱস্থানান্তৰৰ কাল (Period of Transition) আখ্যা দিছে। এই কালছোৱাৰ উল্লেখযোগ্য অভিলেখসমূহ হৈছে— নগাজৰী খনিকৰ গাঁৱৰ শিলালিপি, উমাচল শিলালিপি, বৰগংগা শিলালিপি, ভাস্কৰবর্মাৰ ডুবি তাম্রলিপি আৰু নালন্দাত প্রাপ্ত মৃন্ময় মোহৰ লিপি ইত্যাদি। আনহাতে, ভাস্কৰবর্মাৰ পাছৰ পৰা তৃতীয় বলবর্মাৰ ৰাজত্বকাললৈ এই সময়ছোৱাক কামৰূপী লিপিৰ পৰীক্ষা-নিৰীক্ষাৰ কাল বোলা

হৈছে। ভাস্কৰবর্মাৰ নিধনপুৰ শাসন; শংকৰনাৰায়ণ মূর্তি লিপি; হৰিহৰ মূর্তি লিপি; দেওপানী বিষ্ণুমূর্তি লিপি; হর্জৰবর্মাৰ ঔগুৰি শিলাভিলেখ; হায়ুংথল তাম্রানুশাসন; কুৰুৱাবাহী সত্রশাসন; বলবর্মাদেৱৰ তেজপুৰ, পর্বতীয়া আৰু দীঘলী গাঁও তাম্রশাসন, কাকীৰ সূর্য-প্রতিমা লিপি; তৃতীয় বলবর্মাৰ উত্তৰ বৰবিল, উলুবাৰী আৰু নগাঁও তাম্রশাসন আদিয়ে এইছোৱা সময়ত খোদিত লিপিৰ প্রতিনিধিত্ব কৰে। ইয়াৰ পৰৱর্তী খ্রীষ্টিয় একাদশ-দ্বাদশ শতিকাৰ সময়খিনিক পু�ৰণি কামৰূপী লিপিৰ দ্রুত বিকাশৰ কাল (Period of Accelerated Development) বোলা হৈছে। এই সময়ৰ কেইখনমান উল্লেখযোগ্য লিপি হৈছে— ৰত্নপালৰ বৰাগাঁও, শুৱালকুছি আৰু চৰাতবাৰী অনুশাসন; ইন্দ্রপালৰ গুৱাহাটী, গুৱাকুছি আৰু এৰা দীঘলপানী অনুশাসন; গোপালবর্মাদেৱৰ গছতল শাসন; ধর্মপালৰ খনামুখ, শুভংকৰ পাটক আৰু পুষ্পভদ্রা অনুশাসন আদি। খ্রীষ্টিয় ত্রয়োদশ শতিকাৰ আৰম্ভণি কালত খোদিত উত্তৰ গুৱাহাটী ৰজাদুৱাৰ অঞ্চলৰ কানাই বৰশী বোৱা শৈললেখত অসমীয়া লিপিয়ে নতুন ৰূপ পৰিগ্রহ কৰে। আন প্রকাৰে এই সময়ৰে পৰা অসমীয়া লিপিৰ ইতিহাসত মধ্যযুগটোৰ আৰম্ভ হয়।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ২ ঃ ভাষাতত্ত্ববিদ উপেন্দ্রেনাথ গোস্বামীয়ে কামৰূপী লিপিৰ বিভাজন কি দৰে কৰিছে। (৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৩ ঃ লিপিতত্ত্ববিদ নাৰায়ণ দাসে কামৰূপী লিপিৰ যুগ বিভাজন কি দৰে কৰিছে। (৫০টা শব্দৰ ভিতৰত)

.....

পূর্বৰ শিতানত উল্লেখ কৰি অহা হৈছে যে পঞ্চম শতিকাৰ পুৰণি অসমীয়া বা কামৰূপী লিপিৰ ভিতৰত নগাজৰী খনিকৰ গাঁৱৰ প্রস্তৰ খণ্ডলিপি আৰু তৎপৰৱর্তী উমাচল লিপিত ই, ক, খ, গ, চ, জ, ড, ণ, ত, দ, ন, প, ব, ম, ভ, য, ৰ, ল, ৱ, শ, ষ, স, হ আৰু ৰা, জা, ণা, ধি, কী, গু, কৃ আদি আখৰৰ গুপ্ত লিপিৰ আখৰৰ সৈতে সাদৃশ্য আছে। মুকুন্দ মাধৱ শর্মাই আকৌ গোলাঘাটৰ সৰুপথাৰৰ ওচৰত প্রাপ্ত প্রস্তৰ লিপিৰ আখৰৰ সৈতে প্রাক্ গুপ্তকালীন লিপিৰ আখৰৰ মিল লক্ষ্য কৰিছে। আনহাতে, ভূতিবর্মাৰ বৰগংগা লিপিৰ ‘গ’ আৰু ‘অ’ আধুনিকতাৰ পিনে অধিক ঢাল খোৱা যেন লাগে। সপ্তম শতিকাৰ ভাস্কৰবর্মাৰ ডুবি তাম্রশাসনৰ আখৰ উমাচল লিপিতকৈ অধিক বিকশিত বুলি ক'ব নোৱাৰি। এই শাসনখনৰ গু, তু, দু, ভু আদি আখৰ বর্তমানৰ বাংলাদেশৰ শ্রীহট্ট জিলাৰ পূর্ব দিশত উদ্ধাৰ হোৱা নিধনপুৰ তাম্রশাসনৰ মিলে। নৱম শতিকাৰ তাম্রশাসনবোৰত আখৰৰ গঢ়ৰ পৰিবর্তন লক্ষ্য কৰিব পাৰি। দশম শতিকাৰ পৰা

তামৰ ফলিৰ আখৰে আধুনিক অসমীয়া আখৰৰ গঢ় ল'বলৈ আৰম্ভ কৰে। এই সময়ৰ পৰা আ-কাৰ, ই-কাৰ আদিৰ গঢ় সম্পূৰ্ণ হয়। বনমালাবৰ্মাৰ পৰ্বতীয়া তাম্রশাসন, তৃতীয় বলবৰ্মাৰ উত্তৰ বৰবিল, উলুবাৰী তাম্রশাসন আৰু নগাঁও তাম্রশাসনৰ অ, আ, উ, ঊ, এ, ঔ, খ, গ, ঘ, জ, ঞ, ঢ, থ, ত, দ, ন, ফ, ব, ম, ল, য, ষ, স, ৎ, ং, ঃ আৰু ন্ত্র, ত্র, স্ব, ঞ্জ, স্ম, র্ম্ম, ণ্ড আদি স্বৰ আৰু যুক্ত ব্যঞ্জনৰ গঢ় কিছু আধুনিক হৈ উঠা দেখা যায়।

একাদশ শতিকাৰ ইন্দ্রপালৰ গুৱাকুছি শাসন, ৰত্নপালৰ বৰগাঁও আৰু শুৱালকুছি তামৰ ফলিসমূহৰ লিপিভংগী কিছু সুকীয়া প্রকৃতিৰ আৰু পূৰ্বতকৈ অধিক বিকশিত। গুৱাকুছি শাসনৰ আখৰ ত্রিকোণ আকৃতিৰ, দীঘলীয়া আৰু ৰেখাবোৰ সৰু অথচ অধিক স্পষ্ট। লিপি বিশেষজ্ঞসকলৰ মতে, এইবোৰৰ অ, ই, উ, এ-ৰ ৰূপ কিছু সুকীয়া। 'উ' আখৰটোৰ তলফালে গতি কৰা ৰেখাডাল অলপ ওপৰলৈ উঠি ভাঁজ লৈছে। এই শতিকাৰ উল্লেখযোগ্য তাম্রফলি ধৰ্মপালৰ খনামুখ আৰু গোপালবৰ্মাদেৱৰ গছতল তামৰফলিৰ আখৰেও আধুনিক অসমীয়া আখৰৰ নিচিনা গঢ় লোৱা দেখা গৈছে।

দ্বাদশ শতিকাৰ বৈদ্যপালৰ ৰাজত্বৰ 'কমৌলী' তাম্রশাসনৰ খ, গ, ণ, শ আখৰত আধুনিক অসমীয়া লিপিৰ নিচিনা ওপৰত মাত্রা দেখা নাযায়। অন্যান্য আখৰৰ মাত্রাবোৰৰ শীৰ্ষ ত্রিকোণী। এই সময়ছোৱাৰ ধৰ্মপালৰ পুষ্পভদ্রা লিপি, জয়পালৰ শিলিমপুৰ শাসন, বল্লভদেৱৰ শাসন, ধৰ্মপালৰ খনামুখ আৰু শুভংকৰপাটক লিপিৰ ই, গ, ঘ, জ, ন, ম, য়, ল, ষ, ৰ, স আখৰৰ সৈতে সাঁচিপাতৰ আখৰৰ মিল প্রত্যক্ষ কৰিব পাৰি। তদুপৰি ব আৰু ৰ-ৰ মাজত প্রভেদ দেখা নগৈছিল যদিও, ই তিনিকোণীয়া ৰূপ লৈছিল। ণ আখৰ ল-ৰ নিচিনাকৈ আছিল। উক্ত শাসনকেইখনৰ ই-কাৰ, ঈ-কাৰ, উ-কাৰ আৰু ঋ-কাৰ সাঁচিপতীয়া পুথিৰ সৈতে একে গঢ়ৰ। এই সময়ছোৱাত অসমীয়া লিপিৰ বিকাশৰ গতি যথেষ্ট খৰতকীয়া হোৱা লক্ষ্য কৰা যায়। অভিলেখ লিখনৰ সংখ্যা বৃদ্ধি তাৰ কাৰণ হ'ব পাৰে।

৪.৩.২ মধ্যযুগীয়া অসমীয়া লিপি

অসমীয়া লিপিৰ ইতিহাসৰ দ্বিতীয় স্তৰটি আৰম্ভ হয় খ্রীষ্টিয় ত্রয়োদশ শতিকাৰ প্রথমার্ধৰ 'কানাই বৰশী বোৱা তুৰস্কক্ষয়' শিলৰ ফলিখনৰ পৰা। এই ফলিখনৰ আখৰবোৰ আধুনিক অসমীয়া আখৰৰ দৰে। ১৯১৮ চনত উত্তৰ গুৱাহাটীত আৱিষ্কৃত এই লিপিখনত কামৰূপ আক্রমণ কৰিবলৈ আহি তুৰস্ক বাহিনী এটা ধ্বংসপ্রাপ্ত হোৱাৰ বৰ্ণনা দাঙি ধৰা হৈছে। উল্লেখনীয় যে সেই সময়ত কামৰূপৰ ৰজা আছিল পৃথু। ইয়াত খোদিত আখৰবোৰৰ সৈতে পূৰ্বৱৰ্তী ভাস্কৰবৰ্মাৰ ডুবি আৰু নিধনপুৰ তাম্রশাসনৰ আখৰৰ তুলনাত কৰিলে অসমীয়া লিপিৰ বিবৰ্তনৰ গতিধাৰা স্পষ্ট হৈ পৰে। শিলালিপিখনৰ ক, গ, ম, ৰ, শ, স, ক্ষ, গ্ম, ত্র, ৰূ আদি আখৰ অতিশয় স্পষ্ট। ইয়াৰ পৰৱৰ্তী চতুদৰ্শ শতিকাৰ পৰা অষ্টাদশ শতিকালৈ খোদিত শিলানুশাসন, তাম্রশাসন আৰু স্তম্ভলিপিসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল— গছতল স্তম্ভলিপি,

স্বধয়াপুৰীশ্বৰ সত্যনাৰায়ণৰ তামৰ ফলি, প্রত্যক্ষ নাৰায়ণৰ তামৰ ফলি, পুৰুষোত্তম দাসৰ ৰাউতকুছি তামৰ ফলি, বৰমূর্তিয়া বিল তামৰ ফলি, মহামাণিক্যৰ লংকা শিলালেখ, তাম্রেশ্বৰী মন্দিৰৰ শৈলশাসন, সদিয়া চেপাখোৱা তামৰ ফলি, কামৰূপেশ্বৰ মাধৱদেৱৰ নীলাচল তাম্রশাসন, কামাখ্যাৰ নীলাচল ফলি, হাজোৰ হয়গ্রীৱ মাধৱ মন্দিৰৰ শৈললিপি, বড়ু চণ্ডীদাসৰ *শ্রীকৃষ্ণ কীর্তন* ইত্যাদি। এই অভিলেখসমূহে মধ্যযুগীয় অসমীয়া আখৰৰ বিকাশৰ ধাৰাটো স্পষ্টভাৱে ধৰি ৰাখিছে। এই সময়ত বিকাশৰ গতিও কিছু খৰতকীয়া হৈছে। নাৰায়ণ দাসে 'বিভিন্ন ৰাজবংশ আৰু লিপিৰ সমন্বয়ত পৰিস্ফুট পুৰণি অসমীয়া লিপিৰ এই কালছোৱাক সাংস্কৃতিক সমন্বয়ৰ কাল' (Period of Cultural Compromisation) আখ্যা দিছে। খ্রীষ্টিয় ষোড়শ-অষ্টাদশ শতিকাৰ কালছোৱাত অসমীয়া লিপিয়ে আহোম, কোচ, বৰাহী, দৰঙী আদি সৰু-বৰ ৰজাসকলৰ উপৰি সত্রানুষ্ঠানসমূহৰ পৃষ্ঠপোষকতাত সাঁচিপাত, তুলাপাত আদিত ৰচিত পুথি-পাঁজিৰ যোগেদি বিকাশ লাভ কৰাৰ সুযোগ পায়। নৃপতিসকলৰ উপৰি ৰজাঘৰীয়া ডা-ডাঙৰীয়াসকলে খোদাই কৰোৱা শিলালেখ আৰু তামৰ ফলিসমূহতো এই স্তৰৰ লিপিৰ সুন্দৰ নিদর্শন ৰক্ষিত হৈছে। ভাস্কৰবর্মাৰ দিনতে আৰম্ভ হোৱা সাঁচিপাতত আখৰ লিখা পদ্ধতি পৰৱর্তী কালত বহুলভাৱে প্রসাৰিত হয়। উল্লেখযোগ্য যে, ষোড়শ-অষ্টাদশ শতিকাত অসমত দুবিধ লিপিৰ প্রচলন ঘটে। প্রথমবিধ পুৰণি অসমীয়া বা হিন্দু অক্ষৰ বা হেন্দুৱান আৰু দ্বিতীয়বিধ টাই বা আহোম লিপি। টাই লিপি 'অসমাক্ষৰ'ৰূপেও জনাজাত। এইটো যুগত আকৌ লিপিৰ শৈলীভেদো প্রত্যক্ষ কৰা যায়। পণ্ডিতসকলে মধ্যযুগীয় অসমীয়া লিপিৰ এনে তিনি প্রকাৰৰ লেখন শৈলীৰ নাম উল্লেখ কৰিছে— বামুণীয়া, গড়গঞা আৰু কাইথেলী বা লহকৰী। অৱশ্যে কাইথেলী আৰু লহকৰী যে একেটা লিপিৰে দুটা নাম সেই কথা পণ্ডিত হেমচন্দ্র গোস্বামীয়ে স্পষ্টভাৱে উল্লেখ কৰি থৈ গৈছে।

মধ্যযুগীয় অসমত সংস্কৃত ভাষা-সাহিত্যৰ চর্চা কৰা টোলবোৰক কেন্দ্র কৰি উত্তৰ ভাৰতৰ অন্যান্য অঞ্চলৰ দৰে সংস্কৃত পুথি-পাঁজি লিখা আৰু নকল কৰাৰ এক পৰম্পৰা গঢ় লৈ উঠিছিল। বিশেষকৈ ব্রাহ্মণ সম্প্রদায়ৰ লোকসকল এনে কামত ব্রতী হোৱা বাবে এই লিপি শৈলীক বামুণীয়া লিপি বোলা হৈছে। নক'লেও চলে, বামুণীয়া লিপি অসমীয়া লিপিৰ এক জাতিগত প্রকাৰভেদ মাত্র। এই লিপিত অসমীয়া আৰু নাগৰী লিপিৰ সংমিশ্রণ লক্ষ্য কৰা যায়। সংস্কৃতত লিখা ব্যাকৰণ, জ্যোতিষ, স্মৃতি, দর্শন আদি শাস্ত্র নকল কৰোঁতে মূল পুথিৰ দেৱনাগৰী হৰফে অসমীয়া ব্রাহ্মণ লিপিকাৰসকলক সততে প্রভাৱিত কৰাটো তাৰ কাৰণ হ'ব পাৰে। প্রাচ্যতত্ত্ববিদ সত্যেন্দ্রনাথ শর্মাৰ মতে, এই লিপিৰ 'আ সাধাৰণতে দেৱনাগৰী গঢ়ৰ, দ আখৰো দেৱনাগৰীৰ কায চপা, ঠ-ৰ ওপৰৰ টিকনিডাল সাধাৰণতে নাথাকে বা বৰ চুটি আৰু ভূমিফালে টিকনি এডাল আগবাঢ়ি যায়। ক, গ, ট, প, হ আদিৰ আকাৰ যৎ সামান্য


পৃথক। কোণবোৰ কাইথেলীৰ দৰে তীক্ষ্ণ বা স্পষ্ট নহয়।' এই লিপি শৈলীয়ে পৰৱৰ্তী সময়ত বৈষ্ণৱ শাস্ত্রকাৰসকলকো প্রভাৱান্বিত কৰা দেখা যায়। উদাহৰণ স্বৰূপে *শ্রীমদ্ভাগৱদ্‌গীতাৰ* শ্রীধৰস্বামীপাদকৃত *সুবোধিনী টীকাৰ* নকলটিলৈ আঙুলিয়াব পাৰি। এই গ্রন্থৰ লেখন শৈলী বামুণীয়া গঢ়ৰ। ১৭৩৫ খ্রীষ্টাব্দত প্রতিলিপি কৰা মহাপুৰুষ মাধৱদেৱৰ *ভক্তি ৰত্নাৱলী* গ্রন্থৰ আখৰৰ চানেকি বামুণীয়া শৈলীৰ বুলি মহেন্দ্র বৰাই মন্তব্য কৰিছে। প্রতাপ চন্দ্র চৌধুৰীয়ে বামুণীয়া লিপিৰ অ, আ, উ, ক, গ, ঘ, ঙ, ড, থ, দ, ন, ব, ম, য়, ল, শ, ষ আৰু সৰহভাগ যুক্তাক্ষৰত দেৱনাগৰীৰ প্রভাৱ লক্ষ্য কৰিছে। বামুণীয়া লিপিৰ এ, ঐ, ও, ক, খ, গ, ঘ, চ, জ, ট, ণ, ত, থ, ধ, ন, প, ব, ম, য, ৰ, ৱ, স আখৰকেইটা সম্পূর্ণ আধুনিক অসমীয়াৰ দৰে।

মধ্যযুগত আহোম স্বর্গদেৱসকলৰ ৰাজধানী গড়গাঁৱক কেন্দ্র কৰি অসমীয়া লিপিৰ যিটো শৈলী গঢ় লৈ উঠিছিল তাৰ নামেই গড়গঞা লিপি। ই এক ভৌগোলিক নাম। আহোম স্বর্গদেৱ তথা ডা-ডাঙৰীয়াসকলে বুৰঞ্জীকে ধৰি বিভিন্ন পুথি-পাঁজি লিখিবৰ বাবে কিছুমান প্রশিক্ষণপ্রাপ্ত লোক নিয়োগ কৰিছিল। সেইসকলৰ যি লেখক ৰীতি সিয়ে সময়ত গড়গঞা শৈলীৰূপে পৰিচিত হয়। সত্যেন্দ্রনাথ শর্মাই সঠিক মন্তব্যই কৰিছে যে, 'আহোম ৰাজধানী গড়গাঁৱক কেন্দ্র কৰি উজনিত এই লিপিভংগীৰ প্রচলন হয় কাৰণেই ইয়াৰ নামকৰণ হয় গড়গঞা। বুৰঞ্জী পুথিত সাধাৰণতে এই লিপিভংগী ব্যৱহাৰ হোৱা দেখা যায়; পাচলৈ অৱশ্যে পদ-পুথি, অভিলেখ আদিতো এই শৈলী প্রয়োগ কৰা হৈছিল। এই লিপি শৈলীৰ অ, আ, ই, ঈ প্রায় আধুনিক গঢ়ৰ। তদুপৰি, আখৰৰ কোণ আৰু বক্রৰেখা স্পষ্টভাৱে পৰিচিহ্নিতা।' লীলা গগৈৰ মতে, কেইটামান সংযুক্তাক্ষৰ আৰু ঠ, ন, ল আদি কেইটামান বর্ণৰ বাহিৰে বাকী অ', আ, ই, ঈ আদি বর্ণৰ গঢ় আধুনিক অসমীয়া লিপিৰ সৈতে প্রায় একে। বেতনভোগী লেখকে লিখা বাবে এইবোৰ পুথিৰ আখৰৰ গঢ় অতি সুন্দৰ। মহেশ্বৰ নেওগে এই শৈলীক 'বৰ সৰল আৰু নিৰলংকাৰ' বুলিছে। আনহাতে, মহেন্দ্র বৰায়ো এই লিপি শৈলীক সৰল, স্পষ্ট আৰু সমৰূপৰ বুলি মন্তব্য কৰিছে। কোনো কোনো লিপিবিদে আকৌ এই শৈলীত টাইলিপিৰ প্রভাৱো লক্ষ্য কৰিছে। বিশেষকৈ বুৰঞ্জী পুথিবোৰৰ আখৰত টাইলিপিৰ বক্রতা বিশেষভাৱে লক্ষ্যণীয়। সেইবাবেই কোৱা হৈছে যে, 'টাই লিপিৰ প্রভাৱপুষ্ট নিৰলংকাৰ গোট গোট লিপিয়েই গড়গঞা'।


অসমৰ কায়স্থ সম্প্রদায়ৰ লোকসকলে পুথি-পাঁজি ৰচিবলৈ, হিচাপ-পত্র আদি লিখিবলৈ যি লিপি ব্যৱহাৰ কৰিছিল তাৰ নাম কাইথেলী লিপি। বামুণীয়া লিপিৰ দৰে কাইথেলী লিপিও এক সম্প্রদায়গত নাম। নামনি অসমৰ কায়স্থ কুলৰ কিছু সংখ্যক লোকে লহকৰ উপাধি ব্যৱহাৰ কৰিছিল বাবে এই লিপি লহকৰী নামেৰেও জনাজাত। সুকুমাৰ বৰকাথৰ *হস্তীবিদ্যার্ণৱ, ধর্মপুৰাণ, অংকশাস্ত্র শুভঙ্কৰী,*

কিতাবৎ মঞ্জৰী, ব্রহ্মবৈৱর্ত পুৰাণ, শংখচূড় বধ আদি পুথিত কাইথেলী লিপিশৈলীৰে চানেকি সংৰক্ষিত হৈছে। এই লিপিৰ উ, ট, ঠ আদি আখৰৰ ওপৰৰ টিকনিডাল আৰু তলৰ ৰেখাডাল আলংকাৰিকভাৱে বহুখিনি বঢ়াই টানি নিয়া দেখা যায়। আখৰৰ কোণবোৰো অতি স্পষ্ট। গড়গওঁগা আৰু কাইথেলী উভয় শৈলীৰ ও, ক, খ, ঘ, ট, ম, প, ন, ঢ, ড, য, ৰ, ৱ, য, স আদি আখৰৰ মিল দেখা যায়। এই লিপিৰ সন্দর্ভত বুৰঞ্জীবিদ বেণুধৰ শর্মাৰ মত হ'ল— 'পাকৰ সংখ্যা অলপ বেছি হ'লেও, এইবিধ আখৰ মুকুতা যেন ফটফটীয়া।' মহেন্দ্র বৰাৰ মতে, কাইথেলী বা লহকৰী এক অভিলেখিক শৈলী। কাইথেলী অংকৰ এগৰাকী নিপুণ কলাকাৰ দণ্ডীৰাম দত্তৰ মতে, কাইথেলী লিপিৰ আখৰৰ গঢ় 'সমানি সমশীর্ষাণি, ঘনানি নিবিড়ানি চ'; অর্থাৎ এই লিপিৰ প্রতিটো শাৰী তথা প্রতিটো আখৰ সমান জোখৰ। কোনোবাটো চুটি কোনোবাটো দীঘল এনে হ'ব নোৱাৰে। আখৰৰ কোণবোৰ অতি স্পষ্ট। এই লিপিত শব্দৰ ব্যৱধান দেখা নাযায়। শব্দবোৰ একেলেথাৰিয়ে লিখি একোটা ছন্দৰ পৰিসমাপ্তিত যতিচিহ্ন দিয়াটো এই লিপিৰ অন্যতম উল্লেখযোগ্য বৈশিষ্ট্য।


প্রকৃতপক্ষে গড়গওঁগা, কাইথেলী আৰু বামুণীয়া এই তিনিটাক সুকীয়া লিপি বোলাতকৈ লেখন ভংগীৰ তিনিটা সুকীয়া ৰূপ বোলাহে যুগুত। কাৰণ লেক, স্থান আৰু সম্প্রদায় ভেদে আখৰৰ গঢ়-গতিৰ পার্থক্য ঘটা নিতান্তই স্বাভাৱিক।



চিত্র নং ৪.২ঃ গড়গওঁগা লিপি



চিত্র নং ৪.৩ ঃ কাইথেলী লিপি



চিত্র নং ৪.৪ ঃ বামুণীয়া লিপি

৪.৩.৩ আধুনিক অসমীয়া লিপি

১৮২৬ খ্রীষ্টাব্দত ইয়াণ্ডাবু সন্ধিৰ চর্তানুসাৰে অসমত বৃটিছ শাসনৰ সূচনা হোৱাৰ প্রায় সমসাময়িকভাৱে অসমীয়া লিপিয়েও আধুনিক গঢ় ল'বলৈ আৰম্ভ কৰে। এই ক্ষেত্রত, অর্থাৎ আধুনিক অসমীয়া লিপিৰ জন্মৰ প্রসংগত আমি পোনতেই আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলৰ নাম ল'ব লাগিব। ১৮১৩ খ্রীষ্টাব্দত কলিকতাৰ শ্রীৰামপুৰ আস্থানৰ মিছনেৰীসকলে নগাঁৱৰ কলিয়াবৰ অঞ্চলৰ আত্মাৰাম শর্মাৰ দ্বাৰা বাইবেলখন অসমীয়ালৈ অনুবাদ কৰাই *ধর্মপুস্তক* নামেৰে ছপাই উলিয়ায়। এইখন প্রথম অসমীয়া ছপা গ্রন্থ। অৱশ্যে এই পুথিখনৰ আখৰৰ গঢ় প্রায় সাঁচিপতীয়া-তুলাপতীয়া পুথিৰ আখৰৰ স্তৰতেই ৰৈ যায়। উপেন্দ্রনাথ গোস্বামীয়ে ধর্মপুস্তক সাঁচিপতীয়া পুথিৰ আখৰৰ আর্হিতেই ছপা কৰা হৈছিল বুলি উল্লেখ কৰিছে। আনহাতে নন্দ তালুকদাৰে এই পুথিৰ আখৰৰ গঢ় তৎকালীন ছপা বাংলা গ্রন্থৰ হৰফতকৈ কিছু বেলেগ আছিল বুলি কৈছে। সম্ভৱতঃ ধর্মপুস্তক ছপা হোৱাৰ পাছতহে লাহে লাহে বাংলা আৰু অসমীয়া আখৰৰ গঢ়ত অসমীয়া ভাষাৰ পুথি ছপোৱাৰ কাম আৰম্ভ হয়। সেয়ে হ'লেও, এই পুথিখনৰ জৰিয়তে অসমীয়া লিপিৰ মধ্যযুগটোৰ অৱসান ঘটে আৰু ই লাহে লাহে আধুনিক স্তৰলৈ গতি কৰে। ধর্মপুস্তক পুথিখনত ৰ আৰু ৰ এই দুয়োটা ৰূপৰ প্রয়োগ লক্ষ্য কৰা যায়। আপুনি জানি থওক যে *ধর্মপুস্তক* গ্রন্থখনি বর্তমান পুনৰাই ছপা কৰি উলিওৱা হৈছে।

১৮৩৬ খ্রীষ্টাব্দত আমেৰিকান মিছনেৰীসকলে খ্রীষ্টান ধর্ম প্রচাৰৰ বাবে অসমলৈ আহে আৰু বৃটিছ প্রশাসকসকলে এলাগী কৰা মৃতপ্রায় অসমীয়া ভাষাক জীয়াই তুলিবলৈ প্রথমেই অসমীয়া আখৰত পুথি ছপোৱা কাম হাতত লয়। তেওঁলোকে শিৱসাগৰত এটা ছপাকল বহুৱায় আৰু তাত পুথি ছপোৱা কাম আৰম্ভ

কৰে। ইয়াৰ বাবে তেওঁলোকে সীহৰ আখৰ সাঁচত ঢলাই (টাইপ) আনি লয়। ১৮৪৬ খ্রীষ্টাব্দত মিছনেৰীসকলে *অৰুনোদই* নামেৰে এখন মাহেকীয়া কাকত ছপা কৰি উলিয়ায়। এইখন অসমীয়া ভাষাৰ প্রথম আলোচনী কাকত। মিছনেৰীসকলে পোনতে ৰ আখৰটো ব্যৱহাৰ কৰা নাছিল যদিও, ভাষাৰ ওজা হেমচন্দ্র বৰুৱাৰ হেঁচাত তেওঁলোকে এই আখৰটো আমেৰিকাৰ পৰা নতুনকৈ সীহত ঢলাই আনিবলৈ বাধ্য হয়। *অৰুনোদই*ৰ আখৰৰ গঢ় আৰু সাঁচিপতীয়া পুথিৰ আখৰৰ গঢ়ৰ মাজত কিছু পার্থক্য দেখা গ'লেও নতুন আখৰৰ গঢ়ত পুৰণি ৰীতিৰ পৰম্পৰাও কিছু পৰিমাণে দেখা গৈছিল। জনা যায় যে, অসমত ইংৰাজ শাসন আৰম্ভ হোৱাৰ প্রাৰম্ভিক কালছোৱাত 'লতা আখৰ' নামেৰে তুলাপতীয়া পুথিত এক ধৰণৰ বিশেষ লিপিৰ ব্যৱহাৰ হৈছিল। কিন্তু ছপা আখৰৰ আৱিষ্কাৰৰ ফলত সেই লিপিৰ বিকাশ সম্ভৱ নহ'ল।

অৰুণোদই যুগৰে পৰা আজিলৈকে ছপাযন্ত্রৰ বিবিধ পৰিবর্তন সাধন হৈছে। নতুন নতুন কলা-কৌশলৰ আৱিষ্কাৰে ছপা আখৰৰ ৰূপৰ সাল-সলনি ঘটাইছে। বিশেষকৈ সংযুক্ত বর্ণৰ ৰূপগত দিশৰ বিবিধ পৰিবর্তন এইক্ষেত্রত এক লেখত ল'বলগীয়া কথা। সাম্প্রতিক কালত কম্পিউটাৰৰ ব্যৱহাৰে অসমীয়া লিপিৰ বিকাশত যথেষ্ট প্রভাৱ পেলাইছে বুলি ক'ব পাৰি। এতিয়া অসমীয়া লিপিৰ নিত্য নতুন ছফট্‌ৱেৰৰ উদ্ভাৱন এক সাধাৰণ ঘটনা। এইফালৰ পৰা অসমীয়া লিপিৰ বিকাশৰ স্তৰ বিভাজনত অতি সাম্প্রতিক যুগ এটিৰ আগমন ঘটা বুলি ক'লে বোধহয় ভুল কোৱা নহ'ব। সাম্প্রতিক অসমীয়া লিপিত যুক্তবর্ণৰ সংখ্যা কমি অহাটো অথবা তাৰ সৰলীকৰণ ঘটাটো শুভ নে অশুভ সেই বিষয়ে চিন্তা-চর্চা কৰাৰ সময় সমাগত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অসমীয়া লিপিৰ বিকাশ আৰু স্তৰ বিভাজন সম্পর্কে এটি আলচ যুগুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ৫ ঃ কিহৰ ভিত্তিত মধ্যযুগীয় অসমীয়া লিপিক তিনিটা শৈলীত ভাগ কৰা হৈছে, বুজাই লিখক। (৫০টা শব্দৰ ভিতৰত)

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া লিপিৰ ক্ৰমবিকাশৰ ইতিহাস খৰচি মাৰি বুজিব পাৰিলো।
- অসমীয়া লিপিৰ যুগ বিভাজন সম্বন্ধে জ্ঞাত হোৱাৰ লগে লগে মধ্যযুগীয় লিপিত পোৱা তিনিটা শৈলীৰ কাৰণসমূহো অনুধাৱন কৰিবলৈ সক্ষম হ'লো।
- খ্ৰীষ্টিয় পঞ্চম শতিকাৰ আদি ভাগৰ নগাজৰী খনিকৰ গাঁৱৰ প্ৰস্তৰখণ্ড লিপিৰ পৰা ত্ৰয়োদশ শতিকাৰ কানাই বৰশী বোৱা শিলালিপিলৈ এই সময়ছোৱাক পুৰণি অসমীয়া বা কামৰূপী লিপিৰ যুগ বোলা হয়।
- অসমীয়া লিপিৰ ইতিহাসৰ দ্বিতীয় স্তৰটো আৰম্ভ হয় খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাৰ প্ৰথমাৰ্ধৰ 'কানাই বৰশী বোৱা তুৰস্ক ক্ষয়' শিলৰ ফলিখনৰ পৰা।
- খ্ৰীষ্টিয় ষোড়শ-অষ্টাদশ শতিকাৰ কালছোৱাত অসমীয়া লিপিয়ে আহোম, কোচ, বৰাহী, দৰঙী আদি সৰু-বৰ ৰজাসকলৰ উপৰি সত্ৰানুষ্ঠানসমূহৰ পৃষ্ঠপোষকতাত সাঁচিপাত, তুলাপাত আদিত ৰচিত পুথি-পাঁজিৰ যোগেদি বিকাশ লাভ কৰাৰ সুযোগ পায়। নৃপতিসকলৰ উপৰিও ৰজাঘৰীয়া ডা-ডাঙৰীয়াসকলে খোদাই কৰোৱা শিলালেখ আৰু তামৰ ফলিসমূহতো এই স্তৰৰ লিপিৰ সুন্দৰ নিদৰ্শন ৰক্ষিত হৈছে।



৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, সৰ্বেশ্বৰ (২০০৩); *অসমীয়া প্ৰাচীন লিপি;* ডিব্ৰুগড় ঃ বনলতা।

২) গোস্বামী, উপেন্দ্ৰনাথ (২০০৮); *অসমীয়া লিপি;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

৩) গোস্বামী, যতীন (১৯৯৯); *অসমীয়া লিপিৰ ইতিহাস;* গুৱাহাটী ঃ জয়া প্ৰকাশন।

৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) নেওগ মহেশ্বৰ (২০০৪); *পৰিত্ৰ অসম;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৬) মহন্ত, সুবাসনা (২০০৩); *উদ্ভৱকালীন অসমীয়া ভাষা;* ডিব্ৰুগড় ঃ বনলতা।

৭) শইকীয়া, নগেন (সংকলিত) (১৯৭৫); *অসমৰ লিপি সমস্যা;* যোৰহাট ঃ অসম সাহিত্য সভা।


৮) শৰ্মা, ডিম্বেশ্বৰ (২০০২); *প্ৰাগজ্যোতিষৰ ইতিহাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ প্ৰতিভা দেৱী প্ৰকাশক।

ইংৰাজী গ্ৰন্থ ঃ

১১) Borah, Mahendra, (1981); *The Evolution of Assamese Scripts,* Jorhat, Asom Sahitya Sabha

১২) Sarma Dimbeswar (1981); *Kamrupsasanavali.* Gauhati, Publication Board, Assam.



৪.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ প্রাচীন কামৰূপত প্রাপ্ত কামৰূপাধিপতি ভাস্কৰবর্মাৰ ডুবি আৰু নিধনপুৰ তাম্রশাসন.....বনমালবর্মাৰ পর্বতীয়া শাসন.....তৃতীয় বলবর্মাৰ উত্তৰ বৰবিল, উলুবাৰী আদি শাসন.....ৰ পৰিচয়।

২নং প্রশ্নৰ উত্তৰ ঃ ভাষাতত্ত্ববিদ উপেন্দ্রনাথ গোস্বামীয়ে কৰা কামৰূপী লিপিৰ বিভাজন।

৩নং প্রশ্নৰ উত্তৰ ঃ লিপিতত্ত্ববিদ নাৰায়ণ দাসে কৰা কামৰূপী লিপিৰ বিভাজন।

৪নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া লিপিৰ উদ্ভৱ হৈছিল.....খ্রীষ্টিয় পঞ্চম শতিকাত.....অসমীয়া লিপিৰ তিনিটা স্তৰ.....।

৫নং প্রশ্নৰ উত্তৰ ঃ মধ্যযুগীয় অসমীয়া লিপিক.....সম্প্রদায়গত আৰু ভৌগোলিকভাৱে.....শৈলীত ভাগ কৰা হৈছে।



৪.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ 'অসমীয়া লিপিৰ ইতিহাস'— এই শিতানত এটি চমু নিবন্ধ যুগুত কৰক।

প্রশ্ন ২ ঃ অসমীয়া লিপিক কি কি যুগত ভাগ কৰা হৈছে, বিশ্লেষণ কৰি দেখুৱাওক।

প্রশ্ন ৩ ঃ কিহৰ আধাৰত মধ্যযুগীয় অসমীয়া লিপিক 'বামুণীয়া', 'গড়গএগ' আৰু 'কাইথেলী'— এই তিনিটা ভাগত ভাগ কৰা হৈছে, বুজাই লিখক।

*** ***** ***

অধ্যায় ৫ঃ অসমীয়া অনুশাসন অধ্যয়ন

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ গছতল স্তম্ভলিপি
৫.৪ নীলাচল কামাখ্যা মন্দিৰৰ শিলৰ ফলি
৫.৫ বাঁহগড়ীয়া বুঢ়াগোহাঞিৰ ৰণ-জয়ৰ শিলৰ ফলি
৫.৬ চামধৰা গড়ৰ ৰণ-জয়ৰ শিলৰ ফলি
৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৮ অধিক জানিবলৈ
৫.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া লিপিৰ ক্রমবিৱর্তন সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমীয়া লিপিৰ বিকাশৰ স্তৰসমূহ ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব
- আলোচ্য লিপিকেইখনৰ আধাৰত পুৰণি অসমীয়া লিপিৰ পৰিচয় দাঙি ধৰিব পাৰিব
- পুৰণি অসমৰ তাম আৰু শিলৰ ফলি সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমীয়া হাতে লিখা লিপিৰ পৰা ছপা আখৰলৈ হোৱা উত্তৰণৰ গতি-প্রকৃতি বিশ্লেষণ কৰিব পাৰিব।

৫.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া, চতুর্থ যাণ্মাসিকৰ অন্তর্গত প্রথম পাঠ্যবিষয়ৰ এইটো পঞ্চম অধ্যায়। ইয়াৰ পূর্বৰ অধ্যায়কেইটাত আপুনি লিপিৰ সংজ্ঞা, লিপিৰ উদ্ভৱ আৰু বিকাশ, ভাৰতীয় লিপিৰ বিকাশ আৰু অসমীয়া লিপিৰ ক্রমবিৱর্তন সম্পর্কে অধ্যয়ন কৰিলে। এই অধ্যায়টোৰ শিৰোনাম 'অসমীয়া অনুশাসন অধ্যয়ন'। এই অধ্যায়ত আপুনি কেইখনমান নির্বাচিত অসমীয়া অনুশাসনৰ বিষয়ে দৃষ্টান্তসহ অধ্যয়ন কৰিবলৈ পাব।

পূর্বৰ অধ্যায়ত আপোনাক কোৱা হৈছিল যে ভাৰতৰ অন্যান্য প্রাদেশিক লিপিৰ

তুলনাত অসমীয়া লিপিৰ ইতিহাস যথেষ্ট প্ৰাচীন আৰু ঐতিহ্যমণ্ডিত। চুবুৰীয়া বাংলা, ওড়িআ, মৈথিলী আদি ভাষাত লেখন কাৰ্য আৰম্ভ নৌহওঁতেই প্ৰাচীন কামৰূপ (বৰ্তমান অসম) ৰাজ্যত ভাষা লিখিবৰ বাবে লিপিৰ উদ্ভৱ হৈছিল। এই কাৰ্যৰ আৰম্ভণি স্বাভাৱিকতে ৰাজ পৃষ্ঠপোষকতাতে হৈছিল। বিভিন্ন প্ৰসংগত বিভিন্ন শাসনকৰ্তাই শিলৰ পিঠিত নাইবা তামৰ ফলিত ৰাজ-নিৰ্দেশসমূহ লিখাই দিছিল। কেতিয়াবা ৰণ জয় কৰি আনন্দ প্ৰকাশৰ বাবে, কেতিয়াবা কাৰোবাক ভূমি দান কৰিবৰ বাবে এইবোৰ শাসন তক্ষকাৰ বা শৈলকাৰৰ হতুৱাই লিখোৱা হৈছিল। এই স্তৰত প্ৰাপ্ত অভিলেখসমূহৰ ভাষা আছিল সংস্কৃত। সম্ভৱতঃ সেই সময়ত ৰজাঘৰীয়া কাম-কাজৰ বাবে সংস্কৃতেই আছিল মান্য ভাষা। সেইবাবে সাধাৰণজনৰ কথিত ভাষা ৰূপৰ স্বাক্ষৰ এইবোৰত পাবলৈ নাই। সেয়ে হ'লেও, তক্ষকাৰসকলৰ উচ্চাৰণ পদ্ধতিয়ে এইবোৰক প্ৰভাৱিত নকৰাকৈ থকা নাছিল। এক বৰ্ণৰ ঠাইত সমগোত্ৰীয় আন বৰ্ণৰ ব্যৱহাৰ তেনে প্ৰভাৱৰ পৰিণতি বুলি ক'ব পাৰি।

ৰজাঘৰীয়া অভিলেখবোৰৰ উপৰি পৰৱৰ্তী সময়ৰ কবি-সাহিত্যিকসকলৰ পদ-পুথিবোৰত অসমীয়া লিপিৰ চানেকি সুন্দৰকৈ ৰক্ষিত হৈছে। মধ্যযুগত আহোম ৰাজশাসনৰ কালছোৱাত ভালেমান বুৰঞ্জীও ৰচনা কৰা হৈছে। তদুপৰি সত্ৰসমূহৰ পৃষ্ঠপোষকতাত অনেক পদ-পুথি ৰচিত হোৱাৰ নিদৰ্শন পোৱা যায়। যদিও, প্ৰাচীন যুগৰ অসমীয়া লেখকসকলৰ স্বহস্ত লিপি সম্বলিত পুথি-পাঁজি পোৱা নাযায়, তথাপি বিভিন্ন লিপিকাৰৰ জৰিয়তে সেই পুথিৰ নিৰৱচ্ছিন্ন প্ৰৱাহ পৰৱৰ্তী সময়লৈ চলি আহিছিল। অৱশেষত অসমত ইংৰাজ ৰাজত্বৰ সূচনা হোৱাৰ পাছত আমেৰিকান মিছনেৰীসকলৰ চেষ্টাত অসমীয়া লিপিয়ে ছপা ৰূপলৈ বিৱৰ্তিত হোৱাৰ বিৰল সুযোগ লাভ কৰে।

এইটো অধ্যায়ত আপোনাৰ অধ্যয়নৰ বাবে কেইখনমান নিৰ্বাচিত অসমীয়া অনুশাসনৰ আলোচনা আগবঢ়োৱা হৈছে।

Nāgri	*Brāhmi*	*Umāchal*	*Bargangā*	*Bhāskara*	*Harjara*	*Vanamāla*	*Balavarma*	*Ratnapāla*	*Indrapāla*	*Dharma-pāla*	*13th century inscription*	*Early Ahom Period*
ट	६६६६			ट		ट	ट					
ण	lIII	৯৮	ণ	৯	৯ণ	ণ	ণ্ণ	ণ	ণ	ণ	?	ণ
त	১৯১১১	ত	ত	ত	ত	ত	ন্তন্ত	ত	ত	ত	১১৩৩	
थ	০০০			থ		থ	থ্থ	থ্থ	থ	থ	২	
द	১১১১১১	৮	৫৫	২	২৫	৯	২দ	২	২	২	৫ দ	৫
ध	১১১১১	ঘ	ধ	ধ্ধ	ধ	ধ	ধ	ধ	ধ	ধ	ধ ধ	ধ
न	৲৲৲৲	ন	ন	ন	ন	ন	ন্ন	ন	ন	ন	নন্ন	নন
न्							ৎ					৮১
प	১৬৫৬		৮	৸	৸	৸	৸	৸	৸৭	৸	৸	৯৭
फ	৮৮৮			ফ		ফ				ফ	ফ্ল	
ब	০০০০											
भ	৸৸৸৸৸	ভ	ভ	ভ	ভ	ভ	ভ্ভ	ভ	ভ	ভ		৮ভ
म	৪৪৪৪৪	ম	ম	ম	৸ম	ম্ম	ম	ম	ম	ম	ম্ম	ম ম

চিত্র নং ৫.১ ঃ লিপিৰ বিকাশ

Nāgri	Brāhmi	Umāchal	Bargangā	Bhāskara	Harjara	Vanamāla	Balavarmā	Ratnapāla	Indrapāla	Dharma-pāla	13th century inscription	Early Ahom Period
क	+++++	ক	ক	ক	কক	কক	ক	ক	ক	কক	ক ক	
ख	४६१३२१			ঘ্ঘ		খ	খ খ	খ	খ	ঘ	খ খ	
ग	^^^^^	গ		গ	গগগ	গ	গগ	গ	গ	গ	গগগ	
घ	৬৬৬৬৬			ঘ		ঘ্ম(ঘ)		ঘ	ঘ	ঘ		ঘ
ङ				ঙ ঙ		ঙ	ঙ	ঙ	ঙ		ঙ	ঙ
च	ৰৰৰৰৰ			চ	ৰ	ল	ৰ	ব	ব	ৰৰ	ব	ঠচচ
छ	৿৿৿৿৿			৿			৮			৿	৮	
ज	६६६६६	६	६	ज	ৱ	জ	জ্জ	জ	জ	জ	জ জ	জজ
झ	৸৸৸				ঝ							
ञ	ঽ'ঽঽ			ঞ		ঞ						
ट	८८८८८		ट	৸ ৸	৮ ट	৸ ৫	ট্ট	ম্	ণ্ণ	৪		
ठ	০০০০১					০	০		০			
ड	৮৮৮৮৮					ড	ড		ড		ড ড	ড়

চিত্র নং ৫.২ ঃ লিপিৰ বিকাশ

৫.৩ গছতল স্তম্ভলিপি

অধ্যাপক বিৰিঞ্চি কুমাৰ বৰুৱাই নগাঁৱৰ ডবকাৰ পৰা প্ৰায় দুই মাইলমান পশ্চিম দিশৰ গছতল নামেৰে ঠাইত অৱস্থিত এটা পুৰণি শিৱ মন্দিৰৰ ধ্বংসস্তূপৰ পৰা অষ্টকোণী শৈলস্তম্ভত খোদিত এই লিপিখন উদ্ধাৰ কৰিছিল। ঠাইখনৰ নামেৰে শৈললিপিখনৰ নাম গছতল স্তম্ভলিপি ৰখা হৈছে। ৭১×৬ চেঃ মিঃ আকাৰৰ এই শৈললিপিখনত মুঠ ২৪টা শাৰী আছে। ১৯৪০ চনত এই শৈললিপিখন অসম ৰাজ্যিক সংগ্ৰহালয়লৈ অনা হয়। পুৰালিপিতত্ত্ববিদ দীনেশচন্দ্রই ৰাজমোহন নাথৰ পৰা পোৱা ইয়াৰ আলোক চিত্র চাই প্ৰথম তিনি শাৰীৰ পাঠ পঢ়ি সদৰী কৰে যে স্তম্ভলিপিখনৰ আখৰবোৰ অলপো স্পষ্ট নহয়। ইয়াৰ ভাষা সংস্কৃত হ'লেও, ইয়াত অনেক বৰ্ণ-প্ৰমাদ লক্ষ্য কৰা যায় আৰু ইয়াত বিশ্বসুন্দৰদেৱৰ নাম উল্লেখ আছে। ইয়াৰ পাছত লিপিতত্ত্ববিদ পণ্ডিত ৰাজমোহন নাথ ডাঙৰীয়াই সমস্ত স্তম্ভলেখখনিৰ পাঠ উদ্ধাৰ কৰিবলৈ সমৰ্থ হোৱা বুলি দাবী কৰে। তেওঁ আৰু জনায় যে বিশ্বসুন্দৰদেৱ আছিল কাছাৰ, জয়ন্তীয়া আৰু লংকা অঞ্চলৰ এগৰাকী শক্তিশালী ৰজা। তেওঁ ম্লেছসকলক পৰাস্ত কৰি ডবকাত ১১৪৯ শকৰ ৮ ব'হাগত এক যজ্ঞ পাতে আৰু এই স্তম্ভলিপিখন লিখোৱায়। অৱশেষত অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ তেতিয়াৰ সঞ্চালক সদ্যপ্রয়াত প্রতাপচন্দ্র চৌধুৰী ডাঙৰীয়াই ভট্টশালী, ৰাজমোহন নাথ আদি পণ্ডিতে আগবঢ়োৱা স্তম্ভলেখখনৰ পাঠ সম্পৰ্কীয় পূৰ্বানুমান সম্পূৰ্ণ অশুদ্ধ বুলি প্রমাণ কৰে আৰু নতুনকৈ ইয়াৰ পাঠ পূৰ্ণাংগ ৰূপত উদ্ধাৰ কৰে। চৌধুৰীয়ে উদ্ধাৰ কৰা পাঠৰ


পৰা জনা গ'ল যে, স্তম্ভলেখখনৰ ভাষা সংস্কৃত নহয়, বৰং পুৰণি অসমীয়া গদ্যহে। ইয়াত কোনো বিশ্বসুন্দৰদেৱৰ উল্লেখ হোৱা নাই; বৰং মুছলমানৰ অসম আক্ৰমণৰ ঘটনা এটি বৰ্ণিত হৈছে। সেই আক্ৰমণৰ সময়ত কামৰূপৰ ৰজা কোন আছিল অথবা কোনগৰাকী মুছলমান সেনাধ্যক্ষৰ নেতৃত্বত এই আক্ৰমণ সংঘটিত হৈছিল তাৰ কোনো উল্লেখ ইয়াত পোৱা নাযায়। চৌধুৰীয়ে পাল বংশৰ সৈতে সম্পৰ্কিত কোনো ভূঞা অথবা কোনোবা বৰাহী ৰজাৰ শাসনকালত এই স্তম্ভলিপিখন লিখোৱা হৈছিল বুলি অনুমান কৰিছে।

এইখিনিতে এটা কথা উল্লেখ কৰা সমীচীন হ'ব যে স্তম্ভলিপিখনত ব্ৰজাৱলী ভাষাৰ 'দেখহু' আদি ৰূপ পোৱা গৈছে। ইয়াৰ শৈলকাৰগৰাকীৰ নাম হৈছে শ্ৰীবিষ্ণু বাসধৰ। উপেন্দ্ৰনাথ গোস্বামীয়ে লিপিৰ ভাষালৈ লক্ষ্য কৰি সেই সময়ত অসমত ব্ৰজাৱলী সদৃশ ভাষা এটাৰ প্ৰচলন আছিল বুলি সম্ভাৱনা দেখুৱাইছে। যদি সেয়ে হয়, তেন্তে শংকৰদেৱ, মাধৱদেৱ আদি বৈষ্ণৱ গুৰুসকলৰ গণ মাধ্যম স্বৰূপ নাট আৰু বৰগীতত ব্যৱহৃত ব্ৰজাৱলী ভাষা বাহিৰৰ পৰা অহা নহয়; বৰং তাৰ ঘাই শিপা অসমতে আছিল বুলি মানি ল'ব লাগিব। মন কৰিবলগীয়া যে স্তম্ভলিপিখনত কোনো ৰজাৰ নামোল্লেখ পাবলৈ নাই। মাত্ৰ অসম আক্ৰমণ কৰিবলৈ অহা বিশাল ম্লেছ বাহিনী এটাক অসমীয়া সৈন্যই পৰাস্ত কৰাৰ কথা ইয়াত আছে। ৰণ জয়ৰ আনন্দত সাধাৰণ শৈলকাৰ এজনে এই স্তম্ভলিপিখন খোদিত কৰিছিল বুলি ভাবিবৰ অৱকাশ নিশ্চয় আছে। স্তম্ভলিপিখনত খোদিত কথাখিনি এনে ধৰণৰ—

শিমা (সীমা) এৰিয়া যৱান (যৱন) ডৰাকত গয়ত। (শক)১২৮৪ ৰেদাস্ত ৰাসী (ৰাশি) গণন। ইতি শ্ৰীৱিষ্ণুৱাসধৰ শৈলকাৰ। শকত ম্লেচ্ছ ইথান উযাসাঁ। দেখহু শতাত্ৰিশ বঙ্গৈৰ বঙাল বহুকাৰ্য (ত) ইহাত ফন্দ। বহাখ জল। তোসভ সঞ্জাত যাস। দিজল শ্ৰী। পঞ্চ কাথ্য (পঞ্চকাৰ্য) বাদ্য ৰোল জল-সেনাই বৈৰীক ভাথি জলান্তশেক খদাবি (খেদাবি)।

ইয়াৰ অৰ্থ এনেদৰে নিৰূপণ কৰা হৈছে ঃ

সীমা এৰি যবনবোৰ ডবকালৈ গৈছে। (শক) ১২৮৪ বেদাষ্ট ৰাশি (সংখ্যা) গণনা। শৈলকাৰ শ্ৰীবিষ্ণুবাসধৰ। এটা বিশাল ম্লেছ (বাহিনী) এই ঠাইৰ পৰা উজাইছে। চোৱা তিনি হাজাৰ বঙাল শত্ৰু ইয়াত বহু কাৰ্যৰ (কৌশলৰ) যোগে ফান্দত পৰিছে। তোমালোক আটায়ে জানি থোৱা। ব'হাগৰ জলেৰে নদী উপচি আছে। পঞ্চকাষ্ঠ বাদ্যযন্ত্ৰই ৰোল কৰক। জলসেনাই শত্ৰুক ভাটীৰ জলান্ত পৰ্যন্ত খেদাই দিয়ক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ গছতল স্তম্ভলিপি কোনে, ক'ৰপৰা উদ্ধাৰ কৰিছিল ? ইয়াৰ শৈলকাৰ কোন আৰু ইয়াত কি ঘটনাৰ উল্লেখ আছে? স্তম্ভলিপিখনৰ ভাষাৰ বিষয়ে এটি টোকা লিখক।

(১৫০টা শব্দৰ ভিতৰত)

.....

৫.৪ নীলাচল কামাখ্যা মন্দিৰৰ শিলৰ ফলি

গুৱাহাটী চহৰৰ পশ্চিম দিশত নীলাচল পাহাৰত অৱস্থিত কামাখ্যা মন্দিৰৰ মূল তোৰণৰ ওচৰত চলন্ত মূর্তি-গৃহৰ বেৰত দুখন একে সময়ৰ (তাৰিখৰ) শিলালিপি দেখা যায়। ইয়াৰে দ্বিতীয় ফলিখন প্রথমখনতকৈ সামান্য সৰু আৰু অইন এচটা শিলত ইয়াক খোদিত কৰা হৈছে। কোচ ৰজা নৰনাৰায়ণে ১৪৪৭ শকত তেওঁৰ ভায়েক চিলাৰায় ওৰফে শুক্লধ্বজক উদ্দেশ্যি এই লিপিখন লিখাইছিল।

কামাখ্যা মন্দিৰ ধ্বংস হোৱাৰ পাছত কোচবেহাৰৰ ৰজা মহাৰাজ নৰনাৰায়ণে ভায়েক শুক্লধ্বজৰ হতুৱাই কামাখ্যা মন্দিৰ পুনৰ নির্মাণ কৰোৱায়। পূর্বতে কর্মচাৰী মহৎৰাম বৈশ্য আৰু পাছলৈ মেঘামকদুম নামৰ সেনাপতি এজনক মন্দিৰ সজা কামত নিয়োগ কৰা হৈছিল। নির্মাণ কার্য সম্পূর্ণ হোৱাৰ পাছত নৰনাৰায়ণে মহাৰাণী ভানুমতী, শুক্লধ্বজ আৰু পত্নী চন্দ্রপ্রভাৰে সৈতে কামাখ্যা দেৱীৰ প্রথম মহাপূজাত অংশ লয়হি। চলন্ত মূর্তি-গৃহৰ গাত মহাৰাজ নৰনাৰায়ণ আৰু চিলাৰায়ৰ শিলামূর্তি খোদিত কৰা আছে। খাঁ চৌধুৰী আমানতউল্লা আহমদৰ *কোচবেহাৰেৰ ইতিহাস* গ্রন্থৰ প্রথম খণ্ডৰ, ১১৬-২৭ পৃষ্ঠাত ফলি দুখনৰ পাঠ সন্নিৱিষ্ট হৈছে। এই ফলিৰ ছাৰ এডৱার্ড গেইটে কৰা ইংৰাজী ভাঙনি তেওঁৰ *A History of Assam* গ্রন্থত পোৱা যায়। ফলি দুখনৰ পাঠ এনে ধৰণৰ—


১নং ফলি ঃ

ওঁ লোকানুগ্রহ-কাৰকঃ কৰুণয়া পার্থো ধনর্ব্বিদ্যয়া
ধানেনাপি দধীচি-কর্ণ-সদৃশো মর্য্যাদয়াম্ভোনিধিঃ।
নানা-শাস্ত্র-ৱিচাৰ-চাৰু-চৰিতঃ কন্দর্প-ৰূপোজ্জ্বঃ
কামাখয়া-চৰণার্চ্চকো ৱিজয়তে শ্রীমল্লদেৱো নৃপঃ।।


প্রাসাদমদ্রি-দুহিতুশ্চৰণাৰৱিন্দ-
ভক্ত্যাকৰোত্তদনুজো ৰৰ-নীল-শৈলে।
শ্রীশুক্লদেৰ ইমমুল্লসিতোপলেন
শাকে তুৰঙ্গ-গজ-ৱেদ-শশাঙ্ক-সংখ্যে।।

২ নং ফলি ঃ

তস্যৈৰ প্রিয়-সোদৰঃ পৃথুযশা ৱীৰেন্দ্র-মৌলি-স্থলী-
মাণিক্যং ভজমান-কল্প-ৱিটপী নীলাচলে মঞ্জুলম্।
প্রাসাদং মুনি-নাগ-ৱেদ-শশভৃৎশাকে শিলা-ৰাজিভি-
দ্দেৱী-ভক্তিমতাং ৱৰো ৰচিতৱান শ্রীশুক্ল-পূর্ব্ব-ধ্বজঃ।।



চিত্র নং ৫.৩ ঃ নীলাচল কামাখ্যা মন্দিৰৰ শিলৰ ফলি



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ নীলাচল কামাখ্যা মন্দিৰৰ শিলৰ ফলিৰ বিষয়ে এটি টোকা প্রস্তুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

৫.৫ বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ ৰণ-জয়ৰ শিলৰ ফলি

বাঁহগড়ীয়া বুঢ়াগোহাঁইৰ ৰণ-জয় শিলৰ ফলি দুখন পোৱা গৈছে। উত্তৰ গুৱাহাটীৰ ফুলুং তথা দীৰ্ঘেশ্বৰী মন্দিৰৰ ওচৰৰ পৰা ৰজাদুৱাৰৰ ওচৰলৈ নির্মিত বৰগড় নামেৰে খ্যাত গড়টোৰ মূৰৰ ফালে দক্ষিণ দিশত এই ফলি দুখন অৱস্থিত। দুয়োখন ফলি মণিকর্ণেশ্বৰ দেৱালয়ৰ উত্তৰফালে কানাই বৰশী পোৱা শিলৰ তুৰস্ক ধ্বংসৰ ফলিখনৰ ওপৰৰ ওখ ভাগত থকা প্রকাণ্ড শিলটোত উৎকীর্ণ কৰা আছে। প্রথম ফলিখন উল্লিখিত শিলটোৰ দক্ষিণ মূৰত আৰু দ্বিতীয়খন শিলটোৰ পশ্চিমফালে সাত হাতমান ওপৰত লিখা আছে। শিলটোৰ ওপৰ ভাগত অতি সুন্দৰকৈ এটা গণেশৰ মূর্তি কটা আছে আৰু তলৰ ফলিখনৰ চাৰিওফালে ধুনীয়াকৈ এডাল লতা কটা আছে। ফলি দুখনৰ দক্ষিণ দিশত সম্প্রতি আনন্দৰাম বৰুৱা ভাষা-সাহিত্য-সংস্কৃতি সংস্থাৰ কার্যালয়টো স্থাপন কৰা হৈছে। এই শিলৰ ফলিৰ বিষয়ে ছাৰ এডৱার্ড গেইটে এনেদৰে লিখি থৈ গৈছে— 'An inscription in Assamese on the Kanai Barasi rock near the Manikarneswar temple in Kamrup records the erection of an Ahom fort there in Saka 1589 (1667) after the defeat and death of Sana and Said Firoz.' উল্লেখনীয় যে প্রথম ফলিখনত চৈয়দ চানাৰ নামোল্লেখ পাবলৈ নাই। কিন্তু, দ্বিতীয়খন ফলিত চৈয়দ পীৰোজৰ (ফিৰোজ) সৈতে চৈয়দ চানাৰ নামো পোৱা গৈছে। গেইট চাহাবে আচলতে দ্বিতীয়খন ফলিৰ কথাহে লিখিছিল যেন লাগে। লিপি বিশেষজ্ঞসকলৰ মতে, ফলিত থকা 'ঔবৰ...' শব্দটো প্রকৃততে 'ও বৰ...' হে হ'ব লাগিছিল।

গেইটৰ বুৰঞ্জীখনৰ ১৫৩-১৫৪ পৃষ্ঠাত ১৫৮৯ শকৰ আহোম-মোগলৰ যুদ্ধৰ বর্ণনা সুন্দৰকৈ দিয়া আছে। তেতিয়াৰ গুৱাহাটীৰ মোগলৰ থানাদাৰ চৈয়দ ফিৰোজ খাঁই জয়ধ্বজ সিংহ স্বর্গদেৱৰ দিনত মোগলৰ সৈতে হোৱা সন্ধিৰ চর্ত অনুসৰি পেচকচ বা কৰ বিচাৰি আহোম ৰজালৈ এখন চিঠি প্রেৰণ কৰে। সেই চিঠি পোৱাৰ পাচত তৎকালীন স্বর্গদেৱ চক্রধ্বজ সিংহই অপমানবোধ কৰি কৰ দিয়াৰ পৰিবর্তে মোগলৰ সৈতে ৰণ কৰিবলৈ মন বান্ধে আৰু মোমাই তামুলী বৰবৰুৱাৰ পুত্র লাচিত বৰবৰুৱাক গুৱাহাটীৰ বৰফুকন পাতি আহোম সৈন্যৰ সেনাপতিৰ গধুৰ দায়িত্ব দি যুঁজলৈ পঠিয়ায়। কাজলী আৰু বাঁহবাৰীত আহোমৰ জয় হয়, বৰনদীৰ এটা গড় মোগলে অধিকাৰ কৰিলেও, শেষত অভয়পুৰীয়া ৰাজখোৱা নামৰ জনৈক আহোম সৈন্যৰ বুদ্ধি মতে মোগলৰ কামানত ব্রহ্মপুত্রৰ পানী ভৰাই অচল কৰি গুৱাহাটী আৰু পাণ্ডু কোঠ আহোমসকলে নিজৰ হাতলৈ আনে। মোগল সৈন্য বাহিনীয়ে (আঘোণ ১৫৮৯) পুনৰ যুদ্ধ

আৰম্ভ কৰাত সিহঁতক মানাহ নৈ পর্যন্ত খেদি পঠিওৱা হয়। এই ৰণ-জয়ৰ পাছত স্বর্গদেৱে ‘গুৱাহাটীত আমাৰ লোক যিমতে ৰহিব পাৰে, তাৰে ছল চাই গড়খন বান্ধাহঁক যাই’ বুলি আদেশ দিয়াত গুৱাহাটী আৰু উত্তৰ গুৱাহাটী উভয়কে সামৰি শকতকৈ গড় বন্ধা হয়। এই গড়ৰ নির্মাণ কার্য সমাপ্ত হোৱাৰ পৰত এই ফলি দুখন লিখোৱা হয়। ফলি দুখনৰ পাঠ এনে ধৰণৰ—


১ নং ফলি ঃ

শ্রীশ্রীস্বর্গনাৰায়ণদেউ মহাৰাজাৰ মন্ত্রী বাঁহগড়ীয়া বুঢ়াগোহাঞি নেওগ বড়ফুকন।।

বাহগুতি গোহাঞি ফুকন।। বুঢ়াগোহাঞি ফুকন।। দিহিঙ্গীয়া ৰাজখোৱা।। নুমলি ডেকা বৰুৱায় চৈদ পিৰোজক মাৰি গঢ় নির্ম্মিলে।। আঘণ মাহ।। শক ১৫৮৯।।

২ ং ফলি ঃ

শ্রীশ্রীস্বর্গনাৰায়ণদেৱ মহাৰাজাৰ মন্ত্রী বাঁহগড়ীয়া বুঢ়াগোহাঞী ঔবৰ ফুকন বৃহৎ গোহাই ফুকন বৃহৎ ফুকন দিহিঙ্গীয়া সন্ধিকৈ ফুকন সমন্বিতে চৈয়দ চানা চৈয়দ পীৰোজক মাৰি গঢ় নির্ম্মিতং আঘণ মাস শক ১৫৮৯।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ বাঁহগড়ীয়া বুঢ়াগোহাঞিৰ ৰণ-জয় শিলৰ ফলি কোন ঠাইত পোৱা গৈছে? তেওঁৰ দিনত হোৱা যুদ্ধত মোগল বাহিনীৰ সৈনাধ্যক্ষ কোন কোন আছিল?

(১৫০টা শব্দৰ ভিতৰত)

.....

৫.৬ চামধৰা গড়ৰ ৰণ-জয়ৰ শিলৰ ফলি

তেজপুৰ চহৰৰ পৰা প্রায় পাঁচ মাইল পূবত ব্রহ্মপুত্রৰ পাৰত, ভৰলী আৰু ব্রহ্মপুত্রৰ সংগমস্থলৰ চামধৰা আৰু ভোমোৰাগুৰি পাহাৰত আহোম স্বর্গদেৱ প্রতাপসিংহ ওৰফে স্বর্গনাৰায়ণদেৱৰ মুঠ তিনিখন ৰণ-জয় শিলৰ ফলি আছে। ইয়াৰে দুখন চামধৰা গড়ৰ ৰণ-জয়ৰ শিলালিপি আৰু আনখন ভণ্ডাৰী গোসাঁইৰ গড় নির্মাণৰ শিলৰ ফলি। তৃতীয়খন ফলি ভোমোৰাগুৰিৰ ওচৰত এটি প্রকাণ্ড শিলত খোদিত কৰা হৈছিল। কলীয়াভোমোৰা সেতু নির্মাণৰ সময়ত এই ফলিখন এই স্থানৰ পৰা আন ঠাইলৈ স্থানান্তৰিত কৰা হয়। চামধৰা গড়ৰ ফলি দুখনৰ এখন এটা শৈলস্তম্ভৰ বহল ফালটিত আৰু আনখন ঠেক ফালটিত খোদিত হৈছে। পোন প্রথমে পণ্ডিত হেমচন্দ্র গোস্বামীয়ে ফলি দুখনৰ পাঠ উদ্ধাৰ কৰি *আলোচনী* নামৰ কাকতখনত প্রকাশ কৰে। তৃতীয়খন ফলিৰ পাঠ কেইগৰাকীমান লিপি বিশেষজ্ঞৰ সহযোগত নাৰায়ণ দাসে উদ্ধাৰ কৰি প্রকাশ কৰে। ফলিত প্রতাপসিংহ বুঢ়া ৰজাক ‘সমৰবিজয়িনঃ’ বুলি উল্লেখ কৰা হৈছে যদিও, তেওঁ কাৰ সৈতে কেতিয়া ৰণত লিপ্ত হৈছিল তাৰ কোনো উল্লেখ নাই। পণ্ডিত হেমচন্দ্র গোস্বামীৰ মতে,

এই ৰণ চৈয়দ আবা বকৰৰ (গেইটৰ মতে Saiad Aba Bakr) অধীনত অহা মোগল সৈন্যৰ সৈতে ভৰলীমুখত আহোমসকলৰ যুদ্ধ সংঘটিত হৈছিল। প্রতাপসিংহ স্বর্গদেৱে ৰণৰ শেষত 'ৰিক্খান' উৎসৱ পাতিছিল। যুদ্ধৰ এবছৰৰ পাছত চামধৰা গড় বন্ধা হৈছিল। কাশীনাথ তামুলী ফুকনৰ বুৰঞ্জীত উল্লেখ থকা মতে, 'লুইতৰ পৰা পর্ব্বতলৈকে দখিণ পাৰে চামধৰা গৰ বন্ধালে।' আনহাতে সুকুমাৰ মহন্তৰ ঘৰত পোৱা *অসম বুৰঞ্জী* মতে 'লুইতৰ পৰা দক্ষিণলৈ ভয়ৰাগুৰিলৈ, উত্তৰে লুইতৰ পৰা চামধৰা পর্ব্বতত লগাই' এই গড় বান্ধিলে। উল্লেখনীয় যে চামধৰা ফলিত উল্লেখ থকা 'গোসাই' শব্দটি পৰৱর্তী কালত 'গোহাঁই' বা 'গোহাঞি' বুলি লেখাৰ নিয়ম প্রচলিত হয়।

ফলি দুখনৰ বিশেষ তাৎপর্য হ'ল— এখন ফলিত আধা অংশ আৰু আনখন সম্পূর্ণ অসমীয়া ভাষাত লিখা। ইয়াৰ পূর্বে শিল, তাম আদিত শুদ্ধ অসমীয়া অক্ষৰেৰে লিখিত কোনো ফলি আজিকোপতি উদ্ধাৰ হোৱা নাই। ফলি দুখনৰ পাঠ এনেধৰণৰ—

১ নং ফলি ঃ

-৭ স্বস্তি সমুত্তুঙ্গ-সকল-কলা-কলিত-কলেৱৰ-নানা-গুণ-গ্রাম-ৰিশ্রাম-ধাম-প্রচণ্ড-প্রতাপানল-তাপিত-ভূপ-চূড়ামণি-শেখৰ-শ্রীশ্রীস্বর্গনাৰায়ণদেৱ-ৰিষম-সমৰ-ৰিজয়িনঃ।

শ্রীভণ্ডাৰী গোসাই। লাঙ্গির্পো গোসাই। বড়ফুকন নায়সলিয়াৰাই। চামধৰা সিমা কৰি হাৰুণিদাৰুণিলৈ গঢ়। শক। ১৫৩৮।।

২ নং ফলি ঃ

শ্রীশ্রীস্বর্গনাৰায়ণ জয় জয়। শ্রীফুলুঙ গোসাই। শ্রীকুলুতা গোসাই।

শ্রীজদু বৰুৱা জয় হল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ চামধৰা গড়ৰ ৰণ-জয় শিলৰ ফলিখন কোনজনা ৰজাৰ দিনত খোদিত হৈছিল? ইয়াত কেনে ধৰণৰ আখৰ পোৱা গৈছে? (১৫০টা শব্দৰ ভিতৰত)

.....



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

লিপি বিষয়ক পাঠ্যক্রমৰ এই অধ্যায়টো অধ্যয়ন কৰি আমি তলত দিয়া কথাখিনি জানিব পাৰিলো—

- অসমীয়া লিপিৰ ধাৰাবাহিক ইতিহাস খ্রীষ্টিয় পঞ্চম শতিকাৰ পৰা পোৱা গৈছে।

- সৱহভাগ ক্ষেত্রতে শৈললেখ বা তাম্রলেখবোৰ ৰজাঘৰীয়া পৃষ্ঠপোষকতাত খোদিত হৈছিল।
- দ'ল, দেৱালয় আদি পৰিচালনাত নিয়োজিত ব্যক্তিৰ বাবেও ৰজাঘৰে শিলালেখ বা তাম্রলেখৰ জৰিয়তে ভূমি দান আদি কার্য সম্পাদন কৰিছিল।
- কেইবাখনো শিলালিপিত প্রাচীন অসমৰ সেনাবাহিনীয়ে বিদেশী শক্তিক পৰাভূত কৰি স্বদেশৰ স্বাধীনতা অক্ষুণ্ণ ৰখাৰ কথা বর্ণিত হৈছে।
- অসমীয়া আখৰমালাই পঞ্চম শতিকাৰ পৰা ছপা আখৰৰ আৱিষ্কাৰলৈকে বিভিন্ন অভিলেখৰ মাধ্যমেৰে বিকাশ লাভ কৰিবলৈ সমর্থ হৈছে।



৫.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কটকী, সর্বেশ্বৰ (২০০৩); *অসমীয়া প্রাচীন লিপি;* ডিব্রুগড় ঃ বনলতা।

২) গোস্বামী, উপেন্দ্রনাথ (২০০৮); *অসমীয়া লিপি;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৩) গোস্বামী, যতীন (১৯৯৯); *অসমীয়া লিপিৰ ইতিহাস;* গুৱাহাটী ঃ জয়া প্রকাশন।

৪) চলিহা, সদানন্দ (১৯৯১); *গুৱাহাটী বুৰঞ্জীৰ খলা-বমাত;* গুৱাহাটী ঃ ষ্টুডেণ্ট ষ্ট'ৰচ্।

৫) দাস, নাৰায়ণ (২০০৩); *বিশ্বলিপিৰ ভূমিকা;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৬) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৭) নেওগ, মহেশ্বৰ (২০০৪); *পৰিত্র অসম;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৮) মহন্ত, সুবাসনা (২০০৩); *উদ্ভৱকালীন অসমীয়া ভাষা;* ডিব্রুগড় ঃ বনলতা।

৯) শইকীয়া, নগেন (সংকলিত) (১৯৭৫); *অসমৰ লিপি সমস্যা;* যোৱহাট ঃ অসম সাহিত্য সভা।

১০) শর্মা ডিম্বেশ্বৰ (২০০২); *প্রাগজ্যোতিষৰ ইতিহাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

১১) শর্মা, সত্যেন্দ্রনাথ (২০০৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ প্রতিভাদেৱী প্রকাশক।

ইংৰাজী গ্রন্থ ঃ

১২) Borah, Mahendra (1981); *The Evolution of Assamese Script;* Jorhat, Asom Sahitya Sabha

১৩) Sarma, Dimbeswar (1981); *Kamrupsasanavali;* Publication Board, Gauhati, Assam.

৫.৯ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ গছতল স্তম্ভলিপি... উদ্ধাৰ কৰিছিল। ইয়াৰ শৈলকাৰ... আৰু ইয়াত... ঘটনাৰ উল্লেখ আছে। ইয়াৰ ভাষা...।

২নং প্রশ্নৰ উত্তৰ ঃ নীলাচল কামাখ্যা মন্দিৰৰ শিলৰ ফলি কোচৰজা...

৩ নং প্রশ্নৰ উত্তৰ ঃ চামধৰা গড়ৰ ৰণ জয় শিলৰ ফণিখন.... খোদিত হৈছিল। ইয়াত....প্রথমবাৰৰ বাবে .... আখৰ পোৱা গৈছে।

৪নং প্রশ্নৰ উত্তৰ ঃ বাঁহগড়ীয়া বুঢ়াগোহাঞিৰ ৰণ-জয় শিলৰ ফলি.....আছে। এই ৰণত.....সেনাধ্যক্ষ.....আছিল.....।

৫.১০ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ গছতলি স্তম্ভলিপিৰ বিশেষত্ব কি ? ইয়াত কি ভাষা ব্যৱহাৰ কৰা হৈছে?

প্রশ্ন ২ ঃ আপোনাৰ পাঠ্যক্রমৰ অন্তর্ভুক্ত ৰণ-জয় শিলালিপিকেইখনৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ দেৰগাঁৱৰ শিৱদ'লৰ তাম্রলিপি কোনে, কি উদ্দেশ্যে খোদিত কৰাইছিল, বুজাই লিখক।

প্রশ্ন ৪ ঃ খ্রীষ্টিয় পঞ্চম শতিকাৰ পৰা দ্বাদশ শতিকালৈ পুৰণি অসমত পোৱা অভিলেখবোৰৰ আখৰৰ গঢ়-গতি সম্বন্ধে এটি চমু নিবন্ধ যুগুত কৰক।

প্রশ্ন ৫ ঃ খ্রীষ্টিয় ত্রয়োদশ শতিকাৰ পৰা অষ্টাদশ শতিকালৈ অসমীয়া লিপিৰ বিৱর্তন কোনবোৰ অভিলেখৰ মাজত সংৰক্ষিত হৈছে, উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন ৬ ঃ চমুটোকা লিখক

ক) গছতল স্তম্ভলেখ

খ) চামধৰা গড়ৰ ৰণ-জয় শিলালিপি

গ) বাঁহগড়ীয়া বুঢ়াগোহাঞিৰ ৰণ-জয় শিলৰ লিপি।

অধ্যায় ৬ ঃ আধুনিক অসমীয়া ছপা লিপিৰ ক্রমবিকাশ (ধর্ম্মপুস্তকৰ পৰা জোনাকীলৈ) - (১)

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ ঊনবিংশ শতিকাৰ অসমীয়া লিপি আৰু *ধর্ম্মপুস্তক*
৬.৪ আধুনিক অসমীয়া লিপিৰ উন্মেষ আৰু ধর্ম্মপুস্তকৰ অসমীয়া লিপি
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঊনবিংশ শতিকাৰ পৰা বিকশিত হোৱা অসমীয়া লিপিৰ বৈশিষ্ট্য সম্পর্কে আলোচনা কৰিব পাৰিব
- অসমীয়া লিপিৰ ক্রমবিকাশৰ ইতিহাসত ঊনবিংশ শতিকাৰ অসমীয়া চপা লিপিৰ গুৰুত্ব বিচাৰ কৰিব পাৰিব
- অসমীয়া চপা লিপিৰ সৈতে মধ্যযুগীয় লিপিৰ এক তুলনামূলক আলোচনা আগবঢ়াব পাৰিব।

৬.২ উদ্দেশ্য

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষান্মাসিকৰ অন্তর্গত এইখন প্রথম পাঠ্যবিষয়। ইয়াৰ শিৰোনাম ‘লিপি আৰু পাঠ সমীক্ষা’। এইটো পাঠ্যবিষয়ৰ ষষ্ঠ অধ্যায় । ইয়াত আধুনিক অসমীয়া ছপা লিপিৰ ক্রমবিকাশ সম্পর্কে বস্তুনিষ্ঠ আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ মাধ্যমেদি শিক্ষার্থীয়ে আধুনিক অসমীয়া ছপালিপিৰ বিষয়ে বহুতো নজনা কথা জানিব আৰু শিকিব পাৰিব। আহকচোন, আমি মূল আলোচনাভাগলৈ আগবাঢ়ো।

৬.৩ ঊনবিংশ শতিকাৰ অসমীয়া লিপি আৰু *ধর্ম্মপুস্তক*

অসমীয়া লিপিৰ উৎপত্তি কাল হিচাপে খ্ৰীষ্টীয় পঞ্চম শতিকা বুলি ঐতিহাসিক তথ্যৰ দ্বাৰা প্ৰমাণিত হৈছে। এই সময়চোৱাত খোদিত উমাচল লিপিকেই বৰ্তমানলৈকে লাভ কৰা অসমীয়া লিপিৰ প্ৰাচীনতম নিদৰ্শন বুলি ধৰা হৈছে। খ্ৰীষ্টীয় পঞ্চম শতিকাৰ পৰা আৰম্ভ কৰি এক নিৰবচ্ছিন্ন ধাৰাৰে প্ৰৱাহিত অসমীয়া লিপিৰ ক্রমবিকাশৰ ইতিহাসত খ্ৰীষ্টীয় দ্বাদশ-ত্রয়োদশ শতিকাত অসমীয়া লিপিয়ে এক পূৰ্ণ-বিকশিত ৰূপ লাভ কৰে বুলি অসমীয়া লিপিতত্ত্ববিদসকলে বিভিন্ন শিলালেখ, তাম্ৰলেখ, সাঁচীপতীয়া পুথি আদিৰ আধাৰত নিৰ্ণয় কৰি উলিয়াইছে।


প্ৰায় ডেৰ হাজাৰ বছৰীয়া বিকাশৰ পৰম্পৰা অতিক্রম কৰাৰ পাছত আমি ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধত প্ৰথম অসমীয়া চপা পুথি ৰূপে পোৱা *ধৰ্ম্মপুস্তকৰ* আখৰ বা লিপি, সেই সময় তথা তাৰ আগে পিছে গঢ় লৈ উঠা অসমীয়া তথা পূৰ ভাৰতীয় লিপিৰ আধাৰতহে বৰ্তমানে ব্যৱহাৰ হোৱা অসমীয়া লিপিৰ স্বৰূপ নিৰ্ণয় কৰিব পৰা যাব। এই সময়চোৱাৰ অসমীয়া লিপিৰ বিষয়ে মহেশ্বৰ নেওগে সম্পাদনা কৰা *অৰুণোদইৰ* পাতনিত আৰু সূৰ্য্য হাজৰিকাই সম্পাদনা কৰি উলিওৱা *ধৰ্ম্মপুস্তকৰ* পাতনিত উল্লেখ কৰিছে। *ধৰ্ম্মপুস্তকৰ* লিপি তথা অসমীয়া লিপি সম্পৰ্কে বিশেষ বিচাৰ বিশ্লেষণ নকৰাকৈয়ে ইয়াক বঙলা লিপিৰ দ্বাৰা লিখা বুলি কৰা মন্তব্যসমূহবোৰ পুনৰীক্ষণৰ প্ৰয়োজন আছে। কাৰণ এটা নিৰ্দিষ্ট সময়ত গঢ় লৈ উঠা লিপিৰ ক্ষেত্ৰত সেই সময়ৰ ৰাজনৈতিক, ভৌগোলিক আদি বিভিন্ন দিশ বিচাৰ কৰিবলগীয়া হয়। ভৌগোলিক তথা ৰাজনৈতিক সীমাৰেখাৰ সলনি হ'লেও বহু ক্ষেত্ৰত দেখা যায় যে, সাহিত্য, সংস্কৃতি, ভাষা আদিক এই পৰিসীমাৰ ভিতৰত নিৰহ-নিপানীকৈ বান্ধি ৰাখিব নোৱাৰি। অসমীয়া লিপিৰ ক্ষেত্ৰতো এই কথা পুৰা মাত্ৰাই প্ৰযোজ্য হয়।

অসমীয়া লিপিৰ ঐতিহাসিক পৰিক্রমা বিচাৰ কৰিলে দেখা যায় যে, ব্রাহ্মী লিপিৰ পৰা গুপ্ত লিপি আৰু এই গুপ্ত লিপিৰ পৰাই পূৰ ভাৰতীয় ভাষাত কামৰূপী লিপি বা পুৰণি অসমীয়া লিপি ৰূপে খৃষ্টীয় পঞ্চম শতিকামানৰ পৰাই বিকশিত হ'বলৈ আৰম্ভ কৰে। অসমীয়া লিপিৰ ক্রমবিকাশৰ এই দীঘলীয়া পৰিক্রমাত আধুনিক অসমীয়া লিপি ৰূপৰ আৰম্ভণি ঊনবিংশ শতিকাৰ মাজভাগৰ পৰা আৰম্ভ হয়। যুগ বিভাজনৰ ফালৰ পৰা বিচাৰ কৰিলে ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধৰ পৰা আৰম্ভ হোৱা অসমীয়া লিপিৰ এই স্তৰটোকে আধুনিক অসমীয়া স্তৰ বুলি অভিহিত কৰা হয়। এই স্তৰৰ পৰা আৰম্ভ হোৱা অসমীয়া লিপি মূলতঃ চপা ৰূপৰ লিপিকেই বুজোৱা হয়। প্ৰথম অসমীয়া ছাপা লিপিৰ নিদৰ্শন পোৱা যায় ইংৰাজী ১৮১৩ চনত শ্ৰীৰামপুৰ ডাট্চ উপনিবেশত থকা বেপটিষ্ট মিচনেৰীসকলে নগাঁৱৰ কৰিয়াবৰৰ আত্মাৰাম শৰ্মাৰ হতুৱাই কৰা বাইবেলৰ অনুবাদ *'ধৰ্ম্মপুস্তক'*ৰ পাতত।

৬.৪ আধুনিক অসমীয়া লিপিৰ উন্মেষ আৰু ধৰ্ম্মপুস্তকৰ অসমীয়া লিপি

১৭৭৮ খ্ৰীষ্টাব্দটো বাংলা, অসমীয়া আদি ভাষাৰ বাবে এটা অতি উল্লেখযোগ্য বছৰ।


এই আৰম্ভণিয়ে পূব ভাৰতৰ ভাষাত পুথি প্রকাশৰ বাবে বংগৰ জেনেৰেল ৰাৰেন হেষ্টিংছৰ কালত এগৰাকী ইংৰাজ প্রশাসনিক বিষয়া হলহেডে ৰোমান লিপিৰে A Grammar of the Bengal Language নামেৰে এখন বাংলা ব্যাকৰণ লিখি উলিয়ায়। সেই সময়তে ইংলণ্ডত উইলিয়াম ব'ল্টচ (William Bolts) নামৰ এগৰাকী ইংৰাজ লোকে বাংলা আখৰ কাটি উলিয়াবলৈ প্রচেষ্টা হাতত লৈছিল যদিও সেই কার্যত তেওঁ বিফল হোৱা বুলি জনা যায়। এনে অৱস্থাত হেষ্টিংচে চার্লচ উইলকিঞ্চক বাংলা আখৰ কাটি দিবলৈ অনুৰোধ কৰে। হেষ্টিংচৰ অনুৰোধত উইলকিঞ্চে বঙলা আখাৰ কাটি উলিয়ায়। এনে সময়তে, ১৮০১ খ্রীষ্টাব্দত উইলিয়াম কেৰীৰ নেতৃত্বত শ্রীৰামপুৰ মিছনৰ যুগান্তকাৰী পদক্ষেপ হিচাপে শ্রীৰামপুৰ মিছন প্রেছ আৰম্ভ হয়। সেই সময়ত ড° মনিয়াৰ উইলিয়াম আছিল মুদ্রনাক্ষৰ বা টাইপ কৰিব পৰা আখৰ নির্মাণ কার্যৰ বিশেষজ্ঞ। কিন্তু সেই সময়ত ভাৰতীয় ভাষাত ব্যৱহাৰ হোৱা আখৰ কাটিবলৈ ভাৰতীয় লোকৰ প্রয়োজন হৈছিল আৰু ১৭৭৮ খ্রীষ্টাব্দত বংগদেশৰ চিনচুৰাৰ চপাশালত প্রথমবাৰৰ বাবে বাংলাত টাইপ কৰিব পৰা আখৰ খোদাই কৰিবলৈ স্থানীয় কাৰিকৰৰ অনুসন্ধান কৰা হৈছিল। এই ক্ষেত্রত পঞ্চানন কর্মকাৰ নামৰ এগৰাকী সোণাৰীয়ে টাইপ হৰফ তৈয়াৰ কৰিবলৈ আগবাঢ়ি আহিছিল। ১৮০৩ চনত কেৰীৰ তত্ত্বাৱধানত দেৱনাগৰী হৰফৰ আখৰ আৰু নতুনকৈ বাংলা হৰফো প্রস্তুত কৰি উলিয়ায়। বাংলা নিউ টেষ্টামেনৰ আখৰবোৰতকৈ পঞ্চানন কর্মকাৰে প্রস্তুত কৰি উলিওৱা আখৰৰ গঢ় একে নাছিল। এই আখৰবোৰ তুলনামূলকভাৱে সৰু আৰু ভালেখিনি পোন আছিল। সেই সময়ত এই পঞ্চানন কর্মকাৰেই কেইবাটাও ভাৰতীয় ভাষাৰ পুথি চপাবৰ বাবে আখৰ তৈয়াৰ কৰাৰ দায়িত্ব গ্রহণ কৰে। সেই একে সময়তে শ্রীৰামপুৰৰ মিছনেৰীসকলেও পুথি প্রকাশৰ বাবে টাইপ-আখৰ কটা কার্যৰ প্রস্তুতি চলাইছিল। ১৭৯৯ চনত উইলিয়াম কেৰীয়ে কলিকতালৈ আহি পঞ্চানন কর্মকাৰৰ পৰা বাংলা টাইপ-আখৰ সংগ্রহ কৰিছিল। পঞ্চানন কর্মকাৰে কটা টাইপ-আখৰৰ নমুনা দাঙি ধৰা হ'ল আৰু তাৰ লগতে মধ্যযুগীয় অসমীয়া লিপিৰ নিদর্শন ৰূপে বামুণীয়া আৰু গড়গঞা লিপিৰ নমুনাও তুলি দিয়া হ'ল।




শ্রীৰামপুৰত নির্মিত হৰফৰ নমুনা

ওপৰৰ চিত্রখন সূর্য্য হাজৰিকাৰ দ্বাৰা সম্পাদিত *ধর্ম্মপুস্তকৰ* পাতনিৰ পৰা তুলি দিয়া হৈছে।


(ক) কায়থেলী (শ্রীচন্দ্রভাৰতীৰ *'শেষ দশম'*ৰ পৰা লোৱা) ঃ



(খ) বামুর্ণামা (সংস্কৃত-গীতাৰ পৰা লোৱা) ঃ



(গ) পঞ্চমৰ (বুৰঞ্জীৰ পৰা লোৱা) ঃ



ওপৰৰ চিত্র তিনিখন উপেন্দ্রনাথ গোস্বামীৰ *'অসমীয়া লিপি'*ৰ পৰা তুলি দিয়া হৈছে।

ওপৰত নমুনাৰূপে দাঙি ধৰা লিপিসমূহৰ পৰা এটা কথা স্পষ্ট হয় যে অসমীয়া *ধর্ম্মপুস্তকৰ* লিপিৰ সৈতে মধ্যযুগীয় অসমীয়া লিপিৰ সাদৃশ্যহে অধিক।

পঞ্চানন কর্মকাৰৰ ১৮০৪ চনত মৃত্যু হয় আৰু ইয়াৰ পৰৱর্তীকালত এই কামৰ ভাৰ গ্রহণ কৰে তেওঁৰ দ্বাৰা প্রশিক্ষিত তেওঁৰেই জোৱায়েক মনোহৰ কর্মকাৰে। অসমীয়া *ধর্ম্মপুস্তকত* ব্যৱহাৰ হোৱা আখৰবোৰ মনোহৰেই প্রস্তুত কৰি উলিয়াইছিল বুলি জনা যায়। ১৮০৭ খ্রীষ্টাব্দৰ তথ্যৰ ভিত্তিত এই কথা কোৱা হয় যে, মনোহৰ কর্মকাৰ আৰু তেওঁৰ সহযোগীসকলে অসমীয়াকে আদি কৰি তিনি ধৰণৰ বাংলা টাইপ আখৰ প্রস্তুত কৰি উলিয়াইছিল। এই তিনি ধৰণ বুলিলে নিশ্চয় আমি অসমীয়া, বাংলা আৰু ওড়িয়া আখৰৰ কথাই ক'ব লাগিব। ইয়াত যদি অসমীয়া আৰু বাংলা আখৰ বেলেগে কটা হৈছিল, তেন্তে অসমীয়া আখৰৰ গঢ় বাংলা আখৰতকৈ কিছু পৰিমাণে হ'লেও পৃথক আছিল বুলি ভাবিবৰ থ'ল আছে।

অসমীয়া, বাংলা আৰু ওড়িয়া লিপিৰ সম্পর্ক অতি প্রাচীন। ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিকভাৱে প্রাচীন কামৰূপে বংগদেশ, ওড়িষা, পূর্ববংগ আদিৰ ভালেখিনি অংশ সামৰি লৈছিল। গতিকে ঊনবিংশ শতিকাৰ অসমীয়া *ধর্ম্মপুস্তকৰ* সৈতে বাংলা লিপিৰ মিল থকাটো অস্বাভাৱিক নহয়। অসমীয়া ধর্ম্মপুস্তক প্রকাশ হ'বৰ পৰত শ্রীৰামপুৰৰ ব্যপ্টিষ্ট মিছন

প্রেছত মুদ্রণ পদ্ধতি তথা কলা-কৌশলৰ ওপৰত বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলিছিল। অসমীয়া আখৰৰ গঢ় সেই সময়ৰ বাংলা আখৰৰ গঢ়ৰ সৈতে ভালেখিনি মিল থকাৰ বাবে কেইটামান আখৰৰ বাহিৰে বাকী আখৰবোৰ বাংলা আখৰৰ দ্বাৰা চলাব পৰা যাব বুলি কেৰী চাহাবে হয়তো ভাবিছিল আৰু সেই অনুসৰি তেওঁ *ধর্ম্মপুস্তকৰ* আখৰবোৰ প্রয়োগ কৰিছিল। কিন্তু মন কৰিবলগীয়া কথা হ'ল *ধর্ম্মপুস্তকত* ব্যৱহাৰ কৰা আখৰবোৰৰ প্রায়ভাগেই মধ্যযুগীয় অসমীয়া লিপিৰ আর্হি স্বৰূপে পোৱা বামুণীয়া, কাইথেলী আৰু গড়গঞা লিপিৰ সৈতে বিশেষ সাদৃশ্য দেখা যায়। আত্মৰাম শর্মাই অনুবাদ কৰোঁতে তেওঁৰ হাতেলিখা আখৰৰ গঢ়ৰ নমুনা পোৱা হ'ল হয়তো সেই সময়ৰ অসমীয়া লিপিৰ প্রচলিত ৰূপটোৰ বিষয়ে কিছু কথা জানিব পৰা গ'লহেঁতেন। ইয়াৰ উপৰিও উল্লেখযোগ্য কথাটো হ'ল *ধর্ম্মপুস্তকৰ* আখৰৰ গঢ়ৰ লৈতে আহোম ৰজাৰ ছত্রছায়াত গঢ় লৈ উঠা গড়গঞা লিপিৰ লগতে মধ্যযুগীয়া অসমীয়া লিপিৰ আন দুটা শৈলী— কাইথেলী আৰু বামুণীয়া লিপিৰ আঘৰৰ গঢ়ৰ সৈতেও *ধর্ম্মপুস্তকৰ* আখৰৰ মিল দেখা যায়। সেইদৰে, পুৰণি অসমীয়া লিপিৰ তিনিটা জনাজাত শৈলীৰ ভিতৰত বামুণীয়া লিপিৰ সৈতে পুৰণি বাংলা লিপিৰো সাদৃশ্য দেখা যায়।


অসমীয়া আৰু বঙলা লিপিৰ আখৰৰ আর্হিৰ ভিতৰত আমি যি 'ৰ' আৰু 'ৱ' আখৰ দুটাৰ পার্থক্য দেখা পাওঁ, সেই পার্থক্য, বিশেষকৈ 'ৰ' ক্ষেত্রত কিন্তু পূর্বতে আছিল বুলিব নোৱাৰি। কাৰণ, অসমীয়া পেট কটা 'ৰ' বাংলা ভাষাত লিখা পুৰণি সাহিত্যত স্পষ্টৰূপে বিদ্যমান। *'শ্রীকৃষ্ণ কীর্ত্তন'* পুথিৰ পৰা আৰম্ভ কৰি ঊনবিংশ শতিকাৰ চিঠি-পত্রলৈকে বাংলাত এই আখৰটো দেখা পোৱা যায়। গতিকে এই দিশবোৰ বিচাৰ কৰি চাই ক'ব পাৰি যে *ধর্ম্মপুস্তক* প্রকাশৰ কিছু আগৰ পৰা যিবোৰ টাইপ আখৰ প্রস্তুত কৰা হৈছিল সেইবোৰৰ মূল আছিল মধ্যযুগীয় কামৰূপী লিপিৰ আর্হিৰ। কিন্তু এই আখৰবোৰৰ কিছু সৰলীকৰণ ঘটি পৰৱর্তী কালত অসমীয়া আৰু বাংলা আখৰৰ গঢ় একে ধৰণৰ হৈ পৰিল।

***অৰুণোদইৰ* লিপি ঃ**


১৮৪৬ চনত শিৱসাগৰৰ পৰা প্রথম অসমীয়া সম্বাদ-পত্র *অৰুণোদই* প্রকাশ হয়। খ্রীষ্টান মিশ্যনেৰী নাথান ব্রাউনে কলিকতালৈ আহি তাৰ পৰা চপাখানাৰ বিশেষজ্ঞ ও.টি কট্টাৰক লগত লৈ ১৮৩৫ চনৰ ১২ নৱেম্বৰত যাত্রা কৰি ১৮৩৬ চনৰ ২৩ মার্চ তাৰিখে শদিয়াত উপস্থিত হয়। তাৰ পৰা জয়পুৰ হৈ শিৱসাগৰত উপস্থিত হয় আৰু তাতেই বিখ্যাত শিৱসাগৰ ব্যাপ্টিষ্ট মিছন প্রেছ স্থাপন কৰে। ব্রাউন আৰু কট্টাৰ কলিকতাৰ পৰা আহোঁতে লগত ফাউণ্টবোৰ লৈ আহিছিল। উল্লেখ পোৱা যায় যে, জেনকিঞ্চ চাহাবে ব্রাউন আৰু কট্টাৰক এই আখৰবোৰ দান কৰিছিল। এই আখৰৰ আর্হিৰেই *অৰুণোদই* শিৱসাগৰ মিছন প্রেছত চপা হৈছিল। *অৰুণোদইৰ* আখৰৰ গঢ়বোৰলৈ লক্ষ্য কৰিলে এই বুলি ধাৰণা কৰিব পাৰি যে, *অৰুণোদইৰ* আখৰ কটা সময়ত *ধর্ম্মপুস্তকৰ* আর্হি হয়তো লোৱা নাছিল। সেয়েহে *অৰুণোদই* আৰু *ধর্ম্মপুস্তকৰ* আখৰৰ গঢ়ৰ মাজত স্পষ্ট পার্থক্য দেখা যায়। বিশেষকৈ *ধর্ম্মপুস্তকত* প্রয়োগ

হোৱা আ, ই, ঈ, থ, হ, ঙ, ৎ আদি আখৰৰ গঢ় *অৰুণোদই*ৰ আখৰতকৈ যথেষ্ট পৃথক হোৱা দেখা যায়। তলত *ধর্ম্মপুস্তক* আৰু *অৰুণোদই*ৰ আখৰৰ চানেকি দাঙি ধৰা হ'ল।

*ধর্ম্মপুস্তক*ৰ পৰা




ওপৰৰ চিত্রখন সূর্য্য হাজৰিকাৰ দ্বাৰা সম্পাদিত *ধর্ম্মপুস্তক*ৰ পৰা তুলি দিয়া হৈছে।



ওপৰৰ চিত্রখন মহেশ্বৰ নেওগে সম্পাদনা কৰা *'অৰুণোদই'*ৰ পৰা তুলি দিয়া হৈছে।

*ধর্ম্মপুস্তক*ৰ প্রকাশৰ পৰা *অৰুণোদই*ৰ প্রকাশৰ কালৰ মাজত প্রায় দুটা দশকৰ ব্যৱধান দেখা যায়। এই সময়চোৱাতে বাংলা হৰফৰ কিছু পৰিৱর্তন ঘটে আৰু তাৰ প্রভাৱ *অৰুণোদই*ৰ চপা ৰূপৰ ওপৰতো পৰে।

*অৰুণোদই*ৰ পৰৱর্তী কালত অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ মুখপত্র স্বৰূপে *জোনাকী* আলোচনী প্রকাশ হয়। এই আলোচনীৰ প্রথম সংখ্যা প্রকাশ হয় ১৮৮৯ চনৰ ফেব্রুৱাৰী মাহত। *অৰুণোদই* কাকতৰ চপাকাম শিৱসাগৰৰ চপাশালত কৰা হৈছিল যদিও, *জোনাকী* আলোচনীৰ চপাকাম কলিকতাৰ চপাশালত কৰা হয়। এই সময়চোৱাত আখৰৰ ব্লক *অৰুণোদই*ৰ সময়চোৱাতকৈ অধিক পৰিমাণে প্রস্তুত কৰি উলিওৱা হয় কিন্তু *জোনাকী* প্রকাশৰ সময়ত কলিকতাত অসমীয়া আখৰবোৰ বাংলা আখৰতকৈ পৃথকভাৱে প্রস্তুত কৰি উলিওৱা বুলি ভাবিব নোৱাৰি। অৱশ্যে ৰ আৰু ৱ আখৰ দুটা অসমীয়া ভাষাৰ পুথি চপাবৰ নিমিত্তে কাটি উলিওৱা বুলি ভাবিবৰ থল আছে। এইদৰে *জোনাকী*ৰ সময়চোৱালৈকে অসমীয়া আৰু বাংলা আখৰে সমৰূপতা লাভ কৰে বুলিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া, বাংলা আৰু ওড়িআ লিপিৰ মাজৰ সম্পর্ক কি? সেই সম্পর্কে চমুকৈ লিখক। (৭৫ টা শব্দৰ ভিতৰত)

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ঊনবিংশ শতিকাত প্রথম অসমীয়া চপা পুথি ৰূপে প্রকাশ পোৱা অসমীয়া *ধর্ম্মপুস্তকৰ* আখৰৰ গঢ় মধ্যযুগীয় অসমীয়া লিপিৰ বামুণীয়া, কাইথেলী আৰু গড়গঞা লিপিৰ সৈতে যথেষ্ট সাদৃশ্য আছে।
- *ধর্ম্মপুস্তক* চপা কৰাৰ সময়ত উইলিয়াম কেৰীয়ে বাংলা আৰু অসমীয়া আখৰৰ সাদৃশ্য মন কৰি কেইটামান আখৰৰ বাহিৰে বাকীবোৰ বাংলা আখৰেৰে অসমীয়া চপা কার্য চনাব পৰা যাব বুলি ধাৰণা কৰিছিল।
- *ধর্ম্মপুস্তকৰ* অসমীয়া লিপিৰ গঢ় *অৰুণোদইত* পৰিৱর্তন ঘটে আৰু বঙলা আৰু অসমীয়া লিপিৰ গঢ়ে প্রায় সমৰূপতা লাভ কৰে।
- *অৰুণোদই* শিৰসাগৰৰ চপাশালত চপা হ'লেও *জোনাকীকে* ধৰি পৰৱর্তী কালৰ আলোচনীসমূহ কলিকতাৰ চপাশালত চপা কৰাৰ বাবে অসমীয়া আৰু বাংলা আখৰ একাকাৰ হৈ পৰে।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১। কটকী, সর্বেশ্বৰ (২০০৩) ঃ অসমীয়া প্রাচীন লিপি, অসম প্রকাশন পৰিষদ, গুৱাহাটী

২। গোস্বামী উপেন্দ্রনাথ (১৮৮৭) ঃ অসমীয়া লিপি, অসম সাহিত্য সভা।

৩। দাস, নাৰায়ণ (১৯৯৯) ঃ বিশ্বলিপিৰ ভূমিকা, বীণা লাইব্রেৰী, গুৱাহাটী।

৪। নেওগ, মহেশ্বৰ (সম্পা. ২০০৮) ঃ অৰুণোদই, অসম প্রকাশন পৰিষদ।

৫। শর্মা, আত্মাৰাম (সম্পা. সূর্য্য হাজৰিকা) (২০১২) ঃ ধর্ম্মপুস্তক, অসম প্রকাশন পৰিষদ।

ইংৰাজী গ্রন্থ ঃ

1. Bora, Mahendra, (1981), *The Evolution of Assamese Script*, Asam Sahitya Sabha.
2. Carrey, William, (2015) *Serampore Letters : Being the Unpublished Correspondence of William Carey and Others with John Williams, 1800-1816.*
3. Grierson, G.A. "*The Early Publications of the Serampore*

Missionaries" The Indian Antiquary (June, 1903) : 241-254.

4. Kanoria, M & Chamaria, C.L. (2017) *Life of Dr. William Carey*, Pratishruti Prakashan.
5. Marshman, John Clark. *The Life and Times of Carey, Marshman and Ward : Embracing the History of the Serampore Mission.*
6. Smith, George (2010) *The Life of William Carey, D.D.: Shoemaker and Missionary, Professor of Sanskrit, Bengali, and Marathi in the College of Fort William*, Calcutta, Nabu Press.



৬.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ মাজৰ সম্পর্ক অতি পুৰণি..... পাঠৰ আলোচনাৰ আধাৰত যুকিয়াই লৈ চমুকৈ লিখিব



৬.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ধর্ম্মপুস্তক চপা কার্যৰ চমু ইতিহাস দাঙি ধৰক

প্রশ্ন ২ ঃ মধ্যযুগীয় অসমীয়া লিপিৰ সৈতে *ধর্ম্মপুস্তকৰ* লিপিৰ এক তুলনামূলক আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ ধর্ম্মপুস্তক আৰু অৰুণোদইৰ আখৰৰ গঢ়ৰ এক তুলনামূলক আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ৭ ঃ আধুনিক অসমীয়া ছপা লিপিৰ ক্রমবিকাশ (জোনাকীৰ পৰৱর্তী সময়ৰ পৰা বর্তমানলৈকে) -(২)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ আধুনিক অসমীয়া ছপালিপিৰ ক্রমবিকাশ
৭.৩.১ কম্পিউটাৰত ব্যৱহৃত অসমীয়া লিপি
৭.৩.২ ইউনিক'ড আৰু লিপিৰ মাজৰ সম্পর্ক
৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৫ অধিক জানিবলৈ
৭.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৭.৭ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আধুনিক অসমীয়া ছপা লিপিৰ বৈশিষ্ট্য সম্পর্কে জানিব পাৰিব
- আধুনিক অসমীয়া লিপিয়ে ছপাশালৰ পৰা কম্পিউটাৰ জগতত প্রৱেশ কৰাৰ পাছত ইয়াৰ পৰিৱর্তন আৰু বিভিন্ন ৰূপৰ বিষয়ে আলোচনা কৰিব পাৰিব
- অসমীয়া লিপিৰ আখৰৰ প্রয়োগক্ষেত্রৰ বিষয়ে জানিব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আধুনিক অসমীয়া ছপালিপিৰ ক্রমবিকাশৰ প্রথম স্তৰটোৰ বিৱৰণ আগবঢ়োৱা হ'ল। এই পাঠটোত সেই আলোচনাৰ পৰৱর্তী খণ্ডটো অর্থাৎ *ধর্ম্মপুস্তকৰ* পৰা *জোনাকী* স্তৰলৈ ছপা কৰা আখৰৰ যি গঢ় গতি আৰু পৰিৱর্তন প্রত্যক্ষ কৰিবলৈ পোৱা গৈছিল, তাৰ পৰৱর্তী পর্যায়তনো আধুনিক অসমীয়া ছপা আখৰে কি ধৰণৰ গঢ়-গতি লৈছিল তাৰ লেখ পাব।

৭.৩ আধুনিক অসমীয়া ছপালিপিৰ ক্রমবিকাশ

অসমীয়া লিপিয়ে কেনেদৰে পঞ্চম শতিকাত ক্রমবিকাশ লাভ কৰি দ্বাদশ ত্রয়োদশ শতিকাতে এক স্বকীয়া ৰূপ লাভ কৰিছিল তাৰ পাছত অসমীয়া ছপা পুথি *ধর্ম্মপুস্তকৰ* পৰা


অৰুণোদয় আৰু *জোনাকী*লৈকে এটা বিশেষ ৰূপ লাভ কৰিলে সেই বিষয়ে ইতিমধ্যে পূৰ্বৰ অধ্যায়ত আলোচনা কৰা হৈছে। ছপা ৰূপ লাভ কৰাৰ আগতে অসমীয়া লিপিৰ গঢ় লিপিকাৰৰ ওপৰত নিৰ্ভৰ কৰিছিল। কিন্তু লিপিকাৰ ভেদে আখৰৰ গঢ় বেলেগ বেলেগ হ'লেও, মধ্যযুগতেই অসমীয়া লিপিয়ে চাৰিটা বিশেষ সাঁচত গঢ় লৈ উঠিছিল। ইয়াৰ পিছত অসমীয়া লিপিৰ প্ৰথম ছপাৰূপ মধ্যযুগীয় অসমীয়া লিপিৰ ওচৰ চপা আছিল যদিও লাহে লাহে অসমীয়া, বাংলা লিপিয়ে প্ৰায় একেটা ৰূপ ল'বলৈ আৰম্ভ কৰা দেখা যায়। বিশেষকৈ *অৰুণোদয়*ৰ পৰা *জোনাকী*লৈকে ঘটা পৰিক্ৰমণে এই সমৰূপতাক প্ৰায় স্পষ্ট কৰি তোলে। *জোনাকী*ৰ পৰৱৰ্তী কালৰ অসমীয়া ছপালিপিৰ আখৰবোৰ একেটা গঢ়তে পোৱা যায়। ইয়াৰ প্ৰধান কৰাণ হ'ল *জোনাকী*ৰ পৰা আৰম্ভ কৰি ইয়াৰ সমসাময়িক কালৰ পুথি আৰু আলোচনীসমূহ কলিকতাৰ ছপাশালত ছপা কৰা হৈছিল। সেয়েহে এইট কালৰ অসমীয়া লিপিৰ ক্রমবিৱৰ্তন আৰু বৈশিষ্ট্য বিচাৰ কৰিবলৈ হ'লে আমি পোনে পোনে কম্পিউটাৰত ব্যৱহাৰ কৰা অসমীয়া আখৰৰ প্ৰসঙ্গলৈ আহিবলগীয়া হয়।

৭.৩.১ কম্পিউটাৰত ব্যৱহৃত অসমীয়া লিপি

সীহত কটা আখৰ ব্যৱহাৰ কৰা ছপাশালৰ পৰা উত্তোৰণ ঘটি বিংশ শতিকাৰ নৱ্বৈৰ দশকৰ পৰা অসমীয়া ভাষাৰ পুথি কম্পিউটাৰত লিখি উলিওৱাৰ প্ৰচেষ্টা আৰম্ভ হয়। কিন্তু এই সময়ত কম্পিউটাৰত লিখাৰ বাবে অসমীয়া আখৰ (ফণ্ট) নাছিল। কিন্তু অধ্যাপক দিলীপ কুমাৰ দত্তই ১৯৮৫ চনত *দিবৰু*, *বেকী* আৰু *কপিলী* নামেৰে তিনিপ্ৰকাৰৰ ফণ্ট প্ৰস্তুত কৰি তেওঁৰ *প্ৰেমত পৰিলো নেকি* শীৰ্ষক গ্ৰন্থখন কম্পিউটাৰত টাইপ কৰি উলিয়ায়। সম্ভৱতঃ এইখনেই কম্পিউটাৰত অসমীয়া আখৰ ব্যৱহাৰ কৰি প্ৰকাশ কৰা প্ৰথম গ্ৰন্থ। বাংলা ভাষাৰ বিভিন্ন পুথি প্ৰকাশ কৰিবলৈ কম্পিউটাৰ প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ লোৱাৰ সময়ত কম্পিউটাৰত প্ৰয়োগ কৰিব পৰা অসমীয়া আখৰৰ অভাৱেই অসমীয়া লিপিৰ বাবে প্ৰধান প্ৰত্যাহ্বান হৈ দেখা দিয়ে। উল্লেখযোগ্য যে তাম্ৰলিপি, শিলালিপি আৰু সাঁচীপাত, তুলাপাতৰ পৰা ছপাশাললৈ লিখন পদ্ধতিৰ পৰিক্ৰমণৰ সময়ত অসমীয়া লিপিৰ আখৰসমূহ সীহ বা কাঠত কাটি উলিওৱাৰ যি সমস্যাই দেখা দিছিল, সেই একে ধৰণৰ সমস্যাই হস্তনিৰ্মিত আখৰৰ পৰা কম্পিউটাৰত লিখি উলিওৱা আখৰৰ সময়তো দেখা দিলে। কম্পিউটাৰ প্ৰযুক্তিত ভাষা লিখন পদ্ধতি প্ৰয়োগৰ বাবে পোনতে আখৰৰ গঢ়ৰ আধাৰত কম্পিউটাৰে গ্ৰহণ কৰিব পৰা কিছুমান আখৰৰ প্ৰয়োজন হ'ল। এই সময়ছোৱাত অধ্যাপক দিলীপ কুমাৰ দত্তৰ প্ৰয়াসক আগবঢ়াই নি এক স্বতন্ত্ৰ লিপিৰ প্ৰয়োগ হোৱা দেখা নগ'ল। এই সময়তে বাংলা আখৰৰ আৰ্হি হিচাপে গীতাঞ্জলী, সত্যজিৎ আদি আখৰৰ প্ৰস্তুত কৰি উলিওৱা হয়। এই ফণ্টসমূহ কোনে কিহৰ আধাৰত প্ৰস্তুত কৰি উলিয়াইছিল তাৰ উৎসৰ কোনো সূত্ৰ তথ্য-প্ৰযুক্তিৰ

জগতখনত বিচাৰি পোৱা নাই। সম্ভৱতঃ এই ফণ্টসমূহ ১৯৯০-৯৫ চনৰ ভিতৰত পশ্চিমবংগত কোনো প্রযুক্তিবিদে প্রস্তুত কৰি উলিয়াইছিল। এই আখৰসমূহৰ গঢ় *জোনাকী* আলোচনীৰ আখৰৰ সৈতে কিছু পার্থক্য আছে। তলত *জোনাকী* আৰু বর্তমান গীতাঞ্জলী ফণ্টত প্রকাশ কৰা আখৰৰ কিছুমান নিদর্শন দাঙি ধৰা হ'ল-

চিত্র ৭.১ ঃ *জোনাকী* আলোচনীৰ পৰা



চিত্র ৭ .২ ঃ গীতাঞ্জলী লাইট আৰু গীতাঞ্জলী লিপৰ আখৰৰ নমুনা




ওপৰৰ চিত্র দুখনত দেখুওৱা আখৰৰ নমুনাসমূহ ভালদৰে পর্যবেক্ষণ কৰিলে দেখা যায় যে, সীহত কটা আখৰৰ পৰা কম্পিউটাৰ নির্মিত আখৰৰ আৰ্হিলে ঘটা পৰিক্রমণত আখৰবোৰৰ সৌন্দর্য বর্দ্ধনৰ প্রতি বিশেষ লক্ষ্য ৰখা হৈছিল। অসমীয়া ভাষাৰ পুথি কম্পিউটাৰত টাইপ কৰি লিখি উলিওৱাৰ সময়ত একেখিনি আৰ্হিৰ আখৰসমূহকেই অসমীয়া আৰু বাংলাৰ বাবে ব্যৱহাৰ কৰাৰ বাবেই আজি ভাষা-প্রযুক্তিৰ জগতখনত অসমীয়া ভাষা বাংলা লিপিৰে লিখা হয় বুলি মাৰাত্মক ভুল কথা এটা প্রতিষ্ঠা হোৱাৰ উপক্রম ঘটিছে।

বিংশ শতিকাৰ নব্বৈ দশকৰ পৰা আৰম্ভ হোৱা অসমীয়া ভাষা-প্রযুক্তিৰ জগতখনত মুখ্য ভূমিকা গ্রহণ কৰা লিপিৰ সৈতে দুখন ক্ষেত্র সংযুক্ত হৈ আছে। সেয়া হ'ল- (১) আখৰসমূহৰ বাবে নির্ধাৰণ কৰা ক'ড আৰু (২) আখৰসমূহৰ আৰ্হি। অৱশ্যে এই দুখন ক্ষেত্র ভাষা-প্রযুক্তিৰ অন্তর্গত সকলো ভাষাৰ লিপিৰ ক্ষেত্রতে প্রযোজ্য। প্রথম অৱস্থাত অসমীয়া লিপিসমূহ কম্পিউটাৰৰ বাবে প্রস্তুত কৰি উলিয়াওতে নির্মাণকাৰীয়ে ইয়াৰ বাবে নিজাকৈ একোটা ক'ড ব্যৱহাৰ কৰে, সেয়েহে প্রতিটো কম্পিউটাৰতে এই লিপিৰ দ্বাৰা টাইপ কৰাৰ বাবে একোটা নির্দিষ্ট ছফ্টৱেৰৰ প্রয়োজন হয়। কম্পিউটাৰৰ আখৰৰ আৰ্হি প্রস্তুত কৰা এটা জটিল কাম। গতিকে অসমীয়া আৰু বাংলা আখৰৰ গঢ়ে প্রায় সমৰূপতা লাভ কৰাৰ পাছত ঠিক উইলিয়াম কেৰীৰ দৰেই দুয়োটা ভাষাত একেটা গঢ়ৰ আখৰো কম্পিউটাৰত লিখাৰ বাবে

ব্যৱহাৰ হ'বলৈ ধৰিলে। বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰা কম্পিউটাৰ কোম্পানী, ভাৰত চৰকাৰ আৰু বিভিন্ন ব্যক্তিগত পর্যায়ত অসমীয়া ফণ্ট নির্মাণৰ কাম আৰম্ভ হ'ল যদিও সম্পূর্ণ নিজস্ব প্রক্রিয়াৰে অসমীয়া ফণ্ট নির্মাণ আজিলৈ হৈ নুঠিল। যিসমূহ অসমীয়া ফণ্ট বুলি কম্পিউটাৰ জগতত ব্যৱহাৰ হ'বলৈ ধৰিলে সেই ফণ্টসমূহ অন্য বাংলা ফণ্টৰ পৰা অলপ সালসলনি কৰি মুকলি কৰি দিয়া ফণ্টহে। এই ফণ্টৰ আখৰসমূহৰ গঢ়ৰ পার্থক্যও চকুত পৰা ধৰণৰ

১৯৯১ চনত ভাৰতীয় মানক সস্থা (Bureau of Indian Standard চমুকৈ BIS) ই ভাৰতীয় ভাষাসমূহৰ লিপিৰ বাবে কোড-নির্দিষ্ট আখৰৰ তালিকা প্রকাশ কৰে, যাক INDIAN SCRIPT CODE FOR INFORMATION INTERCHANGE চমুকৈ ISCII বোলা হয়। এই তালিকাত থকা আখৰৰ গঢ়বোৰ *জোনাকী* আৰু তাৰ পৰৱর্তী কালত কলিকতাৰ ছপাশালত প্রয়োগ কৰা আখৰৰ গঢ়ৰ সৈতে প্রায় একে। তলত ISCII দেখুওৱা অসমীয়া আখৰৰ নমুনা দাঙি ধৰা হ'ল—



অগ্রগতি নিৰীক্ষণ


প্রশ্ন নং ১ ঃ বিংশ শতিকাৰ নৱম দশকৰ পৰা অসমীয়া ভাষা প্রযুক্তিৰ জগতখনলৈ কেনে ধৰণৰ নতুনত্বৰ আগমন ঘটিছিল? (১০০ টা শব্দৰ ভিতৰত)

.....

.....

হ'ল যদিও সম্পূর্ণ নিজস্ব প্রক্রিয়াৰে অসমীয়া ফণ্ট নির্মাণ আজিলৈ হৈ নুঠিল। যিসমূহ অসমীয়া ফণ্ট বুলি কম্পিউটাৰ জগতত ব্যৱহাৰ হ'বলৈ ধৰিলে সেই ফণ্টসমূহ অন্য বাংলা ফণ্টৰ পৰা অলপ সালসলনি কৰি মুকলি কৰি দিয়া ফণ্টহে। এই ফণ্টৰ আখৰসমূহৰ গঢ়ৰ পার্থক্যও চকুত পৰা ধৰণৰ

১৯৯১ চনত ভাৰতীয় মানক সস্থা (Bureau of Indian Standard চমুকৈ BIS) ই ভাৰতীয় ভাষাসমূহৰ লিপিৰ বাবে কোড-নির্দিষ্ট আখৰৰ তালিকা প্রকাশ কৰে, যাক INDIAN SCRIPT CODE FOR INFORMATION INTERCHANGE চমুকৈ ISCII বোলা হয়। এই তালিকাত থকা আখৰৰ গঢ়বোৰ *জোনাকী* আৰু তাৰ পৰৱর্তী কালত কলিকতাৰ ছপাশালত প্রয়োগ কৰা আখৰৰ গঢ়ৰ সৈতে প্রায় একে। তলত ISCII দেখুওৱা অসমীয়া আখৰৰ নমুনা দাঙি ধৰা হ'ল—



এই ISCII কোড ব্যৱহাৰ কৰি ভাৰত চৰকাৰৰ চি-ডেক নামৰ প্রতিষ্ঠানটোৰ পৰা ASTT Durga আৰু ASTT Bidisha নামেৰে দুই প্রকাৰৰ অসমীয়া আখৰমালা প্রস্তুত কৰি উলিওৱা হয়। এই আখৰসমূহৰ গঢ় *জোনাকী* আৰু ইয়াৰ পৰৱর্তী কালৰ কলিকতাত ছপাই উলিওৱা অসমীয়া আখৰৰ গঢ়ৰ সৈতে একে নহয়।

ওপৰত উল্লেখ কৰা আখৰসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে এইবোৰৰ আকৃতি *ধর্ম্মপুস্তক* বা তাৰ পৰৱর্তী *অৰুণোদয়ৰ* পৰা *জোনাকী* বা সমসাময়িক অসমীয়া পুথি বা আলোচনীৰ সৈতে নিমিলে।

বিংশ শতিকাৰ নৱৈ দশকটো বিশ্বৰ লিপিৰ ইতিহাসত এক উল্লেখযোগ্য দশক ৰূপে পৰিগণিত হয় কাৰণ ১৯৮৭ চনত 'Xerox' কোম্পানীৰ স্বত্বাধিকাৰী 'Joe Backer' বিখ্যাত 'Apple' কোম্পানীৰ 'Lee Collins' আৰু 'Mark Davis' এ বিশ্বৰ লিপিসমূহৰ কম্পিউটাৰত প্রয়োগৰ অসুবিধাবোৰৰ প্রতি দৃষ্টি ৰাখি বর্তমানৰ 'UNICODE' নামৰ বেচৰকাৰী প্রতিষ্ঠানটো প্রতিষ্ঠা কৰি লিপি প্রয়োগৰ একক পদ্ধতিৰ ভেঁটি প্রতিষ্ঠা কৰে। ১৮৮৮ চনত জেৰক্স কোম্পানীৰ স্বত্বাধিকাৰী জো বেকাৰে ইয়াৰ এখন খচৰা প্রস্তুত কৰি উলিয়াই আৰু তাৰ নাম দিয়ে 'International/Multilingual Text Character Encoding System'। বর্তমানে বিশ্বৰ বিভিন্ন লিপি একক কোডৰ দ্বাৰা সামগ্রিকভাৱে কম্পিউটাৰত লিখিব পৰাকৈ ব্যৱস্থা কৰি দিয়া অনুষ্ঠান UNICODE Consortium ৰ আৰম্ভণিও এনে ধৰণে ঘটে।


৭.৩.২ ইউনিক'ড আৰু লিপিৰ মাজৰ সম্পর্ক

সাধাৰণভাৱে ক'বলৈ হ'লে, বিশ্বত প্রচলিত বিভিন্ন ভাষাৰ লিখিত ৰূপ প্রকাশ কৰিবলৈ যি আখৰ থাকে, সেই আখৰবোৰৰ বিপৰীতে এককভাৱে একোটাকৈ ক'ড ব্যৱহাৰ কৰা হয়। এই ক'ডৰ দ্বাৰাই আখৰসমূহ কম্পিউটাৰে যান্ত্রিকভাৱে বিচাৰি উলিয়াব পৰা ব্যৱস্থা থাকে। এই ব্যৱস্থাত যিবোৰ আখৰৰ বাবে ক'ড প্রদান কৰা হয়, সেই ক'ডৰ দ্বাৰা নির্মিত আখৰমালাও থকাতো প্রয়োজন। ইউনিকোড কনচর্টিয়ামে একো একোটা আখৰৰ বিপৰীতে নির্দিষ্ট কৰি দিয়া আখৰমালা বা ফণ্ট কম্পিউটাৰত থাকিলে সেই ক'ডৰ প্রয়োগ কৰি প্রস্তুত কৰা ফণ্টসমূহ যিকোনো কম্পিউটাৰত দেখা যাব। অৱশ্যে, যদি সেই নির্দিষ্ট ফণ্ট কম্পিউটাৰটোত নাথাকে


তেন্তে সেই ক'ডযুক্ত যিকোনো ফণ্টৰ এটা কম্পিউটাৰে যান্ত্রিকভাৱে সলনি কৰি কম্পিউটাৰৰ মণিটৰত দেখুৱাব। সেইদৰে ইউনিক'ডে নির্দিষ্ট কৰি দিয়া ক'ডসমূহ কোম্পানীসমূহে নির্মাণ কৰি উলিয়াওতে তাত সংযোগ কৰি দিয়াৰ ব্যৱস্থা কৰে। যিবোৰ কম্পিউটাৰত সেই ক'ডসমূহ সংলগ্ন কৰা নাথাকে সেইসমূহত নির্দিষ্ট ছফ্‌টৱেৰ বেলেগে সংযোগ কৰি ল'বলগীয়া হয়। এয়েই ইউনিক'ড আৰু লিপিৰ মাজত থকা সম্পর্কৰ থূলমূল আভাস।

এই ইউনিক'ড কনচর্টিয়ামে পর্যায়ক্রমে লিপিসমূহ স্বীকৃতি প্রদান কৰি কম্পিউটাৰত ব্যৱহাৰৰ বাবে সুচল কৰি দিয়ে। ভাৰতীয় লিপিৰ স্বীকৃতি প্রদানৰ ক্ষেত্রত কনচর্টিয়ামে প্রথম অৱস্থাত ISCII অন্তর্ভূক্ত লিপিসমূহৰ স্বীকৃতিৰ বাবে ভাৰতীয় মানক সংস্থা (Bureau of Indian Standard)ৰ জৰিয়তে ISO (International Organization for Standardization) ৰ স্বীকৃতি লাভ কৰা পাছত ইউনিক'ডৰ স্বীকৃতি লাভ কৰে। প্রথম অৱস্থাত ২০০১ চনৰ পৰা ২০০৯ চনলৈ ISCII ৰ লগতে সকলো ভাৰতীয় সংস্থাৰ দ্বাৰা প্রস্তুত লিপিৰ তালিকাত অসমীয়া লিপিৰ সুকীয়া স্বীকৃতি আছিল। উদাহৰণ স্বৰূপে ভাৰতীয় ভাষা সংস্থান চি-ডেক, ভাৰতীয় মানক সংস্থা (Central Institute of Indian Languages, C-DAC, BIS) আদিৰ তথ্যত এই কথা স্পষ্টভাৱে পোৱা যায়। তলত ইয়াৰ কিছু তথ্য দাঙি ধৰা হ'ল।

চিত্র ৭.৩



Language	ISO code	Official Language	Family	Script
Assamese	asm	Assam	Indo-Aryan	Assamese
Bengali	ben	Tripura and West Bengal	Indo-Aryan	Bangla
Manipuri	mni	Meitei	Tibeto-Burman	Bangla Meitei-Meyek
Boro	brx	Assam	Tibeto-Burman	Devanāgarī (modified)
Dogri	dgo	Jammu and Kashmir	Indo-Aryan	Devanāgarī (modified)
Hindi	hin	Andaman and Nicobar Islands, Bihar, Chandigarh, Chhattisgarh, Delhi, Haryana, Himachal Pradesh, Jharkhand, Madhya Pradesh, Rajasthan, Uttar Pradesh and Uttaranchal	Indo-Aryan	Devanāgarī
Konkani	kok	Goa	Indo-Aryan	Devanāgarī



অৱশ্যে তেতিয়ালৈকে প্রস্তুত হোৱা ইউনিক'ডৰ লিপিৰ তালিকাত অসমীয়া ভাষা বাংলা লিপিৰে লিখা হয় বুলিহে চিহ্নিত কৰা হয়। উল্লেখযোগ্য কথাটো হ'ল, ২০০৯ চনত ভাৰত চৰকাৰৰ বিভিন্ন বিভাগৰ সমিতিয়ে ভাৰতৰ ভাষাসমূহৰ ভিতৰত এঘাৰ ভাষাৰ বিপৰীতে দহটা লিপি নির্ধাৰণ কৰে আৰু ইয়াৰ পৰাই ভাৰতীয় সংস্থাসমূহৰ পৰাও অসমীয়া লিপিৰ অস্তিত্ব লোপ পাই। কিন্তু বিভিন্ন পর্যায়ত অসমীয়া লিপিৰ প্রকৃত অস্তিত্ব প্রতিপন্নৰ বাবে কৰা যত্নৰ বাবে বর্তমান ইউনিক'ড কনচর্টিয়ামে প্রকাশ কৰা তালিকাত বাংলা-অসমীয়া বুলি লিখা হৈছে যদিও তথ্য প্রযুক্তিৰ জগতত অসমীয়া লিপিৰ অস্তিত্ব আজিও প্রতিপন্ন নহ'ল।

ইউনিক'ডৰ দ্বাৰা নিয়ন্ত্রিত ভাষা-প্রযুক্তিৰ জগতখনত অসমীয়া লিপিৰ স্বকীয় অস্তিত্ব প্রতিপন্ন নহ'লেও অসমীয়া ভাষা কম্পিউটাৰত ব্যৱহাৰৰ বাবে যিবোৰ ফণ্ট বর্তমানে প্রয়োগ হৈ আছে সেইবোৰৰ গঢ়ৰ ভিন্নতা যথেষ্ট পৰিমাণে দেখা যায়।


বিংশ শতিকাৰ নবম দশকৰ পৰা কম্পিউটাৰত লিখিবৰ বাবে বিভিন্ন ছ'ফ্টৱেৰ কোম্পানী আৰু ব্যক্তিয়ে অসমীয়া ফণ্ট নির্মাণৰ কাম হাতত লৈছিল। তাৰ ভিতৰত বিশ্বৰ আগশাৰীৰ কোম্পানী মাইক্র'ছফ্টে Vrinda নামেৰে অসমীয়া ফণ্ট নির্মাণ কৰি উলিয়ায়। কিন্তু এই ফণ্টৰ আখৰসমূহ ইতিমধ্যে প্রচলিত আখৰৰ গঢ়তকৈ ভালেখিনি বেলেগ হয় আৰু ভালেমান সংযুক্ত আখৰৰ ৰূপতকৈ যথেষ্ট পৃথক হোৱা দেখা যায়। তলত এই ফণ্টৰ আখৰৰ নমুনা দাঙি ধৰা হ'ল—

চিত্র ৭ .৫ ঃ Vrinda আখৰৰ নমুনা

ক	খ	গ	ঘ	ঙ	ক্ক	ক্ত	ক্ল	স্ত	ল্ল	থ
চ	ছ	জ	ঝ	ঞ	জ্জ	জ্ঝ	গ্ন	ঘ্ন	ঙ্ক	
ট	ঠ	ড	ঢ	ণ	স্ত	শ্ল	প্ল	প্ম	প্ল	
ত	থ	দ	ধ	ন	ল্ক	ষ্ক	ষ্ছ	ঞ্চ	ঞ্ছ	
□	ফ	ব	ভ	ম						
য	ৰ	ল	ৱ							
□	ষ	স	হ							
ক্ষ	ড়	ঢ়	য়							
ৎ	ংং	ঃঃ	ঁঁ							

ইয়াৰ উপৰিও পূৰ্বৰ ISCIIত থকা অসমীয়া আখৰ ASTT Durga, ASTT Bidisha, Ar bindo, Debasish আদি আখৰমালাক ইউনিক'ডলৈ পৰিৱৰ্তন কৰি ASOT ৰূপলৈ পৰিৱৰ্তন কৰা হ'ল। এই আখৰমালাৰ নমুনা তলত দাঙি ধৰা হ'ল—

চিত্র ৭ .৬ ঃ আখৰৰ নমুনা



এই আখৰমালাৰ উপৰিও বিভিন্ন প্রকাৰৰ আখৰেৰে বর্তমান কম্পিউটাৰত ইউনিক'ডক সমর্থিত সজুঁলিৰ দ্বাৰা লিখিব পৰা যায়। কিন্তু উল্লেখযোগ্য কথাটো হ'ল, এই ফণ্টবোৰৰ কাৰিকৰি দিশটো অন্য আখৰমালাৰ পৰা গ্রহণ কৰি লোৱা হৈছে। এনে ধৰণৰ আখৰমালা কিছুমান হ'ল- *কীর্তন*, *মাধৱ*, *কালপুৰুষ*, *অসমীয়া ৰোহিণী*, *জ্যোতিৰূপা*, *নৱ*, *বিষ্ণু* আদি এই লিপিসমূহৰ নমুনা তলত দাঙি ধৰা হ'ল—

চিত্র ৭ .৭ ঃ আখৰৰ নমুনা

অসমীয়া ৰোহিণী

আমি সাধাৰণতে পাই থকা তথ্য আৰু প্রযুক্তিৰ জগতখনত বহুলভাবে ব্যৱহৃত হোৱা ভাষাটো হ'ল ইংৰাজী ভাষা। তথাপিও, যোৱা কেইদশক মান ধৰি কম্পিউটাৰত আন আন ভাষা ব্যৱহাৰ কৰাৰ ওপৰতো গুৰুত্ব দিয়া আৰম্ভ হৈছে,

বিষ্ণু

আমি সাধাৰণতে পাই থকা তথ্য আৰু প্রযুক্তিৰ জগতখনত বহুলভাবে ব্যৱহৃত হোৱা ভাষাটো হ'ল ইংৰাজী ভাষা। তথাপিও, যোৱা কেইদশক মান ধৰি কম্পিউটাৰত আন আন ভাষা ব্যৱহাৰ কৰাৰ ওপৰতো গুৰুত্ব দিয়া আৰম্ভ হৈছে, আৰু বহু স্থানীয় ভাষাই এই দিশত যথেষ্ট অগ্রগতি লাভ

জ্যোতিৰূপা

আমি সাধাৰণতে পাই থকা তথ্য আৰু প্রযুক্তিৰ জগতখনত বহুলভাবে ব্যৱহৃত হোৱা ভাষাটো হ'ল ইংৰাজী ভাষা। তথাপিও, যোৱা কেইদশক মান ধৰি কম্পিউটাৰত আন আন ভাষা ব্যৱহাৰ কৰাৰ ওপৰতো গুৰুত্ব দিয়া আৰম্ভ হৈছে, আৰু বহু স্থানীয় ভাষাই এই

কীর্ত্তন

আমি সাধাৰণতে পাই থকা তথ্য আৰু প্রযুক্তিৰ জগতখনত বহুলভাবে ব্যৱহৃত হোৱা ভাষাটো হ'ল ইংৰাজী ভাষা। তথাপিও, যোৱা কেইদশক মান ধৰি কম্পিউটাৰত আন আন ভাষা ব্যৱহাৰ কৰাৰ ওপৰতো গুৰুত্ব দিয়া আৰম্ভ হৈছে, আৰু বহু স্থানীয় ভাষাই এই দিশত যথেষ্ট অগ্রগতি লাভ

পূর্বতেই উল্লেখ কৰি অহা হৈছে যে, ছপাশালত ব্যৱহাৰ কৰা আখৰসমূহ যেতিয়া কম্পিউটাৰত ব্যৱহাৰ কৰিবলগীয়া হ'ল তেতিয়া তাত প্রয়োজন হোৱা প্রযুক্তিগত দিশবোৰে আখৰৰ গঢ়সমূহত ভিন্নতা আনি দিলে। ওপৰৰ দাঙি ধৰা আখৰৰ নমুনাবোৰৰ প্রায়ভাগেই ব্যক্তিগত প্রচেষ্টাত নির্মাণ কৰি উলিওৱাৰ বাবে এই ভিন্নতা পৰিলক্ষিত হৈছে। ইয়াৰ উপৰিও কম্পিউটাৰত প্রয়োগ কৰিবৰ বাবে প্রস্তুত কৰি উলিওৱা আখৰবোৰৰ সৈতে এটা অতি জটিল কাৰিকৰী প্রক্রিয়া জড়িত হৈ তাকে। সেয়েহে অসমীয়া আখৰৰ গঢ়সমূহ এই কাৰিকৰী দিশবোৰৰ বাবেও ভিন্নতা লাভ কৰা বুলি ক'ব পাৰি।

ওপৰৰ আলোচনাৰ পৰা এইটো স্পষ্ট হ'ল যে, *জোনাকী*ৰ পৰা আৰম্ভ কৰি বর্তমানলৈকে অসমীয়া লিপিৰ ইতিহাস লক্ষ্য কৰিলে ইয়াৰ পৰিৱর্তনৰ ধাৰটোৱে কেইবাটাও স্তৰ অতিক্রম কৰিছে বুলি ক'ব পাৰি। *জোনাকী* আলোচনীখনৰ লগতে সমসাময়িক অসমীয়া আলোচনী, কাকত, পুথি আদি কলিকতাৰ ছপা হোৱাৰ বাবে ইয়াৰ আখৰৰ গঢ়ে আৰু বাংলা ভাষাৰ আখৰৰ গঢ়ে প্রায় সমৰূপতা লাভ কৰে। ছপাশালৰ পৰা কম্পিউটাৰ প্রযুক্তিৰ ঘটা পৰিক্রমনৰ প্রথম ঢাপত অসমৰ প্রায়বোৰ ছপাশালতেই একে ধৰণৰ ফণ্ট প্রয়োগ কৰাৰ বাবে অসমীয়া আখৰৰ এটা নির্দিষ্ট ৰূপ লোৱা বুলি ক'ব পাৰি। ইয়াৰ পিছৰ পর্যায়ত ইউনিক'ডৰ আবির্ভাৱে অসমীয়া আখৰৰ গঢ় পুনৰ ভিন্ন ৰূপৰ হৈ পৰা দেখা যায়?



৭.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *জোনাকী* তথা ইয়াৰ সমসাময়িক তথা পৰৱর্তী কালৰ আলোচনী, পুথি আদি প্রায়ভাগেই কলিকতাৰ ছপাশালত ছপা কৰাৰ বাবে অসমীয়া আৰু বাংলা আখৰে প্রয়া সমৰূপতা লাভ কৰে।
- বিংশ শতিকাৰ নৱৈ দশকৰ পৰা কম্পিউটাৰ প্রযুক্তিয়ে অসমীয়া লিপিৰ ওপৰত বিশেষ প্রভাৰ পেলায়।
- কম্পিউটাৰ জগতত ভাষাৰ প্রয়োগৰ ক্ষেত্রত প্রযুক্তিগত দিশটো জড়িত হৈ পৰাৰ লগে লগে ইয়াৰ নির্মাণ কৌশলো সলনি হৈ পৰে।
- বিংশ শতিকাৰ প্রাৰম্ভতে ইউনিক'ড প্রযুক্তি প্রয়োগ হোৱাৰ পৰাই অসমীয়া লিপিৰ অস্তিত্বৰ প্রতি ভাবুকি আহে আৰু এই অস্তিত্ব প্রায় বিপন্ন হৈ পৰে।



৭.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী উপেন্দ্রনাথ, (১৮৮৭) *অসমীয়া লিপি*, অসম সাহিত্য সভা

ইংৰাজী গ্রন্থ ঃ

১) *Assamese alphabet*. Available from: https://en.wikipedia.org/wiki/Assamese_alphabet [Accessed on 12 September 2016]

২) *Bengali alphabet*. Available from: https://en.wikipedia.org/wiki/Bengali_alphabet [Accessed on 15 September 2016]

৩) Bora, Mahendra, (1981), *The Evolution of Assamese Script*, Asam Sahitya Sabha

৪) Carrey, William, (2015) *Serampore Letters : Being the Unpublished Correspondence* of William Carey and Others with John Williams, 1800-1816

ৱেৱছাইট ঃ

http://www.unicode.org



৭.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ বিংশ শতিকাৰ নৱম দশকত প্রযুক্তিয়ে অসমীয়া আখৰৰ গঢ়-গতিত কি পৰিৱর্তন আনিছিল তাৰ লেখ দিব।



৭.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ *'জোনাকী'*ৰ সমসাময়িক কালৰ অসমীয়া লিপিৰ থূলমূল আভাস দিয়ক।

প্রশ্ন ২ ঃ 'ভাষা প্রযুক্তিৰ ক্ষেত্রখনত অসমীয়া লিপি' শীর্ষক এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ ইউনিক'ডৰ পৰিচয় দি ইয়াৰ সৈতে লিপিৰ সম্পর্ক দেখুৱাই এটি টোকা লিখক।

প্রশ্ন ৪ ঃ বর্তমানো ভাষা প্রযুক্তিৰ জগতখনত অসমীয়া লিপিৰ স্বীকৃতি সম্পর্কে নিজৰ মতামত প্রকাশ কৰি এটি টোকা লিখক।

*** ***** ***

অধ্যায় ৮ ঃ পাঠ-সমীক্ষা ঃ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ পাঠ-সমীক্ষাৰ ঃ সাধাৰণ পৰিচয়
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৮.৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পাঠ সমীক্ষা বিষয়টো সম্পর্কে জানিব পাৰিব
- পাঠ সমীক্ষাৰ সংজ্ঞাৰ বিষয়ে বিভিন্ন সমীক্ষকৰ অভিমতৰ বিষয়ে জ্ঞাত হ'ব
- পাঠ সমীক্ষাৰ পৰিসৰ সম্পর্কে আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ প্রথম পাঠ্যবিষয়ৰ নাম 'লিপি আৰু পাঠ সমীক্ষা'। উভয় শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন প্রথম পাঠ্যবিষয়। পাঠ্যবিষয়ৰ এই অষ্টম অধ্যায়ৰ শিৰোনাম 'পাঠ সমীক্ষা ঃ সাধাৰণ পৰিচয়'। এই অধ্যায়টিত আপুনি পাঠ-সমীক্ষা বিষয়টোৰ এটি সাধাৰণ পৰিচয় লাভ কৰিব। সাহিত্যৰ ইতিহাস ৰচনাৰ ক্ষেত্রত আৰু প্রকৃত সাহিত্যৰ মূল্য নিৰূপণৰ ক্ষেত্রত পাঠ-সমীক্ষাৰ প্রয়োজনীয়তা যে উল্লেখযোগ্য এই বিষয়ে জানিব পাৰিব। পুৰণি পুথিসমূহৰ সমীক্ষাত্মক অধ্যয়নে সাহিত্যৰ নতুন দিশ উন্মোচন কৰাত সহায় কৰে। পুৰণি পুথিসমূহে ভাষা-সাহিত্য-সংস্কৃতিৰ ইতিহাস দাঙি ধৰাত এক বিশেষ ভূমিকা গ্রহণ কৰে। এই অধ্যায়টি অধ্যয়নৰ মাজেৰে আপুনি পাঠ সমীক্ষাৰ সাধাৰণ পৰিচয় লাভ কৰাৰ উপৰিও পাঠ সমীক্ষা সম্পর্কে বিভিন্ন সমীক্ষকে আগবঢ়োৱা সংজ্ঞা, পাঠ সমীক্ষাৰ পৰিসৰ আৰু পাঠ সমীক্ষাৰ প্রয়োজনীয়তা সম্পর্কে পৰিচয় লাভ কৰিব পাৰিব।

৮.৩ পাঠ সমীক্ষা ঃ সাধাৰণ পৰিচয়

পাঠ সমীক্ষা বিষয়টো অতি বিস্তৃত বিষয়। পাঠ সমীক্ষা হৈছে আধুনিক গৱেষণাৰ অন্তর্গত বিভিন্ন বিষয়ৰ ভিতৰত এক কঠিন আৰু অতি আকর্ষণীয় বিষয়। ইংৰাজীত এই বিষয়টোকে টেক্সুৱেল ক্রিটিচিজম্ (Textual criticism) বুলি কোৱা হয় আৰু তাকেই অসমীয়া ভাষাত পাঠ সমীক্ষা আখ্যা দিয়া হৈছে। ইয়াৰ সমপর্যায়ৰ আন এটা অসমীয়া আখ্যা হ'ল সমীক্ষাত্মক পাঠ অধ্যয়ন। এই পদ্ধতিৰ দ্বাৰা এটা বিশেষ কৌশল প্রয়োগ কৰি পুৰণি প্রাপ্ত পাঠসমূহ অধ্যয়ন কৰা হয়। পাঠ অধ্যয়ন কৰাৰ পাছত প্রাপ্ত প্রমাণৰ ওপৰত নির্ভৰ কৰি মূল পাঠৰ ওচৰ চাপিবলৈ যত্ন কৰা হয়। পুৰণি পুথিসমূহ পৰম্পৰাগতভাৱে হাত বাগৰি আহি থাকোতে নানা বিসংগতি আৰু বিকৃতিয়ে তাত ঠাই পায়। ফলত মূল পাঠৰ প্রকৃত ৰূপৰ পৰিৱর্তন ঘটে। সেয়েহে সমীক্ষাত্মক পাঠ অধ্যয়নৰ জৰিয়তে পুৰণি পাঠৰ যিমান দূৰ সম্ভৱ তাৰ মূল পাঠৰ প্রকৃত ৰূপ উদ্ধাৰ কৰিবলৈ



জানি থোৱা ভাল

পাঠ সমীক্ষাৰ মূল উদ্দেশ্য উৰ্— টেক্ষ্ট (ur-text) বা মূল লেখকৰ হাতৰ আখৰৰ নিকটতম ৰূপটো আৱিষ্কাৰ কৰা।

যত্ন কৰা হয়। মানৱ জীৱনৰ জ্ঞান আৰু শিক্ষাৰ পৰিপূর্ণতাৰ সহায়েৰে আৰু সূক্ষ্মাতিসূক্ষ্ম বিচাৰ-বিশ্লেষণেৰে কোনো প্রাচীন গ্রন্থকাৰৰ গ্রন্থ বিশেষৰ মূলৰ (ur-text) যিমান দূৰ ওচৰ চাপিবলৈ যত্ন বা প্রয়াস কৰা হয় আৰু তাৰ বাবে যি বিজ্ঞানসন্মত পদ্ধতি প্রয়োগ কৰা হয় সেই পদ্ধতিটোৱেই হ'ল পাঠ সমীক্ষা (Textual criticism)। গতিকে পাঠ সমীক্ষা পদ্ধতিটো হৈছে— গ্রন্থকাৰজনৰ মূল পাঠৰ ওচৰ চাপিবলৈ কৰা প্রচেষ্টাৰ এক প্রণালীবদ্ধ কৌশল।

আগতেই উল্লেখ কৰা হৈছে যে পাঠ সমীক্ষা বিষয়টো অতি বিস্তৃত বিষয়। এই পাঠ সমীক্ষা পদ্ধতিটোৰ দ্বাৰা কোনো এজন লেখকৰ তেওঁৰ জীৱন কালত প্রকাশ নোপোৱা আৰু স্ব-লিপি নথকা প্রাচীন গ্রন্থৰাজিকেই ইয়াৰ প্রধান বিষয় হিচাপে সামৰি লোৱা হয়। প্রাচীন অনুশাসন, প্রত্নলিপি, পেৰাকাকত, ৰাজকীয় কাগজ-পত্র, সাঁচিপাতৰ পুথি, মুদ্রালেখ, লেখকৰ অটোগ্রাফ, ছপাপুথি আৰু ব্যক্তিগত লিপিক ইয়াৰ গণ্ডীত সামৰি লোৱা হয়। আমাৰ দেশত সাধাৰণতে লেখকৰ জীৱিত কালত প্রকাশ নোপোৱা আৰু লেখকৰ স্বহস্তলিপি নথকা পুৰণি পুথিৰ পাঠকহে পাঠ সমীক্ষাৰ প্রধান বিষয় হিচাপে গণ্য কৰা হয়।

পাঠ সমীক্ষা বিষয়টোৰ পৰিসৰ অতি প্রাচীন আৰু বর্তমান সময়ো ইয়াৰ অন্তর্গত। পাঠ সমীক্ষা বিষয়টোৰ পৰিসৰ বৈদিক যুগৰ সাহিত্যৰ পৰা বর্তমান সময়ৰ বাতৰি কাকত আদিত লেখা সকলো ধৰণৰ লেখনিকে সামৰি ল'ব পৰা যায়। বর্তমান যুগৰ ছপাযন্ত্রত ছপা হৈ ওলোৱা পাঠবোৰৰ লগত আমাৰ সকলোৱে পৰিচয় আছে। কিন্তু বর্তমান সময়ৰ ছপাৰ ভুলবোৰ শুধৰাই লোৱা সহজ। ইয়াৰ কাৰণ হ'ল পাঠৰ লেখক, সম্পাদক নতুবা পাঠক এই সকলো কেইজনে একেখনে ব্যাকৰণ তথা একে অভিধানকে ব্যৱহাৰ কৰে আৰু তাৰ পদ্ধতি-নিয়মসমূহ মানি

চলে। তাৰ ফলস্বৰূপে নতুনকৈ পাঠ সম্পাদনা কৰোঁতে সম্পাদকে পাঠ সমীক্ষাৰ কাঠন প্ৰক্ৰিয়াসমূহ মানি চলিব লগা নহয়। কিন্তু হাজাৰ হাজাৰ বা শ শ বছৰ পুৰণি প্ৰাচীন পাঠসমূহত পাঠ বিকৃতি অথবা পাঠ প্ৰমাদৰ যথেষ্ট আশংকা থাকে। কেতিয়াবা এনে প্ৰাচীন পুথিৰ পাঠসমূহত পাঠ বিকৃতিৰ বাবে লেখকৰ লেখা আৰু ভাষাখিনিয়েই অশুদ্ধ হৈ পৰে। এই ক্ষেত্ৰত পাঠ সমীক্ষা পদ্ধতিৰ দ্বাৰা পাঠ উদ্ধাৰৰ ব্যৱস্থা নল'লে উপযুক্ত পাঠ এটি পাবলৈ কঠিন হৈ পৰে। গতিকে দেখা যায় নতুন পাঠৰ বাবে পাঠ সমীক্ষাৰ প্ৰয়োজনীয়তা যিমান, পুৰণি পুথিৰ ক্ষেত্ৰত পাঠ সমীক্ষা পদ্ধতিৰ প্ৰয়োগৰ প্ৰয়োজনীয়তা তাতোকৈ বহুত বেছি আৰু অধিক ফলপ্ৰসূ।

সমীক্ষাত্মক পাঠ অধ্যয়ন নতুবা পাঠ সমীক্ষা প্ৰাচীন পুথিসমূহৰ অধ্যয়নৰ এটা প্ৰণালীবদ্ধ পদ্ধতি। এই পদ্ধতিৰ সহায়ত কিছুমান নিয়ম-কৌশলৰ দ্বাৰা পুৰণি পাঠসমূহ অধ্যয়ন কৰা হয়। সেই অধ্যয়নৰ পৰা পোৱা তথ্যৰ ওপৰতে নিৰ্ভৰ কৰি মূল পাঠৰ (ur-text) ওচৰ চাপিবলৈ যত্ন কৰা হয়। সময় বাগৰি যোৱাৰ লগে লগে পুৰণি পুথিৰ পাঠ নকলকাৰৰ হাতত পৰি ই পাছৰ সময়ছোৱাত মূল পাঠৰ পৰা আহি কোনো কোনো ঠাইত বিকৃত হৈ পৰে। আনকি কোনো পুথিত নকলকাৰৰ হাত বাগৰি আহি আহি পাঠ অধিক বিকৃত হৈ মূল পাঠৰ প্ৰকৃত বিষয়কে সলনি কৰি পেলায়। এনে ক্ষেত্ৰত পাঠ সমীক্ষা পদ্ধতিৰ সহায়েৰে পুৰণি পুথিৰ প্ৰকৃত পাঠটোৰ ওচৰ চাপিবলৈ চেষ্টা কৰা হয়। সেয়েহে, পাঠ সমীক্ষা বা সমীক্ষাত্মক পাঠ অধ্যয়ন হৈছে গ্ৰন্থাকাৰৰ মূল ৰূপৰ ওচৰ চপাকৈ পাঠ উদ্ধাৰ কৰা এটা প্ৰণালীবদ্ধ কৌশল।

পাঠ সমীক্ষা সম্পৰ্কে বিশ্বৰ বিভিন্ন সমীক্ষাকে বিভিন্ন সংজ্ঞা দাঙি ধৰিছে। এই সম্পৰ্কত পাঠ সমীক্ষাৰ অন্যতম অগ্ৰণী প্ৰবক্তা প'ষ্টগেটে কৈছে যে— 'কোনো পাঠৰ যথাসম্ভৱ মূল ৰূপ নিৰ্ধাৰণৰ বাবে মানুহৰ জ্ঞান-প্ৰতিভাৰ বুদ্ধিনিষ্ঠ আৰু পদ্ধতিগত অনুশীলনেই হৈছে পাঠ সমীক্ষা'। তদুপৰি প'ষ্টগেটে পাঠ সমীক্ষা বিষয়টোক বিজ্ঞান আৰু কলাৰ সংমিশ্ৰণ বুলিও ভাবিছে। প'ষ্টগেটৰ মতে পাঠ সমীক্ষা এক বিজ্ঞান আৰু পাঠ পৰীক্ষণ আৰু মূল্যায়নক এই বিজ্ঞানে সহায় কৰে। বিজ্ঞান হিচাপে পাঠ সমীক্ষা পদ্ধতিক তিনিটা পৰ্যায়ৰ মাজেৰে নিৰীক্ষণ কৰা হয়। সেই কেইটা হ'ল— নিৰীক্ষণ, অনুশীলন আৰু সাব্যস্তকৰণ। গতিকে পাঠ সমীক্ষাৰ ক্ষেত্ৰত বিজ্ঞানৰ এই তিনিটা স্তৰ পাঠ সমীক্ষকে অনুশীলন কৰিবলগীয়া হয়। ই. জে. কেনে আৰু পল মাছেও মূলৰ নিকটতম পাঠ এটা প্ৰস্তুত কৰাকে পাঠ সমীক্ষাৰ প্ৰধান কাম বুলি যুক্তি আগবঢ়াইছে।

এনচাইক্লপেডিয়া আমেৰিকানাত পাঠ সমীক্ষাৰ সূত্ৰ এনেদৰে দিয়া হৈছে— 'ই এক বিজ্ঞান, যাৰ দ্বাৰা লেখকৰ সম্ভাব্য মূল কথাৰ যথাৰ্থতা, পূৰ্ণতা আৰু অবিকৃত ৰূপ নিৰ্ণয় হোৱাকৈ পুৰণি লেখাৰ পাঠ পৰীক্ষা কৰা হয়।' এনেবোৰ সংজ্ঞাৰ পৰা এনে এক সিদ্ধান্তত উপনীত হ'ব পাৰি যে আন আন বিজ্ঞানৰ দৰে পাঠ সমীক্ষাও এবিধ বিজ্ঞান; যাৰ সহায়ত পুৰণি পুথিৰ বা অভিলেখৰ প্ৰণালীবদ্ধ অধ্যয়ন আৰু তাৰ অবিকৃত ৰূপ নিৰ্ণয় কৰা হয়। পাঠ সমীক্ষাৰ ইয়েই মূল কথা। কিন্তু পাঠ সমীক্ষা বিজ্ঞানসন্মত বিষয় হ'লেও ই স্বয়ং সম্পূৰ্ণ বিজ্ঞান নহয়, কেইবাটাও বিজ্ঞানৰ সমষ্টিহে। এনচাইক্লপেডিয়া আমেৰিকানাত পাঠ সমীক্ষা সম্পৰ্কে কোৱা হৈছে যে—

'পাঠ সমীক্ষা হৈছে এক বিজ্ঞান, যাৰ সহায়ত সম্ভাব্য লেখকৰ মূল কথাৰ যথার্থতা, পূর্ণতা আৰু অবিকৃত ৰূপ নির্ণয় হোৱাকৈ পুৰণি লেখকৰ পাঠ-পৰীক্ষা কৰা হয়।' কোনো কোনো গৱেষকে আকৌ পাঠ সমীক্ষাক প্রাচীন লেখাসমূহৰ বিজ্ঞানসন্মতভাৱে কৰা এক প্রণালীগত অধ্যয়ন পদ্ধতি বুলি মতামত দাঙি ধৰিছে। পাঠ সমীক্ষাৰ অগ্রণী গৱেষক প'ষ্টগেটে আকৌ পাঠ সমীক্ষাক বিজ্ঞান আৰু কলা দুয়োটাৰে সংমিশ্রণ বুলি উল্লেখ কৰি গৈছে। বিজ্ঞান হিচাপে এই বিষয়টো লিপি বিজ্ঞান (Palaeography), পাণ্ডুলিপি তত্ত্ব (Manuscriptology), পুৰাতত্ত্ব বিজ্ঞান (Antiquarian science), ভাষাবিজ্ঞান (Linguistics), পাঠোদ্ধাৰ বিজ্ঞান (Epigraphy) আদি কেইবাটাও বিজ্ঞানৰ সমষ্টি। আনহাতে, পাঠ সমীক্ষা পাঠ পুনর্মূল্যায়ন (Recensio) আৰু পাঠ সংশোধন (Emendatio)— এই দুটা কলা বিভাগক সামৰি লোৱা এবিধ বিজ্ঞান। Art and Error গ্রন্থত এই বিষয়ে এনেদৰে কোৱা হৈছে— 'It is the science of discovering error in text and the art of removing it.' মুঠতে, ওপৰত উল্লেখ কৰা আটাইকেইটা দিশৰ সু-সমন্বয়তহে পাঠ সমীক্ষা বিষয়টো সু-প্রতিষ্ঠিত হৈছে।

বর্তমান সময়ত পাঠ সমীক্ষাৰ দৰে বিষয়টোৰ প্রাচ্য আৰু পাশ্চাত্য উভয়তে ব্যাপক প্রসাৰ আৰু সমাদৰ বাঢ়িছে। পুৰণি অভিলেখসমূহৰ ওচৰ চাপিবলৈ গৱেষকসকলৰ হাবিয়াসে আৰু এই বিষয়টোৰ প্রতি থকা আকর্ষণে পাঠ সমীক্ষা পদ্ধতিক এক লেখত ল'বলগীয়া অধ্যয়ন হিচাপে চিহ্নিত কৰা দেখা গৈছে। অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিবলৈ হ'লে নতুন সাহিত্য সৃষ্টিৰ লগতে পুৰণি পুথিৰ ইতিহাসকো সামৰি ল'ব লাগিব। আমাৰ পুৰণি পুথিৰ সংৰক্ষণ আৰু ইয়াৰ প্রণালীবদ্ধ পাঠোদ্ধাৰ কৰিব পাৰিলে প্রাচীন সাহিত্যৰ ভালেখিনি তথ্য সংগৃহীত হ'ব। পুৰণি পুথিৰ সংৰক্ষণৰ কোনো বিশেষ ব্যৱস্থা নথকাত কালৰ সোঁতত ভালেমান মূল্যবান পুথি হেৰাই যোৱা কথাটো পৰিতাপৰ বিষয়। বর্তমান বহু লেখক, পণ্ডিত, গৱেষকে পুৰণি পুথিৰ পাঠ উদ্ধাৰৰ বাবে যথেষ্ট অৰিহণা আগবঢ়াইছে। এনে ক্ষেত্রত বহু পুৰণি পুথিৰ মূলৰ ওচৰ চাপিবলৈ কৰা প্রয়াস আমাৰ সাহিত্যৰ বাবে গৌৰৱ তথা আশাৰ বতৰা।



জানি থোৱা ভাল

১। অসমৰ পুৰণি পুথিৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য হ'ল পুথিৰ চিত্র।
২। কাগজ আৰু কাগজ প্রস্তুত কৰা প্রণালী পূব-এছিয়াৰ পৰা, বিশেষকৈ চীন দেশৰ পৰা পৰিব্রাজক তথা বেহা-বেপাৰৰ যোগেৰে ভাৰতবর্ষলৈ আহিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পাঠ-সমীক্ষাৰ এটি সাধাৰণ পৰিচয় দাঙি ধৰক।
(১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ২ ঃ পাঠ-সমীক্ষাৰ সংজ্ঞাসমূহ দাঙি ধৰি পাঠ সমীক্ষাৰ বিষয়ে বিভিন্ন সমীক্ষকে দাঙি ধৰা অভিমতসমূহ প্ৰকাশ কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নৰ দ্বাৰা আমি পাঠ-সমীক্ষা বিষয়টো সম্পৰ্কে এটি পৰিচয় লাভ কৰিলোঁ।
- পাঠ-সমীক্ষা বিষয়টোৰ বিভিন্ন সংজ্ঞা সম্পৰ্কে তথ্য লাভ কৰিলোঁ।
- বিভিন্ন সমালোচক-গৱেষক-সমীক্ষকে পাঠ-সমীক্ষা সম্পৰ্কে আগবঢ়োৱা অভিমতৰ বিষয়ে জানিব পাৰিলোঁ।
- পাঠ-সমীজ্ঞাৰ পৰিসৰ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিলোঁ।



৮.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, সৰ্বেশ্বৰ (২০০৩); *অসমীয়া প্ৰাচীন লিপি, ডিব্ৰুগড় ঃ বনলতা*।

২) ঠাকুৰীয়া, ৰামচৰণ (২০০৪); *পাঠ-সমীক্ষাৰ প্ৰসংগত, গুৱাহাটী।*

৩) গোস্বামী, মালিনী (২০১৩); *পাঠ-সমীক্ষা সূত্ৰ আৰু প্ৰয়োগ বিধি, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ*।

৪) গোস্বামী, মঞ্জু (২০০২); *শ্ৰীশ্ৰী মাধৱদেৱৰ নাম মালিকা বৈজ্ঞানিক পদ্ধতিত সমীক্ষিত পাঠ,* গুৱাহাটী ঃ পুথি প্ৰকাশ।

৫) গোস্বামী, মঞ্জু (২০০৯); *চিন্তা-প্ৰৱাহ,* গুৱাহাটী ঃ আখৰ প্ৰকাশ।

৬) নেওগ, মহেশ্বৰ (১৯৮৪); *পাঠ সমীক্ষা;* ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ।

ইংৰাজী গ্ৰন্থ ঃ

১) Katre, S.M. (1954); Introduction to Indian Texual Criticism; Deccan College.



৮.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ পাঠ-সমীক্ষাৰ সাধাৰণ পৰিচয়.....ইংৰাজীত ইয়াক কি আখ্যা দিয়া হৈছে.....সাধাৰণ আলোচনা.....পুৰণি পুথিৰ পাঠ-সমীক্ষাৰ প্রয়োজন.....তাৰ এটি চমু আলোচনা।

২নং প্রশ্নৰ উত্তৰ ঃ পাঠ-সমীক্ষা সম্পর্কে আগবঢ়োৱা বিভিন্ন সমীক্ষকৰ অভিমত.....সংজ্ঞাসমূহৰ পৰিচয়.....বিজ্ঞান নে কলাৰ অন্তর্গত আদি অভিমত.....তাৰ এটি চমু আলোচনা।



৮.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ পাঠ-সমীক্ষা কাক বুলিলে কি বুজে? পাঠ-সমীক্ষাৰ বিষয়ে এটি সাধাৰণ পৰিচয় দাঙি ধৰক।

প্রশ্ন ২ ঃ পাঠ-সমীক্ষা সম্পর্কে বিভিন্ন সমীক্ষকে আগবঢ়োৱা সংজ্ঞাসমূহৰ এটি পৰিচয় দাঙি ধৰক।

প্রশ্ন ৩ ঃ পাঠ-সমীক্ষাৰ পৰিসৰ সম্পর্কে আলোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ পাঠ-সমীক্ষা বিজ্ঞান নে কলা শাখাৰ অন্তর্গত? পাঠ সমীক্ষাৰ প্রয়োজনীয়তা সম্পর্কে এটি আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ৯ ঃ পাঠ-সম্প্রেৰণ প্রক্রিয়া

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ পুৰণি পুথিৰ সাধাৰণ বৈশিষ্ট্য
৯.৪ লিখন সামগ্ৰী আৰু লিপিকাৰ
৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৬ অধিক জানিবলৈ
৯.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৯.৮ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পাঠ-সমীক্ষা বিষয়টোৰ অধ্যয়ন আগবঢ়াব পাৰিব
- পুৰণি হাতেলিখা সাঁচিপাত, তুলাপাত আদি পুথিৰ বিষয়ে জানিব পাৰিব
- পুৰণি পুথিৰ বৈশিষ্ট্য সম্পৰ্কে বিশ্লেষণ আগবঢ়াব পাৰিব
- লিখন সামগ্ৰী তথা লিপিকাৰ সম্পৰ্কে তথ্য আগবঢ়াব পাৰিব।

৯.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষাণ্মাসিকৰ শিক্ষাৰ্থীৰ বাবে আগবঢ়োৱা 'লিপি আৰু পাঠ সমীক্ষা' পাঠ্যবিষয়ৰ নৱম অধ্যায়টিৰ শিৰোনাম 'পাঠ-সম্প্রেৰণ প্রক্রিয়া'। এই অধ্যায়টিত আপুনি পাঠ-সম্প্রেৰণ প্রক্রিয়া বিষয়টোৰ এটি পৰিচয় লাভ কৰিব। আধুনিক গৱেষণাৰ নতুন নতুন সৃষ্টিসমূহৰ ভিতৰত পাঠ সমীক্ষা বিষয়টোৰ ভূমিকা যে অতি প্রয়োজনীয় এই অধ্যায়টিৰ জৰিয়তে আপুনি এই বিষয়ে ধাৰণা লাভ কৰিব পাৰিব। আমাৰ পুৰণি পুথিসমূহৰ সমীক্ষাত্মক অধ্যয়নে সাহিত্যৰ নতুন দিশ উন্মোচিত কৰিব পাৰে। পুৰণি পুথিসমূহে ভাষা-সাহিত্য-সংস্কৃতিৰ ইতিহাস উন্মোচিত কৰাত যথেষ্ট বৰঙণি আগবঢ়াব পাৰে। এই অধ্যায়টি অধ্যয়নৰ মাজেৰে পুৰণি পুথিৰ পাঠ উদ্ধাৰ, তাৰ বৈশিষ্ট্য, পুৰণি পুথিৰ লিখন সামগ্ৰী আৰু লিপিকাৰসকলৰ কষ্টসাধ্য পৰিশ্রমৰ বিষয়ে পৰিচয় লাভ কৰিব।

৯.৩ পুৰণি পুথিৰ সাধাৰণ বৈশিষ্ট্য

অতি প্ৰাচীন কালৰে পৰা ভাৰতীয় সমাজ জীৱনত পু�ৰণি পুথিৰ যথেষ্ট আদৰ আছিল। ভাৰতৰ পূৱ প্ৰান্তৰ অসমতো পুৰণি পুথিৰ যথেষ্ট আদৰ দেখা যায়। অসম দেশ পুৰণি পুথিৰ ক্ষেত্ৰত যথেষ্ট চহকী। এখন দেশ যিমান প্ৰাচীন আৰু উন্নত সেই দেশৰ সাহিত্যও সিমানেই চহকী। এখন দেশৰ তথা জাতিৰ উন্নতিৰ লগে লগে সাহিত্য-সংস্কৃতিও আগবাঢ়ে। এটা জাতি সময়ৰ সোঁততে নাইকিয়া হৈ গ'লেও তাৰ অৱশেষসমূহ ৰৈ যায় সাহিত্যৰ মাজেৰে। পুৰণি সাহিত্যৰ ওপৰত ভিত্তি কৰিহে আধুনিক সাহিত্যই গা কৰি উঠিব পাৰে আৰু গৌৰৱ কৰিব পাৰে। আধুনিক ছপাশাল আৱিষ্কাৰ হোৱাৰ আগলৈকে কবি-সাহিত্যিকসকলে জ্ঞানৰ বিভিন্ন দিশ সৰ্বসাধাৰণৰ মাজত প্ৰচাৰ কৰিবৰ বাবে হাতেৰে যিবোৰ গ্ৰন্থ লিখি থৈ গৈছিল সেইবোৰকে সাধাৰণ অৰ্থত পুৰণি গ্ৰন্থ বুলি অভিহিত কৰিব পাৰি। প্ৰাচীন লেখনীসমূহ মন্দিৰৰ গাত, শিলাখণ্ডত, ৰাজগৃহ, ৰাজকীয় ঘোষণা আদি লিখি প্ৰচাৰ কৰিছিল। প্ৰাচীন মঠ-মন্দিৰৰ শিলালেখ, তাম্ৰলিপি, পোৰমাটি, গছৰ বাকলি আদিকো ইয়াৰ অন্তৰ্ভুক্ত কৰিব পাৰি। পুৰণি পুথিৰ ভিতৰত *মহাভাৰত, ৰামায়ণ, ভাগৱত, পুৰাণ, পুৰাণৰ* বিভিন্ন খণ্ডৰ অনুবাদ, *মাৰ্কণ্ডেয় চণ্ডী, পদ্মপুৰাণ, কীৰ্ত্তন, দশম, ঘোষা, কথা-গীতা, কথা-ভাগৱত,* ৰজাঘৰীয়া বুৰঞ্জী আদিক সামৰি ল'ব পাৰি।

পাঠ সমীক্ষক এজনৰ বাবে ওপৰত উল্লেখ কৰা শিলালেখ, তাম্ৰফলি আৰু হাতেলিখা পুৰণি পুথিসমূহ হ'ল পাঠ অধ্যয়নৰ প্ৰধান সামগ্ৰী। পাঠ সমীক্ষকসকলে সেইবাবেই উক্ত সামগ্ৰীসমূহৰ বৈশিষ্ট্যসমূহ খৰচি মাৰি জনাটো বিশেষভাৱে প্ৰয়োজনীয় বিষয়। এইবোৰকে সমল হিচাপে লৈ সমীক্ষক এজনে পাঠ-সমীক্ষাৰ কামত আগবাঢ়িব পাৰে।

পুৰণি পুথিসমূহৰ কিছুমান সাধাৰণ বৈশিষ্ট্য আছে। পুৰণি হাতেলিখা পুথিসমূহত প্ৰথমে উপাস্য দেৱতাৰ নাম লিখি মূল পাঠ আৰম্ভ কৰা হয়। সাধাৰণতে 'শ্ৰী গণেশায় নমঃ' বুলি লিখি পুথিৰ কাম আৰম্ভ কৰা দেখা যায়। কোনো কোনো পুথি উপাস্য দেৱতা বিষ্ণু, শিৱ আৰু সৰস্বতী দেৱীৰ নামেৰেও আৰম্ভ কৰা দেখা যায়। তেনেদৰে ৰাজকীয় শাসন, তাম্ৰশাসন, পোৰামাটিৰ মোহৰ আদি 'ৎ' চিনেৰে আৰু 'শ্ৰী' আৰু 'ও' শব্দৰে আৰম্ভ হোৱা দেখা গৈছে।

পুথিসমূহত ছেদ আৰু যতি চিহ্ন বুজাবলৈ লোকসকলে কেতবোৰ নিয়ম মানি চলিছিল। অসমৰ হাতেলিখা পুথিত পদৰ যতি বুজোৱাত দণ্ড চিহ্ন দেখুওৱা হৈছিল। পৃষ্ঠা সংখ্যাও দ্বিতীয় পৃষ্ঠাৰ পৰা দিয়া হৈছিল। এটা শব্দ দুবাৰ ভুলক্ৰমে লিখিলে বা এৰি যোৱা শব্দ লিখিলে সৰু সৰু ফুট চিনেৰে (....) আবৰি থোৱা কথাটোও মন কৰিবলগীয়া। কিছুমান পুথিত কাঁকপাদ বা হংসপাদ (λ) চিন দি কাষত বা ওপৰত সেই শব্দ বা বাক্যটো ব্যৱহাৰ কৰা কথাটো পুৰণি হাতেলিখা পুথিবোৰৰ এটি মন কৰিবলগীয়া বৈশিষ্ট্য।



জানি থোৱা ভাল

পুৰণি হাতেলিখা পুথিসমূহত উপাস্য দেৱতাৰ নাম লিখি পাঠ আৰম্ভ কৰাটো এটা প্ৰধান বৈশিষ্ট্য।

অসমীয়া প্ৰাচীন পুথিবিলাকৰ মন কৰিবলগীয়া আন এটা বৈশিষ্ট্য হ'ল এই পুথিসমূহ বা চিত্ৰকলাসমূহ সাঁচি নামৰ এবিধ গছৰ বাকলিত লিখা বা আঁকা হৈছিল। সাঁচিপাততে লিখা এই পদ্ধতিটো আছিল বৰ কষ্টসাধ্য। সাঁচিপাতৰ বাহিৰেও তুলাপাত, বাঁহপাত আৰু মাদুৰি বনৰ দৰে পাতত পুথি নকল কৰা হৈছিল। পুথি লিখাৰ সঁজুলি আছিল কাপ, মহীচুঙা, কুটনী, আঁক মাৰি আৰু বিন্ধনা। পুথিখন সৰু-ডাঙৰ যিয়েই নহওক, তাক ঠিক মতে সংৰক্ষণ কৰি ৰাখিবৰ বাবে নকলকাৰসকলে বা লিখাৰুসকলে উচিত ব্যৱস্থা গ্ৰহণ কৰিছিল। পুথিৰ পৃষ্ঠাবোৰ সোলোক-ঢোলক হৈ ইফালে সিফালে যাব নোৱাৰাকৈ আৰু হেৰাই যাব নোৱৰাকৈ সযতনে ৰখা হৈছিল। পুথিৰ পাতবোৰ জাপি-জুপি কুটনীৰে জুখি মাজতে বিন্ধা এটা কৰি দিয়া হয়। পুথিৰ পাতবোৰৰ প্ৰতিটো পাতত সোঁমাজত ২.৫×২.৫ চেণ্টিমিটাৰ মান খালী ঠাই ৰাখি বিন্ধাটো কৰা হৈছিল। এই বিন্ধাটোক পুথিৰ 'নাভিৰন্ধ্ৰ' বা 'নাভি' বা 'নাই' নতুবা 'শলাবিন্ধা' বোলা হয়। 'নাভি' বা 'নাই'টোত জৰী সুমুৱাই পুথিখন কটকটীয়াকৈ বান্ধি থ'ব পাৰি। পুথি পঢ়িবৰ সময়ত বাঁহ বা লোহাৰ শলাত শৃংখলাবদ্ধভাৱে পাতবোৰ ভৰাই থ'ব পাৰি। পুথিৰ পাতবোৰ বান্ধি ৰখা হয় যদিও পঢ়িবৰ সময়ত খিলা খিলাকৈ বা খন খনকৈ উলিয়াই পঢ়িব লাগে। সেইবাবেই পুথি শব্দত সংখ্যাবাচক বিশেষণ নাইবা খন ব্যৱহাৰ কৰা হয়। পুথিৰ পাতবোৰ ঢিলাকৈ থ'লে হেৰোৱাৰ বা নষ্ট হৈ যোৱাৰ ভয়। লিপিকাৰসকলে সেইবাবে যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছিল। আমাৰ দেশত পুথিসমূহৰ সংৰক্ষণৰ আৰু তাৰ শুদ্ধ ৰূপ ৰক্ষাৰ ইংগিত বহন কৰে পুৰণি আপ্তবাক্যসমূহে। উদাহৰণ ঃ

চোৰাৎ ৰক্ষ জলাৎ ৰক্ষ ৰক্ষ মাং শ্লথ বন্ধনাৎ।
আখুভ্যঃ নৰহস্তেভ্যঃ এৱং বদতি পুস্তিকা।।

অৰ্থাৎ, 'চোৰৰ হাতৰ পৰা, পানীৰ পৰা, শিথিল বান্ধোনৰ পৰা আৰু মূৰ্খলোকৰ হাতৰ পৰা মোক ৰক্ষা কৰা— পুথিয়ে এইদৰে কয়।'

আকৌ— 'প্ৰণষ্টং স্মৰতি গ্ৰন্থং শ্ৰেষ্ঠং পুস্তকলেখকম্'; অৰ্থাৎ, 'গ্ৰন্থৰ নষ্ট হোৱা পাঠ যিজনে শুধৰাব পাৰে, তেওঁহে শ্ৰেষ্ঠ লেখক।'

পুৰণি পুথিসমূহৰ আন এটা বৈশিষ্ট্য হ'ল পাতবোৰ সহজে নষ্ট নহ'বলৈ পুথিখনৰ ওপৰ আৰু তল ভাগত ডাঠ আৱৰণ দি সযতনে ৰখাটো। কোনো কোনো মূল্যবান পুথিৰ বাবে পুথিৰ পাতৰ সমান জোখত কাটি কাঠৰ আৱৰণো দিয়া দেখা যায়। সেই কাঠৰ আৱৰণত শুৱনি দেখিবলৈ চিত্ৰ কাটি দি তাত ৰঙৰ প্ৰলেপ দিয়াও দেখা যায়। অসমৰ অনেক সত্ৰত এনে বৈশিষ্ট্যৰ অনেক পুথি পোৱা গৈছে। এইবোৰ সাধাৰণতে ৰঙা কাপোৰেৰে মেৰিয়াই সংৰক্ষণ কৰি থোৱা হয়।

পুথিৰ চিত্ৰ অসমৰ পুৰণি পুথিৰ আন এটা মন কৰিবলগীয়া বৈশিষ্ট্য। অসমত প্ৰাচীন কালৰে পৰাই যে চিত্ৰকলাৰ চৰ্চা আছিল ইতিমধ্যে উদ্ধাৰ হোৱা অনেক সচিত্ৰ পুথিয়ে তাৰ

প্রমাণ দাঙি ধৰে। এনে সচিত্র পুথিৰ উৎকৃষ্ট উদাহৰণ হ'ল— *চিত্র ভাগৱত* (দশম স্কন্ধ), *ভক্তি ৰত্নাৱলী, অজামিল উপাখ্যান, গীত গোবিন্দ, শংখচূড় বধ কাব্য, আনন্দ লহৰী, হস্তীবিদ্যার্ণৱ, বনমালীদেৱৰ চৰিত, বৃহৎ মৎস চৰিত, উষাহৰণ, সমুদ্র মন্থন* আদি। চিত্রবোৰত পশু-পক্ষী, গছ-লতা, ফুল-পাত, আকাশ, মেঘ, নদী, মানুহ আদি কলাসুলভভাৱে অংকন কৰা দেখা যায়। চিত্রকাৰসকলৰ এনে চর্চাই তেওঁলোকৰ শিল্পীমনক প্রতিফলিত কৰা দেখা যায়। ফুল-পাত আৰু লতাৰে চিত্র আঁকি সৌন্দর্য বঢ়োৱা লতাকটা পুথিও পুৰণি পুথিৰ ভিতৰত পোৱা যায়। এই চিত্রবোৰত প্রায়বোৰ ৰং ব্যৱহাৰ কৰিলেও হালধীয়া আৰু সেউজীয়া ৰঙৰ ব্যৱহাৰ বেছি। পুৰণি পদ্ধতিৰে চিত্রবোৰত হেঙুল, হাইতাল, নীল, কাজল, শিলিখা ৰস, খৰিমাটি আদি ব্যৱহাৰ কৰা হৈছিল। সিংহাসনত সিংহৰ ছবিৰ অধিক প্রয়োগ হৈছিল। কিন্তু *সমুদ্র মন্থন* নামৰ সচিত্র পুথিখনত পোৱা উটৰ ছবি এটা উল্লেখযোগ্য বৈশিষ্ট্য। হাইতাল পুথিচিত্রৰ বাবে ব্যৱহাৰ কৰা হৈছিল।

আন এটা বিশেষ বৈশিষ্ট্যপূর্ণ অংশ হ'ল পুথিৰ শেষত লিখকে লিখা নাম আদি। লিপিকাৰে পুথিৰ শেষত দিয়া ভনিতাত নিজৰ নাম-পৰিচয়, পুথিখন নকল কৰি উঠাৰ পাছত সমাপ্তিৰ দিন, বাৰ, তিথি, পক্ষ, মাহ, শক আদিও প্রায়ে উল্লেখ কৰে। লিপিকাৰসকলে প্রায়বোৰ পুথিতে পুথিত কৰা ভুল-ভ্রান্তিবোৰৰ বাবে ক্ষমা ভিক্ষা কৰা দেখা যায়। উদাহৰণ স্বৰূপে *মাধৱদেৱৰ নাম-মালিকা* গ্রন্থখনৰ নকলকাৰ বাঞ্ছিৎৰাম কায়স্থ ভূঞা নামেৰে অজ্ঞাত লোক এজনে পুথিখনৰ ৰচনা কাল সম্পর্কে নিজেই পুথিৰ শেষত উল্লেখ কৰিছে এনেদৰে —

ইতি নাম মালিকা পুস্তক সম্পূর্ণ।। সমাপ্ত।।

ইতি সক ১৮৯৭।। সন ১৩৪২।। ১৯ আষাৱত লিখা হ'ল।।

শ্রী মাধৱদেবৰ চৰনত নমস্কাৰ।।

লিখক বাঞ্ছিৎৰাম কায়স্থ ভূঞাৰ দোষ ক্ষেমা কৰিবা।।

কামৰূপ জিলাৰ চামতাৰ গুডাৰাম দত্ত মহন্তই গুৱাহাটী বিশ্ববিদ্যালয়ৰ হাতেলিখা পুথি বিভাগত এই হাতেলিখা পুথিখনি দান কৰিছিল। দান দিয়াৰ তাৰিখ উল্লেখ নাই।

কোনো কোনো নকলকাৰে পুথি নকল কৰাৰ কাৰণো ভণিতাত উল্লেখ কৰে। পুথি নকলকাৰজনৰ পৰিচয়, শক তাৰিখ আদিৰ পৰা পুথিৰ বয়স, সময়, লিপিকাৰৰ পাৰদর্শিতা, সেই অঞ্চল আৰু সমাজ, ধর্মীয় আৰু ৰাজনৈতিক পৰিবেশ আদি সম্পর্কে ধাৰণা কৰিব পাৰি।

পুৰণি পুথিৰ আখৰৰ ঠাঁচ পণ্ডিত হেমচন্দ্র গোস্বামীৰ মতে তিনিটা। সেই তিনিটা ঠাঁচ হ'ল ক্রমে গড়গঞা ঠাঁচ, বামুণীয়া ঠাঁচ আৰু লহকৰী বা কাইথেলী ঠাঁচ। লহকৰী ঠাঁচৰ আখৰবোৰ মুকুতাৰ দৰে সুন্দৰ আৰু ফটফটীয়া। বৃটিছে অসম দেশ অধিকাৰ কৰাৰ পাছত তুলাপতীয়া পুথিত এবিধ লতা আখৰো ব্যৱহাৰ কৰা হৈছিল। অসমীয়া আৰু মৈথিলী আখৰবো যথেষ্ট সাদৃশ্য থকা দেখা যায়। পুথিৰ আখৰ চাই তাক অসমীয়া পুথি নে মৈথিলী পুথি কোৱা টান। পণ্ডিত গৱেষকসকলৰ ধাৰণা যে মৈথিলী ভাষাৰ পুথিভঁৰালত বিচাৰিলে অসমীয়া হাতেলিখা পুথি ওলোৱাৰ সম্ভাৱনা অধিক।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পাঠ সমীক্ষাৰ এটি সাধাৰণ পৰিচয় দাঙি ধৰক। পুৰণি হাতেলিখা পুথিৰ বৈশিষ্ট্যসমূহ কি কি? (১৫০টা শব্দৰ ভিতৰত)

.....

৯.৪ লিখন সামগ্ৰী আৰু লিপিকাৰ

আৰম্ভণিতে পুৰণি পুথিৰ লিখন সামগ্ৰী আৰু লিপিকাৰসকলৰ সম্পৰ্কেও অধ্যয়ন কৰাৰ প্ৰয়োজন আছে। মানৱ জাতিয়ে সভ্যতাৰ পোহৰ পোৱাৰ লগে লগে তেওঁলোকৰ মনৰ ভাব-সৃষ্টিসমূহ লিপিবদ্ধ কৰিবলৈ বিভিন্ন প্ৰকাৰে যত্ন কৰিছিল। পৰ্বতৰ গাত, গুহাৰ বেৰত, শিলত খোদিত কৰি লিখন কাৰ্য আৰম্ভ কৰিছিল। পাছলৈ গছৰ ছাল, জন্তুৰ ছাল আদিও লিখাৰ বাবে ব্যৱহাৰ কৰিছিল। তাৰ পাছত মানৱ জাতিয়ে ধাতুকো লিখাৰ সামগ্ৰী হিচাপে গ্ৰহণ কৰিছিল। পোৰা মাটি, ইটা আদিও লিখন সামগ্ৰী হিচাপে লোৱা হৈছিল। ভাৰতৰ প্ৰায় সকলো ঠাইতে তালপাতত লিখা পুথি পোৱা গৈছে। ভাৰতৰ ভিতৰত এখন পুৰণি ৰাজ্য অসমত অতি পুৰণি কালৰে পৰাই তুলাপাতত লিখা প্ৰথা চলি অহাৰ প্ৰমাণ অনেক পুথিয়ে দাঙি ধৰে। অকল তুলাপাততে নহয়, কোমল বাঁহৰ চোঁচ উলিয়াই তাৰেও তুলাপাত প্ৰস্তুত কৰা হৈছিল। তুলাপাতৰ বাহিৰেও মাদুৰী বনৰ লেখীয়া পাতত পুথি লিখা হৈছিল। কিন্তু অসমত সাঁচিপাতত লিখা পুথি সকলোতকৈ প্ৰাচীন আৰু এই সাঁচিপাতত লিখা পুথি যাউতিযুগীয়া। সাঁচি নামৰ এবিধ গছৰ বাকলিৰ পৰা সাঁচিপাত লিখাৰ উপযোগী কৰি লোৱা হয়। বুঢ়া সাঁচি গছৰ বাকলি এৰুৱাই ধোঁৱাচাঙত থোৱা হয়। বাকলিবোৰ শুকালে এৰাতি নিয়ৰত তিয়াই কোমল হ'লে তাক চাঁচি জোখ মতে কাটি লোৱা হয়। পাছত চোকা কটাৰীৰে চাঁচি পাতবোৰ মিহি কৰা হয়। তাৰ পাছত ঝাওৰে পাতবোৰ মিহি কৰি শুকাই তাত হেঁচা দি থোৱা হয় আৰু শুকালে মাটিমাহৰ লেপ দি শুকাই পুনৰ ঘঁহি পাতবোৰ লিখাৰ বাবে উপযোগী কৰি তোলা হয়। ইয়াৰ পাছত পাতবোৰ জাপি, কুটনীৰে জুখি মাজত বিন্ধা কৰা হয়। এই বিন্ধাটোকে পুথিৰ 'নাভি' বা 'নাই' বোলা হয়। নাভিটোত জৰী সুমুৱাই টানকৈ বান্ধি ৰাখি পুথিখন বা পাতবোৰ সংৰক্ষণ কৰা হয়। এই কথা আগতে উল্লেখ কৰা হৈছে।

সাঁচিপাতৰ বাহিৰেও তুলাপাততো পুথি লিখা হৈছিল। গোবৰ আৰু কপাহৰ লগত বৰগছ, বেল আৰু কঁঠালৰ আঠাৰে মণ্ড তৈয়াৰ কৰি তাক সমান বহল তক্তাৰ ওপৰত মেলি দি আন এখন তক্তাৰে হেঁচা দি ৰখা হয়। পাতবোৰ শুকালে পুথিৰ জোখত কাটি লিখাৰ বাবে ব্যৱহাৰ কৰা হ'ল। তুলাপাতৰ পুথি বেছি দিনলৈ নিটিকে বাবে ইয়াৰ ব্যৱহাৰ সাঁচিপাততকৈ কম হোৱা দেখা যায়। ৰাজকীয় চিঠিপত্ৰ আৰু বিভিন্ন নথি পত্ৰ কপাহী কাপোৰত

লিখি সংৰক্ষণ কৰা হৈছিল। ফলকত লিখা ব্যৱস্থাত দক্ষিণ পূৱ-এচিয়াত আছিল। জন্তুৰ ছালো লিখন সামগ্ৰীত ব্যৱহাৰ কৰা হৈছিল কিন্তু ভাৰতত ইয়াক অপৱিত্ৰ জ্ঞান কৰি জন্তুৰ ছালত লিখা নহৈছিল।



জানি থোৱা ভাল

চীন দেশত ৰেশমী কাপোৰক লিখন সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা হৈছিল।

লিখন সামগ্ৰী তথা সঁজুলি আছিল কাপ, মহীচুঙা, নল, ইকৰা, খাগৰি, বাঁহ, কাঠ আৰু চৰাইৰ পাখি। শিলত লিখিবৰ বাবে হাতুৰী-বটালি আদি ব্যৱহাৰ কৰিছিল। পুথি আদিত লিখিবৰ বাবে 'মহী' ব্যৱহাৰ কৰিছিল। 'মহী' বা চিয়াঁহী প্ৰস্তুত কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল। চৰুৰ ছাই বা বৰা চাউলৰ ছাই, কেঁহৰাজৰ ৰস, গৰুৰ মূত, শিলিখা, আমৰ ছাল, জামুকৰ ছাল আদি কেৰাহীত সিজাই মাটিৰ চৰুত ভৰাই নিয়ৰত থৈ দিয়ে। চৰুটো ঘামি যি ৰস নিগৰি ওলায় তাকে মহী হিচাপে ব্যৱহাৰ কৰে আৰু তাক বাঁহৰ চুঙাত সযতনে ৰখা হয়। এনে ধৰণে প্ৰস্তুত কৰা মহী বহু বছৰলৈ মচ নোযোৱাকৈ পুথিত ফটফটীয়া হৈ থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ পুৰণি পুথিৰ লেখন সামগ্ৰী সম্পৰ্কে এটি আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৩ ঃ লিপিকাৰ সকলে কেনেদৰে কষ্টসাধ্য পাঠ প্ৰস্তুত কৰিছিল আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

.....

বিভিন্ন ধাতুকো লিখন সামগ্ৰীৰ বাবে লোৱা হৈছিল। ৰূপৰ মোহৰ, তাম্ৰপাত আদিও লেখন সামগ্ৰীত ব্যৱহাৰ কৰা হৈছিল। তদুপৰি শিলৰ বেৰ, পৰ্বতৰ গাত, মসৃন শিলৰ গাত, গুহাৰ কোমল শৈলবেৰত প্ৰথম অৱস্থাত লিখন পদ্ধতি আৰম্ভ হৈছিল। হাতুৰী, বটালি আদিৰে শিলাপৃষ্ঠত আখৰ লিখা কামটো অতিকৈ কষ্টকৰ আছিল। তথাপিতো প্ৰাচীন ৰজা-মহাৰজাসকলৰ দান ফলিসমূহত শিলাখণ্ডকে লিখন পদ্ধতিৰ আহিলা হিচাপে গ্ৰহণ কৰা হৈছিল।



জানি থোৱা ভাল

ৰাজকীয় জাননী, মন্দিৰ, ৰাজগৃহ, দানকৰা মাটিৰ সীমা, ৰাজ্য জয়ৰ জাননী আদি প্ৰাচীন অসমৰ ৰজাসকলে শিলাখণ্ডত লিখি ৰাইজক অৱগত কৰাইছিল।

তামৰ ফলিৰ বাবে কমাৰে লিখনী লেখিছিল। শিলৰ ফলিৰ বাবে শিলাকুটিয়ে হাতুৰী, বটালীৰে আখৰ লিখিছিল। এনেবোৰ কার্য আৰু লিখন সামগ্ৰী অতি কষ্টসাধ্য আছিল।

তথাপিতো লিপিকাৰসকলৰ দৃষ্টিভ্ৰম আৰু মতিভ্ৰমৰ বাবে সি মূল লেখকৰ পুথিৰ পৰা ভালেখিনি আঁতৰি আহিছিল। ভাৰতবর্ষত বিভিন্ন কাৰণত পুথি নকলৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে অসমতো পুথি নকল কৰি দান দিয়াৰ প্ৰচলন আছিল। পুৰাণ, ইতিহাস আদি নকল কৰিলে শ্ৰীবৃদ্ধি হোৱাৰ কামনাতে অনেক পুথি নকলকাৰসকলে লিখি উলিয়াইছিল। কিন্তু দুখৰ বিষয় এয়ে বহু প্ৰাচীন পুথিৰ বিলোপ ঘটিছে। তাৰ কাৰণ সমূহ এনে ধৰণৰ— যুদ্ধ-বিগ্ৰহ, প্ৰাকৃতিক দুর্যোগ, বানপানী, ৰ'দ, বৰষুণ, ভূমিকম্প, অগ্নি, সেমেকা জলবায়ু আদি কাৰণত বহুতো পুথি নষ্ট হয়। এন্দুৰ, ডালশলিয়া, পঁইতাচোৰা, উঁইপোক আদিৰ আক্ৰমণ, বিধর্মী লোকৰ আক্ৰমণ, চোৰৰ উপদ্ৰৱ আদি কাৰণতো ভালেমান হাতেলিখা পুথি ধ্বংসপ্ৰাপ্ত হয়। পণ্ডিত লোকৰ মূর্খ পুত্ৰৰ হাতত পৰি, ৰোগাদিৰ পৰা ৰক্ষা পাবলৈ নৈত উটাই দিয়াৰ ফলতো বহুতো পুথি ধ্বংস হয়। অসমত বর্তমান যিখিনি পুৰণি পুথি আছে সেইবোৰৰ পাঠ-সমীক্ষা পদ্ধতিৰে মূলৰ ওচৰ চাপিবলৈ আৰু সিবোৰত ঘটা প্ৰমাদবোৰ আঁতৰাবলৈ যত্ন কৰা উচিত আৰু তেতিয়াহে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী হ'ব বুলি আশা কৰিব পাৰি।

সংস্কৃতিবান সমাজত লিপিকাৰসকলৰ ভূমিকা অতি গুৰুত্বপূর্ণ আছিল। অনুশাসন, ৰাজকীয় নথি-পত্ৰ আদিকে ধৰি বিভিন্ন দিশৰ লিপিকাৰসকলক বিশেষ বিশেষ নামকৰণ কৰা হৈছিল। লিখন কার্যত নিযুক্তসকলক লেখক বা লেখাৰু বোলা হৈছিল। যিয়ে প্ৰথমতে লিখিছিল তেওঁক লেখক, লেখোঁতা নতুবা লেখাৰু বোলা হৈছিল। লেখাৰু পদে নকলকাৰক বুজাইছিল। পুথি লেখকসকলে নানান পৰিশ্ৰম কৰি সাঁচিপাততে নিমজ মলখু যেন আখৰেৰে পুথিসমূহ নকল কৰিছিল। এই লিপিকাৰসকলে কেনেদৰে কষ্টৰ মাজেৰে একোখন পুথি বা যাৱতীয় নথি-পত্ৰ নকল কৰি উলিয়াইছিল সেয়া আদিৰ ছপা যন্ত্ৰৰ যুগত ভাবিলে আচৰিত হোৱাৰে কথা। পুথি একোখন নকল কৰি উলিয়াওতে দীর্ঘদিনৰ পৰিশ্ৰম, লেখকৰ নিজস্ব জ্ঞান-বুদ্ধি সকলো বিলাকেই তাত অন্তর্ভুক্ত হৈছিল। লেখকে কঁকাল কুঁজাকৈ গলধন চপৰাই, বুকু থৰকৈ, তললৈ মূৰ কৰি বৰ দুখেৰে, গজমুঠীয়া কাপেৰে পুথি একোখন লিখি 'পুত্ৰৰ দৰে পালন কৰিব বুলি' শ্লোকটি লিখি লেখাওঁতাজনলৈ আৰু পঢ়োঁতাসকললৈ বৰ আশাৰে অর্পণ কৰিছিল—

'ভগ্ন পৃষ্ঠ কটি গ্ৰীৱ স্তব্ধ দৃষ্টি ধৃত ব্ৰত
যত্নেন লিখিতাং পুস্তকং পুত্ৰৱৎ প্ৰতিপালয়েৎ।'

পুথি নকল কৰা পৰম্পৰা অতি প্ৰাচীন কালৰে পৰা বিশ্বত প্ৰচলন হৈ আহিছে। প্ৰাচীন ভাৰতীয় সমাজৰ দৰে অসমতো পুথি নকল কৰাটো অতি পুণ্যৰ কাম বুলি মানি অহা হৈছিল—

পুৰাণং ভাৰতং ৰাপি ৰামায়াণম্ অথাপি ৰা।
লিখিত্বা পুস্তকং দত্ত্বা ভক্তি মুক্তিমৰাপ্নুয়াৎ।।

এনে আপ্তবাক্যৰ প্ৰচলন থকাৰ ফলত পুৰণি হাতেলিখা পুথিৰ সংখ্যাও যথেষ্ট বাঢ়িছিল। লিপিকাৰসকলে যথেষ্ট নিষ্ঠাৰে পুথি নকল কৰিলেও হাত বাগৰাৰ ফলত পুথিৰ পাঠ বিকৃত হয়। পাঠ সমীক্ষাৰ মূল উদ্দেশ্য যিহেতু 'উৰ্ টেক্ষ্ট' (ur-text) বা গ্ৰন্থকাৰৰ হাতৰ নিকটতম ৰূপটো আৱিষ্কাৰ কৰা সেয়ে লিপিকাৰসকলে পুথিৰ শেষত নিজৰ ওপৰতে বিশ্বাস ৰাখি সযৌক্তিক পদ এফাঁকিৰে মাৰ্জনা বিচাৰে—

ভীমস্যাপি ৰণে ভঙ্গো মুনিনাঞ্চ মতিভ্ৰমঃ।
যথা দৃষ্টং তথা লিখিতং লেখকে নাস্তি দুষনম্।।



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পাঠ-সম্প্রেৰণ প্ৰক্ৰিয়াটোৰ বিষয়ে পৰিচয় লাভ কৰিলোঁ।
- পুৰণি হাতেলিখা পুথিৰ বৈশিষ্ট্য আৰু সেইবোৰৰ সম্পাদনাৰ বাবে পাঠ সমীক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে জানিব পাৰিলোঁ।
- হাতেলিখা পুথিৰ লেখন সামগ্ৰী যেনে ঃ সাঁচিপাত, তুলাপাত, শিলালেখ, পৰ্বতৰ গুহা, তাম্ৰপত্ৰ, ৰূপৰ মুদ্ৰা আদিৰ সম্যক জ্ঞান লাভ কৰিলোঁ।
- সাঁচিপাত প্ৰস্তুতকৰণ, তুলাপাত প্ৰস্তুতকৰণ, মহী বা চিয়াহী প্ৰস্তুত কৰণ, চৰাইৰ পাখি, ইকৰা, খাগৰি আদিৰ ব্যৱহাৰৰ বিষয়ে জ্ঞান লাভ কৰিলোঁ।
- পাঠ সমীক্ষা পদ্ধতিৰে প্ৰাচীন পুথিৰ ইতিহাস ৰচনাৰ ক্ষেত্ৰত অৰিহণাৰ বিষয়ে জানিব পাৰিলোঁ।
- লিপিকাৰসকলে কষ্ট সাধ্য পাঠ প্ৰস্তুত কৰাৰ বিষয়ে অৱগত হ'লোঁ।



৯.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, স্নিগ্ধা (২০১৫); অনুবাদ আৰু সাহিত্যৰ অন্যান্য প্ৰসংগ; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২) গোস্বামী, মঞ্জু (২০০২); শ্ৰীশ্ৰী মাধৱদেৱৰ নাম মালিকা; গুৱাহাটী ঃ পুথি প্ৰকাশ।

৩) গোস্বামী, মালিনী (২০১৩); পাঠ সমীক্ষাৰ সূত্ৰ আৰু প্ৰয়োগবিধি, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) ডেকা, উমেশ আৰু ৰায়, নীলমোহন (সম্পা.) (২০০০); সাহিত্য সমগ্ৰ, গুৱাহাটী ঃ নৱজীৱন প্ৰকাশ।

৫) ঠাকুৰীয়া, ৰামচৰণ (২০০৪); পাঠ সমীক্ষাৰ প্ৰসংগত; গুৱাহাটী

৬) নেওগ, মহেশ্বৰ (১৯৮৮); পাঠ সমীক্ষা; ডিব্ৰুগড় বিশ্ববিদ্যালয়।

৭) ফুকন পাটগিৰি দীপ্তি (সম্পা.) (২০০৫); অসম সাহিত্য সভা পত্ৰিকা, যোৱহাট ঃ অসম সাহিত্য সভা।

ইংৰাজী গ্ৰন্থ ঃ

1. Mukherji, Anima (2001) : Punthi Path Sampadana Riti Book Fair, Dr. S. C. Banerjee Road, Kolkata, Kolkata Book Fair (1st published)

৯.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ-সমীক্ষাৰ সাধাৰণ পৰিচয়.....পাঠ-সম্প্রেৰণ মানে.....পুৰণি হাতেলিখা পুথিৰ সাধাৰণ বৈশিষ্ট্য.....তাৰ এটি চমু আলোচনা।

২নং প্ৰশ্নৰ উত্তৰ ঃ পুৰণি পুথিৰ বাবে ব্যৱহাৰ কৰা লেখন সামগ্ৰীৰ এটি পৰিচয়.....তাৰ প্ৰস্তুত কৰণ পদ্ধতি মহী, হাতুৰী, বটালী, খাগৰি, বাঁহৰ চুঙা আদিৰ প্ৰস্তুত কৰণ.....ব্যৱহাৰ আদিৰ আলোচনা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ লিপিকাৰসকলক কি বোলা হৈছিল?.....পুথি লিখোঁতে কৰা তেওঁলোক পৰিশ্ৰম.....মার্জনা বিচৰা, পাঠ প্ৰমাদ.....আদিৰ চমু আলোচনা।

৯.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ পাঠ সমীক্ষা বিষয়টিৰ এটি পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ পুৰণি পুথিৰ বৈশিষ্ট্যসমূহ কেনে ধৰণৰ? পুৰণি পুথিসমূহৰ সম্পাদনাত কেনে ধৰণৰ অসুবিধা বা সমস্যাৰ সৃষ্টি হয় আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ পুৰণি পুথিত কেনে ধৰণৰ লেখন সামগ্ৰী ব্যৱহাৰ কৰা হৈছিল আৰু প্ৰস্তুতকৰণৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ সাঁচিপাতবোৰ লেখাৰ উপযোগী কৰি তুলিবলৈ প্ৰস্তুত কৰা পদ্ধতি সম্পৰ্কে এটি

আভাস দাঙি ধৰক।

প্রশ্ন ৫ ঃ পাঠ প্রস্তুত কৰিবৰ বাবে লিপিকাৰসকলে কেনেদৰে পৰিশ্রম কৰিছিল আৰু কেনেদৰে পাঠ প্রস্তুত কৰিছিল?

প্রশ্ন ৬ ঃ মহী কেনেদৰে প্রস্তুত কৰা হৈছিল আৰু চিত্রসমূহত ৰং ব্যৱহাৰ কৰিবলৈ কিদৰে ৰং প্রস্তুত কৰা হৈছিল তাৰ আলোচনা আগবঢ়াওক।

প্রশ্ন ৭ ঃ সাহিত্যৰ ইতিহাস ৰচনাৰ ক্ষেত্রত পাঠ সমীক্ষাই কেনেদৰে সহায় কৰিব পাৰে তাৰ এটি আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ১০ ঃ পাঠ-প্রমাদ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ পাঠ-প্রমাদৰ অর্থ
১০.৪ পাঠ-প্রমাদৰ বিভিন্ন কাৰণসমূহ
১০.৫ পুৰণি পুথি আৰু পাঠ-প্রমাদ
১০.৬ পাঠ-প্রমাদৰ নিৰাকৰণ
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পাঠ সমীক্ষা বিষয়টিৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- পাঠ-প্রমাদৰ অর্থ জানিব পাৰিব
- পুৰণি হাতেলিখা হোৱা পুথিত পাঠ-প্রমাদ বা পাঠ বিকৃতিৰ কাৰণসমূহ জানিব পাৰিব
- পুৰণি পুথিৰ পাঠ-প্রমাদ সম্পর্কে জ্ঞাত হ'ব
- বিভিন্ন পদ্ধতিৰে পাঠ সমীক্ষা বিষয়টিক কেনেদৰে আগবঢ়াই নিব তাৰ বিষয়ে জ্ঞাত হ'ব
- পাঠ সমীক্ষাৰ প্রয়োজন সম্পর্কে বিশ্লেষণ কৰিবলৈ সমর্থ হ'ব

১০.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন প্রথম পাঠ্যবিষয়। এই পাঠ্য বিষয়ৰ শিৰোনাম 'লিপি আৰু পাঠ সমীক্ষা'। পাঠ্যবিষয়ৰ এইটো দশম অধ্যায়। ইয়াৰ শিৰোনাম 'পাঠ-প্রমাদ'।

এই অধ্যায়টিত আপুনি পুৰণি পুথিৰ পাঠ সমীক্ষাত থকা পাঠ-প্রমাদ অথবা পাঠ বিকৃতিৰ বিষয়ে পৰিচয় লাভ কৰিব। পাঠ-প্রমাদৰ বিভিন্ন কাৰণ সম্পর্কেও জ্ঞান লাভ কৰিব পাৰিব। পুৰণি কালত বর্তমান যুগৰ দৰে ছপাশাল নাছিল। যাৰ ফলত হাতেলিখা পুথিৰ প্রসাৰ ঘটিছিল।

হাতেলিখা পুথিসমূহৰ বিভিন্ন বিকৃতি কেনেদৰে হয় তাক নিৰাময় কৰাটো প্ৰয়োজন। সেয়েহে, পাঠ সমীক্ষা পদ্ধতিত বিভিন্ন প্ৰক্ৰিয়াৰ প্ৰয়োগ ঘটিছে। এই অধ্যায়টিত পাঠ সমীক্ষকে পাঠ-প্ৰমাদৰ ক্ষেত্ৰখন নিৰাকৰণ কৰিবলৈ গ্ৰহণ কৰা বিভিন্ন পদ্ধতিৰ সৈতে আপুনি পৰিচয় লাভ কৰিব।

তদুপৰি, সাহিত্যৰ ইতিহাস ৰচনাৰ ক্ষেত্ৰত পাঠ সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কেও আপুনি জানিব পাৰিব। লগতে পাঠ সমীক্ষাৰ উপস্থাপন পদ্ধতিৰ সৈতেও আপুনি পৰিচয় লাভ কৰিব পাৰিব।

১০.৩ পাঠ-প্ৰমাদৰ অৰ্থ

পাঠ-সমীক্ষাৰ মূল উদ্দেশ্য উৰ্-টেক্ষ্ট (ur-text) বা গ্ৰন্থকাৰৰ মূলৰ নিকটতম ৰূপ এটা আৱিষ্কাৰ কৰা। পুৰণি পুথিসমূহৰ লিপিকাৰ বা নকলকাৰসকলে পুথি নকল কৰোঁতে জ্ঞাত বা অজ্ঞাতভাৱে পাঠত নানান বিকৃত ৰূপ গ্ৰহণ কৰা দেখা যায়। লিপিকাৰ বা নকলকাৰসকলে যথেষ্ট কষ্ট স্বীকাৰ কৰি পাঠ নকল কৰোঁতে হাত বাগৰি যাওঁতে মূল পুথিৰ পাঠৰ পৰিৱৰ্তন ঘটে। বহুক্ষেত্ৰত মূল পাঠৰ পৰা নকলৰ পৰা নকল কৰোঁতে পাঠ বিকৃত হৈ পৰে। শিক্ষিত আৰু অশিক্ষিত দুয়ো শ্ৰেণীৰ নকলকাৰক হাতত পৰি পাঠ-বিকৃত বা পাঠ-প্ৰমাদ হ'ব পাৰে। দুয়ো শ্ৰেণীয়ে জানি বা অজ্ঞাত বশতঃ পাঠত ভুল কৰা দেখা যায়। লিপিকাৰসকলে আখৰবোৰ যেনেদৰে দেখিছে তেনেদৰে লিপিবদ্ধ কৰা বুলি যুক্তিৰে মাৰ্জনা বিচাৰে। এনেদৰে পাঠ-প্ৰমাদ ঘটিব বাৰে বুলি ভবা লিপিকাৰসকলে পুথিৰ শেষত এনেদৰে ক্ষমা বিচাৰে —

ভীমস্যাপি ৰণে ভংগো মুণিনাঞ্চ মতিভ্ৰমঃ।
যথা দৃষ্টং তথা লিখিতং লিখকে নাস্তি দুষণম।।

পুৰণি পুথিৰ অসমীয়া ভাষাৰ বৰ্ণ বিন্যাসত অনুশাসন নাছিল— এনে নহয়। একেটা শব্দকে ভিন্ ভিন্ ৰূপত লিখাটো লিপিকাৰ অজ্ঞতাৰ চিন মাথোন। পাঠ-সংযোজনৰ দ্বাৰাও মূল পাঠ বিকৃত হ'ব পাৰে। পুথিৰ পাঠৰ বাহিৰেও শৈললেখ, তাম্ৰলেখ আদিৰো পাঠ-বিকৃত হ'ব পাৰে। এনেদৰে জ্ঞাত-অজ্ঞাতভাৱে, লিপিকাৰ নিজস্ব বুদ্ধিমত্তাৰ বাবে বা বিভিন্ন কাৰণত পাঠ-প্ৰমাদ ঘটিব পাৰে। মূল পাঠৰ পৰা এনেদৰে পাঠ-বাগৰি আহোঁতে পাঠৰ যি বিকৃত ৰূপ হয় তাকে পাঠ-প্ৰমাদ বুলিব পাৰি।

১০.৪ পাঠ-প্ৰমাদৰ বিভিন্ন কাৰণসমূহ

পুৰণি কালত আজিৰ দৰে ছপাশালৰ ব্যৱস্থা নাছিল। ফলত হাতেলিখা পুথিৰেই প্ৰচলন আছিল আৰু তাৰ প্ৰসাৰো ঘটিছিল। পুৰণি পুথিৰ হাতেলিখা পাঠসমূহ সাধাৰণতে দুটা ৰূপত ভাগ কৰিব পাৰি— অটোগ্ৰাফ বা স্বহস্তলিখিত পাঠ আৰু ট্ৰেন্সমিটেড বা সম্প্ৰেৰিত পাঠ। নিজ হাতেৰে লিখা বা লেখকজনৰ তত্ত্বাৱধানত আনৰ হতুৱাই প্ৰস্তুত কৰা পাঠটো হ'ল স্বহস্তলিখিত

পাঠ আৰু সেই পাঠৰ পৰা নকল বা নকলৰ পৰা নকল কৰি প্ৰস্তুত কৰা পাঠটো হ'ল সম্প্ৰেৰিত পাঠ। পুথি নকল কৰোঁতে সম্প্ৰেৰিত পাঠৰ সংখ্যা বাঢ়ি গৈ থাকে আৰু তাত নতুন নতুন কথা সোমাই থাকে। বহু সময়ত পাঠবোৰ ছন্দ-অলংকাৰেৰে ভৰি পৰে। একেখন গ্ৰন্থৰ পৰা সৃষ্টি হোৱা বিভিন্ন পাঠৰ ভিতৰত যিটো পাঠৰ কলেবৰ আটাইতকৈ সৰু আৰু অলংকাৰ আদি কম তাক কোৱা হয় টেক্সাছ চিম্প্লিচিওৰ বা নিৰলংকৃত পাঠ। যিটো পাঠ কলেবৰত ডাঙৰ, অলংকাৰেৰে পৰিপূৰ্ণ তাক কোৱা হয় টেক্সাছ অৰ্ন্যাছিওৰ বা অলংকৃত পাঠ।


পুৰণি পুথিৰ সম্প্ৰেৰিত পাঠসমূহত অনেক সময়ত বিভিন্ন কাৰণত অনেক প্ৰমাদ বা পাঠ বিকৃতি হোৱা পৰিলক্ষিত হয়। গতিকে পুৰণি পাঠৰ হস্তলিখিত পৰম্পৰাত যিবোৰ ভুল বা পাঠৰ বিকৃতি সেইবোৰ আঁতৰ কৰি মূল পাঠৰ ওচৰ চপাটো পাঠ-সমীক্ষকৰ কৰ্তব্য আৰু দায়িত্ব। সেয়েহে পাঠত সোমোৱা বিকৃতিৰ স্বৰূপ তথা কাৰণ জনাটো প্ৰয়োজনীয়। পাঠ সমীক্ষকৰ প্ৰধান কাম হ'ল পাঠৰ তেনে বিকৃতিসমূহ আঁতৰাই মূল পাঠ উদ্ধাৰ কৰাটো। পুথি নকল কৰোঁতাজন শিক্ষিত বা অশিক্ষিত হ'লেও তেওঁলোকৰ জ্ঞাতে বা অজ্ঞাতে পুথিত অনেক প্ৰমাদ ঘটে। পাঠ-প্ৰমাদ তিনি প্ৰকাৰৰ হ'ব পাৰে। উদাহৰণ ঃ (১) লিপিকাৰৰ দৃষ্টিগত ভুলৰ বাবে (২) লিপিকাৰৰ মনোগত ভুলৰ বাবে আৰু (৩) শ্ৰুতিগত ভুলৰ বাবে পাঠ-বিকৃত হ'ব পাৰে। এনে ভুল অথবা প্ৰমাদ ঘটি পাঠৰ বিকৃতি ঘটাৰ কাৰণ উলিওৱাটো সহজ কথা নহয়। লেটিন গ্ৰন্থৰ সমালোচক এফ ডব্লিউ হলে তেওঁৰ 'Companion to Latin Studies' নামৰ গ্ৰন্থত পুথিৰ তেনে ভুলৰ কাৰণসমূহ নিৰ্ধাৰণ কৰিছে আৰু পৰৱৰ্তী পাঠ সমীক্ষকসকলে সেই কাৰণবোৰ মানি পাঠ সমীক্ষা পদ্ধতিত অগ্ৰসৰ হোৱা দেখা গৈছে। তেনে ভুলবোৰৰ বিভিন্ন কাৰণবোৰ হ'ল এনে ধৰণৰ—

(১) আখৰৰ গঢ় সম্পৰ্কে থকা অনভিজ্ঞতাৰ বাবে,
(২) সাদৃশ্য থকা শব্দৰ খেলিমেলি,
(৩) বৰ্ণ বিলুপ্তি,
(৪) পুথিত থকা আখৰৰ লগত অধিক আখৰৰ সংযোগ,
(৫) বৰ্ণ বিপৰ্যয়,
(৬) অঞ্চলবিশেষে নকলকাৰে কৰা উচ্চাৰণৰ প্ৰভাৱ,
(৭) আখৰৰ সালসলনি,
(৮) সমাৰ্থক শব্দৰ প্ৰয়োগ,
(৯) কম ব্যৱহৃত আখৰৰ সলনি সদা ব্যৱহৃত আখৰৰ প্ৰয়োগ,
(১০) পুৰণি বৰ্ণ বিন্যাসৰ সলনি নতুন আখৰ জোঁটনি,
(১১) প্ৰক্ষেপ (interpolation) বা নজনাকৈ কৰা ভুল সংশোধনীৰ চেষ্টা,
(১২) অজ্ঞাতভাৱে কৰা ভুলৰ সংশোধন,
(১৩) ওচৰা-উচৰিকৈ থকা আখৰ পৃথক কৰাৰ ব্যৱস্থা,
(১৪) সাধাৰণ তৰপৰ লোপ (lipography, parablepsia),
(১৫) দ্বিলেখন (dittography),

(১৬) বাহিৰাৰোপ (adscripts) পুথিৰ পাতৰ কাষত লিখা আখৰ পুথিৰ মাজৰ শাৰীত সুমুৱাই দিয়া,

(১৭) মিশ্রিত পাঠ (conflated reading), আৰু

(১৮) ভিন্ ভিন্ পাঠৰ সংযোজন আদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ পাঠ-প্রমাদৰ বিভিন্ন কাৰণসমূহ চমুকৈ আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

১০.৫ পুৰণি পুথি আৰু পাঠ-প্রমাদ

ওপৰত উল্লেখ কৰা এনে অনেক কাৰণত পুথিত পাঠ-প্রমাদ ঘটিব পাৰে। আখৰ জোঁটনিৰ প্রকৃত জ্ঞান, নকলকাৰৰ ভুল স্মৰণ আদিয়ে পাঠৰ অর্থ ভিন্ন কৰি তুলিব পাৰে। আমাৰ পুৰণি পুথিসমূহত ওপৰত উল্লেখ কৰা বিভিন্ন কাৰণসমূহৰ বাবে পাঠ-প্রমাদ ঘটিব পাৰে। পুৰণি পুথিৰ অধ্যয়নৰ ক্ষেত্রত পাঠ-প্রমাদৰ বৃদ্ধিয়ে নকলকাৰসকলক যথেষ্ট সমস্যাত পেলাব পাৰে। এই প্রসংগত এটা উদাহৰণ দাঙি ধৰিব পাৰি। হৰিনাৰায়ণ দত্ত বৰুৱাই সম্পাদনা কৰা দৈত্যাৰী ঠাকুৰ বিৰচিত *মহাপুৰুষ শ্রীশংকৰদেৱ আৰু শ্রীমাধৱদেৱ চৰিতৰ* কাহিনীত এনেদৰে আছে— মহাপুৰুষ মাধৱদেৱে ভক্তসকলৰ সৈতে এবাৰ ক্ষেত্রীৰ পৰা বৰপেটালৈ যাওঁতে জাবেৰীকুছি নামৰ ঠাই এখনত ৰৈছিল। গধূলি হ'বলৈ তেতিয়া ছয় দণ্ড বেলা বাকী আছিল। মাধৱদেৱে ভকতসকলক কাৰ কি পুথি আছে উলিয়াবলৈ কোৱাত সকলোৱে নাই বুলি জনালে। তেতিয়া মুৰাৰি কোচ নামৰ ভকত এজনে তেওঁৰ হাতত থকা *ভক্তি ৰত্নাৱলী* পুথিখনি উলিয়াই দিলে। মাধৱদেৱে ভাগিনীয়েক ৰামচৰণ ঠাকুৰক পুথিখন পাঠ কৰিবলৈ নির্দেশ দিয়াত তেওঁ মহা আনন্দেৰে পাঠ কৰিলে। পাঠৰ অন্তত মাধৱদেৱে পুথিৰ পাঠ শুনি মন কৰিলে যে—

লাঠিকটা জ দিবে লাগয় যথাত।
পুখুৰীয়া য দিয়া আছন্ত তথাত।।
পুখুৰীয়া লাগৈ যথা লাঠিকটা তাত।
বৰ ও দিলে ঞ লাগে জানা জাত।।
ইয় দিলে উৱ যৈত লাগয় দিবাক।
ৱৰ ঠাইত বৰ ও যে দিলেক।।

পাঠ শুনি মাধৱদেৱৰ খং উঠিল আৰু ৰামচৰণক 'কি পঢ়স' বুলি সোধাত তেওঁ 'যেনমতে লিখি আছে তেমনে পঢ়ন্ত' বুলি ক'লে। মাধৱদেৱেও কথাটোৰ প্রমাণ ল'বলৈ অচ্যুত গুৰুক

সোধাত তেৱোঁ একে উত্তৰ দিলে। গুৰুজনে মুৰাৰি কোচক সোধাত পুথিখন তেৱেঁ লিখা বুলি গুৰুজনক জনালে। মাধৱগুৰুৱে খণ্ডতে মুৰাৰি কোচক ক'লে—

হায়ৰে পাপীৰ পাপী কি তই কৰিলি।
ক ফলাক পঢ়িয়া তই লিখ ৰত্নাৱলী।।

আকৌ, কীৰ্ত্তন-ঘোষাৰ 'অৱ কৃপা কৰু' কথাখিনি ছপা গ্ৰন্থত 'অৱহু পাকৰু' হৈ প্ৰকাশ পোৱা দেখা গৈছে।

পাঠৰ বিকৃতিৰ এয়া এটা সুন্দৰ উদাহৰণ।

গুৰুচৰিততো আখৰৰ ইফাল সিফাল হোৱত পাঠ-প্ৰমাদ হোৱা দেখা গৈছে।

পাঠ প্ৰমাদৰ এনে ভুল নকলকাৰকে স্বয়ংক্ৰিয়ভাৱে কৰা (voluntary), কিছুমান অৰ্ধ ইচ্ছাকৃতভাৱে কৰা (semi-voluntary) আৰু কিছুমান সম্পূৰ্ণ অনিচ্ছাকৃতভাৱে কৰা (involuntary)। এনে ভুল বা প্ৰমাদক দৃষ্টিগত ভুল (visual error) আৰু মনোগত বা মনস্তাত্ত্বিক ভুল (psychological error) —এই দুই ভাগত ভগাব পাৰি। কেতিয়াবা আকৌ পাঠ পৰিহাৰৰ দৰে পাঠ সংযোজনৰ দ্বাৰাও মূল পাঠত প্ৰমাদ দেখা যায়। এনে ধৰণৰ পাঠ সংযোজনৰ ফলতো পাঠ বিকৃত হয়। গতিকে পাঠ নকল কৰা ব্যক্তিজনে কৰা পাঠৰ এনে সংযোজনকে প্ৰক্ষেপ (Interpolation) বুলি কোৱা হয়। লিপিকাৰ বা নকলকাৰ জনে আন লেখাৰ পৰা পাঠ-সংযোজন কৰাৰ পৰাও পাঠ-বিকৃত হয়। পুৰণি পুথিসমূহত এনে পাঠ সংযোজনৰ অনেক উদাহৰণ দেখা যায়। পাঠ সমীক্ষা কৰোঁতে পাঠ সমীক্ষকগৰাকীয়ে বিশেষ সাৱধানতা আৰু তৎপৰতাৰে এই কামত আগবঢ়া উচিত। অসমীয়া সমীক্ষিত পুথিত এনে বিভ্ৰাট পৰিলক্ষিত হোৱাটো মন কৰিবলগীয়া। সেইবাবেই এই প্ৰমাদ আঁতৰাই মূল পুথিৰ ওচৰ চাপিবলৈকে পাঠ সমীক্ষাৰ অতি প্ৰয়োজন।

১০.৬ পাঠ-প্ৰমাদৰ নিৰাকৰণ

পাঠ-প্ৰমাদৰ কাৰণসমূহ বিশ্লেষণ কৰি পাঠ-প্ৰমাদৰ নিৰাকৰণ কৰা আৱশ্যক। পাঠ-সমীক্ষা পদ্ধতিৰে পাঠৰ বিকৃত ৰূপ অনেক পৰিমাণে হ্ৰাস কৰিব পাৰি। পাঠ-সমীক্ষা কৰোঁতে পাঠ-সমীক্ষকজনে প্ৰাপ্ত যিমানবোৰ প্ৰমাণ বিচাৰি পায়, সেই প্ৰমাণবোৰ সজাই লৈ তাৰ পূৰ্ণমূল্যায়ন কৰিব লাগে। এনেদৰে সজাই ল'লে মূল লেখকজনৰ হাতৰ আখৰাৰ ওচৰ চাপিবলৈ সহজ হৈ পৰে। কিন্তু এনে পদ্ধতি প্ৰয়োগ কৰাৰ পাছতো সমীক্ষক এজনে প্ৰস্তুত কৰা পাঠ আৰু মূল লেখকৰ পাঠৰ মাজত বিকৃত ৰূপ ওলাব পাৰে। এনে ক্ষেত্ৰত পাঠ-সমীক্ষকজনে পাঠ-সংশোধনৰ মাধ্যমেৰে বিকৃত পাঠ বা পাঠ-প্ৰমাদ সংশোধন কৰি ল'ব লাগে।

পুথিৰ আখৰ ভালদৰে চিনি পোৱা আৰু তাৰ অৰ্থ উলিয়াব পাৰিলে পাঠ-প্ৰমাদৰ পৰা ফালৰি কাটি আহিব পাৰি। কোনো কোনো পাঠত যথেষ্ট দীৰ্ঘ হোৱা বাবে তাত প্ৰক্ষেপ ঘটাটো ধাৰণা কৰিবলগীয়া হয়। সেয়েহে পাঠ-সমীক্ষা পদ্ধতিৰে পাঠ গ্ৰহণ, সংশোধন আদি কৰি লৈ শুদ্ধ পাঠ গ্ৰহণ কৰা উচিত। এনে প্ৰক্ৰিয়াৰেহে পাঠ-প্ৰমাদ নিৰাকৰণ কৰিব পাৰি।

পুৰণি পুথিৰ পাঠ নির্ধাৰণৰ সাধাৰণ পদ্ধতি মূলতঃ দুটা— (ক) পাঠ-পুনর্মূল্যায়ন (Recensio) ৰিচেনছিও আৰু (খ) পাঠ-সংশোধন (Emendatio) এমেণ্ডেছিও। পাশ্চাত্যৰ গ্ৰীক আৰু লেটিন গ্ৰন্থৰ প্ৰকৃত পাঠ নির্ধাৰণৰ বাবে পোনতে গ্ৰহণ কৰা এই ধ্ৰুপদী (ক্লাছিকেল) পদ্ধতি দুটাকে কিছু বর্ধিত আৰু সংশোধিত কৰি বর্তমান ইয়াক চাৰিটা ভাগত ভগাই লোৱা হৈছে। সেই ভাগকেইটা হ'ল— (ক) পাঠ আৱিষ্কাৰ (Heuristics), (খ) পাঠ পুনর্মূল্যায়ন (Recensio), (গ) পাঠ সংশোধন (Emendatio) আৰু (ঘ) অধি-সমীক্ষা (Higher Criticism)। তলত এই ভাগসমূহৰ একোটা চমু আভাস দাঙি ধৰা হ'ল। আপুনি এই ভাগকেইটা অধ্যয়ন কৰি পাঠ সমীক্ষাৰ পদ্ধতিসমূহ কেনেদৰে প্ৰয়োগ কৰিব তাৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব। এই পদ্ধতি কেইটাৰে পাঠ-প্ৰমাদ নিৰাকৰণ কৰি মূল পাঠৰ ওচৰ চাপিবলৈ প্ৰয়াস কৰা হয়। তলত সেই পদ্ধতিৰ চমু আভাস দাঙি ধৰা হ'ল —

পাঠ-আৱিষ্কাৰ (Heuristics) ঃ পুৰণি পুথি এখনৰ সমীক্ষামূলক পাঠ গ্ৰহণ কৰিবলৈ যোৱাৰ আগতে সেই পুথিৰ যিমানবোৰ হাতেলিখা পুথি পোৱা যায় (কোনো ক্ষেত্ৰত ছপা পুথিয়েও সহায় কৰিব পাৰে) সেইবোৰৰ অনুসন্ধান আৰু সংগ্ৰহ কার্য পাঠ সমীক্ষা পদ্ধতিৰ বাবে অতি প্ৰয়োজনীয় আৰু প্ৰাথমিক কাম।

পাঠ-পুনর্মূল্যায়ন (Recensio) ঃ পাঠ সমীক্ষা পদ্ধতিৰ দ্বিতীয় প্ৰক্ৰিয়াটো হৈছে পাঠ-পুনর্মূল্যায়ন। সংগৃহীত হাতেলিখা পুথিবিলাকৰ কোনটো প্ৰাচীনতম হ'ব উপযুক্ত বিচাৰ বিশ্লেষণৰ দ্বাৰা তাক বাচি উলিওৱা হয় আৰু পুথিখনৰ সম্ভাব্য পাঠটি নির্বাচন কৰি গ্ৰহণ কৰা হয়।

পাঠ-সংশোধন (Emendatio) ঃ পাঠ সমীক্ষা পদ্ধতিৰ তৃতীয় প্ৰক্ৰিয়া হ'ল পাঠ-সংশোধন। এই পদ্ধতিটোত ইতিমধ্যে একেলগ কৰা গ্ৰন্থকাৰজনৰ বিভিন্ন নকলকাৰৰ পাঠ, মূল পাঠৰ উদ্ধৃতি, উল্লিখন বা প্ৰসংগ, সাৰ-সংগ্ৰহ, অনুবাদ, অনুকুলন, অনুকৰণ আদিৰ সহায়ত বা দৰকাৰ হ'লে প্ৰাপ্ত পাঠ সলায়ো মৌলিক পাঠ নিৰূপণ কৰিবলৈ যত্ন কৰা হয়। পাঠ সমীক্ষা পদ্ধতিৰ এইটো আটাইতকৈ গুৰুত্বপূর্ণ প্ৰক্ৰিয়া।



জানি থোৱা ভাল

পুথিৰ আখৰবোৰ কেনে হ'ব লাগে সেই কথা মৎস্য পুৰাণ, চাণক্য সংগ্ৰহ আৰু অর্থশাস্ত্ৰ আদি গ্ৰন্থত উল্লেখ আছে।

অধি-সমীক্ষা (Higher Criticism) ঃ পাঠ সমীক্ষা পদ্ধতিৰ শেষৰ প্ৰক্ৰিয়াটো হৈছে অধি সমীক্ষা। অধি-সমীক্ষা পদ্ধতিটোত ইতিমধ্যে সংগঠন কৰি উলিওৱা পাঠটোৰ সাহিত্যিক গুণাগুণৰ দিশবোৰ ফঁহিয়াই চোৱা হয়।

ভাৰতীয় পাঠ সমীক্ষাৰ ক্ষেত্ৰত প্ৰথম তিনিটা পদ্ধতিহে বহুলভাৱে প্ৰচলিত। চতুর্থ পদ্ধতিটোৰ কথা কম-বেছি পৰিমাণে উপলব্ধি কৰিলেও তাৰ প্ৰচলন ভাৰতত এতিয়াও বহুলভাৱে প্ৰসাৰিত হোৱা নাই। জার্মান পণ্ডিত ল্যুডর্চে ভাৰতীয় পাঠ সমালোচনাত মহাভাৰতৰ পাঠৰ

উৎস বিচাৰ কৰি এই প্ৰক্ৰিয়াটো অন্তৰ্ভুক্ত কৰা বুলি ক'ব পাৰি। ভাৰতীয় পাঠ সমীক্ষকসকলে অধি-সমীক্ষা পদ্ধতিটোৰ প্ৰতি বেছি মনোনিৱেশ কৰা নাছিল যদিও বৰ্তমান এই পদ্ধতিটোক বহু সমীক্ষকে গুৰুত্ব প্ৰদান কৰা দেখা গৈছে।




জানি থোৱা ভাল

অসমীয়া পুৰণি পুথিসমূহৰ ক্ষেত্ৰত নবীন চন্দ্ৰ শৰ্মাই মধ্যযুগত প্ৰণীত ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডী*-পুথিখনৰ ক্ষেত্ৰত অধি-সমীক্ষা আগবঢ়াইছে।

কোনো পুৰণি গ্ৰন্থ এখনৰ পাঠ নিৰ্ধাৰণ কৰিবলৈ লওঁতে সেই গ্ৰন্থখনৰ আগতে প্ৰকাশ পোৱা গ্ৰন্থ এখনক আধাৰ গ্ৰন্থ (base) হিচাপে গ্ৰহণ কৰাটো পাঠ সমীক্ষা পদ্ধতিৰ এটা সাধাৰণ নিয়ম। যিবোৰ গ্ৰন্থ বৰ্তমানলৈকে প্ৰকাশ হোৱা নাই, নতুবা প্ৰকাশ হৈছে যদিও বৰ্তমান পাবলৈ নাই, তেনে গ্ৰন্থৰ ক্ষেত্ৰত হাতেলিখা পুৰণি পুথি এখনকে আধাৰ গ্ৰন্থ হিচাপে বাচি লোৱা সমীচীন। গদ্যৰ ক্ষেত্ৰত এডগাৰ্টনৰ *পঞ্চতন্ত্ৰ ৰি-কন্সট্ৰাকটেড* আৰু পদ্যৰ ক্ষেত্ৰত সুখথংকৰৰ *মহাভাৰতৰ আদিপৰ্ব* পাঠ সমীক্ষাৰ একোটি সুন্দৰ আৰু বিজ্ঞানসন্মত পদ্ধতিৰ উদাহৰণ।

উল্লিখিত এই চাৰিটা পদ্ধতিৰে পাঠ সমীক্ষকসকলে পাঠ সমীক্ষা কৰি মূল গ্ৰন্থৰ ওচৰ চাপিব পাৰে। প্ৰাচীন অসমীয়া হাতেলিখা পুথিসমূহৰ সম্পাদনা কৰোঁতে পাঠ সমীক্ষা পদ্ধতিৰ আশ্ৰয় লোৱাটো নিতান্ত প্ৰয়োজন। পাঠ সমীক্ষাৰ এই পদ্ধতিসমূহ এনে বৈজ্ঞানিক পদ্ধতি যাৰ সহায়েৰে লেখক এজনৰ ব্যক্তিত্ব, তেওঁৰ সময় আৰু কৃতিত্বৰ নিৰ্ভৰযোগ্য বিচাৰ-বিশ্লেষণ হ'ব পাৰে। এই পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰি ইতিহাসৰ একোটি গুৰুত্বপূৰ্ণ সিদ্ধান্ত যুগ যুগ ধৰি বৰ্তি থাকে। মহাভাৰতৰ পাঠ সমীক্ষা ভাৰতীয় পাঠ সমীক্ষা পদ্ধতিৰ এটি অপূৰ্ব আৰু উৎকৃষ্ট উদাহৰণ। আকৌ, ৰাজশেখৰৰ *কৰ্পূৰমঞ্জৰী*ৰ পাঠ সমীক্ষাই মূল পাঠৰ সন্ভেদ আৰু বিশেষত্বৰ সন্ভেদ দিয়াৰ উপৰি গ্ৰন্থখনৰ মহত্ত্বও পাঠক সমাজক জানিবলৈ দিছে।

পাঠ সমীক্ষা পদ্ধতিৰে অসমৰ প্ৰাচীন পুথিসমূহৰ সম্পাদনাৰ এক বিশেষ গুৰুত্ব আছে। অসমৰ প্ৰাচীন পুথিসমূহ সমীক্ষা কৰিবৰ বেলিকা মূল পাঠৰ ওচৰ চাপিবলৈ যত্ন কৰাৰ লগতে সেইবোৰৰ লিপি আৰু আখৰ জোঁটনিৰ সমস্যাসমূহো পাঠ সমীক্ষকে গভীৰভাৱে চিন্তা কৰিব লাগে। অসমত এতিয়া ভালেখিনি পুৰণি পুথি অসমীক্ষিত অৱস্থাতে আছে। তেনে পুথিসমূহৰ পাঠ সমীক্ষা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল আৰু অধিক টনকিয়াল কৰিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ পাঠ সমীক্ষা পদ্ধতিৰ বিষয়ে উল্লেখ কৰি পাঠ-সংশোধন সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নৰ দ্বাৰা আমি পাঠ সমীক্ষা বিষয়টোৰ ক্ষেত্ৰত পাঠ-প্ৰমাদ সম্পৰ্কে পৰিচয় লাভ কৰিলোঁ।
- পাঠ সম্পাদনাৰ বাবে পাঠ সমীক্ষাৰ আৱশ্যকতাৰ সম্ভেদ লাভ কৰিলোঁ।
- পাঠ-প্ৰমাদৰ নিৰাকৰণ সম্পৰ্কে জ্ঞান লাভ কৰিলোঁ।
- পাঠ সমীক্ষা পুৰণি পুথিসমূহৰ অধ্যয়নৰ এটা প্ৰণালীবদ্ধ পদ্ধতি। এই পদ্ধতিৰ সহায়ত কিছুমান নীতি আৰু কৌশল প্ৰয়োগ কৰি পুৰণি পুথিসমূহ যে সম্পাদন কৰা হয় সেই বিষয়ে জানিব পাৰিলো।
- পাঠ সমীক্ষা পদ্ধতিৰে কৰা পাঠসমূহৰ মাজেৰে ইতিহাসৰ একোটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত যুগ যুগ ধৰি যে বৰ্তি থাকে সেই কথা বুজিব পাৰিলো।
- সাহিত্যৰ বুৰঞ্জীৰ সঠিক তথ্য নিৰূপণতো যে পাঠ সমীক্ষা পদ্ধতিয়ে যথেষ্ট সহায় কৰে তাক বুজিবলৈ সমৰ্থ হ'লো।
- অসমীয়া সাহিত্যত পাঠ সমীক্ষা বিষয়টোৰ সম্পৰ্কে বৰ্তমান যথেষ্ট চিন্তা-চৰ্চা হৈছে যদিও ভাৰতীয় সাহিত্যৰ ভিতৰত প্ৰাচুৰ্যপূৰ্ণ ভাষা হিচাপে এই বিষয়ৰ অধিক চিন্তাৰ প্ৰয়োজন। পাঠ সমীক্ষা পদ্ধতিৰে এনে অধ্যয়ন কৰিলে বহু পুৰণি তথ্যৰ সম্ভেদ যে পোৱা যায় সেই সম্পৰ্কে অৱগত হ'লো।



১০.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, স্নিগ্ধা (২০১৫); *অনুবাদ আৰু সাহিত্যৰ অন্যান্য প্ৰসংগ,* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২) গোস্বামী, মঞ্জু (২০০২); *শ্ৰীশ্ৰীমাধৱদেৱৰ নাম-মালিকা;* গুৱাহাটী ঃ পুথি প্ৰকাশ।

৩) কাকতি, ডম্বৰু (সম্পা.) (১৯৯৩); *সাহিত্য-সংস্কৃতি সৌৰভ;* আদৰণী সমিতি, অসম সাহিত্য সভা ঃ শিৱসাগৰ।

৪) গোস্বামী, মালিনী (২০১৩); *পাঠ সমীক্ষা-সূত্ৰ আৰু প্ৰয়োগবিধি;* গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

৫) ডেকা, উমেশ আৰু ৰায়, নীলমোহন (সম্পা.) (২০০০); *সাহিত্য সমগ্ৰ;* গুৱাহাটী ঃ নৱজীৱন প্ৰকাশ।

৬) ঠাকুৰীয়া, ৰামচৰণ (২০০৪); *পাঠ সমীক্ষা;* (সাহিত্য বক্তৃতামালা-১৮) গুৱাহাটী ঃ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ।

৭) নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা (সম্পা.) (২০০৩); *অসমীয়া সংস্কৃতি;* ডিব্ৰুগড় ঃ বনলতা।

৮) নেওগ, মহেশ্বৰ (১৯৮৮); *পাঠ সমীক্ষা;* ডিব্ৰুগড় ঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়।

৯) শৰ্মা, দুৰ্গেশ্বৰ (১৯৯৭); *অসমীয়া সাহিত্য বীথিকা;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১০.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ পাঠৰ বিকৃতি.....নিৰলংকৃত পাঠ আৰু অলংকৃত পাঠৰ বিষয়ে.....আলোচনা কাৰণবোৰ.....তাৰ এটি আলোচনা।

২নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ সমীক্ষা পদ্ধতিৰ ভাগসমূহৰ.....আলোচনা। প্ৰতিটো পদ্ধতিৰ বৈশিষ্ট্য.....পাঠ সমীক্ষাৰ মাজেৰে সমীক্ষকজনে মূল পুথিৰ পাঠৰ ওচৰ চাপিব কেনেদৰে পাৰে.....তাৰ আলোচনা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ পুৰণি পুথিৰ পাঠ-সমীক্ষাৰ কাৰণ.....পাঠ সমীক্ষাৰ মাজেৰে পুৰণি ভাষা-সাহিত্য-সংস্কৃতিৰ ইতিহাস জনাৰ প্ৰয়োজনীয়তা.....অসমৰ পুৰণি পুথিৰ আলোচনা.....পাঠ-সমীক্ষাৰ পদ্ধতিৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কেনেকৈ কৰিব পাৰি.....তাৰ আলোচনা।

১০.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ সম্প্ৰেৰিত পাঠত পাঠ প্ৰমাদ কেনেদৰে হয় আৰু পাঠ সমীক্ষা পদ্ধতিৰে তেনে আঁসোৱাহবোৰ কেনেদৰে আঁতৰ কৰিব পাৰি বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ পুৰণি পুথিৰ সম্প্ৰেৰিত পাঠসমূহত হোৱা প্ৰমাদ বা পাঠ বিকৃতিৰ কাৰণসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ কি কি পদ্ধতি অৱলম্বন কৰি পাঠ সমীক্ষকে পাঠ সমীক্ষা বিষয়টি সম্পাদন কৰে তাৰ এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ পাঠ-সমীক্ষা পদ্ধতিৰে পাঠৰ বিকৃতি আঁতৰাই মূল পাঠৰ ওচৰ কেনেকৈ কায চাপিব পাৰি আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ পাঠ-সমীক্ষাৰ পৰিসৰ আৰু প্ৰয়োজনীয়তা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ পাঠ-সমীক্ষাৰ পৰিসৰ
১১.৪ পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা আৰু বিশ্লেষণ
১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৬ অধিক জানিবলৈ
১১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১১.৮ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পাঠ-সমীক্ষাৰ অধ্যয়নৰ অপৰিহাৰ্যতাৰ বিষয়ে জানিব পাৰিব
- পাঠ-সমীক্ষাৰ দ্বাৰা প্ৰাচীন পুথিৰ ইতিহাস আৰু পৰিসৰ সম্পৰ্কে জ্ঞাত হ'ব
- পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে জ্ঞান লাভ কৰিব।

১১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষাণ্মাসিকৰ প্ৰথম পাঠ্যবিষয় লিপি আৰু পাঠ-সমীক্ষাৰ অন্তৰ্গত এইটো একাদশ অধ্যায়। এই অধ্যায়টিত আপুনি পাঠ-সমীক্ষাৰ পৰিসৰ আৰু তাৰ প্ৰয়োজনীয়তা সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিব।

সাহিত্যৰ ইতিহাস ৰচনাৰ ক্ষেত্ৰত নতুবা সাহিত্যৰ প্ৰকৃত মূল্য নিৰ্ণয়ৰ ক্ষেত্ৰত পাঠ-সমীক্ষাৰ, প্ৰয়োজনীয়তা অনস্বীকাৰ্য। পাঠ-সমীক্ষাৰ পৰিসৰ অতি বিস্তৃত। প্ৰাচীন পুথিৰ পৰা বৰ্তমান সাহিত্য তথা বাতৰি কাকতৰ লেখালৈকে ই সামৰি ল'ব পাৰে। পুৰণি পুথিসমূহ লিপিকাৰৰ হাত-বাগৰি অহাৰ ফলত পাঠৰ বিকৃতি ঘটে। ফলত মূল পাঠৰ পৰা ই ভালেখিনি আঁতৰি আহে, কেতিয়াবা পাঠৰ ৰূপকো সলনি কৰি পেলায়। পাঠ-সমীক্ষা পদ্ধতিৰে সাহিত্যৰ মূল পাঠৰ ওচৰ-চাপিব পাৰি। সেয়েহে সাহিত্যৰ বুৰঞ্জীৰ সঠিক তথ্য নিৰূপণৰ বাবে পাঠ-সমীক্ষাৰ অতি প্ৰয়োজন। এই অধ্যায়টি অধ্যয়নৰ দ্বাৰা আপুনি এই বিষয়ে পৰিচয় লাভ কৰিব।

১১.৩ পাঠ-সমীক্ষাৰ পৰিসৰ

সাহিত্যৰ প্ৰকৃত মূল্য নিৰ্ণয়ত পাঠ-সমীক্ষাই মুখ্য ভূমিকা গ্ৰহণ কৰে। প্ৰাচীন কবিসকলৰ বা লেখকৰ ৰচনাসমূহ আজি আমি তেওঁলোকে ৰচনা কৰা মূল ৰূপটোত নাপাওঁ। ইতিমধ্যে আলোচনা কৰি অহা হৈছে যে ইংৰাজী Texual Criticism শব্দৰ সলনি অসমীয়াত পাঠ-সমীক্ষা শব্দটো প্ৰয়োগ কৰা হৈছে। পাঠ-সমীক্ষা শব্দটোৰ সংজ্ঞা বিভিন্ন পণ্ডিত-গৱেষকে বিভিন্ন ধৰণে আগবঢ়াইছে। 'পাঠ-সমীক্ষা-সাধাৰণ পৰিচয়' অধ্যায়ত এই সংজ্ঞাসমূহৰ কথা উল্লেখ কৰা হৈছে। পষ্টগেটৰ মতে পাঠ-সমীক্ষা বিষয়টোক বিজ্ঞান আৰু কলাৰ সংমিশ্ৰণ বুলি মত পোষণ কৰিছে। বিজ্ঞান হিচাপে পাঠ-সমীক্ষাৰ বিষয়ক পৰীক্ষণ আৰু মূল্যায়নৰ মাজেৰে নিৰীক্ষণ কৰা হয়। বিভিন্ন পণ্ডিতৰ মতামতৰ পৰিপ্ৰেক্ষিতত এই কথাকে মানি লোৱা হৈছে যে আন আন বিজ্ঞানৰ দৰে পাঠ-সমীক্ষাত এক বিজ্ঞান- কিন্তু ই কেবাটাও বিজ্ঞানৰ সমষ্টি। আনহাতে, বিজ্ঞান আৰু কলা এই দুয়োটাৰে সংমিশ্ৰণত ই সম্ভৱ হৈছে।

পাঠ-সমীক্ষা বিষয়টোৰ পৰিসৰ অতি বিস্তৃত। পাঠ-সমীক্ষাৰ পৰিসৰ অতি প্ৰাচীন। কিন্তু বৰ্তমান সময়ো এই বিষয়টোৰ অন্তৰ্গত। পাঠ-সমীক্ষা বিষয়টোৰ পৰিসৰ বৈদিক যুগৰ সাহিত্যৰ পৰা বৰ্তমান যুগৰ বাতৰি কাকত আদিত লেখা সকলো ধৰণৰ লেখনিকে সামৰি ল'ব পৰা যায়। পাঠ-সমীক্ষা বিষয়টো প্ৰধানকৈ পাশ্চাত্য গৱেষণাৰ সুচিন্তিত অধ্যয়ন প্ৰণালী। মানুহে মনৰ ভাৱ প্ৰকাশ কৰিবলৈ ভাষাৰ ব্যৱহাৰ কৰিবলৈ লোৱাৰ পাছৰ সময়ছোৱাত লিপিৰ উদ্ভৱ আৰু তাৰ বিকাশ হ'ল। প্ৰাচীন কালত লিপিৰ ব্যৱহাৰৰ আগতেই মানুহে মনৰ ভাৱ প্ৰকাশ কৰিবলৈ তথা সংৰক্ষণ কৰি ৰাখিবলৈ গছৰ বাকলি, জন্তুৰ ছাল, পৰ্বতৰ গুহা, ধাতুৰ পাত্ৰ, পোৱা-মাটি, মাটিৰ পাত্ৰ আদিত আঁক বাক কৰি, চিত্ৰ আঁকি তাক ব্যৱহাৰ কৰিছিল। সেই আঁক বাক আৰু চিত্ৰ আদিৰ পৰাই লিপিৰ উদ্ভৱ হ'ল। পৃথিৱীৰ বিভিন্ন ঠাইত এনেদৰে উদ্ভৱ হোৱা লিপিসমূহৰ ভিতৰত মিছৰীয়, সুমেৰীয়, বেবিলনীয়, ক্ৰীটান, চীন, হিট্টী, সিন্ধুলিপি আদি প্ৰধান। ভাৰতবৰ্ষতো এনে লিপিৰ নিদৰ্শন আছে। প্ৰাচীন ভাৰতত তালপাত আৰু তুলাপাতক লিখন সামগ্ৰী হিচাপে লোৱা হৈছিল। অসমতো সাঁচিপাত, তুলাপাত, মাদুৰিবন আদিক লিখন সামগ্ৰী হিচাপে লোৱা হৈছিল। এনেদৰে প্ৰাচীন কালৰে পৰাই পৃথিৱীৰ মানৱ জাতিৰ মাজত পুথি, চিত্ৰ আদিৰে পৰ্বতৰ গুহা, গছৰ বাকলি আদিত মনৰ ভাৱ প্ৰকাশ কৰাৰ ফলতে পাঠ-সমীক্ষাৰ পৰিসৰে এই সকলো দিশকে সামৰি লৈছে।

পাঠ-সমীক্ষাৰ চিন্তা-চৰ্চাৰ আৰম্ভ হৈছিল গ্ৰীচৰ আলেকজেন্দ্ৰিয়াত। সেই সময়ত গ্ৰীক আৰু লেটিন ভাষাৰ আপুৰীয়া গ্ৰন্থৰাজিৰ বিজ্ঞান সন্মতভাৱে পাঠ-অধ্যয়ন কৰিবলৈ পাঠ-সমীক্ষা পদ্ধতি গ্ৰহণ কৰা হৈছিল। খ্ৰীষ্টীয় প্ৰথম শতিকাৰ পৰাই গ্ৰীচ দেশত পাঠ-সমীক্ষাৰ অধ্যয়ন আৰম্ভ হৈছিল। চতুৰ্থ খ্ৰীষ্টাব্দৰ শেষৰ পিনে লেটিন পাঠৰ ওপৰত ভিত্তি কৰি বাইবেলৰ পাঠ-অধ্যয়ন আৰম্ভ হৈছিল। ইউৰোপত নৱ-জাগৰণৰ কালছোৱাত অৰ্থাৎ পঞ্চদশ-ষোড়শ শতিকাত পাঠ-সমীক্ষা পদ্ধতিয়ে নতুন ৰূপ গ্ৰহণ কৰে। শিল্প-সংস্কৃতিৰ লগতে সাহিত্যৰ

ক্ষেত্ৰতো নতুন নতুন চিন্তাৰ উদ্ভৱ ঘটে। ইউৰোপত পুৰণি পাঠৰ ক্ৰম বা সাহিত্যৰ ঐতিহ্য ৰক্ষাত সমীক্ষকসকলে যথেষ্ট গুৰুত্ব প্ৰদান কৰি আহিছে।

ভাৰতত ঊনবিংশ শতিকাৰ শেষ ভাগতহে পাঠ-সমীক্ষা বিষয়টোৱে গুৰুত্ব লাভ কৰিছে। কিন্তু বৈদিক যুগৰে পৰা পাঠৰ শুদ্ধতাৰ প্ৰতি পণ্ডিত-গৱেষকসকলে যথেষ্ট গুৰুত্ব প্ৰদান কৰি আহিছে। বৈদিক যুগত বেদৰ পাঠ আওৰাওঁতে পণ্ডিতসকলে তাৰ শুদ্ধতাৰ প্ৰতি সজাগ হৈছিল। প্ৰাচীন টীকাকাৰসকলে বেদৰ বা প্ৰাচীন গ্ৰন্থৰ টীকা সংৰক্ষণৰ বাবে প্ৰচেষ্টা চলাইছিল। এনে ক্ষেত্ৰত পাঠ-সমীক্ষা পদ্ধতিৰ প্ৰয়োগৰ কথা আহি পৰে।

১৯১৭ চনত পুতে ভাণ্ডাৰকাৰ অৰিয়েণ্টেল ইনষ্টিটিউট স্থাপন হয় আৰু ভি. এছ সুখথংকৰৰ নেতৃত্বত এদল গৱেষকে পাঠ-সমীক্ষা বিষয়টোত মনোনিৱেশ কৰা দেখা গ'ল। মহাভাৰতৰ দৰে এখন প্ৰাচীন মহাকাব্যৰ পাঠ-সমীক্ষাও এনেদৰে সম্পাদনা হ'ল। ভাৰতবৰ্ষত প্ৰাচীন কালৰে পৰাই প্ৰাচীন পুথিৰ সংশোধন আৰু নতুন পাঠ-সমীক্ষাৰ পদ্ধতি প্ৰয়োগ কৰি অহা দেখা গৈছিল। ভাৰতৰ বিভিন্ন মঠ-মন্দিৰ প্ৰয়োগ কৰি অহা দেখা গৈছিল। ভাৰতৰ বিভিন্ন মঠ-মন্দিৰ, ৰাজকীয় গ্ৰন্থাগাৰ, বৌদ্ধ বিহাৰ, পাঠশালা আদিত হাতেলিখা পাঠ সংৰক্ষণৰ ব্যৱস্থা আছিল। পঞ্চদশ শতিকাত ছপাশাল আৱিষ্কাৰ হয়। তাৰ আগতে পুথিসমূহ হাতেৰে লিখি বা নকল কৰি মূলৰ পৰা লেখা পাঠ বা নকলৰ পৰা নকল কৰি প্ৰচলন কৰা সংস্প্ৰৰিত পাঠৰ ব্যৱস্থা আছিল।

অসমতো প্ৰাচীন কালৰে পৰাই পুথি নকল কৰাৰ এক পৰম্পৰা গঢ় লৈ উঠিছিল। অসমত পুথি নকল কৰাৰ ক্ষেত্ৰত ৰাজ পৃষ্ঠপোষকতাই যথেষ্ট উৎসাহ তথা অৰিহণা যোগাইছিল। আহোম ৰজাৰ শাসন কালত লেখাৰু, বৰুৱা, কাকতি, চাংকাকতি আদি অনেক উপাধিধাৰী ব্যক্তিয়ে পুৰণি পুথি নকল কৰি পুথিৰ সম্প্ৰসাৰণ ঘটাইছিল। অসমত লিখক আৰু খনিকৰ দুই শ্ৰেণীৰ পুথি আদিৰ নকলকাৰক আছিল। অসমত আনন্দৰাম বৰুৱা, কালিৰাম মেধি আদি ব্যক্তিসকলে পাঠ-সমীক্ষা পদ্ধতিৰ পথ-প্ৰদৰ্শক আছিল তেওঁলোকৰ পাছত আৰু কেবাগৰাকী পণ্ডিত, গৱেষকে পাঠ-সমীক্ষা পদ্ধতি প্ৰয়োগ কৰি পুৰণি পুথিৰ পাঠ সম্পাদনাত গুৰুত্ব প্ৰদান কৰিছে। এই বিষয়ে পিছৰ অধ্যায়ত বহলভাৱে আলোচনা কৰা হৈছে।

পাঠ-সমীক্ষা পদ্ধতিয়ে অকল পুৰণি হাতেলিখা পুথিসমূহকে নহয়, প্ৰাচীন শিলালেখ, তামৰ ফলি, প্ৰত্নলেখ, মুদ্ৰালেখ পোৰামাটি, মাটিৰ পাত্ৰ, ৰাজকীয় জাননী, লেখকৰ অটোগ্ৰাফ, ব্যক্তিগত লিপি আদিকো সামৰি লয়। বৈদিক যুগৰ সাহিত্যৰ পৰা বৰ্তমান সময়ৰ বাতৰি কাকত আদিত লেখা সকলো ধৰণৰ লেখাকে পাঠ-সমীক্ষাৰ পৰিসৰ মাজত সামৰি ল'ব পাৰি।



জানি থোৱা ভাল

অসমৰ ৰজাসকলে মঠ-মন্দিৰ নিৰ্মাণৰ ঘোষণা, ৰাজগৃহ তথা ৰাজকীয় জাননী, ৰাজ্য জয়, ভূমিদান কৰা আদি কথা শিলালেখৰ

দ্বাৰা প্ৰচাৰ কৰিছিল।

বিশ্বৰ সকলো স্থানতে পুথি নকল কৰা পৰম্পৰা অতি প্ৰাচীন কালৰে পৰাই প্ৰচলিত। পুথিৰ বাহিৰেও শৈল লেখ, তাম্ৰপত্ৰ, মাটিৰ পাত্ৰ, পৰ্বতৰ গুহা, ভূজপত্ৰ আদিতো লিখন পদ্ধতি প্ৰয়োগ হৈছিল। পাঠ-সমীক্ষা পদ্ধতিৰ পৰিসৰত এই সকলোবোৰেই অন্তৰ্ভুক্ত হৈ পৰে। পাঠ-সমীক্ষা পদ্ধতিয়ে এনেবোৰ দিশৰ ওপৰত আলোকপাত কৰি ইতিহাসৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পাঠ-সমীক্ষা পদ্ধতিৰ পৰিসৰ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

.....

১১.৪ পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা আৰু বিশ্লেষণ

সাহিত্যৰ প্ৰকৃত মূল্য নিৰ্ণয়ত পাঠ-সমীক্ষাৰ ভূমিকা উল্লেখযোগ্য। পাঠ-সমীক্ষাৰ জৰিয়তে সাহিত্যৰ ইতিহাস নিৰ্ণয় কৰিব পাৰি। ভাষা-সাহিত্য-সংস্কৃতিয়ে জাতিৰ সভ্যতা-সংস্কৃতিৰ পৰিচয় দাঙি ধৰে। পুৰণি কালত আজিৰ দৰে ছপাশালৰ ব্যৱস্থা নাছিল বাবেই হাতে লিখা পুথিৰ অধিক প্ৰচলন আছিল। যি কোনো প্ৰাচীন লেখক বা কবিৰ স্ব-হস্তলিখিত ৰচনাসমূহ আজি আমি তেওঁলোকে ৰচনা কৰা মূল ৰূপত নাপাওঁ। গতিকে পুৰণি পাঠৰ হস্তলিখিত পৰম্পৰাত যিবোৰ পাঠৰ বিকৃতি ঘটে বা পাঠ-প্ৰমাদ ঘটে সেইবোৰ আঁতৰ কৰি মূল পাঠৰ ওচৰ চপাটো পাঠ-সমীক্ষা পদ্ধতিয়ে সম্পাদন কৰে। পুৰণি হাতেলিখা পুথিসমূহ সাধাৰণতে দুটা ৰূপত ভাগ কৰিব পাৰি। যেনে- (ক) অটোগ্ৰাফ বা স্বহস্তলিখিত পাব আৰু (খ) ট্ৰেন্সমিটেড বা সম্প্ৰেৰিত পাঠ। পুথি নকল কৰোঁতে পুৰণি পাঠৰ সংখ্যা বাঢ়ি গৈ থাকে আৰু সম্প্ৰেৰিত পাঠৰ সংখ্যা বাঢ়ি গৈ তাত বহুতো নতুন নতুন কথা সোমাই পৰে। কেতিয়াবা সম্প্ৰেৰিত পাঠে মূল লেখকৰ ৰচনাখিনিৰ সম্পূৰ্ণ পৰিৱৰ্তন ঘটায়। পুৰণি পাঠৰ এনে ভুল বা পাঠৰ বিকৃতি আঁতৰ কৰি মূল পাঠৰ ওচৰ চাপিবলৈ কৰা প্ৰয়াসটোৱেই পাঠ-সমীক্ষাৰ মূল কথা। যুগৰ পৰিৱৰ্তনৰ লগে লগেও কিছুমান শব্দৰ ৰূপ সলনি হয় আৰু পিছৰ যুগত তেনেবোৰ শব্দ অপ্ৰচলিত হৈ পৰে। ফলত তাত নতুন শব্দৰ যোগ হৈ মূল পাঠৰ পৰিৱৰ্তন ঘটে। এনে ক্ষেত্ৰত মূল পাঠৰ প্ৰকৃত ৰূপৰ চানেকি প্ৰদৰ্শনৰ বাবে পাঠ-সমীক্ষাৰ প্ৰয়োজন। প্ৰাচীন পুথিৰ শব্দ ভাণ্ডাৰ, বাক্যৰ গঠনৰীতি মূল লেখকৰ হাতে লিখা পুথিৰ ৰূপত উলিয়াব পাৰিলেহে পুৰণি পুথিৰ শব্দ-ভাণ্ডাৰ, ভাষা, বাক্য ৰীতিৰ শুদ্ধতা আৰু তাৰ স্বৰূপ ফঁহিয়াই উলিয়াব পাৰি। প্ৰাচীন পুথিৰ ভাষা, শব্দ আদিৰ শুদ্ধ ৰূপ উলিয়াব পাৰিলেহে পুথি ৰচনাৰ সময়, স্থান আদি নিৰ্ণয় কৰিব পাৰি। এটা যুগৰ ভাষা-সাহিত্য-সংস্কৃতিৰ নিদৰ্শন দাঙি ধৰে সেই সময়ত ব্যৱহৃত

ভাষা-শব্দ ভাণ্ডাৰ আদিয়ে। আনহাতে, ব্যক্তি এগৰাকীৰ ভাৱ-দৰ্শনো তেওঁৰ লেখনিৰ মাজেৰে প্ৰকাশ পায়। তেনে ক্ষেত্ৰত শুদ্ধ ৰূপত সেই পাঠ উদ্ধাৰ কৰিব পাৰিলেহে লেখকৰ জীৱন-দৰ্শন তথা সমাজ জীৱন শুদ্ধ ৰূপত প্ৰকাশ পাব। সেইবাবে প্ৰাচীন লেখকৰ ব্যক্তিত্বৰ পৰিচয়, সমাজ-সাহিত্য-ভাৱ ভাষা আদিৰ শুদ্ধ ৰূপৰ প্ৰকাশ পাবলৈ পাঠ-সমীক্ষা বিষয়টোৰ প্ৰয়োজন অধিক।

পাঠ-সমীক্ষাৰ বিষয়টো আধুনিক চিন্তা-চৰ্চাৰ এক উল্লেখযোগ্য বিষয়। পাঠ-সমীক্ষা বিষয়টো যদিও পাশ্চাত্য চিন্তাৰ ফল বুলি কোৱা হৈছে, ভাৰতবৰ্ষত বৈদিক যুগৰে পৰা ইয়াৰ প্ৰয়োগ চলি আহিছে। পুৰণি পুথিৰ পাঠ-সংৰক্ষণ, পাঠৰ শুদ্ধতা আদিৰ প্ৰতি বৈদিক যুগৰ পণ্ডিতসকল সততে সজাগ আছিল।

পূৰ্বৰ অধ্যায়তে উল্লেখ কৰি অহা হৈছে যে পাঠ-সমীক্ষা পুৰণি-পুথিসমূহৰ অধ্যয়নৰ এটা প্ৰণালীবদ্ধ পদ্ধতি। এই পদ্ধতিৰ সহায়ত পুৰণি পুথিৰ পাঠ অধ্যয়ন কৰা হয়। এই পদ্ধতিৰ সহায়ত পুৰণি পুথিৰ পাঠ অধ্যয়ন কৰা হয়। এই পদ্ধতিৰ অধ্যয়নৰ ফলস্বৰূপে পোৱা তথ্যৰ ওপৰতে নিৰ্ভৰ কৰি মূল পাঠৰ (ur-text) ওচৰ চাপিবলৈ প্ৰয়াস কৰা হয়। বৰ্তমান সময়ত প্ৰাচ্য আৰু পাশ্চাত্য সকলোতে পাঠ-সমীক্ষা বিষয়টোৰ ব্যাপক প্ৰসাৰ তথা প্ৰয়োগ বাঢ়িছে। সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিবলৈ হ'লে নতুন সৃষ্টিৰাজিৰ লগতে পুৰণি ইতিহাসকো সংযোগ কৰিব লাগিব। তেতিয়াহে প্ৰাচীন পুথিৰ ভালেমান তথ্য সংগৃহীত হ'ব আৰু ভাষা-সাহিত্যৰ ভঁৰাল চহকী হ'ব।

বৰ্তমান যুগত ছপাযন্ত্ৰ আৱিষ্কাৰ হোৱা বাবে ছপাত থকা ভুলবোৰ আমি শুধৰাই ল'ব পাৰোঁ। তাৰ কাৰণ হ'ল পাঠৰ লেখক, সম্পাদক নতুবা পাঠক সকলোৱে একেখন ব্যাকৰণ তথা একে অভিধানকে ব্যৱহাৰ কৰে। ফলত এই সকলোৱে তাৰ পদ্ধতি-নিয়মসমূহ মানি চলে। নতুনকৈ পাঠ-সম্পাদনা কৰিবলৈ সম্পাদকে পাঠ-সমীক্ষাৰ প্ৰক্ৰিয়াসমূহ মানি চলিব নালাগে। ইয়াৰ বিপৰীতে বহু বছৰৰ প্ৰাচীন পুথিসমূহত পাঠ-প্ৰমাদ বা পাঠৰ বিকৃতিৰ বাবে মূল লেখকৰ পাঠৰ পৰা ই ভালেখিনি আঁতৰি আহে। এনে ক্ষেত্ৰত পাঠ-সমীক্ষা পদ্ধতিৰ প্ৰয়োগ প্ৰয়োজনীয়, নহ'লে উপযুক্ত পাঠটি পাবলৈ কঠিন হৈ পৰে। সেয়েহে পুৰণি পুথিৰ ক্ষেত্ৰত পাঠ-সমীক্ষা পদ্ধতিৰ প্ৰয়োজনীয়তা অধিক।

সকলো সাহিত্যৰে এটা অন্তৰ্নিহিত তাৎপৰ্য থাকে। আমাৰ পূৰ্বজসকলৰ প্ৰাচীন চিন্তা-বুদ্ধি, যুক্তি, ভাব-ভাষা আদিৰ লগত আধুনিক ভাৱ-চিন্তাৰ সংযোগ তথা সংৰক্ষণৰ বাবে পাঠ-সমীক্ষাৰ প্ৰয়োজন অপৰিহাৰ্য। বিভিন্ন যুগৰ সাহিত্যৰ স্বকীয় বৈশিষ্ট্য আৰু তাৰ পিছৰ যুগৰ সাহিত্যৰ ধাৰা নিৰ্মাণত পাঠ-সমীক্ষাৰ ভূমিকা উল্লেখযোগ্য। ভাষাতত্ত্ব, জাতিৰ সমাজ জীৱন, সংস্কৃতি, ইতিহাস আদিৰ সত্যাসত্য নিৰূপণৰ বাবে পাঠ-সমীক্ষাৰ প্ৰয়োজন। লেখকৰ বংশ-পৰিচয়, এটা যুগৰ ভাষা, সমাজ আৰু সাংস্কৃতিক জীৱনৰ জ্ঞান লাভ কৰিবলৈও পাঠ-সমীক্ষাৰ প্ৰয়োজন— এই কথা আগতে উল্লেখ কৰা হৈছে।

পাঠ-সমীক্ষা পদ্ধতিটো লেটিন-গ্ৰীক সাহিত্যৰ আপুৰুগীয়া গ্ৰন্থৰাজিৰ বিজ্ঞানসন্মতভাৱে পাঠ নিৰ্ধাৰণৰ বাবে আৱিষ্কাৰ কৰা হৈছিল। গ্ৰীক সাহিত্যত পণ্ডিত-গৱেষকসকলে পাঠৰ শুদ্ধতাৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। অষ্টাদশ শতিকাৰ পাছৰ পৰা পুৰণি হাতেলিখা পুথি, অভিলেখ, পুৰাতত্ত্ব আদিৰ সংৰক্ষণৰ ব্যৱস্থা হ'ল। তেতিয়াৰে পৰা সেইসমূহৰ মূল পাঠ উদ্ধাৰৰ বাবে লগতে পাঠ-সম্প্ৰেৰণৰ বাবে গৱেষকসকলে মনোনিৱেশ কৰা দেখা গ'ল।

ভাৰতীয় সভ্যতা-সাহিত্য-সংস্কৃতি অতি প্ৰাচীন। ইয়াৰ প্ৰাচীন পুথিসমূহৰ পাঠ-সমীক্ষা পদ্ধতিৰে সম্পাদনা কৰাৰ প্ৰয়োজন আছে। এনে কৰিলে ইয়াৰ ইতিহাস আৰু যাউতি যুগীয়া হ'ব বুলি আশা কৰিব পাৰি।



জানি থোৱা ভাল

ভি. এছ. সুখথংকৰে সম্পাদনা কৰা মহাভাৰতৰ আদি পৰ্বৰ পাতনি প্ৰিলোগোমেনা ভাৰতীয় পাঠ-সমীক্ষাৰ বেদ স্বৰূপ।

পাঠ-সমীক্ষা সকলো সাহিত্যৰ অধ্যয়নৰ ক্ষেত্ৰত প্ৰয়োজনীয়। ভাৰতীয় সাহিত্যত ভি. এছ. সুখথংকৰৰ নেতৃত্বত এদল গৱেষকে সোতৰ বছৰ পৰিশ্ৰম কৰি মহাভাৰতৰ সমীক্ষিত পাঠ প্ৰকাশ কৰিছিল। ভাৰতত প্ৰাচীন সংস্কৃত গ্ৰন্থৰ জনপ্ৰিয়তা অধিক আছিল। বৈদিক যুগত পণ্ডিতসকলে পাঠ বিকৃত নহ'বলৈ শিক্ষা, নিৰুক্ত আদি সৃষ্টি কৰিছিল। বেদৰ পাঠ আওৰাওতে গুৰুৰ ওচৰত বহু বছৰ থাকি পাঠ আয়ত্ত কৰিছিল। আধুনিক পাঠ-সমীক্ষা পদ্ধতিটো সেয়ে প্ৰাচীন কালতে বৈদিক যুগৰ পৰাই প্ৰচলন হোৱা দেখা যায়। মুঠতে পাঠৰ শুদ্ধতা নিৰূপণৰ বাবে পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তাৰ কথা ভাৰতবৰ্ষত প্ৰাচীন কালতে আৰম্ভ হৈছিল।

অসমতো অতি পুৰণি কালৰে পৰাই পুথি নকল কৰি সংৰক্ষণ কৰাৰ প্ৰথা প্ৰচলিত। কিন্তু অসমীয়া সাহিত্যত পাঠ-সমীক্ষা পদ্ধতিৰে সমীক্ষিত পুথিৰ সংখ্যা নিচেই কম। অসমীয়া হাতে লিখা পুথিৰ সংখ্যা যথেষ্ট চহকী। তেনে পুথিবোৰৰ সমীক্ষাত্মক অধ্যয়ন আগবঢ়াব পাৰিলে সাহিত্যৰ ভঁৰাল অধিক চহকী হৈ পৰিব। প্ৰাচীন কামৰূপত ৰচিত বিভিন্ন সাহিত্যৰ পাঠ-সমীক্ষাৰ প্ৰয়োজন আছে। মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱ, বৈকুণ্ঠনাথ ভট্টাচাৰ্য, ৰাম-সৰস্বতী আদি কবি সকলৰ সাহিত্যৰাজি এতিয়াও পাঠ-সমীক্ষা পদ্ধতিৰে আলোচনা-অধ্যয়ন হোৱা নাই। সেয়েহে এনে আপুৰুগীয়া গ্ৰন্থৰাজিৰ পাঠ-সমীক্ষা পদ্ধতিৰে অধ্যয়ন কৰাৰ অধিক প্ৰয়োজন আছে। সাহিত্যৰ বুৰঞ্জীৰ ক্ষেত্ৰত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে পণ্ডিত-গৱেষক মহেশ্বৰ নেওগে অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত এনেদৰে উল্লেখ কৰি গৈছে— "যদি আমাৰ সকলো পুৰণি গ্ৰন্থৰ সমীক্ষিত পাঠ নিৰ্ণয় কৰা হয়, তেতিয়া হ'লে পুৰণি সাহিত্যৰ স্বৰূপেই সুকীয়া হ'ব, তাৰ ইতিহাসো এটি বেলেগ বস্তু হ'ব লাগিব। সিহে প্ৰকৃত ইতিহাস হ'ব।"

অসমীয়া সাহিত্যৰ বৈষ্ণৱ যুগৰ বহু প্ৰচলিত শব্দ আধুনিক যুগত লুপ্ত হৈ পৰিছে। হাতেলিখা পুথি সংগ্ৰহ কৰি পাঠ-সমীক্ষা পদ্ধতিৰে তাৰ ইতিহাস উদ্ধাৰ কৰিবলৈ পাঠ-সমীক্ষাৰ প্ৰয়োজন। মহাপুৰুষ শংকৰদেৱৰ বৰগীতৰ পাঠান্তৰ আদিৰ অধ্যয়নৰ বাবে পাঠ-সমীক্ষাৰ প্ৰয়োজন আছে। মহাপুৰুষজনাৰ *কীৰ্ত্তন ঘোষাৰ* বেদস্তুতি খণ্ডৰ পাঠ-প্ৰমাদেও পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তাৰ কথা দাঙি ধৰে।

ছপাযন্ত্ৰ আৱিষ্কাৰ হোৱাৰ ফলত আধুনিক বৰ্ণ বিন্যাস ৰীতি সোমাই পৰা বাবে মূল ৰূপৰ পাঠৰ বিলোপ ঘটিছে। মাধৱ কন্দলী, শংকৰদেৱ, মাধৱদেৱ আদিৰ ৰচনা ছপাযন্ত্ৰত সম্পাদনা কৰা বাবে হেমচন্দ্ৰ বৰুৱাৰ হেমকোষ আৰু অসমীয়া ভাষাৰ ব্যাকৰণ প্ৰভাৱ সোমাই পৰিছে। এনে ক্ষেত্ৰত সাহিত্যৰ মূল্যাংকন আৰু ইতিহাস ৰচনাৰ বাবে পাঠ-সমীক্ষাৰ প্ৰয়োজন।




অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

অসমীয়া ভাষাৰ ঈ/ঈ, উ/ঊ, ট/ত, জ/য/ঝ, ঋ/ৰি আদি শব্দৰ আখৰ জোঁটনিৰ অনভিজ্ঞতাৰ বাবেও উচ্চাৰণ অনুসাৰে বৰ্ণ প্ৰয়োগ কৰা বাবেও পুৰণি পুথিত বৰ্ণ বিভ্ৰাট হৈছিল। এনেবোৰ কাৰণতো পাঠ-সমীক্ষাৰ প্ৰয়োজন। হাতে লিখা পুথিৰ বাহিৰেও শিলালেখ, তাম্ৰলিপি আদিৰ অধ্যয়নৰো প্ৰয়োজন আছে। অসমৰ সমাজ জীৱনৰ ঐতিহ্যৰ ইতিহাস পাবলৈ এনে অধ্যয়নৰ প্ৰয়োজন। অকল পুৰণি সাহিত্যৰে আধুনিক সাহিত্যৰ ক্ষেত্ৰতো পাঠ-সমীক্ষাৰ প্ৰয়োজন। যথাস্থানত এই বিষয়ে আলোচনা কৰা হৈছে। সাহিত্যৰ বুৰঞ্জী নিৰ্ধাৰণত পাঠ-সমীক্ষাৰ বিষয়ে জনাটো বিশেষ প্ৰয়োজনীয়। পুৰণি পুথিৰ বৰ্ণ বিন্যাস আৰু আখৰ জোঁটনি আগত ৰাখি পাঠ-সমীক্ষা পদ্ধতিৰে পাঠ অধ্যয়ন কৰিলে অসমীয়া তথা অন্যান্য সাহিত্যৰো সাহিত্য অধিক সমৃদ্ধশালী হ'ব। সাহিত্যৰ ভঁৰাল সমৃদ্ধ আৰু চহকী হোৱাৰ পৰিপ্ৰেক্ষিতত পাঠ-সমীক্ষাৰ অধ্যয়ন প্ৰয়োজনীয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ অসমীয়া সাহিত্যত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....



১১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নৰ দ্বাৰা পাঠ-সমীক্ষা বিষয়ৰ পৰিচয় লাভ কৰিলোঁ লগতে ইয়াৰ পৰিসৰ সম্পৰ্কেও জ্ঞান লাভ কৰিলোঁ।
- পৃথিৱীৰ সকলো সাহিত্যৰ বাবেই পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে পৰিচয় লাভ কৰিলোঁ।
- ভাৰতত ভি. এছ. সুখবংকৰ আৰু তেওঁৰ নেতৃত্বত এদল গৱেষকে পাঠ-সমীক্ষা বিষয়ত চিন্তা-চৰ্চা আগবঢ়াইছে।
- অসমীয়া সাহিত্যতো পুৰণি পুথিৰ অধ্যয়ন পাঠ-সমীক্ষা পদ্ধতিৰে আগবঢ়ালে ইয়াৰ ইতিহায়েই সলনি হ'ব পাৰে বুলি আশা কৰিব পাৰি।
- অসমীয়া সাহিত্যত বৈষ্ণৱ যুগৰ সাহিত্যত পাঠ-সমীক্ষাৰ অধিক প্ৰয়োজন আছে।
- বৰ্তমান সাহিত্য, শিলালেখ, তাম্ৰলিপি আদিৰো সমীক্ষাত্মক অধ্যয়নৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি।
- অসমীয়া সাহিত্যত এই বিষয়ে গৱেষক-সমালোচকসকলে যথেষ্ট চিন্তা-চৰ্চা কৰা দেখা গৈছে। কেবাখনো পুৰণি পুথি পাঠ-সমীক্ষা পদ্ধতিৰে সমীক্ষিত হৈছে। এনে ধৰণৰ অধ্যয়নে অসমীয়া সাহিত্যৰ ভঁৰাল আৰু অধিক চহকী কৰি তুলিব।



১১.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, স্নিগ্ধা (২০১৫) ঃ *অনুবাদ আৰু সাহিত্যৰ অন্যান্য প্ৰসংগ*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

২) কাকতি, ডম্বৰু (সম্পা.) (১৯৯৩) ঃ *সাহিত্য-সংস্কৃতি সৌৰভ*; আদৰণী সমিতি, অসম সাহিত্য সভা ঃ শিৱসাগৰ।

৩) গোস্বামী, যতীন (১৯১৯) ঃ *অসমীয়া লিপিৰ ইতিহাস*, গুৱাহাটী ঃ জয়া প্ৰকাশন।

৪) গোস্বামী, মঞ্জু (২০০২) ঃ *শ্ৰীশ্ৰী মাধৱদেৱৰ নাম-মালিকা-বৈজ্ঞানিক পদ্ধতিত সমীক্ষিত পাঠ*, গুৱাহাটী ঃ পুথি প্ৰকাশ।

৫) গোস্বামী, মালিনী (২০১৩) ঃ *পাঠ-সমীক্ষা সূত্ৰ আৰু প্ৰয়োগবিধি*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) ঠাকুৰীয়া, ৰামচৰণ (২০০৫) ঃ *পাঠ-সমীক্ষাৰ প্ৰসংগত*, গুৱাহাটী।

৭) নেওগ, মহেশ্বৰ (১৯৮৪) ঃ *পাঠ-সমীক্ষা*, ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ।

ইংৰাজী গ্ৰন্থ ঃ

1. Katre, S. M. (1954) : Introduction to Indian Texual Criticism, Deccan College.
2. Mukherjee, Anima (2001) : Punthi Path Sampadana Riti, Book Fair, Dr. S. C. Banerjee Road, Kolkata, Kolkata Book Fair.



১১.৭ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ-সমীক্ষা বিষয়টোৰ পৰিচয়.....ইয়াৰ পৰিসৰ.....হাতেলিখা পুথি, শিলালেখা, প্ৰত্নলেখ, তাম্ৰ লেখ.....ইউৰোপত ইয়াৰ চৰ্চা.....ভাৰতত চৰ্চা..... অসমত.....পাঠ-সমীক্ষাৰ পৰিচয়.....আদিৰ আলোচনা।

২নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ-সমীক্ষাৰ পৰম্পৰা.....প্ৰয়োজনীয়তা.....ভাৰতত ইয়াৰ স্বৰূপ..... অসমীয়া সাহিত্যত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা আদিৰ এটি আলোচনা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা.....অসমীয়া সাহিত্যৰ সমীক্ষিত পাঠ..... পুৰণি ভাষা-সাহিত্য-সংস্কৃতিৰ ইতিহাস জনাৰ প্ৰয়োজনীয়তা.....পাঠ-সমীক্ষাৰ দ্বাৰা অসমীয়া সাহিত্যৰ ভঁৰাল কেনেদৰে সমৃদ্ধশালী কৰিব পাৰি.....তাৰ.....আলোচনা।



১১.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ পাঠ-সমীক্ষা বিষয়টোৰ এটা সাধাৰণ পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ সাহিত্যৰ ইতিহাস ৰচনাৰ ক্ষেত্ৰত পাঠ-সমীক্ষা পদ্ধতিৰ গুৰুত্ব কেনে ধৰণৰ তাৰ এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ ভাৰতবৰ্ষত পাঠ-সমীক্ষা পদ্ধতিৰ পৰম্পৰা সম্পৰ্কে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ অসমত পাঠ-সমীক্ষা পদ্ধতিৰ প্ৰচলন আৰু সমীক্ষিত পুথিৰ পাঠৰ এটি চমু আলোচনা দাঙি ধৰক।

প্ৰশ্ন ৫ ঃ অসমীয়া সাহিত্যত পুৰণি পুথিৰ বৈশিষ্ট্য আৰু পাঠ-সমীক্ষা পদ্ধতিৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ১২ ঃ পাঠ-সমীক্ষা পদ্ধতিৰ ক্ৰমবিকাশ ঃ ভাৰতীয় আৰু ইউৰোপীয় ধাৰণা

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ পাঠ-সমীক্ষা পদ্ধতিৰ ক্ৰমবিকাশ ঃ ভাৰতীয় প্ৰেক্ষাপট, ইউৰোপীয় প্ৰেক্ষাপট
১২.৪ পাঠ-সমীক্ষা আৰু ভাৰতত ইয়াৰ স্বৰূপ
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১২.৮ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পাঠ-সমীক্ষা বিষয়টোৰ ক্ৰমবিকাশ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- ইউৰোপৰ পাঠ-সমীক্ষাৰ প্ৰেক্ষাপটৰ বিষয়ে জানিব পাৰিব
- ভাৰতত পাঠ-সমীক্ষা বিষয়টোৰ প্ৰচাৰ আৰু প্ৰসাৰ সম্পৰ্কে বিশ্লেষণ কৰি দেখুৱাব পাৰিব
- ভাৰতীয় সমীক্ষিত পাঠত ইউৰোপীয় পাঠ-সমীক্ষা পদ্ধতিৰ প্ৰয়োগ সম্বন্ধে আলোচনা কৰিব পাৰিব
- ভাৰতীয় সাহিত্য আৰু অসমীয়া সাহিত্যৰ সমীক্ষিত পুথিৰ আলোচনা আগবঢ়াবলৈ সমৰ্থ হ'ব।

১২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষান্মাসিকৰ সাধাৰণ পাঠ্যবিষয় লিপি আৰু পাঠ সমীক্ষাৰ অন্তৰ্গত এইটো দ্বাদশ অধ্যায়। এই অধ্যায়টিত আপুনি পাঠ-সমীক্ষা পদ্ধতিৰ ক্ৰমবিকাশ ঃ ভাৰতীয় আৰু ইউৰোপীয় ধাৰণা সম্পৰ্কে আৱশ্যকীয় জ্ঞান লাভ কৰিব পাৰিব। ইয়াৰ আগৰ অধ্যায়কেইটিত পাঠ-সমীক্ষাৰ পৰিচয়, পুৰণি পুথিৰ বৈশিষ্ট্য, লিখন সামগ্ৰী, লিপিকাৰ পাঠ-সমীক্ষাৰ বিভিন্ন পদ্ধতি, পাঠ-সমীক্ষাৰ উপস্থাপন পদ্ধতি, অসমত পাঠ-সমীক্ষা, পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা আদি সম্পৰ্কে আপুনি কিছু জ্ঞান আহৰণ কৰিলে। এতিয়া আমি মূল বিষয়লৈ

আগবাঢ়ো—

পাঠ-সমীক্ষা আধুনিক চিন্তা-চৰ্চাৰ এক অন্যতম বিষয়। ভাৰতত ঊনবিংশ শতিকাৰ মাজভাগৰ পৰাহে এই বিষয়টোৰ অধিক অধ্যয়ন আৰম্ভ হৈছে যদিও; ইউৰোপত তৃতীয় শতিকাতে গ্ৰীচৰ আলেকজেন্দ্ৰিয়াত পাঠ-সমীক্ষা বিষয়ক চিন্তা-চৰ্চা চলিছিল। ইউৰোপত নৱ-জাগৰণৰ লগে লগে পাঠ-সমীক্ষা পদ্ধতিয়ে নতুন ৰূপ লাভ কৰে। তাৰ পাছত লাহে লাহে পৃথিৱীৰ বিভিন্ন দেশত এই পদ্ধতিয়ে প্ৰসাৰ লাভ কৰে। সকলো দেশৰ সকলো সাহিত্যৰ অধ্যয়নৰ ক্ষেত্ৰত পাঠ-সমীক্ষা পদ্ধতি যে অতি প্ৰয়োজনীয় কাৰ্য এই কথা বিদ্বৎ মণ্ডলীয়ে একমুখে স্বীকাৰ কৰাটো এই প্ৰসংগত উল্লেখযোগ্য।

পাঠ-সমীক্ষা বিষয়টো যদিও পাশ্চাত্য চিন্তাৰ ফল বুলি কোৱা হয়, ভাৰতত ইয়াৰ প্ৰয়োগ আৰু প্ৰচলন বৈদিক যুগৰে পৰা চলি আহিছে। বৈদিক যুগতে পুৰণি পুথিৰ পাঠ-সংৰক্ষণ, পাঠৰ শুদ্ধতা আদিৰ প্ৰতি বিদ্বৎ সমাজ সজাগ আছিল। ভাৰতত ভি. এছ. সুখথংকৰে সাহিত্যৰ সকলোবোৰ সমস্যা বুজি এই বিষয়ৰ চৰ্চাত মনোনিবেশ কৰিছিল। ইতিমধ্যে ইয়াৰ পূৰ্বৱৰ্তী অধ্যায়টোত কৈ অহা হৈছে যে ভাৰতীয় পাঠ-সমীক্ষাৰ বেদস্বৰূপ *মহাভাৰতৰ* আদিপৰ্বৰ পাতনি 'প্ৰিলোগোমেনা' তেওঁ প্ৰথমে সম্পাদনা কৰি উলিয়াইছিল। সুখথংকৰৰ পাছত তেওঁৰ অনুগামী ভালেকেইজন ব্যক্তিয়ে কেইবাখনো গ্ৰন্থ পাঠ-সমীক্ষা পদ্ধতিৰে সম্পাদনা কৰি প্ৰকাশ কৰে।

অসমতো অতি পুৰণি কালৰে পৰাই পুথি-সংৰক্ষণ আৰু পুথি-নকল কৰা প্ৰথা চলি আহিছে। অতীতত পুৰণি পুথি নকল কৰা আৰু সংৰক্ষণ কৰা, লগতে দান কৰা এক পৱিত্ৰ কৰ্ম হিচাপে গণ্য কৰা হৈছিল। একোখন পুথি নকল কৰি উলিয়াওঁতে দীৰ্ঘদিনৰ পৰিশ্ৰম, লেখকৰ নিজস্ব জ্ঞান-বুদ্ধি সকলোখিনি অন্তৰ্ভুক্ত হৈছিল। এনে পৰম্পৰাৰ ভিত্তিতে পুৰণি হাতেলিখা পুথিৰ সংখ্যাও যথেষ্ট বাঢ়িছিল। কিন্তু সময়ৰ সোঁতত এই আদৰৰ পুথিসমূহ লোপ পাই আহিব ধৰিছে। লিপিকাৰসকলেও বিভিন্ন কাৰণত মূল পুথিৰ পৰা ভালেখিনি আঁতৰি অহা দেখা গৈছে। ছপাযন্ত্ৰ আৱিষ্কাৰ হোৱাৰ ফলত আধুনিক বৰ্ণবিন্যাসৰ ৰীতিও তাত সোমাই পৰিছে। মাধৱ কন্দলী, শংকৰদেৱ, মাধৱদেৱ আদিৰ ৰচনা ছপা মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰিবলৈ সম্পাদনা কৰোঁতে হেমচন্দ্ৰ বৰুৱাৰ *হেমকোষ* আৰু *অসমীয়া ভাষাৰ ব্যাকৰণৰ* প্ৰভাৱ সোমাই পৰিছে। এনে ভ্ৰান্ত ধাৰণা আঁতৰাই নতুন দৃষ্টিৰে সাহিত্যৰ মূল্যাংকন কৰাৰ বাবে পাঠ-সমীক্ষাৰ প্ৰয়োজন অপৰিহাৰ্য।

বৰ্তমান সময়ত কেইবাগৰাকী লব্ধপ্ৰতিষ্ঠ অসমীয়া পণ্ডিতে আপুৰুগীয়া পুৰণি পুথি পাঠ-সমীক্ষা পদ্ধতিৰে সম্পাদনা কৰি প্ৰকাশ কৰিছে। এই অধ্যায়টোৰ জৰিয়তে আপুনি এই বিষয়ত জ্ঞান লাভ কৰিব পাৰিব। আমাৰ দেশৰ আপুৰুগীয়া পুথিসমূহৰ পাঠ-সমীক্ষা পদ্ধতিৰে অধ্যয়ন কৰিলে সাহিত্যৰ ইতিহাসেই সলনি হ'ব। সাহিত্যৰ বুৰঞ্জী নিৰ্ধাৰণত পাঠ-সমীক্ষা বিষয়ৰ ক্ৰমবিকাশ জনাটো অতি প্ৰয়োজনীয়। অধ্যায়টো অধ্যয়নৰ দ্বাৰা আপুনি এই বিষয়ে জ্ঞাত হ'ব।

১২.৩ পাঠ-সমীক্ষাৰ ক্ৰমবিকাশ ঃ ভাৰতীয় প্ৰেক্ষাপট, ইউৰোপীয় প্ৰেক্ষাপট

পাঠ-সমীক্ষা প্ৰধানকৈ পাশ্চাত্য গৱেষণাৰ এক সুচিন্তিত অধ্যয়ন প্ৰণালী। অসমীয়াত পাঠ-সমীক্ষা শব্দটি ইংৰাজী টেক্সচুৱেল ক্ৰিটিছিজম্ (textual criticism) শব্দৰ প্ৰতিৰূপ হিচাপে ব্যৱহাৰ কৰা হৈছে। সাহিত্য-ভাষাতত্ত্ব, ইতিহাস-দৰ্শন আদি বিষয়ৰ প্ৰকৃত জ্ঞান লাভ কৰিবলৈ হ'লে পাঠ অধ্যয়ন আৰু তাৰ প্ৰয়োগ জনাটো অতিশয় প্ৰয়োজনীয়। বিভিন্ন দেশৰ গৱেষক, পণ্ডিত ব্যক্তিসকলৰ যুক্তি-সমালোচনা, চিন্তা-চৰ্চাৰ দ্বাৰা এইটোৱে প্ৰমাণিত হৈছে যে পাঠ-সমীক্ষা হ'ল এক বিশেষ ধৰণৰ বিজ্ঞান তথা এক পদ্ধতিগত অধ্যয়ন। পাঠ-সমীক্ষা পদ্ধতি সমীক্ষকসকলে বিভিন্ন গ্ৰন্থৰ পাঠ (text)ক তেওঁলোকৰ আহিলা হিচাপে লয়। তেনে পাঠ সাহিত্য, বিজ্ঞান, ইতিহাস, দৰ্শন আদি বিভিন্ন বিষয়ৰ হ'ব পাৰে। বিভিন্নজনৰ হাতত পৰি এই পাঠসমূহ প্ৰমাদগ্ৰস্ত হৈ পৰিব পাৰে আৰু এই প্ৰমাদগ্ৰস্ত পাঠবোৰেই পাঠ-সমীক্ষাৰ আধাৰ। মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ ভাষাৰ ব্যৱহাৰ কৰিবলৈ লোৱাৰ পৰৱৰ্তী সময়ত সেই ভাষা লিখিবলৈ লিপিৰ উদ্ভৱ হ'ল। প্ৰাচীন কালত মানুহে তেওঁলোকৰ মনৰ ভাব প্ৰকাশ কৰিবলৈ আৰু তাক সংৰক্ষণ কৰিবলৈ গছৰ বাকলি, জন্তুৰ ছাল, মাটিৰ পাত্ৰ, পৰ্বতৰ গুহা, পো�ৱা মাটি, ধাতুৰ পাত্ৰ, আদিত দাগ কাটি ৰং ঘঁহি তাক ব্যৱহাৰ কৰিছিল। এনেকৈয়ে লিপিৰ উদ্ভৱ হৈছিল। পৃথিৱীৰ বিভিন্ন ঠাইত জন্ম লাভ কৰা উল্লেখযোগ্য লিপিবোৰ হ'ল মিছৰীয়, সুমেৰীয়, বেবিলনীয়, চীন, ক্ৰীটান, হিট্টী, সিন্ধুলিপি ইত্যাদি। ভাৰতৰ সিন্ধু উপত্যকাৰ হৰপ্পা আৰু মহেঞ্জোদাৰোত ভালেমান লিপিৰ নিদৰ্শন পোৱা গৈছে। এই লিপিসমূহে পৃথিৱীৰ ভিন্ ভিন্ ঠাইৰ প্ৰাচীন ইতিহাস কঢ়িয়াই আনিছে। বিভিন্ন লিপিৰ পাঠ উদ্ধাৰে পাঠ-সমীক্ষা বিষয়ত আগবাঢ়িবলৈ অৱিহণাও যোগাইছে। মানৱ জাতিয়ে সভ্যতাৰ শিখৰলৈ আগবঢ়াৰ লগে লগে পৰ্বতৰ গাত, শিল, মাটিত মনৰ ভাব প্ৰকাশৰ বাবে লেখনি লিপিবদ্ধ কৰিছিল। গছৰ বাকলি পৃথিৱীৰ প্ৰায় সকলো ঠাইতে লিখন সামগ্ৰী ৰূপে ব্যৱহাৰ কৰা হৈছিল। তদুপৰি বিভিন্ন ধাতুকো লিখন সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা হৈছিল। প্ৰাচীন ভাৰততে তালপাত আৰু তুলাপাত পুথি নকলৰ বাবে লোৱা হৈছিল। অসমত প্ৰধানকৈ সাঁচি নামৰ গছৰ বাকলিত পুথি নকল কৰা হৈছিল। এনেদৰে প্ৰাচীন কালৰে পৰাই পৃথিৱীৰ মানৱ জাতিৰ মাজত পুথি, চিত্ৰ আদিৰ জৰিয়তে মনৰ ভাব প্ৰকাশৰ এটা পৰম্পৰা চলি আহিছে।

ভাৰতীয় প্ৰেক্ষাপট ঃ ইউৰোপত পুৰণি পাঠৰ ক্ৰম বা সাহিত্যৰ ঐতিহ্য ৰক্ষাত সমীক্ষক সকলে যথেষ্ট গুৰুত্ব প্ৰদান কৰি আহিছে। ভাৰততে ঊনবিংশ শতিকাৰ শেষ ভাগতহে পাঠ-সমীক্ষা বিষয়টোৱে গুৰুত্ব লাভ কৰে যদিও, বৈদিক যুগৰে পৰা পাঠৰ শুদ্ধতাৰ প্ৰতি মনীষীসকলে গুৰুত্ব দি অহাৰ প্ৰমাণ পোৱা যায়। বিশেষকৈ বেদৰ পাঠ আও�ৰাওঁতে পণ্ডিতসকল তাৰ পাঠৰ শুদ্ধতাৰ প্ৰতি সততে সজাগ আছিল। ভাৰতৰ বিদ্বৎ সমাজে পুৰণি পাঠৰ শুদ্ধতাৰ প্ৰতি যথেষ্ট তৎপৰতা অৱলম্বন কৰা দেখা যায়। অৱশ্যে প্ৰায়ভাগ ভাৰতীয় গৱেষক পণ্ডিতে এই ক্ষেত্ৰত ইউৰোপীয় পাঠ-সমীক্ষা পদ্ধতিক আদৰ্শ হিচাপে লোৱা দেখা যায়। মন কৰিবলগীয়া বিষয় এইটোৱে যে ইউৰোপীয় পদ্ধতি ভাৰতীয় পুথিৰ পাঠ উদ্ধাৰ আৰু সংৰক্ষণ কৰিবলৈ পৰ্যাপ্ত

নহয়। কিয়নো ইউৰোপীয় আৰু ভাৰতীয় সাহিত্যৰ মাজত কেতবোৰ পাৰ্থক্য লক্ষ্য কৰা যায়। ভাৰতত পাঠ-সমীক্ষা বিষয়টোৰ সকলোবোৰ সমস্যা আৰু তাৰ খুটিনাটি বিচাৰ কৰি এই বিষয়ত উল্লেখযোগ্য বৰঙণি যোগোৱা প্ৰথম আৰু প্ৰধান ব্যক্তিগৰাকী হ'ল ভি. এছ. সুখথংকৰ। ডক্টৰ সুখথংকৰৰ নেতৃত্বত *মহাভাৰতৰ* বিভিন্ন পৰ্বৰ সম্পাদনা কৰি পাঠ-সমীক্ষা বিষয়টোৰ চৰ্চা কৰা আন পণ্ডিত ব্যক্তিকেইগৰাকী হ'ল ডক্টৰ সুশীল কুমাৰ দে, ডক্টৰ ৰঘুবীৰ, অধ্যাপক ফ্ৰেংকলিং এডগাৰ্টন, ৰাও বাহাদুৰ, ওৱেলকৰ আদি। ডক্টৰ সুখথংকৰ আৰু তেওঁৰ লগত সহযোগ কৰি মহাভাৰতৰ বিভিন্ন পৰ্বৰ পাঠ-সমীক্ষা কৰা ব্যক্তিসকলৰ আগতে বাৰ্লিন বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰিচাৰ্ড পিশেলে কালিদাসৰ শকুন্তলা নাটকৰ বৈজ্ঞানিক পদ্ধতিৰে পাঠ-সমীক্ষা কৰি উলিয়ায়। পিশেলৰ এই পাঠটোকে কেপ্পেলাৰে পাঠ সংশোধন কৰি অধ্যয়ন কৰি উলিয়াইছে। পিশেলে বাংলা পাঠ-শাখাৰ ওপৰত ভিত্তি কৰি ১৮৭৭ চনত *শকুন্তলা* নাটক সম্পাদনা কৰি উলিয়াইছিল। ষ্টেন কনোই ৰাজশেখৰৰ *কৰ্পূৰমঞ্জৰী* ১৯০১ চনত সম্পাদনা কৰিছিল। মুঠ এঘাৰখন পুথিৰ পাঠ অধ্যয়ন কৰি তেওঁ তেনে এটি কাম সমাধা কৰিছিল। এফ. এডগাৰ্টনৰ *পঞ্চতন্ত্ৰ ৰিকন্সট্ৰাক্টেড* নিউ হেভেনৰ পৰা ১৯২৪ চনত প্ৰকাশ পায়। ভাৰতীয় গ্ৰন্থ এখনত ইউৰোপীয় পাঠ-সমীক্ষাৰ নীতি ইয়াত প্ৰয়োগ হৈছে। টোডৰ মলে *মহাবীৰ চৰিত* উত্তৰ আৰু দক্ষিণ ভাৰতীয় পাঠ-শাখাৰে সম্পাদনা কৰে আৰু এইখন ১৯২৮ চনত প্ৰকাশ পায়। পি. এল. বৈদ্যই পুষ্পদন্তৰ *মহাপুৰাণ* আৰু এ. এল. উপাধ্যায়েও যোগীন্দুৰ *পৰমাত্ম প্ৰকাশৰ* পাঠ-সমীক্ষা কৰি সম্পাদনা কাৰ্য সমাপ্ত কৰে। এনেদৰে ভাৰতীয় পাঠৰ পাঠ অধ্যয়নৰ বিবিধ পৰীক্ষা-নিৰীক্ষা চলিবলৈ ধৰে। কিন্তু প্ৰথম মহাসমৰৰ বিভীষিকাই সাহিত্যৰ অন্যান্য দিশৰ লগতে পাঠ-সমীক্ষা পদ্ধতিৰ দিশতো হেঙাৰ বান্ধিলে।

১৯১৭ চনত পুনেত ভাণ্ডাৰকাৰ ওৰিয়েণ্টেল ইন্‌ষ্টিটিউট স্থাপন হয়। ভি. এছ. সুখথংকৰ আৰু তেওঁৰ নেতৃত্বত এদল গৱেষকে পাঠ-সমীক্ষা বিষয়টোত গভীৰভাৱে মনোনিবেশ কৰা দেখা গ'ল। সুখথংকৰ বাৰ্লিনৰ হমবল্ড বিশ্ববিদ্যালয়ৰ হেইনৰিখ ল্যুদৰ্ছৰ ছাত্ৰ আছিল আৰু *মহাভাৰতৰ* সমীক্ষিত পাঠৰ কাম প্ৰথমে ল্যুদৰ্ছেই আৰম্ভ কৰিছিল। সুখথংকৰে সেইবাবেই ল্যুদৰ্ছৰ পৰা ইয়াৰ আৰ্হি গ্ৰহণ কৰিছিল। *মহাভাৰতৰ* দৰে এখন অতি প্ৰাচীন কাব্যৰ সম্পাদনা এক অতিশয় কঠিন কৰ্ম। তথাপিতো এনে কঠিন আৰু নতুন কাম এটাত আগবাঢ়িবলৈ কেবাগৰাকী পণ্ডিতে হাত মেলিলে। ভাৰতৰ বাহিৰৰ য়েল বিশ্ববিদ্যালয়ৰ ফ্ৰাংকলিন এড্‌গাটনে *মহাভাৰতৰ সভা পৰ্ব্ব* কাম সম্পাদনা কৰে। ভি. এছ. সুখথংকৰে আদি আৰু *বনপৰ্ব*, ওৱেলৰলকৰে *ভীষ্ম, শান্তি, অশ্বমেধ, মূষল, মহাপ্ৰস্থানিক* আৰু *স্বৰ্গাৰোহণ পৰ্ব* সম্পাদনা কৰে। ৰঘুবীৰে *বিৰাট পৰ্ব*, সুশীল কুমাৰ দেয়ে *উদ্যোগ পৰ্ব*, আৰ. জি. কৰ্মকৰে *অশ্বমেধ পৰ্ব*, ভি. জি. পৰাঞ্জপে *স্ত্ৰীপৰ্ব*, এইচ. ডি ৰেলংকৰে *সৌপ্তিকপৰ্ব*, দাণ্ডেকৰে *শল্য* আৰু *অনুশাসনপৰ্ব* সম্পাদনা কৰি এটা মহৎ কাম সাধন কৰে। ইয়াৰ বাহিৰেও বিশ্ববন্ধু শাস্ত্ৰী সম্পাদিত *ৰামায়ণ অব্ বাল্মিকী ঃ সুন্দৰাকাণ্ড* (১৯৪০), কৃষ্ণকান্ত সন্দিকৈ সম্পাদিত *নৈষধ চৰিত, যশস্তিলক*, ধৰ্মদত্ত কৌশাম্বীৰ *ভৰ্ত্তৃহৰিৰ কবিতা*, মনমোহন ঘোষৰ *কৰ্পূৰমঞ্জৰী* (১৯৩৯), সুশীল কুমাৰ দেৰ *কৃষ্ণ কৰ্ণামৃত*, বৰোদাৰ পৰা

প্ৰকাশিত *সপ্তকাণ্ড বাল্মীকি ৰামায়ণ*, এষ্টেলাৰৰ *ডিফাৰেণ্ট বিচেনছনছ অব্ মহানাটক*, ফ্ৰান্সেছ উইলছনৰ *লাভ অব্ কৃষ্ণ*(১৯৭৫), মহেশ্বৰ নেওগৰ *বিল্ধমংগল বিৰচিতং কৃষ্ণ স্তোত্ৰম*(১৯৬২) আদি গ্ৰন্থই ভাৰতীয় পাঠ-সমীক্ষাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰে। বিভিন্ন প্ৰমাণ আৰু উৎস বিচাৰ কৰি চালে দেখা যায় যে ভাৰতত অতি প্ৰাচীন কালৰে পৰাই পুৰণি পুথিৰ পাঠ উদ্ধাৰৰ প্ৰতি পণ্ডিতসকল অতি সচেতন আৰু সজাগ আছিল। ইউৰোপীয় চিন্তাৰ ফল বা পাশ্চাত্য চিন্তাৰ ফল বুলি মানিলেও ভাৰতবৰ্ষই প্ৰাচীন পুথিৰ সংশোধন নতুন পাঠ-সমীক্ষাৰ পদ্ধতি অতি পুৰণি কালৰে পৰাই প্ৰয়োগ কৰি আহিছে। প্ৰাচীন ভাৰতবৰ্ষত বিভিন্ন ঠাইত একো একোটা বিশাল গ্ৰন্থাগাৰ থকাৰ প্ৰমাণ পোৱা যায়। মঠ-মন্দিৰ, বৌদ্ধ-বিহাৰ, ৰাজকীয় গ্ৰন্থাগাৰ, পাঠশালা আদিত হাতেলিখা পুথিৰ সংৰক্ষণৰ ব্যৱস্থা আছিল। ৰাজকীয় পৃষ্ঠপোষকতাত কোনো কোনো পুথিভঁৰাল গঢ় লৈ উঠিছিল। তাঞ্জোৰ, কাঞ্চীপুৰম, কেৰল, কাম্বে আদি ঠাইত পুথি সংৰক্ষণৰ বাবে বিশাল পুথিভঁৰাল থকাৰ প্ৰমাণ পোৱা যায়।

প্ৰাচীন কালত আজিকালিৰ দৰে গ্ৰন্থ ছপাবৰ বাবে ছপাশাল বা তেনে কোনো ব্যৱস্থা নাছিল। পঞ্চদশ শতিকাতহে ছপাশাল আৱিষ্কাৰ হয়। ছপাশাল আৱিষ্কাৰৰ আগলৈকে ভাৰতবৰ্ষত তথা অসমত পুথি-পাঁজি হাতেৰে নকল কৰা প্ৰথাৰেই প্ৰচলন আছিল। ফলত লেখকৰ নিজৰ হাতৰ লেখনী বা তেওঁৰ তত্ত্বাৱধানত লিখা অটোগ্ৰাফ বা স্বহস্তলিখিত পাঠ আৰু নকল কৰি মূলৰ পৰা লেখা পাঠ বা নকলৰ পৰা নকল কৰি কৰা সম্প্ৰেৰিত পাঠৰ প্ৰচলন আছিল।

ইউৰোপীয় প্ৰেক্ষাপট ঃ পাঠ-সমীক্ষামূলক চিন্তা-চৰ্চাৰ প্ৰথম অধ্যয়ন আৰম্ভ হৈছিল গ্ৰীচৰ আলোকজেন্দ্ৰিয়াত। কিন্তু তেওঁলোকৰ চিন্তা-চৰ্চাই কেনে ধৰণৰ অধ্যয়নৰ পদ্ধতি গ্ৰহণ কৰিছিল তাৰ কোনো বিৱৰণ পোৱা হোৱা নাই। সেই সময়তে গ্ৰীক আৰু লেটিন ভাষাৰ আপুৰুগীয়া গ্ৰন্থৰাজিৰ বিজ্ঞানসন্মতভাৱে পাঠ অধ্যয়ন কৰিবলৈ এই পদ্ধতিটো প্ৰয়োগ কৰা হৈছিল। চতুৰ্থ খ্ৰীষ্টাব্দৰ শেষৰ ফালে লেটিন পাঠৰ ওপৰত ভিত্তি কৰি বাইবেলৰ পাঠৰ পাঠ-সমীক্ষা প্ৰক্ৰিয়া আৰম্ভ হৈছিল। এই অধ্যয়নৰ ফলস্বৰূপে ১৯৫২ চনত *ৰিভাইছড্ ষ্টেণ্ডার্ড ভাৰ্ছন অব্ দ্য বাইবেল* সমীক্ষিত পদ্ধতিত প্ৰকাশ পায়। ইউৰোপত নৱ-জাগৰণৰ কালছোৱাত— পঞ্চদশ-ষোড়শ শতিকাত পাঠ-সমীক্ষা পদ্ধতিয়ে এটা নতুন ৰূপ গ্ৰহণ কৰে। শিল্প-সংস্কৃতিৰ অগ্ৰসৰৰ লগতে সাহিত্যৰ দিশতো এক নতুন চিন্তাধাৰা আহি পৰে। পাঠ-সমীক্ষা পদ্ধতিৰ এই নতুন ৰূপটো ফৰাচী, ইংৰাজী, জাৰ্মান আদি নব্য ইউৰোপীয় ভাষা-সাহিত্যলৈকো সম্প্ৰসাৰিত হয়। পণ্ডিত বা পাঠ-সমীক্ষকসকলে পুৰণি পুথিৰ বা অসমীক্ষিত পুথিৰ পাঠ শুধৰাবলৈ যথেষ্ট যত্নপৰ হোৱা দেখা গ'ল। এই পদ্ধতিৰে নতুনকৈ সম্পাদন কৰি উলিওৱা কেতবোৰ উল্লেখযোগ্য গ্ৰন্থ হ'ল— *কেটিউলাচ, হৰেচ* আদি। এই গ্ৰন্থবোৰৰ জৰিয়তে পাঠ-সমীক্ষা পদ্ধতিয়ে এক নতুন মাত্ৰা লাভ কৰে।



জানি থোৱা ভাল

ইউৰোপৰ নৱ-জাগৰণৰ আৰম্ভণিৰ লগে লগে পাঠ-সমীক্ষাৰ দিশতো নতুন পথৰ আবিৰ্ভাৰ হ'ল।

পাঠ-সমীক্ষা পদ্ধতিত পাঠ-পুনৰ্মূল্যায়ন আৰু পাঠ-সংশোধন এই দুটা প্ৰক্ৰিয়াৰে পাঠৰ অধ্যয়ন কৰা হয়। স্কেলিগাৰে সম্পাদনা কৰা *কেটিউলাচ*ৰ গ্ৰন্থৰ সমীক্ষিত পাঠ সম্পাদন হয় ১৫৭৭ চনত। ৰিচার্ড বেণ্টলিয়ে ১৭১১ চনত হৱেচৰ সাহিত্য কৃতি সম্পাদনা কৰি পাঠ-সমীক্ষা পদ্ধতিৰ প্ৰসাৰ ঘটায়। ঊনবিংশ শতিকাত— ১৮৩০-৩১ চনত ইউৰোপৰ বিভিন্ন ঠাইত গ্ৰীক নিউ টেষ্টামেণ্টৰ পাঠ অধ্যয়নৰ সূচনা হয়। লাখমেনে সম্পাদনা কৰা *গ্ৰীক নিউ টেষ্টামেণ্ট* আৰু *নিউক্ৰোটিয়াছৰ গ্ৰন্থ* (১৮৫০) পাঠ-সমীক্ষা পদ্ধতিৰ আন এক উল্লেখযোগ্য উদাহৰণ। এই পাঠ অধ্যয়নৰ বেলিকা পুথিৰ বংশলতা আৰু সংগৃহীত পুথিৰ সাংকেতিক চিহ্ন প্ৰস্তুত কৰাৰ পদ্ধতি প্ৰয়োগ কৰা হয়। এনেদৰে পাঠ-সমীক্ষা বিষয়টো প্ৰণালীবদ্ধভাৱে এক গভীৰ অধ্যয়নৰ ভিতৰুৱা হৈ পৰে। পলমাচে ১৯২৭ চনত জাৰ্মান ভাষাত প্ৰকাশ কৰি উলিওৱা *টেক্সক্ৰিটিক* গ্ৰন্থত এই বিষয়ে বহলভাৱে আলোচনা কৰি দেখুৱাইছে। এই গ্ৰন্থখন বাৰবাৰা ফ্লাৱাৰে ইংৰাজীলৈ অনুবাদ কৰি *টেক্সচুৱেল ক্ৰিটিছিজম্* নামেৰে ১৯৫৮ চনত প্ৰকাশ কৰে। ঊনবিংশ শতিকাত শ্বেইক্সপীয়েৰ, এলিজাবেথান আৰু জেকবিয়ান নাট্যকাৰসকলৰ নাট্যৰাজিৰ পাঠ অধ্যয়ন কৰা হয়। ১৯৫২ চনত *ৰিভাইছড্ ষ্টেণ্ডার্ড ভার্ছন অব্ দ্য বাইবেল*, ১৯৬৬ চনত কে. টিলট্ছনে সম্পাদনা কৰা ডিকেন্ছৰ *ওলিভাৰ টুইষ্ট*, ১৯৭০ চনত প্ৰকাশ পোৱা *নিউ ইংলিচ বাইবেল* আদি গ্ৰন্থ পাঠ-সমীক্ষাৰ একো একোটি উল্লেখযোগ্য উদাহৰণ। এই গ্ৰন্থসমূহৰ বাহিৰেও পাঠ-সমীক্ষাৰ বিভিন্ন দিশ আৰু তাৰ গুৰুত্বৰ বিষয়ে ইউৰোপীয় ভাষাত আন কেইখনমান উল্লেখনীয় গ্ৰন্থ ৰচিত হয়। এই গ্ৰন্থকেইখনমান হ'ল এফ. ডব্লিউ. হলৰ *এ কম্পেনিয়ন টু ক্লাছিকেল টেক্সট্ছ্*, পষ্টগেটৰ *টেক্সচুৱেল ক্ৰিটিছিজম্*, ছাৰ ৰিচার্চ চি. জেবৰ *টেক্সচুৱেল ক্ৰিটিছিজম্* আৰু এল হাভেটৰ *মেনুৱেল দ্য ক্ৰিটিক ভার্বেল এপ্লিকী আক্সটেক্সেছ লেটিনছ্* আদি। পাঠ-সমীক্ষা পদ্ধতিটো যে সকলো সাহিত্যৰ বাবে আৱশ্যকীয় এই কথা বিশ্বৰ পণ্ডিত-গৱেষক-পাঠকসকলে স্বীকাৰ কৰাটো লক্ষণীয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পাঠ-সমীক্ষাৰ সাধাৰণ পৰিচয় দাঙি ধৰি ইয়াৰ ক্ৰমবিকাশ সম্পৰ্কে চমু উত্তৰ লিখক। (১৫০ টা শব্দৰ ভিতৰত)

.....

১২.৪ পাঠ-সমীক্ষা আৰু ভাৰতত ইয়াৰ স্বৰূপ

ভাৰতীয় সাহিত্য-সংস্কৃতি অতি প্ৰাচীন আৰু ঐতিহ্যমণ্ডিত। প্ৰাণ-প্ৰাচুৰ্যৰে ভৰা ভাৰতীয়

সাহিত্যিক পাশ্চাত্য সাহিত্যই চেৰ পেলাই যাব পৰা নাই। প্ৰাচীন ভাৰতীয় সাহিত্যৰ স্বৰূপ আৰু আদৰ্শত এক স্বকীয় বৈশিষ্ট্য লুকাই আছে। প্ৰাচীন ভাৰতবৰ্ষৰ এই প্ৰাচীন পুথিসমূহ পাঠ-সমীক্ষা পদ্ধতিৰে নতুনকৈ সম্পাদনা কৰি ইয়াৰ ইতিহাস নিৰ্ধাৰণ কৰিব পৰাৰ যথেষ্ট থল আছে। বৈদিক যুগৰে পৰা ভাৰতত পাঠ সংৰক্ষণৰ ব্যৱস্থা আছিল বুলি অনেক প্ৰমাণ পোৱা যায়। বিভিন্ন টীকাকাৰে উল্লেখ কৰা পাঠৰ ব্যাখ্যাত এই কথাৰ প্ৰমাণ আছে। টীকাকাৰসকলে এটা শুদ্ধ, নিৰ্ভুল পাঠৰ ওপৰত ভিত্তি কৰিহে টীকা, ভাষ্য আৰু তাৰ বিৱৰণ দাঙি ধৰিছিল। সেইবাবে তেনে টীকা-ব্যাখ্যা আদিৰ বিৱৰণৰ বাবে টীকাকাৰসকলে বহু সংখ্যক হাতেলিখা পুথিৰ ওপৰত নিৰ্ভৰ কৰিছিল। হাতেলিখা পুথিসমূহ সংগ্ৰহ কৰাৰ লগতে আন টীকাকাৰৰ টীকা-ভাষ্য, ব্যাকৰণবিদৰ সিদ্ধান্ত, অনুবাদ আদিও তেওঁলোকে সংগ্ৰহ কৰিছিল। এনেদৰে সংগ্ৰহ কৰা বিভিন্ন সাক্ষ্যসমূহ টীকাকাৰসকলে যুক্তিসাপেক্ষে চালি-জাৰি চাই এটা মূল পাঠ গ্ৰহণ কৰিছিল। বৈদিক যুগৰে পৰা এই ধাৰাটো চলি আহিছিল; যাৰ ফলত পুথিৰ মূলৰ ওচৰ চপাত সহায় হৈছিল। মহাভাৰতৰ টীকাকাৰ নীলকণ্ঠই টীকাৰ আৰম্ভণিতে জনাইছে যে বিভিন্ন ঠাইৰ পৰা সংগ্ৰহ কৰা অনেক উৎকৃষ্ট পাঠৰ বিচাৰ-বিশ্লেষণৰ অন্ততহে তেওঁ মহাভাৰতৰ কাম হাতত লৈছিল আৰু তেওঁৰ পূৰ্বৱৰ্তী আন টীকাকাৰৰ টীকাৰো সহায় লৈছিল।

পাঠ-সমীক্ষা সকলো সাহিত্যৰ অধ্যয়নৰ প্ৰসংগত অতিশয় প্ৰয়োজনীয় হিচাপে বিবেচিত। প্ৰাচীন পুথিৰ লগতে আধুনিক সাহিত্যৰ বাবেও পাঠ-সমীক্ষা অতি উপযোগী পদ্ধতি। ভাৰতীয় সাহিত্যৰ পাঠ-সমীক্ষাৰ ক্ষেত্ৰত ইউৰোপৰ পাঠ-সমীক্ষাৰ পদ্ধতি বৰ ভালকৈ খাপ নাখায়। আমাৰ ভাৰতীয় পাঠৰ ক্ষেত্ৰত অনেক সমস্যা দেখা যায়। গতিকে ইউৰোপৰ পাঠ-সমীক্ষাৰ পদ্ধতি তথা নীতি আদিয়ে এনেবোৰ সমস্যা সমাধান কৰিব নোৱাৰে। যদিও ভাৰতত লৌকিক যুগৰে পৰাই ভাৰতীয় টীকাকাৰসকলে বিভিন্ন পাঠ আৰু বিভিন্ন পাঠান্তৰৰ পৰা শুদ্ধ অথবা মূল পাঠৰ ওচৰ চাপিবলৈ যত্ন কৰি আহিছে, তথাপি পাঠ-সমীক্ষা বিষয়টো অধ্যয়নৰ এটা প্ৰণালীবদ্ধ নীতি বা স্বৰূপ ভাৰতত প্ৰচলন হোৱা নাছিল। পাঠ-সমীক্ষাৰ বিষয়ত ইউৰোপীয় সাহিত্য আৰু ভাৰতীয় সাহিত্যৰ মাজত অনেক সমস্যা প্ৰত্যক্ষ কৰা যায়। পাঠ-সমীক্ষা পদ্ধতিতো গ্ৰীক আৰু লেটিন সাহিত্যত তেওঁলোকৰ প্ৰাচীন গ্ৰন্থৰাজিৰ মূল পাঠ বা উৰ্-টেক্সটৰ সন্ধেদ উলিয়াবলৈ প্ৰয়োগ হৈছিল। পিছলৈ এই পদ্ধতিটো পাশ্চাত্যৰ বিভিন্ন সাহিত্যত প্ৰয়োগ হৈছিল। ভাৰতত পাঠ-সমীক্ষা পদ্ধতিৰ প্ৰচলন হৈছিল ঊনবিংশ শতিকাৰ পৰা। আমাৰ ভাৰতীয় সাহিত্যৰ পাঠ-সমীক্ষা



জানি থোৱা ভাল

ভাৰতীয় পাঠ-সমীক্ষাৰ ক্ষেত্ৰত মনোনিবেশ কৰা প্ৰথম আৰু প্ৰধানগৰাকী ব্যক্তিগৰাকী হ'ল— ভি. এছ. সুখথংকৰ।

বিষয়ত মনোনিবেশ কৰা প্ৰথম আৰু প্ৰধান ব্যক্তিগৰাকী ভি. এছ. সুখথংকৰে হেইনৰিখ ল্যুদৰ্ছৰ ছাত্ৰ হিচাপে পাঠ-সমীক্ষা বিষয়ত যথেষ্ট জ্ঞান অৰ্জন কৰিছিল। সুখথংকৰৰ নেতৃত্বত এদল ডেকা গৱেষকে সোতৰ বছৰ ধৰি কৰা পৰিশ্ৰমৰ অন্তত মহাভাৰতৰ সমীক্ষিত পাঠ প্ৰকাশ কৰিবলৈ সমৰ্থ হয়। সুখথংকৰে অকলে সম্পাদনা কৰা মহাভাৰতৰ আদিপৰ্বৰ পাতনি *প্ৰিলোগোমেনা* আজিও ভাৰতীয় পাঠ-সমীক্ষাৰ ক্ষেত্ৰত বেদস্বৰূপ। সুখথংকৰৰ নেতৃত্বত আন আন গৱেষকসকলে আধুনিক পদ্ধতিৰে পাঠ-সমীক্ষা পদ্ধতি প্ৰয়োগ কৰাৰ পূৰ্বেও ভাৰতীয় সাহিত্যত এই অধ্যয়নৰ প্ৰচাৰ চলিছিল। বাৰ্লিন বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰিচাৰ্ড পিশ্চেলে কালিদাসৰ *শকুন্তলা* নাটকৰ পাঠ-সমীক্ষা কৰি উলিয়াইছিল। কিন্তু তেওঁৰ তেনে অধ্যয়ন ফলপ্ৰসূ আৰু গ্ৰহণযোগ্য নহ'ল। ভাৰতত ৰামকৃষ্ণ গোপাল ভাণ্ডাৰকাৰে কেইবাখনো হাতেলিখা পুৰণি পুথিৰ পাঠ মিলাই ১৮৭৬ চনত ভৱভূতিৰ *মালতী মাধৱ* সম্পাদনা কৰিছিল। অসমৰ সুযোগ্য সন্তান আনন্দৰাম বৰুৱাই ১৮৭৬ চনত ভৱভূতিৰ *মহাবীৰ চৰিত* সম্পাদনা কৰি প্ৰকাশ কৰে। বাংলা পাঠ শাখাৰ ওপৰত ভিত্তি কৰি আৰ্. পিশ্চেলৰ কালিদাসৰ *শকুন্তলা* নাটকৰ সংস্কৰণ প্ৰকাশ পায় ১৮৭৭ চনত। ষ্টেন কনো সম্পাদিত ৰাজশেখৰৰ প্ৰাকৃত সট্টক *কৰ্পূৰ মঞ্জৰী* প্ৰকাশ পায় ১৯০১ চনত। পাঠ-সমীক্ষা পদ্ধতিৰে কৰা এই গ্ৰন্থৰ সম্পাদনাত মুঠ এঘাৰখন হাতেলিখা পুথি সংগ্ৰহ কৰি তাৰ মূল পাঠ নিৰ্ধাৰণ কৰা হৈছে। টোডৰমলে ১৯২৪ চনত ভৱভূতিৰ *মহাবীৰ চৰিত*খন মুঠ ওঠৰখন পুৰণি হাতেলিখা পুথিৰ পাঠ পৰীক্ষা কৰি সম্পাদনা কৰি উলিয়ায়। এইসকল পণ্ডিত-গৱেষকে পাঠ-সমীক্ষা অধ্যয়নৰ জৰিয়তে সাহিত্যত এটি নতুন চিন্তা-চৰ্চাৰ বাট মুকলি কৰে। কিন্তু ভাৰতত সুখথংকৰৰ লগত সহযোগ কৰি এছ. কে. দে, ৰঘুবীৰ, অধ্যাপক ফ্ৰেংকলিং এডগাৰ্টন, ৰাও বাহাদুৰ, ওৱেলৱলকৰ আদি পণ্ডিতসকলে মহাভাৰতৰ বিভিন্ন পৰ্বৰ সম্পাদনা কৰি যি নতুন চিন্তা-চেতনা পাঠ-সমীক্ষাৰ অধ্যয়নৰ মাজেৰে আগবঢ়ালে সি শলাগিবলগীয়া। সুখথংকৰৰ *মহাভাৰতৰ* আদিপৰ্বৰ পাতনি 'প্ৰিলোগোমেনা'ৰ পাঠ বিচাৰ কৰোঁতে প্ৰধানভাৱে ইউৰোপীয় পদ্ধতিকে মানি লোৱা হৈছে। সেয়ে হ'লেও সুখথংকৰে এই অধ্যয়নত সংস্কৃত সাহিত্যৰ পাঠ নিৰূপণৰ বাবে এটা সুচিন্তিত আৰু সুনিৰ্দিষ্ট পদ্ধতি নিৰ্ধাৰণ কৰি গৈছে। সেইবাবেই ভাৰতৰ পাঠ-সমীক্ষা পদ্ধতিত সুখথংকৰ পদ্ধতিকে সকলোৱে মানি লৈছে। *মহাভাৰতৰ* আদিপৰ্বৰ পাছত বাকী পৰ্ববোৰৰ পাঠ সম্পাদনা কৰাত সুখথংকৰৰ নিৰ্দেশাৱলীকে সমীক্ষকসকলে পালন কৰা দেখা গৈছে। *মহাভাৰতৰ* বাহিৰেও আন আন পাঠ অধ্যয়নৰ বেলিকা পৰৱৰ্তী সমীক্ষকসকলে সুখথংকৰৰ পথকে অনুসৰণ কৰিছে। সুখথংকৰৰ *মহাভাৰতৰ*আদিপৰ্বৰ পাঠ-সমীক্ষাৰ পাছত ভাৰতীয় পাঠ-সমীক্ষা অধ্যয়নৰ ক্ষেত্ৰত বিশেষভাৱে কৰ্মত আগবঢ়া ব্যক্তিগৰাকী হৈছে ফ্ৰেংকলিং এডগাৰ্টন। আমেৰিকাৰ নিউ হাভেনৰ পৰা ওলোৱা তেওঁৰ *পঞ্চতন্ত্ৰ ৰিকন্সট্ৰাক্টেড* নামৰ পুথিখনিয়ে পাঠ-সমীক্ষা বিষয়টোক পাঠক-গৱেষক আৰু সমালোচকসকলৰ বাবে আৰু অধিক বোধগম্য কৰি তোলে। এই পুথিখনি ১৯২৪ চনত পাঠ-সমীক্ষা পদ্ধতিৰে প্ৰকাশ পাইছিল। এই দুগৰাকী অধ্যয়নশীল ব্যক্তিৰ চিন্তা-চৰ্চাই পাঠ-সমীক্ষা

পদ্ধতিটোক আৰু অধিক উন্নত ৰূপ প্ৰদান কৰে। এওঁলোকৰ পাছত ক্ৰমে লুডাৰিগ আলছ্ডৰ্ফ, পি. এল. বৈদ্য, জোহান্স নোবেল লেইজিগ, এ. এন. উপাধ্যায়, বিশ্ববন্ধু শাস্ত্ৰী, কৃষ্ণকান্ত সন্দিকৈ আদি পণ্ডিতসকলে পাঠ-সমীক্ষা বিষয়ৰ ভালেখিনি চিন্তা-চৰ্চা আগবঢ়ায়। লুডৰিগ্ আলছ্ডৰ্ফে পুষ্পদন্তৰ *হৰিবংশ* সমীক্ষা কৰি উলিয়ায়— ১৯৩৬ চনত। পি. এল. বৈদ্যৰ দ্বাৰা সম্পাদিত *মহাপুৰাণ* ১৯৩৭ চনত প্ৰকাশ পায়। নোবেল লেইজিগে ১৯৩৭ চনত সম্পাদনা কৰি উলিয়ায় *সুৱৰ্ণভাষোত্তম সূত্ৰ* পুথিখন। এ. এন. উপাধ্যায়ৰ দ্বাৰা সম্পাদিত যোগীন্দ্ৰৰ *পৰমাত্মা প্ৰকাশ* পুথিখন প্ৰকাশ হৈ ওলায় ১৯৩৭ চনত। বিশ্ববন্ধু শাস্ত্ৰীয়ে *ৰামায়ণ অব্ বাল্মীকি ঃ সুন্দৰাকাণ্ড* ১৯৪০ চনত সম্পাদনা কৰি প্ৰকাশ কৰে। পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ দ্বাৰা সম্পাদিত *নৈষধ চৰিত, যশাস্তিলক* আৰু *সেতুবন্ধ,* ধৰ্মদত্ত কৌশাম্বী সম্পাদিত *ভৰ্তৃহৰিৰ কবিতা,* মনোমোহন ঘোষ সম্পাদিত *কৰ্পূৰ মঞ্জৰী* প্ৰকাশ হৈ ওলায় ১৯৩৯ চনত। সুশীল কুমাৰ দেই *কৃষ্ণ কৰ্ণামৃত, সপ্তকাণ্ড বাল্মীকি ৰামায়ণ,* এষ্টেলাৰে *ডিফাৰেণ্ট ৰিচেন্ছন্ছ অব মহানাটক,* ফ্ৰান্সেছ উইলছনে *লাভ অব্ কৃষ্ণ* ১৯৭৫ চনত সম্পাদনা কৰে। মহেশ্বৰ নেওগে ১৯৬২ চনত *বিল্বমংগল বিৰচিতং কৃষ্ণ-স্তোত্ৰম্* সম্পাদনা কৰে। মহেশ্বৰ নেওগে পাঠ-সমীক্ষা কৰোতে বিল্বমংগলৰ কৃষ্ণস্তোত্ৰৰ অসমৰ পাঠৰ ওপৰত যথেষ্ট নিৰ্ভৰ কৰিছিল। ফ্ৰান্সেছ উইলছনেও তেওঁৰ *লাভ অব্ কৃষ্ণ* গ্ৰন্থৰ পাঠ সম্পাদনাত এই গ্ৰন্থখনৰ সহায় লৈছিল। ওপৰত উল্লেখ কৰা এই গৱেষক আৰু অধ্যয়নশীল পণ্ডিতসকলৰ গ্ৰন্থসমূহে ভাৰতীয় পাঠ-সমীক্ষা বিষয়ৰ উৎকৃষ্ট উদাহৰণ হিচাপে স্থান লাভ কৰিছে। কৃষ্ণকান্ত সন্দিকৈৰ পাঠ-সমীক্ষা অধ্যয়নৰ উল্লেখযোগ্য বৰঙণি হ'ল *নৈষধচৰিত, সেতুবন্ধ* ৰ টীকাসমূহ আৰু সিবোৰৰ শ্ৰেণী বিভাজন। ভাৰতীয় পাঠ-সমীক্ষা অধ্যয়নৰ ক্ষেত্ৰত কৃষ্ণকান্ত সন্দিকৈৰ পাঠ-সমীক্ষা আজিও অতিশয় উপযোগী হিচাপে বিবেচিত।

সকলো ভাষাৰে একোটা ইতিহাস থাকে। সময় বাগৰাৰ লগে লগে ভাষা একোটাৰ শব্দ-সম্ভাৰৰ কেতবোৰ শব্দই ভিন্ন ৰূপ পৰিগ্ৰহ কৰা দেখা যায়। আকৌ সেই ভাষাৰ কিছুমান শব্দ আন ভাষাতো সুকীয়া ৰূপ লৈ প্ৰৱেশ কৰিব পাৰে। তেনেদৰে একো একোটা শব্দই বিভিন্ন দেশৰ ভাষাতো সোমাই পৰে আৰু সি একোটা নতুন ৰূপ লয়। পাঠ-সমীক্ষা অধ্যয়নৰ জৰিয়তে এনে শব্দৰ মূল ৰূপ উলিয়াব পাৰি। আগতেই উল্লেখ কৰি অহা হৈছে যে, পাঠ-সমীক্ষা মূলতেই হৈছে পাশ্চাত্য চিন্তা-চৰ্চাৰ এক ফলপ্ৰসূ কৰ্ম। পোন প্ৰথমে লেটিন আৰু গ্ৰীক সাহিত্যত এই পদ্ধতিটো আৰিষ্কাৰ কৰা হৈছিল। সেই ঠাইৰ বহুতো আপুৰুগীয়া গ্ৰন্থ পাঠ বিজ্ঞানসন্মতভাবে উদ্ধাৰৰ বাবে এই নীতি প্ৰয়োগ কৰা হৈছিল। পাছলৈ ইংৰাজী, ফৰাচী আৰু আন আন ইউৰোপীয় ভাষা-সাহিত্যত ইয়াৰ প্ৰভাৱ পৰে আৰু ই প্ৰসাৰ লাভ কৰে। ঊনবিংশ শতিকাৰ পৰা ভাৰতীয় সংস্কৃত-প্ৰাকৃত-অপভ্ৰংশ আদি ভাষাৰ অনেক আপুৰুগীয়া গ্ৰন্থৰ মূল পাঠ (ur-text) পাঠ-সমীক্ষাৰ জৰিয়তে উদ্ধাৰ কৰিবলৈ এচাম চিন্তাবিদে চিন্তা-চৰ্চা কৰিবলৈ আৰম্ভ কৰে। ইউৰোপীয় পাঠ-সমীক্ষা অধ্যয়নৰ সৈতে ভাৰতীয় সাহিত্যৰ পাঠ অধ্যয়নৰ যি সমস্যা বা জটিলতা দেখা গৈছিল সেই সমস্যা সমাধান কৰি ভি. এছ. সুখথংকৰ, আৰ. জি. ভাণ্ডাৰকাৰ, টোডৰমল, আৰ. পিশ্চেল,

ষ্টেন কনো, আনন্দৰাম বৰুৱা আদিকে ধৰি কেইবাগৰাকী পণ্ডিত-গৱেষকে পাঠ-সমীক্ষাৰ এক নতুন ৰূপ উন্মোচিত কৰে। পাঠ-সমীক্ষা পদ্ধতিৰে পাঠ আৰু পাঠান্তৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত গদ্যৰ বাবে এডগাৰ্টনৰ *পঞ্চতন্ত্ৰ বিকন্সট্ৰাক্টেড* আৰু কাব্যৰ বাবে ভি. এছ. সুখথংকৰৰ *মহাভাৰতকে* বেছিভাগ পাঠ-সমীক্ষকে আদৰ্শ হিচাপে গ্ৰহণ কৰা দেখা যায়।



জানি থোৱা ভাল

বৈদিক যুগৰে পৰা পণ্ডিতসকলে পাঠৰ শুদ্ধতাৰ প্ৰতি বিশেষভাৱে মনোযোগ দিছিল।

ভাৰতবৰ্ষত প্ৰাচীন কালৰে পৰা পুথিৰ বংশলতা প্ৰস্তুত কৰাত সফলতাৰে আগবঢ়া দেখা যায়। ভাৰতত প্ৰাচীন সংস্কৃত গ্ৰন্থৰ জনপ্ৰিয়তা আছিল অধিক। গতিকে সেই গ্ৰন্থবোৰৰ নকলৰ সংখ্যাও নিচেই কম নাছিল। পুথিৰ নকলৰ সংখ্যাধিক্যই সেই পুথিৰ সংগ্ৰহ আৰু পাঠোদ্ধাৰ সহজ কৰি তুলিছিল। পুৰণি পুথিৰ সংৰক্ষণৰ ক্ষেত্ৰতো প্ৰাচীন ভাৰতীয় সমাজ আছিল অত্যন্ত সচেতন। বৈদিক যুগৰে পৰা পণ্ডিতসকলৰ মাজত পাঠৰ শুদ্ধতাৰ প্ৰতি মনোযোগিতা বিশেষভাৱে পৰিলক্ষিত হয়। পাঠ যাতে বিকৃত নহয় তাৰ বাবে তেওঁলোকে শিক্ষা, নিৰুক্ত আদি শাস্ত্ৰ সৃষ্টি কৰি লৈছিল। সেই সময়ছোৱাত বেদপাঠ মৌখিক পৰম্পৰাতহে চলি আহিছিল। গতিকে পাঠ বিকৃত হোৱাৰ সম্ভাৱনাও প্ৰবল আছিল, সেইবাবে যিসকল বিদ্বান লোক আছিল তেওঁলোকে পাঠৰ শুদ্ধতাৰ প্ৰতি সততে দৃষ্টি ৰাখিছিল। বেদৰ শব্দৰ শুদ্ধ উচ্চাৰণৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। শিষ্যসকলে গুৰুৰ ওচৰত বহু বছৰ থাকি শুদ্ধ উচ্চাৰণেৰে পাঠ আবৃত্তি কৰি বেদৰ পাঠ আওৰাইছিল। ভাৰতৰ সকলো ঠাইতে সকলো বয়সৰ বেদ আবৃত্তিকাৰৰ উচ্চাৰণ-ধ্বনি একে। প্ৰাচীন টীকাকাৰসকলে বেদৰ বা যিকোনো প্ৰাচীন গ্ৰন্থৰ টীকাসমূহৰ সংৰক্ষণৰ বা তাক উদ্ধাৰৰ প্ৰচেষ্টা চলাইছিল যদিও এনে ক্ষেত্ৰত পাঠ-সমীক্ষা পদ্ধতিৰ প্ৰয়োগৰ কথা আহি পৰিছে। আধুনিক পাঠ-সমীক্ষা প্ৰক্ৰিয়াটো যে ভাৰতত অতি প্ৰাচীন কালৰে পৰাই চলি আহিছিল সেই কথা ওপৰত উল্লেখ কৰা কথাই প্ৰমাণ কৰে। ভাৰতত কোনো প্ৰাচীন গ্ৰন্থৰে গ্ৰন্থকাৰৰ হাতৰ মূল পুথি পোৱাটো কঠিন, যাৰ বাবে সম্প্ৰেৰিত পাঠৰ ওপৰত গুৰুত্ব দিবলগীয়া হয়। সাধাৰণতে পুথি একোখন নকলৰ পৰা নকল হৈ হৈ আহি থকাৰ ফলত সময়ত তাৰ পাঠ প্ৰমাদগ্ৰস্ত হৈ পৰে। এই বিষয়ে আগৰ অধ্যায়ত আলোচনা কৰি অহা হৈছে। প্ৰাচীন ভাৰতৰ টীকাকাৰসকলে তেওঁলোকৰ আগৰ টীকাকাৰৰ টীকা-ভাষ্যৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। টীকাকাৰ নীলকণ্ঠই *মহাভাৰতৰ* পাঠ প্ৰস্তুত কৰোঁতে যথেষ্ট সাৱধানতাৰে বিভিন্ন পাঠ পৰীক্ষা কৰাৰ কথা জনা যায়। অকল প্ৰাচীন কালতে নহয়, বৃটিছৰ শাসন কালতো ভাৰতত প্ৰাচীন পুথিৰ পাঠ উদ্ধাৰ, সংৰক্ষণ আদিৰ প্ৰতি অনেক বিদ্বৎ লোক সচেতন আছিল। প্ৰতাপ চন্দ্ৰ ৰয়ৰ ১৮৮৪ চনত প্ৰকাশ পোৱা *মহাভাৰতৰ* এটা সংস্কৰণে এই কথা আঙুলিয়াই দিয়ে। সংস্কৰণটিৰ বিভিন্ন সমালোচনাৰ অন্তত প্ৰতাপ চন্দ্ৰ ৰয়ে তেওঁৰ ৪৫ বছৰ আগৰ 'ৰয়েল এচিয়াটিক ছ'চাইটি অব্

বেংগল'ৰ সংস্কৰণৰ ওপৰত নিৰ্ভৰ কৰি তেওঁৰ পাঠ প্ৰস্তুত কৰাৰ কথা উল্লেখ কৰে। উক্ত উদাহৰণৰ দ্বাৰাও পুৰণি পুথিৰ পাঠ উদ্ধাৰ, তাৰ সংৰক্ষণ আৰু তাৰ পাঠ অধ্যয়ন যে ভাৰততে পৰম্পৰাগতভাৱে আধুনিক যুগলৈকে প্ৰচলন হৈ আহিছে তাৰ প্ৰমাণ পোৱা যায়। ভি. এছ. সুখথংকৰ, পি. এল. বৈদ্য, উট্গীকৰ, ওৱেলৰলকৰ আদি পণ্ডিত-গৱেষকসকলে পাঠ-সমীক্ষাৰ সকলো দিশ অৱগত হৈ ইউৰোপীয় পাঠ-সমীক্ষাৰ নীতি সুবিধাজনকভাৱে ভাৰতীয় পাঠ-সমীক্ষাত প্ৰয়োগ কৰিলে। সেই নীতি অনুসাৰে তেওঁলোকে পাঠ-সমীক্ষাৰ ভাৰতীয় সূত্ৰও আৱিষ্কাৰ কৰি ল'লে। ভাৰতবৰ্ষ অতি প্ৰাচীন ঐতিহ্যৰে পৰিপূৰ্ণ। প্ৰাচীন কালৰে পৰা বৰ্তমান যুগলৈকে পাঠ-সমীক্ষা পদ্ধতিৰে পাঠ পুনৰ উদ্ধাৰৰ চেষ্টা ভাৰততে প্ৰচলিত হৈ আহিছে। পুণেত প্ৰতিষ্ঠিত 'ভাণ্ডাৰকাৰ অ'ৰিয়েণ্টেল ৰিচাৰ্চ ইন্ষ্টিটিউট'ৰ দৰে গৱেষণা প্ৰতিষ্ঠান স্থাপন হোৱাৰে পৰা প্ৰাচ্যতত্ত্ব-অধ্যয়ন আৰু প্ৰাচীন পুথিৰ পাঠ-সমীক্ষাৰ অধ্যয়নৰ ক্ষেত্ৰত এক নতুন দিশৰ সূচনা হৈছে। মুঠতে বৈদিক যুগৰে পৰা মুখ-পৰম্পৰাৰে চলি অহা ভাৰতীয় পাঠ অধ্যয়নৰ প্ৰক্ৰিয়াই ইউৰোপীয় পদ্ধতিৰ সংমিশ্ৰণেৰে সম্প্ৰতি নতুন ৰূপ লাভ কৰিবলৈ সমৰ্থ হৈছে।

অগ্ৰগতি নিৰীক্ষণ



প্ৰশ্ন নং ২ ঃ ভাৰতত পাঠ-সমীক্ষাৰ পৰম্পৰা সম্পৰ্কে চমু উত্তৰ লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

প্ৰশ্ন নং ৩ ঃ ভাৰতত পাঠ-সমীক্ষাৰ স্বৰূপ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

.....



১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নৰ দ্বাৰা পাঠ-সমীক্ষাৰ পৰিচয় লাভ কৰাৰ লগতে পাঠ-সমীক্ষাৰ অধ্যয়নৰ ক্ৰমবিকাশৰ এটি পৰিচয় লাভ কৰিলোঁ।
- বৈদিক যুগৰে পৰা ভাৰতবৰ্ষত পাঠ-সমীক্ষা পদ্ধতিৰে অধ্যয়ন কৰাৰ চৰ্চা আছিল যদিও ঊনবিংশ শতিকা মানৰ পৰাহে পণ্ডিত-গৱেষকসকলে এই বিষয়ত চিন্তা-চৰ্চা কৰিবলৈ লোৱা দেখা যায়।
- এই অধ্যায়টিত ইউৰোপীয় প্ৰেক্ষাপট পাঠ-সমীক্ষা বিষয়টিৰ ধাৰণা আৰু ক্ৰমবিকাশৰ পৰিচয় লাভ কৰিলোঁ।
- পাঠ-সমীক্ষা বিষয়টি পাশ্চাত্য চিন্তাৰ ফল। আমাৰ দেশৰ পুৰণি পুথিৰ পাঠ-উদ্ধাৰৰ

ক্ষেত্রত ভাৰতীয় পণ্ডিত-গৱেষকসকলে সম্প্রতি পাশ্চাত্য পাঠ-সমীক্ষা পদ্ধতিকে প্রয়োগ কৰা দেখা গৈছে।

- পণ্ডিত ভি. এছ. সুখথংকৰ আৰু তেওঁৰ নেতৃত্বত এদল পণ্ডিত-গৱেষকে ভাৰতত পাঠ-সমীক্ষা বিষয়ৰ চিন্তা-চর্চা আগবঢ়াইছে।
- ভাৰতত পাঠ-সমীক্ষাৰ স্বৰূপ আৰু প্রয়োজনৰ কথাও আমি জানিব পাৰিলোঁ।



১২.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) কাকতি, ডম্বৰু (সম্পা.) (১৯৯৩); *সাহিত্য-সংস্কৃতি সৌৰভ;* শিৰসাগৰ ঃ অসম সাহিত্য সভা।

২) গোস্বামী, মঞ্জু (২০০২); *শ্রীশ্রীমাধৱদেৱৰ নাম-মালিকা— বৈজ্ঞানিক পদ্ধতিত সমীক্ষিত পাঠ;* গুৱাহাটী ঃ পুথি প্রকাশ।

৩) গোস্বামী, মঞ্জু (২০০৯); *চিন্তা-প্রৱাহ;* গুৱাহাটী ঃ আখৰ প্রকাশ।

৪) গোস্বামী, মালিনী (২০১৩); *পাঠ-সমীক্ষা— সূত্র আৰু প্রয়োগ বিধি;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৫) নেওগ, মহেশ্বৰ (১৯৮৪); *পাঠ-সমীক্ষা;* ডিব্রুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ।

৬) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সম্পা.) (২০০৩); *অসমীয়া সংস্কৃতি;* গুৱাহাটী ঃ বনলতা।

৭) ভৱালী, শৈলেন (সম্পা.) (১৯৮৭); *অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি বিষয়ক প্রবন্ধ সংকলন;* অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, জনমানস।

৮) মহন্ত, বিপুল কুমাৰ (সম্পা.) (১৯৯৬); *অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতি সঞ্চয়ন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৯) পাটগিৰি, দীপ্তি ফুকন (সম্পা.) (২০০৫); *অসম সাহিত্য সভা পত্রিকা,* যোৰহাট।

১০) চন্দ্র প্রসাদ শইকীয়া (সম্পা.) (১৯৯৭); *গৰীয়সী, চতুর্থ বছৰ, দশম সংখ্যা,* গুৱাহাটী ঃ ট্রিবিউন প্রেছ।



১২.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ পাঠ-সমীক্ষাৰ সাধাৰণ পৰিচয়.... ইউৰোপত ইয়াৰ চিন্তা-চর্চা... ভাৰতত

ইয়াৰ অধ্যয়ন.... অসমত পাঠ-সমীক্ষাৰ চিন্তা-চৰ্চাৰ চমু আলোচনা।

২নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতত পাঠ-সমীক্ষাৰ পৰম্পৰা.... ভাৰতত পাঠ-সমীক্ষাৰ স্বৰূপ.... ভাৰতীয় পাঠৰ পাঠ সংৰক্ষণ.... পণ্ডিত-গৱেষকসকলৰ দ্বাৰা সমীক্ষিত পাঠৰ আলোচনা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতত পাঠ-সমীক্ষা বিষয়ৰ চিন্তা-চৰ্চা.... ভাৰতীয় পুৰণি পাঠৰ সমীক্ষাৰ প্ৰয়োজনীয়তা.... ভাৰতত সমীক্ষিত পুথিৰ আলোচনা।



১২.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ পাঠ-সমীক্ষা কাক বোলে? ইয়াৰ এটা সাধাৰণ পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ পাঠ-সমীক্ষা পদ্ধতি কেতিয়া আৰু ক'ত প্ৰথমে প্ৰয়োগ হয়? পাঠ-সমীক্ষাৰ ক্ৰমবিকাশ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ ইউৰোপত পাঠ-সমীক্ষাৰ ধাৰণা আৰু তাৰ ক্ৰমবিকাশৰ এটি পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ৪ ঃ ভাৰতবৰ্ষত পাঠ-সমীক্ষা পদ্ধতিৰ পৰম্পৰা সম্পৰ্কে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ ভাৰতত পাঠ-সমীক্ষা বিষয়ত কোনে প্ৰথমে চিন্তা-চৰ্চা আগবঢ়াইছিল? এতিয়ালৈকে সমীক্ষিত পাঠৰ এখনি তালিকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৬ ঃ ভাৰতত পুৰণি পুথিৰ পাঠ-সমস্যা আৰু ইয়াৰ সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ১৩ ঃ পাঠ-সমীক্ষাৰ আধুনিক পদ্ধতি (চাৰিটা স্তৰ)

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ পাঠ-সমীক্ষাৰ আধুনিক পদ্ধতিৰ অন্তর্গত দিশসমূহৰ বিচাৰ
১৩.৪ পাঠ-সমীক্ষাৰ প্রয়োজনীয়তা আৰু উপস্থাপন পদ্ধতি
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- পাঠ-সমীক্ষা বিষয়টোৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- পাঠ-সমীক্ষাৰ অন্তর্গত বিভিন্ন পদ্ধতিৰ বিষয়ে অৱগত হ'ব
- পাঠ-সমীক্ষা বিষয়টিক বিভিন্ন পদ্ধতিৰে কেনেদৰে আগবঢ়াই নিব পাৰিব— সেই বিষয়ে জ্ঞাত হ'ব
- পাঠ-সমীক্ষাৰ প্রয়োজনীয়তা আৰু উপস্থাপন পদ্ধতি সম্পর্কে জানিব পাৰিব।

১৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যাণ্মাসিকৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা 'লিপি আৰু পাঠ সমীক্ষা' পাঠ্যবিষয়ৰ এইটো ত্রয়োদশ অধ্যায়। এই অধ্যায়টিৰ শিৰোনাম 'পাঠ-সমীক্ষাৰ আধুনিক পদ্ধতি (চাৰিটা স্তৰ)।'

এই অধ্যয়টি অধ্যয়ন কৰি আপুনি পাঠ-সমীক্ষা বিষয়টিৰ বাবে কেনেদৰে আগবাঢ়িব তাক জানিব পাৰিব। 'পাঠ-সমীক্ষা বিষয়টো অতি বিজ্ঞানসন্মত অধ্যয়ন। প্রাচীন কালত বর্তমান সময়ৰ দৰে ছপাশাল আদিৰ আৱিষ্কাৰ হোৱা নাছিল। অতি প্রাচীন কালৰে পৰা পুথি নকল কৰা প্রথা আছিল। ছপাযন্ত্র নথকাৰ বাবেই হাতে লিখা পুথিৰ প্রসাৰ ঘটিছিল। নকলকাৰসকলৰ হাতৰ পৰা পুথি নকল কৰোঁতে জ্ঞাত বা অজ্ঞাতভাৱে পাঠত বিকৃত ৰূপ পোৱা যায়। পাঠৰ এনে প্রমাদ বা বিকৃতি নিৰাময় কৰিবলৈ পাঠ-সমীক্ষা অধ্যয়নৰ বিভিন্ন পদ্ধতি গ্রহণ কৰা হয়। অষ্টাদশ শতিকাৰ পাছৰ পৰা পুৰণি হাতেলিখা পুথি, শিলালেখ, প্রত্নতত্ত্ব আদিৰ সংৰক্ষণ আৰু সংশোধন বাবে পণ্ডিত, গৱেষকসকলে যথেষ্ট চিন্তা-চর্চা আৰম্ভ কৰিলে। পাঠ-সমীক্ষা অধ্যয়নত ভিন্

ভিন্ পদ্ধতিৰে পুথিৰ মূল ৰূপটোৰ ওচৰ চাপিবলৈ অধ্যয়নকাৰীসকলে প্ৰয়াস কৰা দেখা যায়।

এই অধ্যায়টিত পাঠ-সমীক্ষকে পাঠ-সমীক্ষাৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদ্ধতিৰ সৈতে আপুনি পৰিচিত হ'ব। লগতে পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা আৰু তাৰ উপস্থাপন পদ্ধতিৰ বিষয়েও পৰিচয় লাভ কৰিব ।

১৩.৩ পাঠ-সমীক্ষাৰ আধুনিক পদ্ধতিৰ অন্তৰ্গত দিশসমূহৰ বিচাৰ

পাঠ সমীক্ষা পদ্ধতি মূলতে পাশ্চাত্য চিন্তাৰ ফল। লেটিন-গ্ৰীক সাহিত্যৰ প্ৰাচীন আৰু আপুৰুগীয়া গ্ৰন্থৰাজিৰ বিজ্ঞানসন্মত পাঠ নিৰ্ধাৰণৰ বাবে এই পাঠ-সমীক্ষা পদ্ধতি আৱিষ্কৃত হৈছিল। গ্ৰীক সাহিত্যত যিসকল বিদ্বৎ ব্যক্তিয়ে পুথি সংৰক্ষণ কৰিছিল, তেওঁলোকে যথেষ্ট সাৱধানতাৰে পুথিৰ শুদ্ধ পাঠৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। অষ্টাদশ শতিকাৰ পাছৰ পৰা পুৰণি হাতেলিখা পুথি, পুৰাতত্ত্ব, অভিলেখ আদিৰ সংৰক্ষণ আৰু তাৰ উদ্ধাৰৰ এটা প্ৰচেষ্টা দেখা গ'ল। সেই সময়ৰে পৰা পাঠ-সমীক্ষা পদ্ধতিটোৰ সম্প্ৰসাৰণৰ ব্যৱস্থাত গৱেষক-পণ্ডিতসকলে যথেষ্ট গুৰুত্ব প্ৰদান কৰি অহা বুলি ক'ব পাৰি।

পুৰণি পুথিৰ পাঠ নিৰ্ধাৰণৰ সাধাৰণ পদ্ধতি মূলতঃ দুটা— (ক) পাঠ-পুনৰ্মূল্যায়ন (Recensio) ৰিচেনছিও আৰু (খ) পাঠ-সংশোধন (Emendatio) এমেণ্ডেছিও। পাশ্চাত্যৰ গ্ৰীক আৰু লেটিন গ্ৰন্থৰ প্ৰকৃত পাঠ নিৰ্ধাৰণৰ বাবে পোনতে গ্ৰহণ কৰা এই ধ্ৰুপদী (ক্লাছিকেল) পদ্ধতি দুটাকে কিছু বৰ্ধিত আৰু সংশোধিত কৰি বৰ্তমান ইয়াক চাৰিটা ভাগত ভগাই লোৱা হৈছে। সেই ভাগকেইটা হ'ল— (ক) পাঠ আৱিষ্কাৰ (Heuristics), (খ) পাঠ পুনৰ্মূল্যায়ন (Recensio), (গ) পাঠ সংশোধন (Emendatio) আৰু (ঘ) অধি-সমীক্ষা (Higher Criticism)। তলত এই ভাগসমূহৰ একোটা চমু আভাস দাঙি ধৰা হ'ল। আপুনি এই ভাগকেইটা অধ্যয়ন কৰি পাঠ সমীক্ষাৰ পদ্ধতিসমূহ কেনেদৰে প্ৰয়োগ কৰিব তাৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

পাঠ-আৱিষ্কাৰ (Heuristics) ঃ পুৰণি পুথি এখনৰ সমীক্ষামূলক পাঠ গ্ৰহণ কৰিবলৈ যোৱাৰ আগতে সেই পুথিৰ যিমানবোৰ হাতেলিখা পুথি পোৱা যায় (কোনো ক্ষেত্ৰত ছপা পুথিয়েও সহায় কৰিব পাৰে) সেইবোৰৰ অনুসন্ধান আৰু সংগ্ৰহ কাৰ্য পাঠ সমীক্ষা পদ্ধতিৰ বাবে অতি প্ৰয়োজনীয় আৰু প্ৰাথমিক কাম। মূল পুথিৰ অংশবিশেষ থকা আন গ্ৰন্থ, টীকা-ভাষ্য, প্ৰত্যক্ষ উক্তি, সাৰ সংগ্ৰহ আদি বিভিন্ন উৎসৰ বিচাৰ আৰু তাৰ সংগ্ৰহ পাঠ সমীক্ষাৰ বাবে অতি আৱশ্যকীয় বিষয়। সাধাৰণতে পুৰণি পুথিসমূহ মঠ-মন্দিৰ, সত্ৰ-নামঘৰ, ৰাজকীয় ব্যক্তিৰ ঘৰ, সম্ভ্ৰান্ত লোকৰ গ্ৰন্থাগাৰ নতুবা কোনোবা ৰাজহুৱা পুথিভঁৰাল আৰু প্ৰতিষ্ঠানত পোৱা যায়। কিছুমান পুৰণি পুথি বিচাৰি নাপালে সেই পুথিসমূহৰ ফটোকপি, অনুলিপি, মাইক্ৰোফ্লিম্ম আদি যদি পোৱা যায়, তেন্তে সেইবোৰকো পাঠ সমীক্ষা পদ্ধতিত প্ৰয়োগ কৰা হয়। বিভিন্ন পুথিৰ সাৰ সংগ্ৰহ কৰি তাৰ পূৰ্বাপৰ নিৰ্ণয়েৰে পুথিৰ বংশাৱলী নিৰ্ণয় কৰা হয়।

পাঠ সমীক্ষা পদ্ধতিৰ প্ৰথম স্তৰ পাঠ-আৱিষ্কাৰ প্ৰক্ৰিয়াৰ জৰিয়তে পুথিসমূহ সংগ্ৰহ কৰাৰ পাছত পুথিবোৰক কিছুমান প্ৰতীকেৰে (siglum) চিহ্নিত কৰি ভগাই লোৱা হয়। এই প্ৰতীক বা চিহ্ন বাছোঁতে বিশেষ সাৱধানতা অৱলম্বন কৰা উচিত। কাৰণ চিহ্নবোৰে পুথিবিলাকৰ লক্ষণসমূহৰ বৈশিষ্ট্য বহন কৰে। প্ৰতীক বা চিহ্নৰে ভগাই লোৱাৰ পাছত 'কলন লেখ'ৰ সহায়ত তাৰ পাঠসমূহ লিখি পাছত পুথিৰ বংশলতা নিৰূপণ কৰা হয়। এই ক'লন হ'ল পুৰণি পুথি এখনৰ সকলো কথা ভালদৰে পৰীক্ষা কৰি চাই তাক সুবিধাৰ বাবে শৃংখলাবদ্ধভাৱে সজাই লিখি ৰখা কামটো। পুৰণি হাতেলিখা পুথিৰ ইতিহাস জানিব পাৰিলে তাৰ বংশলতা নিৰূপণ কৰাটো সহজ হৈ পৰে। লগতে মূল পাঠৰ ওচৰ চপাটোও সহজসাধ্য হৈ পৰে। পুৰণি পুথি এখনৰ বংশলতা নিৰূপণত কোনো বৈশিষ্ট্যপূৰ্ণ শব্দ, পদৰ আৰু শাৰীৰ ভুলক্ৰমে পৰিহাৰ, কিছুমান বিশেষ সমিলমিল আৰু আখৰৰ গঢ় আদিয়েও পুথিসমূহৰ ইতিহাস তথা বংশলতা জনাত সহায় কৰে।

পাঠ-পুনৰ্মূল্যায়ন (Recensio) ঃ পাঠ সমীক্ষা পদ্ধতিৰ দ্বিতীয় প্ৰক্ৰিয়াটো হৈছে পাঠ-পুনৰ্মূল্যায়ন। সংগৃহীত হাতেলিখা পুথিবিলাকৰ কোনটো প্ৰাচীনতম হ'ব উপযুক্ত বিচাৰ বিশ্লেষণৰ দ্বাৰা তাক বাচি উলিওৱা হয় আৰু পুথিখনৰ সম্ভাব্য পাঠটি নিৰ্বাচন কৰি গ্ৰহণ কৰা হয়। আন এটা কথা হ'ল কেতিয়াবা পাঠ-পুনৰ্মূল্যায়নৰ এই পদ্ধতিটোত অৰ্বাচীন বা নিকৃষ্ট যেন লগা প্ৰতিলিপিতো গ্ৰহণযোগ্য পাঠ থাকিব পাৰে। এখন গ্ৰন্থৰ যদি কেইবাখনো হাতেলিখা পুথি পোৱা যায় আৰু সেই পুথিখনৰ পৰা বাকীবোৰ পুথি নকল কৰা বুলি গম পোৱা যায়, তেতিয়া সেই মূল পুথিখন ৰাখি বাকীবোৰ পুথি সমীক্ষাৰ পৰা বাদো দিব পাৰি। পাঠ অধ্যয়নৰ বাবে সামৰি লোৱা আটাইবোৰৰে পূৰ্বৰ ৰূপটিক আদি পাঠ বোলে।

পাঠ-সংশোধন (Emendatio) ঃ পাঠ সমীক্ষা পদ্ধতিৰ তৃতীয় প্ৰক্ৰিয়া হ'ল পাঠ-সংশোধন। এই পদ্ধতিটোত ইতিমধ্যে একেলগ কৰা গ্ৰন্থকাৰজনৰ বিভিন্ন নকলকাৰৰ পাঠ, মূল পাঠৰ উদ্ধৃতি, উল্লিখন বা প্ৰসংগ, সাৰ-সংগ্ৰহ, অনুবাদ, অনুকুলন, অনুকৰণ আদিৰ সহায়ত বা দৰকাৰ হ'লে প্ৰাপ্ত পাঠ সলায়ো মৌলিক পাঠ নিৰূপণ কৰিবলৈ যত্ন কৰা হয়। পাঠ সমীক্ষা পদ্ধতিৰ এইটো আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া। এই স্তৰটোতে গ্ৰন্থবিশেষৰ আদি ৰূপটো উদ্ধাৰ কৰিবলৈ লোৱা হয়। পাঠ সমীক্ষক এজনৰ প্ৰধান কাম হ'ল মূল গ্ৰন্থকাৰজনৰ অভিপ্ৰেত পাঠ উদ্ধাৰ কৰা। পাঠ সমীক্ষা কৰোঁতে প্ৰাপ্ত পুথিবোৰৰ পৰা পুৰণি ৰূপটোৰ ওচৰ চাপি তাৰ পাঠ উদ্ধাৰ কৰাটোৱে মূল পাঠৰ (ur-text) ওচৰ চপা। মূল পাঠ বুলিলে সাধাৰণতে লেখকজনে নিজে লিখা পাঠকে বুজোৱা হয় যদিও প্ৰাপ্ত পুৰণি পুথিসমূহৰ পৰা হাতেলিখা পূৰ্বৰ উৎসটোকে সাধাৰণতে মূল পাঠ (ur-text) বুলি ধৰি লোৱা হয়।

পুৰণি পুথিৰ ক্ষেত্ৰত অন্তৰংগ সম্ভাৱনা আৰু বহিৰংগ সম্ভাৱনায়ো সহায় কৰে। গ্ৰন্থকাৰ এজনৰ লিখাৰ ষ্টাইল, শব্দ চয়ন, ছন্দসজ্জা, প্ৰকাশৰীতি, ভাব, ৰস, অলংকাৰৰ প্ৰয়োগ আদিয়ে অন্তৰংগ সম্ভাৱনাক সূচায়। আনহাতে, আখৰৰ গঢ়, আখৰৰ শাৰী, শাৰীসমূহৰ মাজত থকা

ব্যৱধানৰ জোখ, পুথি নকল কৰাৰ সময় আদি বহিৰংগ সম্ভাৱনাৰ ভিতৰত পৰে। পাঠ-সংশোধনৰ ক্ষেত্ৰত মূল গ্ৰন্থকাৰজনে লিখা আন ৰচনা, অনুবাদ, উদ্ধৃতি তথা প্ৰসংগ অনুসৰণ কৰা আদি সাক্ষ্যসমূহে যথেষ্ট সহায় কৰা দেখা যায়। অন্তৰংগ আৰু বহিৰংগ সম্ভাৱনাৰ ভিত্তিত পাঠ বিকৃত বুলি বিবেচিত হ'লে পাঠ-সংশোধনৰ কথা আহি পৰে।

পাঠ সমীক্ষা পদ্ধতিৰ পাঠ-সংশোধনৰ স্তৰটোত দুটা সুকীয়া ধাৰা আছে। সেই ধাৰা দুটা হ'ল ক্ৰমে সংৰক্ষণী ধাৰা (Conservative school) আৰু সংশোধনী ধাৰা (Emendation school)। সংৰক্ষণী ধাৰাটোৰ সমৰ্থকসকলে পুথিৰ কোনো পাঠকে সংশোধন কৰিবলৈ ইচ্ছা নকৰে। আনহাতে সংশোধনী ধাৰাটোৰ সমৰ্থকসকলে অৰ্থৰ বিসংগতি য'তেই দেখা পায়, তাতেই পাঠ সংশোধন কৰে। প্ৰয়োজনবোধে পাঠৰ পৰিৱৰ্তন কৰিবলৈও বিচাৰে। এনে ধাৰাটোত পাঠৰ পৰিৱৰ্তন হৈ পৰাটো স্বাভাৱিক। সেইবাবে পাঠ-সমীক্ষাৰ পাঠ-সংশোধন প্ৰক্ৰিয়াত বেছিভাগেই সংৰক্ষণী ধাৰাটোকে অগ্ৰাধিকাৰ দিয়ে।



জানি থোৱা ভাল

পাঠ-সংশোধনৰ ক্ষেত্ৰত সমীক্ষকসকলে সংৰক্ষণী ধাৰাটোকে প্ৰাধান্য দিয়া দেখা যায়।

অধি-সমীক্ষা (Higher Criticism) ঃ পাঠ সমীক্ষা পদ্ধতিৰ শেষৰ প্ৰক্ৰিয়াটো হৈছে অধি সমীক্ষা। অধি-সমীক্ষা পদ্ধতিটোত ইতিমধ্যে সংগঠন কৰি উলিওৱা পাঠটোৰ সাহিত্যিক গুণাগুণৰ দিশবোৰ ফঁহিয়াই চোৱা হয়। এই প্ৰক্ৰিয়াত মূল গ্ৰন্থৰ উৎসবোৰৰ বিচাৰ-বিশ্লেষণ ভালদৰে দাঙি ধৰা হয়। মূল পাঠৰ উৎস বিচাৰ, গ্ৰন্থকাৰজনৰ নিজস্বতা, আন লেখকৰ ওপৰত গ্ৰন্থকাৰজনৰ লেখাৰ প্ৰভাৱ ইত্যাদি দিশৰ বিভিন্ন আলোচনা-বিলোচনা এই পদ্ধতিটোৰে আগবঢ়োৱা হয়।

ভাৰতীয় পাঠ সমীক্ষাৰ ক্ষেত্ৰত প্ৰথম তিনিটা পদ্ধতিহে বহুলভাৱে প্ৰচলিত। চতুৰ্থ পদ্ধতিটোৰ কথা কম-বেছি পৰিমাণে উপলব্ধি কৰিলেও তাৰ প্ৰচলন ভাৰতত এতিয়াও বহুলভাৱে প্ৰসাৰিত হোৱা নাই। জাৰ্মান পণ্ডিত ল্যুডৰ্চে ভাৰতীয় পাঠ সমালোচনাত মহাভাৰতৰ পাঠৰ উৎস বিচাৰ কৰি এই প্ৰক্ৰিয়াটো অন্তৰ্ভুক্ত কৰা বুলি ক'ব পাৰি। ভাৰতীয় পাঠ সমীক্ষকসকলে অধি-সমীক্ষা পদ্ধতিটোৰ প্ৰতি বেছি মনোনিৱেশ কৰা নাছিল যদিও বৰ্তমান এই পদ্ধতিটোক বহু সমীক্ষকে গুৰুত্ব প্ৰদান কৰা দেখা গৈছে।

কোনো পুৰণি গ্ৰন্থ এখনৰ পাঠ নিৰ্ধাৰণ কৰিবলৈ লওঁতে সেই গ্ৰন্থখনৰ আগতে প্ৰকাশ পোৱা গ্ৰন্থ এখনক আধাৰ গ্ৰন্থ (base) হিচাপে গ্ৰহণ কৰাটো পাঠ সমীক্ষা পদ্ধতিৰ এটা সাধাৰণ নিয়ম। যিবোৰ গ্ৰন্থ বৰ্তমানলৈকে প্ৰকাশ হোৱা নাই, নতুবা প্ৰকাশ হৈছে যদিও বৰ্তমান পাবলৈ নাই, তেনে গ্ৰন্থৰ ক্ষেত্ৰত হাতেলিখা পুৰণি পুথি এখনকে আধাৰ গ্ৰন্থ হিচাপে বাচি লোৱা সমীচীন। গদ্যৰ ক্ষেত্ৰত এডগাৰ্টনৰ *পঞ্চতন্ত্ৰ ৰি-কন্সট্ৰাকটেড* আৰু পদ্যৰ ক্ষেত্ৰত সুখথংকৰৰ

মহাভাৰতৰ আদিপর্ব পাঠ সমীক্ষাৰ একোটি সুন্দৰ আৰু বিজ্ঞানসন্মত পদ্ধতিৰ উদাহৰণ।

উল্লিখিত এই চাৰিটা পদ্ধতিৰে পাঠ সমীক্ষকসকলে পাঠ সমীক্ষা কৰি মূল গ্ৰন্থৰ ওচৰ চাপিব পাৰে। প্ৰাচীন অসমীয়া হাতেলিখা পুথিসমূহৰ সম্পাদনা কৰোঁতে পাঠ সমীক্ষা পদ্ধতিৰ আশ্ৰয় লোৱাটো নিতান্ত প্ৰয়োজন। পাঠ সমীক্ষাৰ এই পদ্ধতিসমূহ এনে বৈজ্ঞানিক পদ্ধতি যাৰ সহায়েৰে লেখক এজনৰ ব্যক্তিত্ব, তেওঁৰ সময় আৰু কৃতিত্বৰ নিৰ্ভৰযোগ্য বিচাৰ-বিশ্লেষণ হ'ব পাৰে। এই পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰি ইতিহাসৰ একোটি গুৰুত্বপূৰ্ণ সিদ্ধান্ত যুগ যুগ ধৰি বৰ্তি থাকে। মহাভাৰতৰ পাঠ সমীক্ষা ভাৰতীয় পাঠ সমীক্ষা পদ্ধতিৰ এটি অপূৰ্ব আৰু উৎকৃষ্ট উদাহৰণ। আকৌ, ৰাজশেখৰৰ *কর্পূৰমঞ্জৰী*ৰ পাঠ সমীক্ষাই মূল পাঠৰ সম্ভেদ আৰু বিশেষত্বৰ সম্ভেদ দিয়াৰ উপৰি গ্ৰন্থখনৰ মহত্ত্বও পাঠক সমাজক জানিবলৈ দিছে।



জানি থোৱা ভাল

অসমীয়া পুৰণি পুথিসমূহৰ ক্ষেত্ৰত নবীন চন্দ্ৰ শৰ্মাই মধ্যযুগত প্ৰণীত ৰুচিনাথ কন্দলীৰ *শ্ৰীশ্ৰী চণ্ডী* পুথিখনৰ ক্ষেত্ৰত অধি-সমীক্ষা আগবঢ়াইছে।

পাঠ সমীক্ষা পদ্ধতিৰে অসমৰ প্ৰাচীন পুথিসমূহৰ সম্পাদনাৰ এক বিশেষ গুৰুত্ব আছে। অসমৰ প্ৰাচীন পুথিসমূহ সমীক্ষা কৰিবৰ বেলিকা মূল পাঠৰ ওচৰ চাপিবলৈ যত্ন কৰাৰ লগতে সেইবোৰৰ লিপি আৰু আখৰ জোঁটনিৰ সমস্যাসমূহো পাঠ সমীক্ষকে গভীৰভাৱে চিন্তা কৰিব লাগে। অসমত এতিয়া ভালেখিনি পুৰণি পুথি অসমীক্ষিত অৱস্থাতে আছে। তেনে পুথিসমূহৰ পাঠ সমীক্ষা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল আৰু অধিক টনকিয়াল কৰিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ পাঠ সমীক্ষা পদ্ধতিৰ ভাগসমূহ কি কি? চমুকৈ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

১৩.৪ পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা আৰু উপস্থাপন পদ্ধতি

সাহিত্যৰ ইতিহাস ৰচনাৰ ক্ষেত্ৰত নতুবা সাহিত্যৰ প্ৰকৃত মূল্য নিৰ্ণয়ত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা অতি বেছি। প্ৰাচীন যিকোনো কবি বা লেখকৰ ৰচনাসমূহ আজি আমি তেওঁলোকে ৰচনা কৰা মূল ৰূপটোত নাপাওঁ। সময় বাগৰি যোৱাৰ লগে লগে এই প্ৰাচীন লেখকসকলৰ ৰচনাসমূহো হাত বাগৰি এনে এটা অৱস্থাত উপনীত হয় যে সেইবোৰ মূল লেখকৰ লেখাৰ পৰা ভালেখিনি আঁতৰি আহি ব্যতিক্ৰম হৈ পৰে। আনকি পুথি নকলকাৰসকলৰ হাতত পৰি ভালেমান শব্দ বিকৃত হৈ পৰা দেখা যায়। যুগৰ পৰিৱৰ্তনৰ লগে লগেও শব্দ কিছুমানে ভিন্ ভিন্ ৰূপ লয়।

আনকি বহুলভাৱে ব্যৱহৃত কিছুমান শব্দ পাছৰ যুগত অপ্রচলিত হৈ পৰে। তাৰ সলনি কিছুমান নতুন শব্দৰ প্রয়োগ ঘটে। এনে হোৱাৰ ফলত কেইবাখনো পুৰণি পুথিৰ পাঠ নিৰীক্ষণ কৰি শব্দবোৰৰ পৰিৱর্তনৰ কাৰণ জানিব পাৰি। পুৰণি পুথিসমূহ নকল কৰি লিখি উলিয়াওতে পিছৰ যুগৰ নকলকাৰসকলে তেওঁলোকৰ যুগৰ শব্দ-ভাষা ব্যৱহাৰ কৰাটো একো অস্বাভাৱিক কথা নহয়; কাৰণ যুগৰ পৰিৱর্তনে ভাষা-সাহিত্য সকলোকে প্রভাৱান্বিত কৰা দেখা যায়। ফলত একেখন পুথিতে যুগ বা সময়ৰ পৰিৱর্তনে ভাষা তথা শব্দৰ পৰিৱর্তন সাধন কৰা লক্ষ্য কৰিব পাৰি। এনে ক্ষেত্রত প্রাচীন শব্দ-ভাণ্ডাৰ, বাক্যৰ গঠনৰীতি আদি মূল লেখকৰ ৰূপত উলিয়াব পাৰিলেহে প্রাচীন পুথিত ব্যৱহৃত ভাষা, বাক্যৰীতিৰ শুদ্ধতা তথা স্বৰূপ নির্ণয় কৰিব পৰা যাব।

পাঠ সমীক্ষা প্রধানভাৱে এক বিশেষ শ্রেণীৰ মননশীল পণ্ডিত আৰু গৱেষকৰ কর্ম। সংস্কৃতত এযাৰ কথা আছে— ‘প্রয়োজনম্ অনুদ্দিশ্য ন মন্দোঽপি প্রৱর্ত্ততে।’ অর্থাৎ, আৱশ্যকীয় উদ্দেশ্য অবিহনে মূর্খও কামত প্রবৃত্ত নহয়।



জানি থোৱা ভাল

সাহিত্যৰ বুৰঞ্জী ভাষাতত্ত্ব, জাতিৰ ইতিহাস, সমাজ-সংস্কৃতি আদি জানিবলৈ পাঠ-সমীক্ষাৰ প্রয়োজন।

যি কোনো সাহিত্যৰে অন্তর্নিহিত তাৎপর্য থাকে। অসমীয়া সাহিত্যৰ সমালোচক, গৱেষক প্রাচ্যতত্ত্ববিদ মহেশ্বৰ নেওগে ১৯৭৫ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ একচত্বাৰিংশ মণ্ডলদৈ অধিবেশনৰ সভাপতিৰ অভিভাষণত এই কথা উল্লেখ কৰি কৈছিল যে— ‘দেশ কাল সময়ৰ সীমা হেৰুৱাই ৰাজনীতি বা সাহিত্যৰো কোনো ঘটনা নঘটে। এটা কবিতা, এখন পুথি তেনে একোটা ঐতিহাসিক ঘটনা। সি তাৰ ঐতিহাসিক কালৰ পৰা বিচ্ছিন্ন আকাশ-কুসুম নহয়। তাৰ পিচফালে লুকাই থকা তেওঁৰ সময় যি সময় তাৰ অতীত আৰু ভৱিষ্যতেৰে ঘন সমৃদ্ধ আৰু তেওঁৰ দেশ যি দেশ জগতৰ এচমকা মাথোন।’ গতিকে ক’ব পাৰি যে আমাৰ পুৰুষসকলৰ চিন্তা-ভাব আৰু প্রাচীন যুক্তি-বুদ্ধিৰ লগত আধুনিক ভাব-চিন্তাৰ সংযোগ সংৰক্ষণৰ বাবে পাঠ সমীক্ষাৰ প্রয়োজন অপৰিহার্য। ইয়াৰ উপৰি, সাহিত্যৰ বুৰঞ্জীৰ সঠিক তথ্য নিৰূপণৰ বাবেও পাঠ-সমীক্ষাৰ প্রয়োজন অতি বেছি। কিয়নো বিভিন্ন যুগৰ সাহিত্যৰ স্বকীয় বৈশিষ্ট্য আৰু তাৰ লগত পৰৱর্তী সাহিত্যৰ ধাৰা নির্মাণত পাঠ-সমীক্ষা পদ্ধতিয়ে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। আনহাতে ভাষাতত্ত্ব আৰু একোটা জাতিৰ সমাজ তথা সংস্কৃতিৰ বুৰঞ্জীৰ অধ্যয়নতো পাঠ সমীক্ষাৰ প্রয়োজনীয়তা আছে। কোনো এজন প্রাচীন লেখকৰ পৰিচয়, সেই যুগৰ ভাষা, সমাজ-জীৱন, সাংস্কৃতিক দিশ তথা লেখক এজনৰ সাহিত্যকৃতিৰ মূলৰ ওচৰ চাপিবলৈ হ’লে পাঠ-সমীক্ষাৰ প্রয়োজনীয়তাৰ কথা আহি পৰে।

অসমত পাঠ সমীক্ষা বিষয়টোৰ সম্পর্কে ভালেখিনি কাম আগবাঢ়িছে যদিও তাক সন্তোষজনক বুলিব নোৱাৰি। মহেশ্বৰ নেওগে তেওঁৰ সভাপতিৰ অভিভাষণত এই বুলি মন্তব্য

দাঙি ধৰিছিল যে— 'অসমত পাঠ-সমীক্ষা, টেক্সুৱেল ক্রিটিচিজম্ বা টেক্সট্ ক্রিটিকেল ষ্টাডিৰ আজিও উদয় হোৱা নাই, আমাৰ সাহিত্য সমালোচক বহুতে তাৰ নাম শুনা নাই বা শুনিলেও তাৰ প্রতি আকর্ষণ অনুভৱ কৰা নাই।'

আমাৰ সাহিত্যৰ সকলোবোৰ সমস্যা বুজি এই বিষয়ত মনোনিবেশ কৰা প্রথম ব্যক্তিগৰাকী হ'ল পণ্ডিত ভি এছ সুখথংকৰ। সুখথংকৰে সম্পাদনা কৰা মহাভাৰতৰ আদিপর্বৰ পাতনি *'প্রিলোগোমেনা'* আজিও ভাৰতীয় পাঠ-সমীক্ষাৰ ক্ষেত্রত বেদস্বৰূপ। সুখথংকৰৰ পাছতে ফ্রেংকলিং এড্গার্টনৰ *'পঞ্চতন্ত্র ৰি-কন্সট্রাক্টেড'* (১৯২৪) উল্লেখযোগ্য। লুডৰিক আর্লছডফৰ সম্পাদিত পুষ্পদন্তৰ *'হৰিবংশ পুৰাণ'* (১৯৩৬) সমীক্ষিত পাঠৰ আন এক উল্লেখযোগ্য উদাহৰণ। পিশ্চেলৰ *'শকুন্তলা'* (১৮৭৭), ষ্টেনকনোৰ *'কর্পূৰমঞ্জৰী'* (১৯০১), আৰ. জি. ভাণ্ডাৰকাৰৰ *'মালতী মাধৱ'* (১৮৭৬), আনন্দৰাম বৰুৱাৰ *'মহাবীৰ চৰিত'* (১৮৭৬), ধর্মদত্ত গোস্বামীৰ *'ভত্তৃহৰিৰ কবিতা'*, সুনীল কুমাৰ দেৰ *'কৃষ্ণ কর্ণামৃত'*, মহেশ্বৰ নেওগৰ *কৃষ্ণ কর্ণামৃত*, এষ্টেলাৰৰ *'ডিফাৰেণ্ট ৰিচেনছ্নছ্ অব্ মহানাটক'*, ফ্রান্সেছ উইলছ্নৰ *'লাভ অব কৃষ্ণ'* আদি ভাৰতীয় পাঠ-সমীক্ষাৰ আন কেতবোৰ উৎকৃষ্ট উদাহৰণ।

অসমীয়া সাহিত্যত কালিৰাম মেধি সম্পাদিত *'প্রহ্লাদ চৰিত'* বা *'প্রহ্লাদ চৰিত'* (হেম সৰস্বতী) সমীক্ষিত পাঠৰ প্রথম উদাহৰণ। ইয়াৰ পাছত বিৰিঞ্চি কুমাৰ বৰুৱা আৰু মহেশ্বৰ নেওগে হৰিবৰ বিপ্রৰ *'ৱভ্রুবাহনৰ যুদ্ধ'* কাব্য সমীক্ষিত পাঠৰ জৰিয়তে সম্পাদনা কৰে। নেওগ সম্পাদিত *'কীর্তনঘোষা'* আৰু *'নামঘোষা'*, *'লৱ-কুশৰ যুদ্ধ'*, *'প্রাচ্য শাসনাৱলী'*, *'ৱৰদোৱা গুৰুচৰিত'*, *'ভক্তি প্রদীপ'*, *'গুৰু চৰিতকথা'*, বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্রনাথ শর্মা সম্পাদিত *মনসা কাব্য*, কালিৰাম মেধিৰ *'অংকাৱলী'*, বাণীকান্ত কাকতিৰ *'চোৰধৰা আৰু পিম্পৰা গুচোৱা'*, শৰৎ চন্দ্র গোস্বামীৰ *'শ্রীশ্রী বনমালীদেৱৰ চৰিত্র'*, *'শ্রী শ্রী দামোদৰ চৰিত্র'*, উপেন্দ্র চন্দ্র লেখাৰুৰ *'কথা গুৰুচৰিত'*, মুকুন্দ মাধৱ শর্মাৰ *'ইন্সক্রিপ্টচন অব এনচিয়েণ্ট আসাম'*, ৰামচৰণ ঠাকু�ৰীয়াৰ *দি ৰামায়ণ অব মাধৱ কন্দলি ঃ এ টেক্সট্ ক্রিটিকেল এণ্ড হিষ্টৰিকেল ষ্টাডি'*, নবীন চন্দ্র শর্মাৰ *'ৰুচিনাথ কন্দলীকৃত শ্রীশ্রী চণ্ডী'* আৰু মালিনী গোস্বামীৰ *'চিত্তামোদ কাব্য'* আদি পাঠ সমীক্ষা পদ্ধতিৰে সম্পাদনা কৰা গ্রন্থৰ উল্লেখযোগ্য উদাহৰণ। অসমীয়া সাহিত্য ভাৰতীয় সাহিত্যৰ ভিতৰত প্রাচীন আৰু ঐতিহ্যমণ্ডিত। অসমৰ সাঁচিপতীয়া হাতেলিখা পুথিসমূহত ৰাজ্যখনৰ ভাষা-সাহিত্য-সংস্কৃতি-লিপি আদিৰ বিশিষ্টতা নিহিত হৈ আছে। বিভিন্ন কাৰণত অসমৰ পুৰণি হাতেলিখা পুথিসমূহ আজিও দেশ-দেশান্তৰৰ বিভিন্ন ঠাইত আছে। অসমীয়া সাহিত্যৰ এনে আপুৰুগীয়া অলেখ গ্রন্থৰাজি এতিয়াও অসমীক্ষিত অৱস্থাতে আছে। আনকি শংকৰদেৱ-মাধৱদেৱৰ সৰহভাগ ৰচনা ৰাম সৰস্বতী, অনন্ত কন্দলি, কবিৰত্ন বৈকুণ্ঠনাথ ভট্টাচার্য আদি প্রতিভাধৰ সাহিত্যিকৰ সৃষ্টিকর্ম, আহোম যুগৰ বুৰঞ্জীসমূহবো বিজ্ঞানসম্মত পাঠ অধ্যয়ন বর্তমানলৈকে হোৱা নাই। পুৰণিক ভিত্তি কৰিহে নতুনৰ সৃষ্টি সম্ভৱপৰ। এই কথা আগৰ আলোচনাত কোৱা হৈছে। যিদৰে জীৱই পুৰণি দেহ এৰি নতুন দেহত প্রৱেশ কৰে, সেইদৰে

পুৰণি পুথিৰ ওপৰত ভিত্তি কৰি নতুন পুথিৰ অৱতাৰণা কৰা হয়। আমাৰ সাহিত্যত এনে কিছুমান পুথি পোৱা গৈছে যিবোৰ মূল গ্ৰন্থাগাৰৰ প্ৰতিলিপিৰ প্ৰতিলিপিহে। সেইবোৰ পুথিৰ ক্ষেত্ৰত পাঠৰ শুদ্ধতা নিৰ্ণয়ৰ বাবে পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তাৰ কথা আহি পৰে। পুৰণি পুথিৰ বিজ্ঞানসম্মত পাঠত বিচাৰ আৰু সাহিত্যৰ বুৰঞ্জী প্ৰণয়নৰ বাবে পাঠ-সমীক্ষাৰ অতীৱ প্ৰয়োজন। সাহিত্যৰ বুৰঞ্জীৰ নিৰ্ভুল তথ্য প্ৰকাশৰ ক্ষেত্ৰত পাঠ সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে পণ্ডিত নেওগে তেওঁৰ সভাপতিৰ অভিভাষণত অভিমত প্ৰকাশ কৰিছিল যে— 'যদি আমাৰ সকলো পুৰণি গ্ৰন্থৰ সমীক্ষিত পাঠ নিৰ্ণয় কৰা হয়, তেতিয়া হ'লে পুৰণি সাহিত্যৰ স্বৰূপেই সুকীয়া হ'ব, তাৰ ইতিহাসো এটি বেলেগ বস্তু হ'ব লাগিব। সিহে প্ৰকৃত ইতিহাস হ'ব।' কিন্তু সময়ৰ সোঁতত পৰি এই পুৰণি, আদৰৰ পুথিসমূহ লাহে লাহে লোপ পাই আহিব ধৰিছে। তদুপৰি লিপিকাৰসকল দৃষ্টিভ্ৰম আৰু মতিভ্ৰমৰ বাবে পুথি নকল কৰোঁতে মূল পুথিৰ পৰা ভালেখিনি আঁতৰি অহা দেখা যায়। আধুনিক ছপাশালত ছপাই প্ৰকাশ কৰা বাবেও সেই পুথিত বহু ক্ষেত্ৰত আধুনিক বৰ্ণ বিন্যাস পদ্ধতি আৰু ৰচনাৰীতি সোমাই পৰিছে। প্ৰাচীন যুগৰ কবিসকলে কিন্তু আধুনিক অভিধানৰ নিয়ম অনুসৰি পাঠ ৰচনা কৰা নাছিল। মাধৱ কন্দলী, শংকৰদেৱ, মাধৱদেৱ আদিৰ ৰচনাত সম্পাদনা কৰোঁতে আধুনিক সম্পাদকৰ হাতত পৰি হেমচন্দ্ৰ বৰুৱাৰ *হেমকোষ* (১৯০০) আৰু *অসমীয়া ভাষাৰ ব্যাকৰণ* (১৮৫৯)ৰ প্ৰভাৱত নতুন ৰূপ লাভ কৰিছে। সাহিত্যৰ ক্ষেত্ৰত এই ভ্ৰান্ত ধাৰণাবোৰ আঁতৰাই নতুন দৃষ্টিৰে সাহিত্যৰ মূল্যাংকন কৰাৰ বাবে পাঠ-সমীক্ষাৰ প্ৰয়োজন অপৰিহাৰ্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ পাঠ সমীক্ষাৰ প্ৰয়োজনীয়তা চমুকৈ বুজাই লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

পাঠ-সমীক্ষা পদ্ধতিত বিভিন্ন পাঠ সংগ্ৰহ কৰি পাঠ-আৱিষ্কাৰ, পাঠ-মূল্যায়ন, পাঠ-সংশোধন আৰু অধি-সমীক্ষা— এই চাৰিটা প্ৰক্ৰিয়াৰে সমীক্ষকজনে গ্ৰন্থ এখন সম্পাদনা কৰে। এই সমীক্ষা পদ্ধতিত সমীক্ষকে পাঠ উপস্থাপনৰ বাবে কিছুমান কাৰ্য সমাধা কৰে। সেই কাৰ্যবোৰৰ বিষয়ে সম্পাদকে ভূমিকাত জনাব লাগে। সম্পাদকে সংগৃহীত পুথিৰ হাতেলিখা আৰু ছপা পুথিৰ বিৱৰণ দাঙি ধৰাৰ লগতে এখন তালিকা প্ৰস্তুত কৰিব লাগে আৰু প্ৰতিখন পুথিৰ বাবে সাংকেতিক চিহ্ন ব্যৱহাৰ কৰিব লাগে। তদুপৰি, পুথিখন পোৱা স্থান, দাতাৰ নাম, পুথিভঁৰালৰ নাম, পুৰণি ক্ৰমিক সংখ্যা, ফলকৰ সংখ্যা, প্ৰতিখন ফলকত থকা শাৰীৰ সংখ্যা, ফলকৰ জোখ, পুথিখন সাঁচিপাত তুলপাততে লিখা নে ছপা, আখৰৰ সংখ্যা, পদৰ সংখ্যা, পুথিখন সম্পূৰ্ণ নে আধৰুৱা, পুথিখনত কি লিপি শৈলী ব্যৱহাৰ হৈছে ইত্যাদি কথা সমীক্ষকে

উপস্থাপন কৰিব লাগে।

পুথিসমূহৰ বিৱৰণৰ লগতে উপসাক্ষ্য হিচাপে টীকা, ভাষ্য, অনুবাদ আদিৰ বিষয়েও সম্পাদকে জনোৱাটো অন্যতম প্ৰয়োজনীয় কথা। পুথিৰ সামৰণিত নকলৰ চন-তাৰিখ, নকলকাৰৰ নাম, নকলকাৰে কৰা ক্ষমা-মাৰ্জনা, কোনখন পুথিৰ শেষত নকলকাৰে কেনেদৰে সামৰণি মাৰিছে তাক জনোৱা উচিত। তেতিয়াহে সেই পুথিৰ ইতিহাস, বংশলতা পাঠকে জানিব পাৰে।

পাঠ সম্পাদকে গ্ৰন্থকাৰৰ পৰিচয়ৰ লগতে গ্ৰন্থখনৰ পৰিচয়ো ভূমিকাত দাঙি ধৰিব লাগে। পাঠ সমীক্ষকে যিহেতু কেইবাখনো পুথি পৰীক্ষা কৰি এটা নতুন পাঠ গ্ৰহণ কৰে, সেইবাবে নতুন পাঠত ব্যৱহাৰ নকৰা পাঠখিনি পাদটীকাত উল্লেখ কৰিব লাগে। এইখিনিক সমীক্ষা সামগ্ৰী (critical apparatas) বুলি কোৱা হয়। মূল পাঠৰ পৃষ্ঠাৰ ওপৰৰ অংশত নতুনকৈ সংগঠিত পাঠটো উল্লেখ কৰি পাদটীকাত পাঠান্তৰখিনি উল্লেখ কৰিব লাগে। কাৰণ সমীক্ষকে কিহৰ ভিত্তিত সংগঠিত পাঠটো গ্ৰহণ কৰিছে তাৰ এটা ভিত্তি পাঠকে পাব লাগে। ভাণ্ডাৰকৰ অৰিয়েণ্টাল ৰিছার্চ ইন্‌ষ্টিটিউটৰ মহাভাৰত বিভাগৰ *'সমীক্ষা সামগ্ৰী লিখাৰ নিয়মাৱলী'*ত ২৬টা নিয়ম বান্ধি দিয়া হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ পাঠ-সমীক্ষাৰ উপস্থাপন পদ্ধতি সম্পৰ্কে চমুকৈ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)

.....

সংগঠিত পাঠৰ লগতে সমীক্ষা সামগ্ৰী আদি উল্লেখ কৰিলে একোটি সম্পাদিত পাঠ গ্ৰহণ কৰিব পাৰি। সেইবাবে সমীক্ষা কৰিবলৈ লোৱা পুথিখনৰ পৰিচয়, লেখকৰ পৰিচয়, পুথিখনৰ প্ৰয়োজনীয়তা, সংগৃহীত পুথিৰ তালিকা— সাংকেতিক চিহ্নসহ প্ৰক্ষিপ্ত অংশ, পুথিসমূহৰ মাজত থকা বিভিন্ন ভুল-আসোঁৱাহ, আধাৰ গ্ৰন্থৰ পৰিচয়, পাঠৰ ভাষা-সাহিত্যৰ আলোচনা আদি উপস্থাপন কৰিব লাগে। ইয়াৰ পাছতে প্ৰক্ষিপ্ত পাঠ, আন পুথিৰ পৰা পোৱা দীৰ্ঘ পদ, অধ্যায় আদিৰ তালিকাও দিব লাগে। এনেদৰে উপস্থাপন কৰাৰ পাছত সমীক্ষক এগৰাকীয়ে পাঠ-সমীক্ষাৰ কাম সম্পাদন কৰিব পাৰে।



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়নৰ দ্বাৰা পাঠ-সমীক্ষা বিষয়টো নো এই বিষয়ে পৰিচয় লাভ কৰিলোঁ।

- পাঠ-সমীক্ষা পুৰণি পুথিৰ অধ্যয়নৰ এটা প্ৰণালীবদ্ধ পদ্ধতি। এই পদ্ধতিৰ সহায়ত কিছুমান নীতি আৰু কৌশল প্ৰয়োগ কৰি পুৰণি পুথিসমূহ সম্পাদনা কৰা হয়। এই অধ্যয়নৰ দ্বাৰা আমি এই কথা বুজিব পাৰিলোঁ।
- পাঠ-সমীক্ষা পদ্ধতিৰে কৰা পাঠসমূহৰ মাজেৰে ইতিহাসৰ একোটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত যে যুগ যুগ ধৰি বৰ্তি থাকে সেই কথা বুজিব পাৰিলোঁ।
- সাহিত্যৰ বুৰঞ্জীৰ সঠিক তথ্য নিৰূপণত পাঠ-সমীক্ষা পদ্ধতিয়ে যথেষ্ট সহায় কৰে— সেই বিষয়ে জ্ঞান লাভ কৰিলোঁ।
- পুৰণি হাতেলিখা পুথিসমূহত নিহিত পূৰ্ব-পুৰুষসকলৰ ভাব-চিন্তা আৰু প্ৰাচীন যুক্তি-বুদ্ধিৰ লগত আধুনিক ভাব-চিন্তা আৰু বুদ্ধিৰ সংযোগ তথা সংৰক্ষণৰ বাবে পাঠ-সমীক্ষাৰ প্ৰয়োজন অতি অপৰিহাৰ্য সেই বিষয়ে জানিব পাৰিলোঁ।
- পাঠ-সমীক্ষাৰ উপস্থাপন পদ্ধতি সম্পৰ্কে অৱগত হলোঁ।
- পাঠ-সমীক্ষা বিষয়টো সম্পৰ্কে বৰ্তমান যথেষ্ট চিন্তা-চৰ্চা হৈছে যদিও ভাৰতীয় সাহিত্যত এই বিষয়ৰ অধিক চৰ্চাৰ প্ৰয়োজন আছে। পাঠ-সমীক্ষা পদ্ধতিৰে অধ্যয়ন কৰিলে বহু পুৰণি তথ্যৰ সন্ধেদ পোৱা যাব। এই অধ্যয়নৰ দ্বাৰা সেই সম্পৰ্কে অৱগত হলোঁ।



১৩.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, সৰ্বেশ্বৰ (২০০৩); *প্ৰাচীন অসমীয়া লিপি,* ডিব্ৰুগড় ঃ বনলতা।

২) কটকী, স্নিগ্ধা (২০১৫); *অনুবাদ আৰু সাহিত্যৰ অন্যান্য প্ৰসংগ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) কাকতি, ডম্বৰু (সম্পা.) (১৯৯৩); *সাহিত্য-সংস্কৃতি সৌৰভ;* আদৰণী সমিতি, অসম সাহিত্য সভা ঃ শিৱসাগৰ।

৪) গোস্বামী, মঞ্জু (২০০২); শ্ৰী শ্ৰী মাধৱদেৱৰ নাম-মালিকা-বৈজ্ঞানিক পদ্ধতিত সমীক্ষিত পাঠ, গুৱাহাটী ঃ পুথি প্ৰকাশ।

৫) গোস্বামী, মালিনী (২০১৩); *পাঠ-সমীক্ষা সূত্ৰ আৰু প্ৰয়োগবিধি;* গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

৬) ঠাকুৰীয়া, ৰামচৰণ (২০০৪); *পাঠ-সমীক্ষাৰ প্ৰসংগত,* গুৱাহাটী।

৭) নেওগ, মহেশ্বৰ (১৯৮৪); *পাঠ-সমীক্ষা;* ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ, ডিব্ৰুগড়।

ইংৰাজী গ্ৰন্থ ঃ

৮) Barah, Mahendra (1981); The Evolution of Assames Script, Asam Sahity Sabha, Jorhat.

৯) Katre, S. M. (1954); Introduction to Indian Textual criticism; Deccan College.

১০) Mukherj, Anima (2001); Punthi Path O Sampadana Riti, Book Fair, Dr. S.C. Banerjee Road : Kolkata.



১৩.৭ অগ্ৰগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ-সমীক্ষা পদ্ধতিৰ ভাগ সমূহৰ..... আলোচনা। প্ৰতিটো পদ্ধতিৰ বৈশিষ্ট্য.....পাঠ-সমীক্ষাৰ দ্বাৰা সমীক্ষকজনে মূল পুথিৰ পাঠৰ ওচৰ কেনেদৰে চাপিব পাৰে.....তাৰ আলোচনা।

২নং প্ৰশ্নৰ উত্তৰ ঃ পুৰণি পুথিৰ পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা.....পাঠ-সমীক্ষাৰ মাজেৰে পুৰণি ভাষা-সাহিত্য.....সংস্কৃতিৰ ইতিহাস জনাৰ প্ৰয়োজনীয়তা.....আমাৰ দেশৰ পুৰণি পুথিৰ.....আলোচনা.....পাঠ-সমীক্ষা পদ্ধতিৰে সাহিত্যৰ ভঁৰাল চহকী কৰিবলৈ প্ৰয়োজন.....তাৰ আলোচনা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ-সমীক্ষাৰ উপস্থাপনৰ বাবে বিভিন্ন পদ্ধতিৰ আলোচনা.....সংগৃহীত পুথিৰ তালিকা প্ৰস্তুত.....গ্ৰন্থৰ চন, তাৰিখ, গ্ৰন্থখনৰ পৰিচয়.....পুথিৰ প্ৰক্ষিপ্ত.....আসোঁৱাহ.....অধ্যায় আদিৰ উপস্থাপনৰ আলোচনা।



১৩.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ পাঠ-সমীক্ষাৰ বাবে প্ৰয়োগ কৰা আধুনিক পদ্ধতিসমূহৰ এটি পৰিচয় দাঙি ধৰক।

প্ৰশ্ন ২ ঃ পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰক লগতে পাঠ-সমীক্ষাৰ দ্বাৰা পুৰণি পুথিৰ সমীক্ষিত পাঠে সাহিত্যৰ ভঁৰাল কেনেদৰে চহকী কৰি তুলিব পাৰে তাৰ এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ অসমত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা আৰু পৰম্পৰা সম্পৰ্কে এটি চমু নিবন্ধ যুগুত কৰক।

প্ৰশ্ন ৪ ঃ পাঠ-সমীক্ষাৰ উপস্থাপন পদ্ধতি সম্পৰ্কে এটি চমু আলোচনা আগবঢ়াওক।

অধ্যায় ১৪ ঃ অসমত পাঠ-সমীক্ষা ঃ প্রয়োজনীয়তা আৰু পৰম্পৰা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ অসমত পাঠ-সমীক্ষাৰ ঐতিহাসিক প্ৰেক্ষাপট
১৪.৪ অসমীয়া প্ৰাচীন পুথিৰ পাঠ আৰু তাৰ সমীক্ষা
১৪.৫ অসমীয়া সাহিত্যত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা
১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমত পাঠ-সমীক্ষা অধ্যয়নৰ পৰম্পৰা সম্পৰ্কে জানিব পাৰিব
- অসমীয়া প্ৰাচীন পুথিৰ পাঠৰ সমীক্ষা সম্পৰ্কে আলোচনা কৰিব পাৰিব
- অসীয়া সাহিত্যত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব।

১৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষান্মাসিকৰ প্ৰথম পাঠ্যবিষয় 'লিপি আৰু পাঠ সমীক্ষা'ৰ অন্তৰ্গত এইটো চতুৰ্দশ আৰু শেষ অধ্যায়। এই অধ্যায়টিত আপুনি অসমত পাঠ-সমীক্ষাৰ ঐতিহাসিক প্ৰেক্ষাপট, অসমীয়া প্ৰাচীন পুথিৰ পাঠ আৰু তাৰ সমীক্ষা আৰু অসমীয়া সাহিত্যত পাঠ-সমীক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে জানিব পাৰিব।

অসমত অতি প্ৰাচীন কালৰে পৰাৰ পুথি সংৰক্ষণ আৰু পুথি নকল কৰা প্ৰথা চলি আহিছে। বৰ্তমান সময়ত কেবাগৰাকী লব্ধপ্ৰতিষ্ঠ অসমীয়া পণ্ডিতে আপুৰুগীয়া পুৰণি পুথি পাঠ সমীক্ষা পদ্ধতিৰে সম্পাদনা কৰি প্ৰকাশ কৰিছে। এই অধ্যায়টিৰ জৰিয়তে আপুনি এই বিষয়ে ধাৰণা লাভ কৰিব পাৰিব। আমাৰ দেশৰ আপুৰুগীয়া পুৰণি পুথিসমূহৰ পাঠ-সমীক্ষা পদ্ধতিৰে সমীক্ষা আগবঢ়ালে সাহিত্যৰ ইতিহাসেই সলনি হ'ব। সাহিত্যৰ মূল্যাংকনৰ বাবে পাঠ-সমীক্ষাৰ প্ৰয়োজন অপৰিহাৰ্য। সাহিত্যৰ বুৰঞ্জী নিৰ্ধাৰণত পাঠ-সমীক্ষা বিষয়ৰ ক্ৰমবিকাশ সম্পৰ্কে জনাটো অতি প্ৰয়োজনীয়। অধ্যায়টি অধ্যয়নৰ দ্বাৰা আপুনি এই বিষয়ে জ্ঞাত হ'ব পাৰিব।

১৪.৩ অসমত পাঠ-সমীক্ষাৰ ঐতিহাসিক প্রেক্ষাপট

অসমত অতি প্রাচীন কালৰে পৰা পুৰণি হাতেলিখা পুথিৰ প্রচলন আছিল। পুথি নকল কৰা আৰু পুথি দান কৰাটো এটা পৰম ধর্ম বুলি প্রাচীন কালৰে পৰাই চলি আহিছিল। অতি প্রাচীন কালৰে পৰা অসমত আৰু অসমীয়া সমাজত—

'পুৰাণং ভাৰতং ৰাপি ৰামায়ণং থাপিৰা
লিখিত্বা পুস্তকং দত্ত্বা ভুক্তি মুক্তি ৰাপ্নুয়াৎ'

(অর্থাৎ *পুৰাণ, ভাৰত* অথবা *ৰামায়ণ*— এই গ্রন্থসমূহ লিখি আৰু দান কৰি ভুক্তি আৰু মুক্তি— এই দুয়োটাকে পাব পাৰি)।

আকৌ,

'অষ্টেভ্যো ব্রাহ্মণেভ্যশ্চ লিখিত্বা যঃ সমর্পয়েৎ
তস্য বিদ্যা ভৱেৎ সদ্যঃ গণেশস্য প্রসাদতঃ।'

(অর্থাৎ যিজনে গ্রন্থ লিখি আঠজন ব্রাহ্মণক সমর্পণ কৰে, গণেশৰ আশীর্বাদত তেওঁৰ অতি সোনকালে বিদ্যা লাভ হয়)

এনে ধৰণৰ বিশ্বাসৰ ফলতে অসমতো পুথি নকল কৰা প্রথা চলি আহিছিল। এনেদৰে নকল কৰা পুথিৰ সংৰক্ষণৰ বাবেও নকলকাৰসকল সচেতন আছিল। প্রায়বোৰ হাতেলিখা পুথিৰ শেষত তেওঁলোকে—

'চোৰাৎ ৰক্ষ জলাৎ ৰক্ষ ৰক্ষ মাং শ্লথবন্ধনাৎ
আখুভ্য নৰহস্তেভ্যঃ এৱং বদতি পুস্তিকা।'

(অর্থাৎ চোৰৰ পৰা, পানীৰ পৰা আৰু শিথিল বান্ধৰ পৰা, মূর্খ লোকৰ হাতৰ পৰা মোক ৰক্ষা কৰা, পুথিয়ে এনেদৰে কয়।) এই শ্লোকফাকি লিখি পুথিৰ সংৰক্ষণতাৰ বিষয়ে সততাৰ পৰিচয় দি গৈছে। পুথিৰ শেষত আকৌ লিপিকাৰে নিজৰ অপৰাধ মার্জনাৰে এইদৰে লিখি থোৱা দেখা যায়—

'ভীমস্যাপি ৰণে ভংগো মুনিনাঞ্চ মতিভ্রমঃ
যথা দৃষ্টং তথা লিখিতং লিখনে নাস্তি দুষনম।'

অসমত পুথি নকল কৰাৰ যি পৰম্পৰা আছিল তাত ৰাজপৃষ্ঠপোষকতাই যথেষ্ট অৰিহণা যোগাইছিল। আহোম ৰজাৰ শাসন কালত লেখাৰু, বৰুৱা, কাকতি, চাংকাকতি আদি অনেক উপাধিধাৰীয়ে এনে লিখন কার্য সম্পাদন কৰিছিল। অসমত লিখক আৰু খনিকৰ এই দুই শ্রেণীৰ পুথি নকল কৰোঁতা আছিল। লিখকসকলে কিছু লিখা-মেলা জানিছিল যদিও খনিকৰসকলে ছবিৰ দৰে চাই আখৰবোৰ লিখিছিল। অসমৰ বহু প্রাচীন আৰু মূল্যবান পুথি জলবায়ু, বানপানী, নিগনি, ডালশলীয়া, ব্যক্তিৰ অজ্ঞানতা, মূর্খ পুত্র আদিৰ হাতত পৰি নাইকিয়া হয়।

অসমত পাঠ-সমীক্ষা বিষয়টোৰ অধ্যয়ন বা তাৰ চিন্তা-চর্চাৰ বাট বৰ পুৰণি নহয়। পুৰণি পুথিৰ বিজ্ঞানসম্মত পাঠ-সমীক্ষা আৰু তাৰ মূল পাঠ উদ্ধাৰ তথা সাহিত্যৰ বুৰঞ্জীৰ বিষয়ে

জানিবলৈ পাঠ-সমীক্ষাৰ অতি প্রয়োজন। এই বিষয়ে আগৰ অধ্যায়ত আলোচনা কৰা হৈছে। ১৮৭৬ চনত আনন্দৰাম বৰুৱাই ভৱভূতিৰ *মহাবীৰ চৰিত* গ্রন্থখন পাঠ-সমীক্ষা পদ্ধতিৰে সম্পাদনা কৰি অসমতো পাঠ-সমীক্ষা পদ্ধতি বিষয়টোৰ অধ্যয়ন মুকলি কৰে। ১৯১৩ চনত কালিৰাম মেধিয়ে প্রাক্ শংকৰী যুগৰ কবি হেম সৰস্বতীৰ *প্রহ্লাদ চৰিত* প্রকাশ কৰি উলিয়ায়। ইয়াৰ পাছত এই চিন্তা-চর্চাৰে আগুৱাই নি ১৯৫০ চনত তেওঁ সম্পাদনা কৰি প্রকাশ কৰে *অংকাৱলী* গ্রন্থখন। *অংকাৱলীত* শংকৰদেৱ, মাধৱদেৱ, গোপাল আতা, ৰামচৰণ ঠাকুৰ, দৈত্যাৰি ঠাকুৰ বিৰচিত সর্বমুঠ একৈশখন নাটৰ মূল পাঠৰ সম্পাদনা কৰা হৈছে। এই গ্রন্থখনি এইকেইজন নাট্যকাৰৰ অমূল্য নাটকেইখনৰ মূল পাঠ নির্ণয়ৰ সহায়ক গ্রন্থ, লগতে পাঠ-সমীক্ষা অধ্যয়নৰ আদর্শ চানেকি বুলিব পাৰি। অসমত এই পাঠ অধ্যয়নৰ প্রচলন আজিৰ পৰা কেইদশকমান আগৰ পৰাহে বহুলভাৱে চর্চিত হৈছে। বাণীকান্ত কাকতি, সূর্য্য কুমাৰ ভূঞা, সোণাৰাম চৌধুৰী, সর্বেশ্বৰ বৰুৱা, হেমচন্দ্র গোস্বামী আদি ব্যক্তিসকলে এই বিষয়ত গভীৰভাৱে মনোনিবেশ কৰি গৈছে। তেওঁলোকৰ পাছতে বিৰিঞ্চি কুমাৰ বৰুৱা, মহেশ্বৰ নেওগ, সত্যেন্দ্র নাথ শর্মা, মুকুন্দ মাধৱ শর্মা, ৰামচৰণ ঠাকুৰীয়া আদি পণ্ডিতসকলে এই বিষয়ত চিন্তা-চর্চা আগবঢ়াইছে। অসমত এতিয়ালৈকে কৰা পাঠ-সমীক্ষামূলক প্রক্রিয়াৰ ভিতৰত মহেশ্বৰ নেওগৰ *ভক্তি প্রদীপ* (৪৯৫ শংকৰাব্দ), *লৱ-কুশৰ যুদ্ধ* (১৯৫৪), *কীর্ত্তন-ঘোষা আৰু নামঘোষা* (১৯৫৫), *গুৰু-চৰিত কথা* (১৯৮৬) আৰু *দি ভক্তি ৰত্নাকৰ অব্ শংকৰদেৱ এণ্ড হিষ্টৰী অব্ দি কনচেপ্ট অব্ ভক্তি* (১৯৮২), বিৰিঞ্চি কুমাৰ বৰুৱা আৰু মহেশ্বৰ নেওগ সম্পাদিত *ৱৰ্ৱাহনৰ যুদ্ধ আৰু তাম্রধ্বজৰ যুদ্ধ* (১৯৬০), বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্র নাথ শর্মাৰ সম্পাদনাত প্রকাশ পোৱা *মনসা কাব্য*, মুকুন্দ মাধৱ শর্মাৰ *ইন্সক্রিপ্টচন অব্ এন্চিয়েণ্ট আছাম* (১৯৭৮), ৰামচৰণ ঠাকুৰীয়াৰ *দি ৰামায়ণ অব্ মাধৱ কন্দলি ঃ এ টেক্সট্ ক্রিটিকেল এণ্ড হিষ্টৰিকেল ষ্টাডি* (১৯৮৩), নবীন চন্দ্র শর্মাৰ *ৰুচিনাথ কন্দলীকৃত শ্রীশ্রী চণ্ডী*, মালিনী গোস্বামীৰ *চিত্তামোদ কাব্য* আদি উল্লেখযোগ্য পুথি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমত পাঠ-সমীক্ষাৰ ঐতিহাসিক প্রেক্ষাপট সম্পর্কে এটি আলোচনা দাঙি ধৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

১৪.৪ অসমীয়া প্রাচীন পুথিৰ পাঠ আৰু তাৰ সমীক্ষা

স্নাঅসমত হাতেলিখা পুথি কিমান আছিল আৰু বর্তমান কিমান আছে তাক জনা নাযায়। বর্তমানো অনেক পুথি অসমীক্ষিত অৱস্থাত আছে। মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, ৰাম সৰস্বতী, ভট্টদেৱ আৰু পুৰণি অসমীয়া আপুৰুগীয়া বুৰঞ্জীসমূহৰ পাঠ অধ্যয়নে অসমীয়া সাহিত্যত নতুন চিন্তা-চর্চাৰ বাট মুকলি কৰিব বুলি আশা কৰিব পাৰি। কামৰূপ অনুসন্ধান সমিতি, অসম চৰকাৰৰ বুৰঞ্জী আৰু পু�ৰাতত্ত্ব বিভাগ, অসম ৰাজ্যিক সংগ্রহালয়, গুৱাহাটী বিশ্ববিদ্যালয়,

ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসম সাহিত্য সভা আৰু শাখা-সাহিত্য সভা, বৰদোৱা বৈষ্ণৱ বিশ্ববিদ্যালয়, নলবাৰী সংস্কৃত কলেজ তথা সঞ্জীৱনী সভা আদি অনুষ্ঠানৰ জৰিয়তে এই অধ্যয়নে প্ৰসাৰ লাভ কৰাৰ থল আছে। মুঠতে পৃথিৱীৰ প্ৰায়বোৰ ঠাইতে অতি প্ৰাচীন কালৰে পৰাই পুৰণি পুথিৰ অধ্যয়নৰ এক পৰম্পৰা আছিল বুলি জানিব পাৰি।



জানি থোৱা ভাল

অসমৰ সচিত্ৰ পুথিসমূহ হ'ল চিত্ৰ-ভাগৱত, ভক্তি-ৰত্নাৱলী, গীত-গোবিন্দ, অজামিল উপাখ্যান, শংখচূড় কাব্য, হস্তিবিদ্যাৰ্ণৱ, বৃহৎ ঊষা-হৰণ আদি।

চৰিত পুথি, বুৰঞ্জী সাহিত্য, জ্যোতিষ শাস্ত্ৰ, গণিত শাস্ত্ৰ, ঘোঁৰা-হাতীৰ চিকিৎসা বিষয়ক পুথি, পুখুৰী খন্দা বিষয়ক পুথি ইত্যাদি অনেক পুথিৰ সম্ভাৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি ৰাখিছিল। কিন্তু বিভিন্ন কাৰণ, যেনে— ৰাজনৈতিক বিপ্লৱ, বানপানী, এন্দুৰ, ডালশলিয়াৰ উৎপাত, ভূমিকম্প, ঘৰপোৰা, ৰোগ-ব্যাধিৰ পৰা পৰিত্ৰাণ পাবলৈ নৈত উটুৱাই দিয়া, নানা ধৰণৰ অন্ধবিশ্বাস, মূৰ্খ, মোল নুবুজা উত্তৰাধিকাৰীৰ হাতত পৰাত সেইবোৰৰ আদি বিভিন্ন কাৰণত পুৰণি পুথিসমূহ লুপ্তপ্ৰায় হৈছে। এই পুৰণি পুথিসমূহ লিখা হৈছিল সাঁচিপাত, তুলাপাত, মাদুৰিবনৰ লেখীয়া পাত আদিত। অসমত সাঁচিপাতত লিখা ৰীতি খ্ৰীষ্টীয় সপ্তম শতিকাৰ আগৰে পৰাই প্ৰচলিত আছিল বুলি বুৰঞ্জীয়ে প্ৰমাণ দাঙি ধৰে। *হৰ্ষ চৰিত*ত উল্লেখ আছে যে কামৰূপাধিপতি কুমাৰ ভাস্কৰবৰ্মাই কটকী হংসবেগৰ হাতত ৰজা হৰ্ষবৰ্দ্ধনলৈ যিবোৰ উপঢৌকন প্ৰেৰণ কৰিছিল, তাৰ ভিতৰত 'অগৰুত্বক নিৰ্মিত পুস্তিকা', অৰ্থাৎ অগৰু গছৰ বাকলি বা আন কথাত সাঁচিপাতত লিখা পুথিও আছিল বুলি জনা যায়।



জানি থোৱা ভাল

সাঁচি গছৰ পাতত লিখা পুথি বহু বছৰলৈকে নষ্ট নোহোৱাকৈ থাকে।

প্ৰাচীন কামৰূপ বা অসমত ৰচিত ভালেমান পুথি দেশ-বিদেশৰ অনেক ঠাইত, গ্ৰন্থাগাৰ আদিত থকা বুলি সন্ধেদ পোৱা গৈছে।

*মুদ্ৰা-ৰাক্ষস*ৰ দৰে প্ৰাচীন আৰু বহুমূলীয়া সংস্কৃত গ্ৰন্থও প্ৰাচীন কামৰূপৰ ৰজাৰ পৃষ্ঠপোষকতাত সাঁচিপাতত লিখা হৈছিল বুলি জনা যায়। খ্ৰীষ্টীয় দশম-একাদশ শতিকাৰ সময়ছোৱাত সহজযান বৌদ্ধ সিদ্ধাচাৰ্যসকলে তালপাতত লিখা *চৰ্যাচৰ্য বিনিশ্চয়* পুথিখন অসমীয়া সাহিত্যৰ এক উল্লেখযোগ্য সম্পদ। প্ৰাক্‌শংকৰী যুগৰ হেম সৰস্বতীৰ *প্ৰহ্লাদ চৰিত* আৰু মাধৱ কন্দলীৰ *ৰামায়ণ* আদি সাঁচিপাতত ৰচিত অসমীয়া সাহিত্যৰ একো একোখন

অমূল্য গ্ৰন্থ। বিভিন্ন দেৱ-দেৱী, ভূত-প্ৰেত, ডাইনী-যখিনী আদিৰ চৰিত্ৰ তথা কাৰ্যকলাপৰ বৰ্ণনা থকা মন্ত্ৰপুথিসমূহকো দশম শতিকাৰ আগভাগৰ ৰচনা বুলি ক'ব পাৰি।

মহাভাৰতকে ধৰি বিভিন্ন সংস্কৃত গ্ৰন্থৰ পাঠ অসমত প্ৰচলিত আছিল। মহাভাৰতৰ টীকাকাৰ নীলকণ্ঠই পাঠৰ কি অৰ্থ হ'ব পাৰে আৰু পাঠান্তৰত তাৰ কেনে অৰ্থ হ'ব পাৰে দুয়োটাৰে প্ৰভেদ দেখুৱাই তাৰ এটা সমাধান দি গৈছে। প্ৰসিদ্ধ টীকাকাৰ শ্ৰীধৰস্বামী *ভাগৱত পুৰাণৰ ভাগৱত-ভাৱাৰ্থ-দীপিকা* পাদটীকাতো একাধিক পাঠৰ অনেক ব্যাখ্যা পোৱা গৈছে। মহাপুৰুষ শংকৰদেৱৰ *ভক্তি ৰত্নাকৰ* গ্ৰন্থৰো ভিন্ন পাঠৰ ভিন্ ভিন্ ব্যাখ্যা পোৱা যায়।আনন্দৰাম বৰুৱাই ভৱভূতিৰ *মহাবীৰ চৰিত* সম্পাদনা কৰিছিল (১৮৭৬)। তেওঁ প্ৰাচ্যতত্ত্ববিদ আৰ. জি. ভাণ্ডাৰকাৰৰ সমসাময়িকভাৱে এই গ্ৰন্থৰ জৰিয়তে অসমত পাঠ-সমীক্ষা বিষয়ক চিন্তা-চৰ্চাক ঠাই দিছিল। কৃষ্ণকান্ত সন্দিকৈয়ে শ্ৰীহৰ্ষৰ *নৈষধ চৰিত,* সোমদেৱৰ *যশস্তিলক* আৰু প্ৰৱৰসেনৰ *সেতুবন্ধ* এই তিনিখন আপুৰুগীয়া পাঠ-সমীক্ষাৰ জৰিয়তে সম্পাদন কৰিছিল। তেওঁ মূল পাঠৰ লগতে তিনিওখন গ্ৰন্থৰ পাঠান্তৰ দেখুৱাই পাঠ-সমীক্ষা পদ্ধতিৰে তাৰ সমাধান কৰিছিল।

১৯১৩ চনত প্ৰাক্ শংকৰী যুগৰ কবি হেম সৰস্বতীৰ *প্ৰহ্লাদ চৰিত* পুথিখনি কালিৰাম মেধিয়ে প্ৰকাশ কৰি উলিয়ায়। পুথিখনিৰ পাতনিত তেওঁ লিখিছে— 'এই পুথিৰ মূল যেনে পাইছো, তেনে লেখিছো। কবিৰ ভুল-শুদ্ধ কৰিবৰ আমাৰ বিদ্যাও নাই, সাহো নাই। অৱশ্যে নকলকাৰকে যে মাজে মাজে অশুদ্ধ বৰ্ণবিন্যাস দিছে এনে অনুমান কৰিবৰ বহুত কাৰণ আছে। তথাপি দেৱতাই য'ত পাৱ দিব সংকুচিত হয় তাত নৃশংসসৱে বেগে প্ৰৱেশ কৰে (Fools rush in where angels fear to tread) কথা মই প্ৰমাণিত কৰিব নুখুজো।' অসমীয়া পুৰণি পুথিৰ সম্পাদনাৰ ক্ষেত্ৰত কালিৰাম মেধিৰ এনে প্ৰচেষ্টা নিঃসন্দেহে অভিনৱ। ইয়াৰ পাছতে ১৯৫০ চনত কালিৰাম মেধিয়ে সম্পাদনা কৰি উলিয়ায়— *অংকাৱলী* গ্ৰন্থখন। *অংকাৱলীত* সন্নিবিষ্ট নাটসমূহ সেই নাটকেইখনৰ মূল পাঠ নিৰ্ধাৰণ কৰিবৰ বাবে এখনি সহায়ক গ্ৰন্থ। আনহাতে অসমীয়া পাঠ-সমীক্ষা অধ্যয়নৰ বাবেও *অংকাৱলী* খন এখনি আৰ্হি প্ৰদৰ্শক গ্ৰন্থ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ অসমীয়া প্ৰাচীন পুথিৰ পাঠ-সমীক্ষা সম্পৰ্কে আলোচনা কৰক। (১৫০ টা শব্দৰ ভিতৰত)

.....

অসমীয়া সাহিত্যত কেইবাগৰাকী পণ্ডিত, গৱেষকে পাঠ-সমীক্ষা পদ্ধতি প্ৰয়োগ কৰি পুৰণি পুথি সম্পাদনাত গুৰুত্ব প্ৰদান কৰিছে। এই প্ৰসংগত অম্বিকানাথ বৰা, ৰাজমোহন নাথ, শৰৎ চন্দ্ৰ গোস্বামী, বাণীকান্ত কাকতি, সূৰ্য্য কুমাৰ ভূঞা আদি পণ্ডিতৰ নাম উল্লেখ কৰিব পাৰি। অম্বিকানাথ বৰাই ১৯৩৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা *ৰুক্মিণী হৰণ* নাট সম্পাদনা কৰি উলিয়ায়। শৰৎ চন্দ্ৰ গোস্বামীৰ দ্বাৰা সম্পাদিত হয় *শ্ৰীশ্ৰী দামোদৰদেৱৰ চৰিত্ৰ* আৰু *শ্ৰীশ্ৰী*

বনমালীদেৱৰ চৰিত্ৰ ১৯২৭ চনত। **১৯৪৪-১৯৪৫** চনত ৰাজমোহন নাথৰ সম্পাদনাত প্ৰকাশ পায়— *শ্ৰীশ্ৰীশংকৰদেৱৰ বৰগীত* আৰু *শ্ৰীশ্ৰীমাধৱদেৱৰ বৰগীত*। ১৯৫৮ চনত বাণীকান্ত কাকতিৰ সম্পাদনাত একত্ৰভাৱে প্ৰকাশ পায় *চোৰধৰা আৰু পিম্পৰা গুচোৱা* নাট। পদ্মনাথ ভট্টাচাৰ্য বিদ্যাবিনোদে ১৯৩৩ চনত প্ৰকাশ কৰা *কামৰূপশাসনাৱলী* নামৰ গ্ৰন্থখন সমীক্ষাত্মক পাঠৰ এক উল্লেখযোগ্য উদাহৰণ। সূর্য্য কুমাৰ ভূঞাই পুৰণি অসম বুৰঞ্জীৰ পুথি সম্পাদনা কৰিও এটা নতুন দিশ উন্মোচন কৰে। উক্ত গ্ৰন্থসমূহত পাঠ-সমীক্ষাৰ প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে প্ৰয়োগ নহ'লেও অসমীয়া সাহিত্যৰ পাঠ-সমীক্ষা অধ্যয়নৰ দিশত এইবোৰ উল্লেখযোগ্য গ্ৰন্থ হিচাপে পৰিগণিত হৈছে। অসমত পাঠ-সমীক্ষা বিষয়টোক বিজ্ঞানসন্মত ৰূপ দিয়া দুগৰাকী পুৰোধা ব্যক্তি হৈছে— বিৰিঞ্চি কুমাৰ বৰুৱা আৰু মহেশ্বৰ নেওগ। এই দুগৰাকী পণ্ডিত-গৱেষকৰ দ্বাৰা সম্পাদিত হৰিবৰ বিপ্ৰৰ *ৰত্নবাহনৰ যুদ্ধ* আৰু *তাম্ৰধ্বজৰ যুদ্ধ* সমীক্ষিত পাঠৰ উল্লেখযোগ্য অসমীয়া পুথি। এই পুথি দুখন যুটীয়া সম্পাদনাৰে গুৱাহাটী বিশ্ববিদ্যালয় প্ৰকাশন বিভাগৰ দ্বাৰা ১৯৬১ চনত প্ৰকাশ পায়। কালিৰাম মেধিৰ দ্বাৰা সংগৃহীত অনুলিপিৰ পৰা মনকৰ আৰু দুৰ্গাবৰ কায়স্থৰ মনসাৰ গীত *মনসা কাব্য* পুথি বিৰিঞ্চি কুমাৰ বৰুৱা আৰু সত্যেন্দ্ৰনাথ শৰ্মাৰ সম্পাদনাত ১৯৫০ চনত প্ৰকাশ পায়। পুথিখনিৰ পাঠ সংগৃহীত ৰূপতে ৰখা হৈছে। মহেশ্বৰ নেওগে সম্পাদনা কৰি উলিওৱা *ভক্তি প্ৰদীপ* (৪৯৫ শংকৰাব্দ), *লৱ-কুশৰ যুদ্ধ* (১৯৪৫), *কীৰ্তনঘোষা আৰু নামঘোষা* (১৯৫৫), *গুৰু-চৰিত কথা* (১৯৮৬) আৰু *দি ভক্তি ৰত্নাকৰ অব্ শংকৰদেৱ এণ্ড হিষ্টৰী অব্ দি কনচেপ্ট অব্ ভক্তি* (১৯৮২) আন কেইখনমান উল্লেখযোগ্য সমীক্ষিত পুথি। পাঠ-সমীক্ষাৰ দৰে পদ্ধতিৰে সমীক্ষা কৰি উলিওৱা মহাপুৰুষ দুজনাৰ ক্ৰমে *কীৰ্তনঘোষা* আৰু *নামঘোষা* পুথি দুখনে অসমীয়া পাঠ-সমীক্ষা বিষয়ত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। দুয়োখন পুথিতে পাঠান্তৰৰ মাত্ৰা কম। অৱশ্যে দুয়োখন পুথিতে আধুনিক আখৰ-জোঁটনি ব্যৱহাৰ কৰা হৈছে। মহেশ্বৰ নেওগৰ *বৰদোৱা গুৰুচৰিত,গুৰুচৰিত কথা* আৰু *প্ৰাচ্য-শাসনাৱলী* (১৯৭৪) অসমীয়া ভাষাত পাঠ-সমীক্ষামূলক পদ্ধতিৰে অধ্যয়ন কৰা উৎকৃষ্ট নিদৰ্শন বুলিব পাৰি। মুকুন্দ মাধৱ শৰ্মাই *ইন্সক্ৰিপ্টচনছ্ অব্ এনচিয়েণ্ট আছাম* গ্ৰন্থখনি সমীক্ষামূলক পাঠৰ আধাৰত ১৯৭৮ চনত প্ৰকাশ কৰে। পাঠ-সমীক্ষা পদ্ধতিৰে অধ্যয়ন কৰা আন এখনি উল্লেখযোগ্য গ্ৰন্থ হ'ল ৰামচৰণ ঠাকুৰীয়াৰ *দি ৰামায়ণ অব্ মাধৱ কন্দলি ঃ এ টেক্সট্-ক্ৰিটিকেল এণ্ড হিষ্টৰিকেল ষ্টাডি*। এইখন প্ৰকাশ পায় ১৯৮৩ চনত। নবীন চন্দ্ৰ শৰ্মাৰ ৰুচিনাথ কন্দলীকৃত *শ্ৰীশ্ৰী চণ্ডী* আৰু মালিনী গোস্বামীৰ *চিত্তামোদ কাব্য* অসমীয়া পাঠ-সমীক্ষা অধ্যয়নৰ আৰু চিন্তা-চৰ্চাৰ একোখনি লেখত ল'বলগীয়া গ্ৰন্থ।

পাঠ-সমীক্ষা এক পূৰ্ণাংগ আৰু বিজ্ঞানসন্মত পদ্ধতি। পাঠ-আৱিষ্কাৰ (Heuristics), পাঠ-পুনৰ্মূল্যায়ন (Recensio), পাঠ-সংশোধন (Emendatio) আৰু অধি-সমীক্ষা (Higher Criticism) এই চাৰিটা প্ৰক্ৰিয়াৰ সু-প্ৰয়োগৰ দ্বাৰা পাঠ-সমীক্ষা অধ্যয়ন পৰিপূৰ্ণ হয়। এই বিষয়ে তৃতীয় অধ্যায়ৰ অন্তৰ্গত 'পাঠ-সমীক্ষাৰ সাধাৰণ ধাৰণা' শিতানত বহলভাৱে আলোচনা কৰা হৈছে। মহেশ্বৰ নেওগে অসম সাহিত্য সভাৰ মঙলদৈত অনুষ্ঠিত একচত্বাৰিংশ অধিৱেশনৰ

সভাপতিৰ অভিভাষণত উল্লেখ কৰিছিল যে অসমীয়া ভাষাত এই আটাইকেইটা প্রক্রিয়া ভালদৰে প্রয়োগ কৰি পাঠ নির্ধাৰণ কৰা গ্রন্থ নাই বুলিয়েই ক'ব পাৰি। অসমত এই পাঠ-সমীক্ষা বিষয়টো নতুন যদিও আজি কিছু দশক আগৰে পৰা এচাম গৱেষক-পণ্ডিতে পুৰণি পুথিৰ সংৰক্ষণ আৰু তাৰ অধ্যয়নৰ চিন্তা-চর্চা কৰিবলৈ লোৱা পৰিলক্ষিত হৈছে। অসমীয়া সমাজ-সাহিত্য-সংস্কৃতিৰ বাবে ই এক সুখকৰ খবৰ।

পাঠ-সমীক্ষা বিষয়টো বিজ্ঞানসম্মত বিষয় বুলি কোৱা হ'লেও ই স্বয়ংসম্পূর্ণ বিজ্ঞানৰ শাৰীত নপৰে। ই কেবাটাও বিজ্ঞানৰ সমষ্টি। সেই বাবে তেনে বিষয়ৰ চর্চা আৰু জ্ঞান থাকিলেহে এই প্রক্রিয়াটোত আগবাঢ়িব পাৰি। পণ্ডিত হেমচন্দ্র গোস্বামীয়ে এই বিষয়টোত যথেষ্ট গুৰুত্ব আৰোপ কৰিছিল। তেওঁৰ *ডেছ্ক্রিপ্টিভ কেটেলগ অব্ এছামিজ মেনাছ্ক্রিপ্টছ্,* শশীভূষণ দাসগুপ্তৰ *ডেছ্ক্রিপ্টিভ কেটেলগ অব্ কোচবিহাৰ ষ্টেট মেনাছ্ক্রিপ্ট,* পদ্মনাথ বিদ্যাবিনোদৰ *কামৰূপ-শাসনাৱলী,* নাথান ব্রাউনে প্রথম অসমীয়া আলোচনী *অৰুনোদই*ত (১৮৪৬) লিখা *ষ্টাইল এণ্ড ম'ড অব্ স্পেলিং'* কালিৰাম মেধিৰ *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব',* বাণীকান্ত কাকতিৰ *আছামিজ ইট্ছ্ ফ'ৰমেচন্ এণ্ড ডেভেল'পমেণ্ট,* সর্বেশ্বৰ কটকীৰ *অসমীয়া প্রাচীন লিপি* আদি গ্রন্থই অসমীয়া বর্ণ, লিপি, ভাষাৰ বিষয়ে জনাত যথেষ্ট বৰঙণি আগবঢ়াইছে।

অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল ভাৰতৰ ভিতৰতে চহকী আৰু প্রাচুর্যপূর্ণ। অসমীয়া সাহিত্যত অনেক আপুৰুগীয়া গ্রন্থ এতিয়াও অসমীক্ষিত অৱস্থাতে আছে। অকল পুৰণি সাহিত্যতে নহয় বর্তমান যুগতো এনে বহুতো সাহিত্য গ্রন্থ অসমীয়া ভাষাত আছে যে সেইবোৰৰ পাঠ অধ্যয়ন আৰু চর্চাই অসমীয়া ভাষা-সাহিত্যক আৰু এখোপ আগবঢ়াব পাৰিব। উদাহৰণস্বৰূপে হিতেশ্বৰ বৰবৰুৱাৰ *মালচ আৰু চকুলো* (১৯৪৯), অসমীয়া কবিতাৰ নির্বাচিত সংগ্রহ *সঞ্চয়ন* (১৯৫১), বেণুধৰ ৰাজখোৱাৰ *অসমীয়া খণ্ড-বাক্য কোষ* (১৯৬১), লক্ষ্মীনাথ বেজবৰুৱাৰ *মোৰ জীৱন সোঁৱৰণ* (১৯৬১), *পত্রলেখা* (১৯৬৮), *বেজবৰুৱাৰ দিনলেখা* (১৯৬৯, ১৯৭৬), তেওঁৰে বক্তৃতা— *ভাৰতৰ বৈষ্ণৱ ধর্ম আৰু ৰাস,* ইংৰাজী বক্তৃতা— 'Religion of Love and Devotion' আদি গ্রন্থ আৰু লেখাৰ নাম উল্লেখ কৰিব পাৰি।

সাহিত্যৰ ইতিহাস ৰচনা কৰিবলৈ হ'লে আৰু আমাৰ পূর্বপুৰুষসকলৰ চিন্তাধাৰাক উজ্জীৱিত কৰিবলৈ হ'লে পুৰণি পুথি, প্রত্নলেখ, শিলালিপি আদিৰ অধ্যয়ন অতি প্রয়োজন। এই বিষয়ে আমাৰ সমালোচক, গৱেষকসকলে বর্তমান উপলব্ধি কৰিব পাৰিছে। অসমীয়া ভাষা-সাহিত্যৰ নৱ-নির্মাতা মহাপুৰুষ শংকৰদেৱ আৰু তেওঁৰ প্রধান শিষ্য মাধৱদেৱৰ ভালেখিনি ৰচনাৰ সমীক্ষিত পাঠে অসমীয়া ভাষা-সাহিত্যৰ সৌষ্ঠৱ অধিক বৃদ্ধি কৰিব বুলি আশা কৰিব পাৰি। তেনেদৰে ৰাম সৰস্বতী, ভট্টদেৱ আদিৰ ৰচনাৰাজি, প্রাচীন বুৰঞ্জী পুথিসমূহৰ পাঠ উদ্ধাৰে অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰিব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পাঠ্যক্রমত এটা বিষয় হিচাপে পাঠ-সমীক্ষাক ঠাই দিয়াত বহু সংখ্যক ছাত্র-ছাত্রী এই বিষয়টোৰ প্রতি আগ্রহান্বিত হৈ পৰা দেখা গৈছে। পুৰণি পুথিৰ বর্ণবিন্যাস তথা আখৰ জোঁটনি একে ৰাখি পাঠ-সমীক্ষা পদ্ধতিৰে পাঠ অধ্যয়ন কৰিলে অসমীয়া ভাষা-সাহিত্যৰ মহৎ উপকাৰ সাধন হ'ব।

তদুপৰি, অসমৰ পুৰণি আৰু আপুৰুগীয়া পুথিৰ পাঠ উদ্ধাৰে অসমীয়া সাহিত্যক অধিক সমৃদ্ধিশালী কৰি তুলিব বুলি ভাবিবৰ অৱকাশ আছে।

১৪.৫ অসমীয়া সাহিত্যত পাঠ-সমীক্ষাৰ প্রয়োজনীয়তা

অসমীয়া প্রাচীন পুথিৰ ভঁৰাল ইমান চহকী যে সেইবোৰ সাহিত্যৰ সমীক্ষিত পাঠে অসমীয়া সাহিত্যৰ ইতিহাসকে সলনি কৰি দিব পাৰে। প্রাচীন কামৰূপত ৰচিত বিবিধ প্রকাৰৰ সাহিত্যৰ পাঠ-সমীক্ষাৰ এক বিশেষ প্রয়োজন আছে। সেই পুথিসমূহ এতিয়া দুষ্প্রাপ্য হৈ পৰিছে। আনহাতে মহাপুৰুষ শংকৰদেৱৰ সময়ৰ সাহিত্যই অসমীয়া সাহিত্যৰ বুৰঞ্জীত এক বৈশিষ্ট্যপূর্ণ যুগৰ সৃষ্টি কৰিছে। মহাপুৰুষ শংকৰদেৱ-মাধৱদেৱে ৰচনা কৰি থৈ যোৱা সৃষ্টিৰাজি আৰু কবি ৰাম সৰস্বতীৰ ৰচনাৰাজি, কবিৰত্ন বৈকুণ্ঠনাথ ভট্টাচার্য চমুকৈ ভট্টদেৱৰ সাহিত্যৰাজিকো এতিয়ালৈ সমীক্ষাত্মক পদ্ধতিৰে পূর্ণাংগ ৰূপত আলোচনা কৰা হোৱা নাই। অসমীয়া সমাজ-সংস্কৃতিৰ বুৰঞ্জী বিষয়ৰো পাঠ উদ্ধাৰ হোৱা নাই। এই পাঠসমূহৰ অধ্যয়নৰ অশেষ প্রয়োজনীয়তা আছে।

মহাপুৰুষ শংকৰদেৱৰ বৰগীতৰ পাঠান্তৰ আদিৰো অধ্যয়নৰ প্রয়োজনীয়তা আছে। মধ্যযুগৰ সাহিত্যত ব্যৱহৃত বহুতো শব্দ বর্তমান প্রয়োগৰ বাহিৰত। কিন্তু কিছুমান শব্দ নকলকাৰৰ হাতত পৰি পাঠান্তৰ হৈছে নেকি তাৰো কোনো প্রমাণ পাবলৈ নাই। বৈষ্ণৱ যুগৰ সাহিত্যৰ বহুতো শব্দৰ ৰূপ বিভিন্ন নকলকাৰৰ হাতত পৰি নতুন নতুন ৰূপ লৈছে। এনেবোৰ কাৰণতে সেই সময়ৰ পাঠ অধ্যয়নৰ বাবে পুথিৰ পাঠ-সমীক্ষাৰ প্রয়োজন আছে।

মহাপুৰুষ শংকৰদেৱৰ *কীর্তনঘোষাৰ* বেদস্তুতি খণ্ডত থকা পাঠ-প্রমাদে শংকৰদেৱৰ ৰচনা-ৰীতিকে বিভ্রান্ত কৰি তোলা দেখা গৈছে। নকলকাৰে কৰা পুথিৰ নকলে বহু সময়ত মূল ৰচকৰ দর্শন আৰু পাঠকো বিকৃত ৰূপ দিয়া দেখা যায়। সেইবাবে শংকৰদেৱৰ বিভিন্ন ৰচনাৰাজিৰ মূল পাঠৰ ওচৰ চাপিবলৈকো বৈজ্ঞানিক পদ্ধতিৰে পাঠ-সমীক্ষা অধ্যয়নৰ প্রয়োজন আছে।

অসমীয়া ভাষাৰ আখৰ-জোঁটনিৰ ক্ষেত্রত দেখা দিয়া বিভিন্ন সমস্যা অতি পুৰণি কালৰে পৰাই চলি আহিছে। পুৰণি লেখকসকলৰ স্বহস্ত লিপি সম্বলিত পাঠ বর্তমান পাবলৈ নাই। পুৰণি হাতেলিখা পুথিসমূহ নকলকাৰসকলে কৰা নকল পুথিহে। হাত বাগৰি আহোঁতে তাত অনেক ক্ষেত্রত বর্ণ প্রমাদ ঘটাটো স্বাভাৱিক। পুৰণি কালত আখৰ জোঁটনিৰ সমস্যা সমাধান কৰিবলৈ কোনো ধৰণৰ অভিধান নতুবা ব্যাকৰণ নাছিল।



জানি থোৱা ভাল

প্রাচীন কালৰে পৰা অসমত পুথি নকল কৰা আৰু পুথি দান কৰা এটা মহাধর্ম হিচাপে জ্ঞান কৰা হৈছিল।

আমাৰ দেশত অতি পুৰণি কালৰে পৰাই পুথি নকল কৰা আৰু পুথি দান কৰাটো এটা

মহাধর্ম বুলি মানি অহা হৈছিল। তলৰ শ্লোকফাকিয়ে তাৰ প্রমাণ দাঙি ধৰে—

‘পুৰাণং ভাৰতং ৰাণি ৰামায়ণং থাপিৰা।
লিখিত্বা পুস্তকং দত্ত্বা ভুক্তি মুক্তি ৰাপ্নুয়াৎ।।’

লিপিকাৰসকলে পুথিৰ নকল সমাপ্ত কৰি—

যেনে দেখে তেনে লিখে জানা সমস্তয়।
লিখকে দোষ নাই কহিলো নিশ্চয়।।
মহাবীৰ ভীমসেন ৰণে ভংগ হয়।
মুনিসকলৰো বিভ্রম হোৱয়।।

বুলি ক্ষমা প্রার্থনা কৰাটো প্রায়ভাগ পুথিতে লক্ষ্য কৰা যায়। পুথি লেখকসকলে নানান পৰিশ্রম কৰি সাঁচিপাতত নিমজ সুন্দৰ আখৰেৰে পুথি লিখি ‘পুত্রৱৎ প্রতিপালয়েৎ’ অর্থাৎ ‘পুত্রৰ দৰে পালন কৰিব’ বুলি পুথি লিখোঁতা আৰু পঢ়োঁতাসকলৰ বৰ আশা আৰু দৃঢ় বিশ্বাসেৰে অর্পণ কৰিছিল। কিন্তু সময়ৰ লগে লগে পুৰণি আৰু অতি আদৰেৰে সংৰক্ষণ কৰা এই পুথিসমূহ লাহে লাহে লোপ পাই আহিছে। নকলকাৰৰ নিজৰ মতিভ্রম আৰু দৃষ্টিভ্রম তথা অজ্ঞতাৰ বাবেও তেওঁলোকে কৰা নকলবোৰ মূল পুথিৰ পৰা আঁতৰি আহিছে। আধুনিক ছপাশাল অৱিষ্কাৰ হোৱাৰ লগে লগে আধুনিক সম্পাদকৰ হাতত পৰি তাত আধুনিক বর্ণবিন্যাস পদ্ধতি আৰু ৰচনাৰীতি সোমাই পৰিছে। আধুনিক সম্পাদকসকলে হেমচন্দ্র বৰুৱাৰ *হেমকোষ* আৰু *অসমীয়া ভাষাৰ ব্যাকৰণৰ* দ্বাৰা প্রভাৱিত হৈ পুথিসমূহ সম্পাদনা কৰা দেখা যায়।

অসমীয়া ভাষাৰ কেতবোৰ ধ্বনিৰ উচ্চাৰণত কোনো পার্থক্য পোৱা নাযায় ঃ ই/ঈ, উ/ঊ, ঋ/ৰি, ট/ত, শ/ষ/স, জ/য/ঝ আদি তেনে কেতবোৰ ধ্বনি। সেইবাবে পুথি নকলৰ ক্ষেত্রত বহুসময়ত নকলকাৰৰ নিজৰ উচ্চাৰণ ৰীতি সোমাই পৰিছিল। লিখা-পঢ়া জনা কিছু সংখ্যক ব্যক্তি আৰু কবি-সাহিত্যিকসকলে হয়তো সংস্কৃতীয়া বর্ণ-বিন্যাস ৰীতিকে মানি চলিছিল। কিন্তু সাধাৰণ অনাখৰী লোকে আখৰ জোঁটনিৰ সংস্কৃতীয় ৰীতি নজনা হেতুকে উচ্চাৰণ অনুসাৰে বর্ণ প্রয়োগ কৰিছিল। এনেবোৰ কাৰণতে অসমীয়া পুৰণি পুথিৰ পাঠ-সমীক্ষাৰ প্রয়োজনীয়তা আহি পৰে। অকল পুৰণি হাতেলিখা পুথিৰ ক্ষেত্রতেই যে পাঠ-সমীক্ষাৰ প্রয়োজনীয়তা আছে এনে নহয়। প্রাচীন অসমৰ শিলালেখ, তাম্রলিপি আদিৰো অধ্যয়নৰ প্রয়োজন আছে। শৈললেখ, তাম্রলেখবোৰৰ মাজতো অসমীয়া সমাজৰ ঐতিহ্য লুকাই আছে। অসমীয়া সাহিত্য-সংস্কৃতিৰ ইতিহাস পূর্ণাংগ ৰূপত পাবলৈ পাঠ-সমীক্ষা-পদ্ধতিৰ প্রয়োগ অপৰিহার্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমত পাঠ-সমীক্ষাৰ প্রয়োজনীয়তা আৰু পৰম্পৰা সম্পর্কে লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টি অধ্যয়নৰ পৰা পাঠ-সমীক্ষাৰ পৰিচয় লাভ কৰাৰ লগতে পাঠ-সমীক্ষাৰ অধ্যয়নৰ ক্ৰমবিকাশৰ এটি পৰিচয় লাভ কৰিলোঁ।
- পাঠ-সমীক্ষা পদ্ধতিৰে অধ্যয়ন কৰাৰ পদ্ধতি ভাৰতত বৈদিক যুগৰে পৰাই প্ৰচলিত আছিল যদিও ঊনবিংশ শতিকামানৰ পৰাহে পণ্ডিত-গৱেষকসকলে এই বিষয়ত চিন্তা-চৰ্চা কৰিবলৈ লোৱা দেখা যায়।
- অসমত অতি প্ৰাচীন কালৰে পৰাই পুৰণি পুথিৰ সংৰক্ষণৰ পৰম্পৰা আছিল। অসমৰ প্ৰাচীন আৰু আপুৰুগীয়া পুথিসমূহৰ বৈজ্ঞানিক পদ্ধতিৰে পাঠ-সমীক্ষা কৰিলে ইয়াৰ ইতিহাসেই সলনি হ'ব বুলি আশা কৰিব পাৰি।
- অসমৰ সুযোগ্য সন্তান আনন্দৰাম বৰুৱাই ১৮৭৬ চনতে ভৱভূতিৰ *মহাবীৰ চৰিত* গ্ৰন্থখনি পাঠ-সমীক্ষা পদ্ধতিৰে সম্পাদনা কৰি প্ৰকাশ কৰিছিল।
- কালিৰাম মেধিয়ে ১৯১৩ চনত প্ৰাক্ শংকৰী যুগৰ কবি হেম সৰস্বতীৰ *প্ৰহ্লাদ-চৰিত* পুথি পাঠ-সমীক্ষা পদ্ধতিৰে সম্পাদনা কৰি এই বিষয়ত অভিনৱ আৰু দুৰ্জয় সাহসৰ আদৰ্শৰ পৰিচয় দি থৈ গৈছে।
- অসমীয়া সাহিত্যত বৰ্তমানে এই বিষয়ে গৱেষক-সমালোচকসকলে যথেষ্ট চিন্তা-চৰ্চা আগবঢ়াইছে আৰু তেওঁলোকৰ সম্পাদনাত ভালেকেইখন পুৰণি পুথি সমীক্ষিত ৰূপত হৈ প্ৰকাশ পাইছে।



১৪.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) কাকতি, ডম্বৰু (সম্পা.) (১৯৯৩); *সাহিত্য-সংস্কৃতি সৌৰভ;* শিৱসাগৰ ঃ অসম সাহিত্য সভা।

২) গোস্বামী, মঞ্জু (২০০২); *শ্ৰীশ্ৰীমাধৱদেৱৰ নাম-মালিকা— বৈজ্ঞানিক পদ্ধতিত সমীক্ষিত পাঠ;* গুৱাহাটী ঃ পুথি প্ৰকাশ।

৩) গোস্বামী, মঞ্জু (২০০৯); *চিন্তা-প্ৰৱাহ;* গুৱাহাটী ঃ আখৰ প্ৰকাশ।

৪) গোস্বামী, মালিনী (২০১৩); *পাঠ-সমীক্ষা— সূত্ৰ আৰু প্ৰয়োগ বিধি;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) নেওগ, মহেশ্বৰ (১৯৮৪); *পাঠ-সমীক্ষা;* ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ।

৬) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সম্পা.) (২০০৩); *অসমীয়া সংস্কৃতি;* গুৱাহাটী ঃ বনলতা।

৭) ভৰালী, শৈলেন (সম্পা.) (১৯৮৭); *অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি বিষয়ক প্রবন্ধ সংকলন;* অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, জনমানস।

৮) মহন্ত, বিপুল কুমাৰ (সম্পা.) (১৯৯৬); *অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতি সঞ্চয়ন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৯) পাটগিৰি, দীপ্তি ফুকন (সম্পা.) (২০০৫); *অসম সাহিত্য সভা পত্রিকা,* যোৰহাট।

১০) চন্দ্র প্রসাদ শইকীয়া (সম্পা.) (১৯৯৭); *গৰীয়সী, চতুর্থ বছৰ, দশম সংখ্যা,* গুৱাহাটী ঃ ট্রিবিউন প্রেছ।

১৪.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ পাঠ-সমীক্ষাৰ সাধাৰণ পৰিচয়..... চিন্তা-চর্চা.....অসমত পাঠ-সমীক্ষাৰ চিন্তা-চর্চাৰ চমু আলোচনা।

প্রশ্ন ২ ঃ অসমত প্রাচীন পুথিৰ পৰম্পৰা.....ঐতিহাসিক প্রেক্ষাপট.....পুৰণি পুথি, শিলালেখ, প্রত্নলেখ.....আদিৰ অধ্যয়নৰ.....আলোচনা।

৩নং প্রশ্নৰ উত্তৰ ঃ অসমত পাঠ-সমীক্ষা বিষয়ৰ চিন্তা-চর্চা.... অসমীয়া পুৰণি পাঠৰ সমীক্ষাৰ প্রয়োজনীয়তা.....অসমত সমীক্ষিত পুথিৰ আলোচনা।

১৪.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ পাঠ-সমীক্ষাৰ কাক বোলে? ইয়াৰ এটা সাধাৰণ পৰিচয় দাঙি ধৰক।

প্রশ্ন ২ ঃ পাঠ-সমীক্ষা পদ্ধতি কেতিয়া আৰু ক'ত প্রথমে প্রয়োজন হয়? পাঠ-সমীক্ষাৰ ক্রমবিকাশ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ ঃ অসমত পাঠ-সমীক্ষা পদ্ধতিৰ প্রচলন কেতিয়াৰ পৰা হয়? অসমীয়া সমীক্ষিত পাঠৰ এটি চমু পৰিচয় দাঙি ধৰক।

প্রশ্ন ৪ ঃ অসমত পুৰণি পুথিৰ পাঠ-সমস্যা আৰু ইয়াৰ সমীক্ষাৰ প্রয়োজনীয়তা সম্পর্কে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৫ ঃ অসমত পাঠ-সমীক্ষাৰ প্রয়োজনীয়তা আৰু পৰম্পৰা সম্পর্কে আলোচনা আগবঢ়াওক।



প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

১) কটকী, সর্বেশ্বৰ (২০০৩); *অসমীয়া প্রাচীন লিপি;* ডিব্রুগড় ঃ বনলতা।

২) কটকী, স্নিগ্ধা (২০১৫); *অনুবাদ আৰু সাহিত্যৰ অন্যান্য প্রসংগ,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৩) কাকতি, ডম্বৰু (সম্পা.) (১৯৯৩); *সাহিত্য-সংস্কৃতি সৌৰভ;* আদৰণী সমিতি, অসম সাহিত্য সভা ঃ শিৱসাগৰ।

৪) গোস্বামী, উপেন্দ্রনাথ (২০০৮); *অসমীয়া লিপি;* গুৱাহাটী ঃ অসম প্রকাশন পৰিষদ।

৫) গোস্বামী, যতীন (১৯৯৯); *অসমীয়া লিপিৰ ইতিহাস;* গুৱাহাটী ঃ জয়া প্রকাশন।

৬) গোস্বামী, মালিনী (২০১৩); *পাঠ-সমীক্ষা সূত্র আৰু প্রয়োগ বিধি,* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৭) গোস্বামী, মঞ্জু (২০০২); *শ্রীশ্রী মাধৱদেৱৰ নাম মালিকা বৈজ্ঞানিক পদ্ধতিত সমীক্ষিত পাঠ,* গুৱাহাটী ঃ পুথি প্রকাশ।

৮) গোস্বামী, মঞ্জু (২০০৯); *চিন্তা-প্রৱাহ,* গুৱাহাটী ঃ আখৰ প্রকাশ।

৯) চলিহা, সদানন্দ (১৯৯১); *গুৱাহাটী বুৰঞ্জীৰ খলা-বমাত;* গুৱাহাটী ঃ ষ্টুডেণ্ট ষ্ট'ৰ্চ্।

১০) চন্দ্র প্রসাদ শইকীয়া (সম্পা.) (১৯৯৭); *গৰীয়সী, চতুর্থ বছৰ, দশম সংখ্যা,* গুৱাহাটী ঃ ট্রিবিউন প্রেছ।

১১) ঠাকু�ৰীয়া, ৰামচৰণ (২০০৪); *পাঠ-সমীক্ষাৰ প্রসংগত,* গুৱাহাটী।

১২) ডেকা, উমেশ আৰু ৰায়, নীলমোহন (সম্পা.) (২০০০); *সাহিত্য সমগ্র;* গুৱাহাটী ঃ নৱজীৱন প্রকাশ।

১৩) দাস, নাৰায়ণ (২০০৩); *বিশ্ব লিপিৰ ভূমিকা;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

১৪) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১৫) নেওগ মহেশ্বৰ (২০০৪); *পৰিত্র অসম;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৬) নেওগ, মহেশ্বৰ (১৯৮৪); *পাঠ সমীক্ষা;* ডিব্রুগড় বিশ্ববিদ্যালয়, অসমীয়া বিভাগ।

১৭) নেওগ, হৰিপ্রসাদ আৰু গগৈ, লীলা (সম্পা.) (২০০৩); *অসমীয়া সংস্কৃতি;* ডিব্রুগড় ঃ বনলতা।

১৮) পাটগিৰি, দীপ্তি ফুকন (সম্পা.) (২০০৫); *অসম সাহিত্য সভা পত্রিকা,* যোৰহাট।

১৯) ফুকন পাটগিৰি দীপ্তি (সম্পা.) (২০০৫); অসম সাহিত্য সভা পত্রিকা, যোৰহাট ঃ অসম সাহিত্য সভা।

২০) ভৰালী, শৈলেন (সম্পা.) (১৯৮৭); *অসমীয়া ভাষা সাহিত্য আৰু সংস্কৃতি বিষয়ক প্রবন্ধ সংকলন;* অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, জনমানস।

২১) মহন্ত, সুবাসনা (২০০৩); *উদ্ভৱকালীন অসমীয়া ভাষা;* ডিব্রুগড় ঃ বনলতা।

২২) মহন্ত, বিপুল কুমাৰ (সম্পা.) (১৯৯৬); *অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতি সঞ্চয়ন;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

২৩) শইকীয়া, নগেন (সংকলিত) (১৯৭৫); *অসমৰ লিপি সমস্যা;* যোৰহাট ঃ অসম সাহিত্য সভা।

২৪) শর্মা, ডিম্বেশ্বৰ (২০০২); *প্রাগজ্যোতিষৰ ইতিহাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২৫) শর্মা, সত্যেন্দ্রনাথ (২০০৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ প্রতিভা দেৱী প্রকাশক।

২৬) শর্মা, দুর্গেশ্বৰ (১৯৯৭); *অসমীয়া সাহিত্য বীথিকা;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

ইংৰাজী গ্রন্থ ঃ

1. Borah, Mahendra, (1981); *The Evolution of Assamese Scripts,* Jorhat, Asom Sahitya Sabha
2. Katre, S.M. (1954); Introduction to Indian Texual Criticism; Deccan College.
3. Sarma Dimbeswar (1981); *Kamrupsasanavali.* Gauhati, Publication Board, Assam